
# সূত্ৰধাৰ

১৬-৩১ আগষ্ট, ১৯৯১ □ ছয় টকা






সূত্ৰধাৰ

তৃতীয় বছৰ, পঞ্চদশ সংখ্যা,
১৬-৩১ আগষ্ট, ১৯৯১
Vol. III, No. 15
16-31 August, 1991



## বিষয়-সূচী




প্ৰচ্ছদ নিবন্ধ

**যুদ্ধ আৰু ধেমালি ২৪**

তথ্য আৰু জনসংযোগ বিভাগৰ ভিন ভিন বিষয় আৰু উদ্দেশ্য লৈ অদৃশ্য ভাবে অসমৰ সংবাদ মাধ্যমত মনস্তাত্ত্বিক যুদ্ধখন অহৰহ চলি থকাই নহয়, এই যুদ্ধখনে বিতৰ্কৰ ধুমুহাও তুলিছে। দুলাল বৰাৰ প্ৰচ্ছদত তাৰেই ইংগিত।


**জন, জনসংযোগ আৰু আমি ২৮**

জনসংযোগৰ প্ৰতি আকৃষ্ট হৈ এই বিভাগটোকেই সংস্থানৰ পথ হিচাপে বাছি লোৱা তীৰ্থ ফুকনে তেখেতৰ প্ৰচ্ছদ নিবন্ধত চাকৰি জীৱনৰ ৰসাল বৰ্ণনা আগবঢ়োৱাৰ লগতে এই বিভাগটোৰ খুটিনাটি সমূহ খৰচি মাৰি পঢ়ুৱৈ সমাজলৈ আগবঢ়াইছে

দৃষ্টিকোণ

**মুখ্য মন্ত্ৰীৰ সমূহীয়া ক্ষমাদান খৰখেদা হ'ল ৮**

আততায়ীৰ হাতত অলপতে নিহত হোৱা সাংবাদিক কমলা শইকীয়াই তেখেতৰ জীৱনৰ সাম্ভাব্য এই শেষ লেখাটোত ৰাজ্যখনৰ জটিল পৰিস্থিতিটোৰ ওপৰত তেখেতৰ দৃষ্টিভংগী দাঙি ধৰিছে।

বিশ্ব পৰিক্ৰমা
বিশ্বৰ শান্তিৰ সৈতে অসমৰ শান্তিও জড়িত □ হিতেন মহন্ত ১০

ৰাজনীতি
ভাৰতীয় আঞ্চলিকতাবাদৰ ভৱিষ্যত □ অৰুনী বৰঠাকুৰ ১২

ৰাজধানী সংবাদ
অসমৰ সমস্যা সমূহ সম্পৰ্কে শইকীয়া চৰকাৰৰ দৃষ্টিভংগী ১৫

চুই যাওঁ
বিপ্লৱীয়ে পণ বন্দীক হত্যা নকৰে! ভৰসা নে পৰীক্ষা?
□ অনিল বৰুৱা ২০

বিশেষ নিবন্ধ
সম্পদ হিচাপে 'তথ্য'ৰ প্ৰয়োগ □ ধীৰাজ দাস ৩১

মুখামুখি
'চাকৰি জীৱনত মোৰ ব্যক্তিগত মতামতৰ বাবে ঠায়েই নাই'
□ জ্যোতিপ্ৰসাদ শইকীয়া ৩৩

বিচাৰৰ বাবে
কলিয়াবৰত পৈয়েক মৰিল ঢেকি দিওঁতে মনত পৰিল □ প্ৰহলাদ বৰুৱা ৩৫

বিশ্ববিদ্যালয়ৰ বাতৰি
গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত ঘৃণনীয় হত্যাকান্ড আৰু ইয়াৰ প্ৰতিক্ৰিয়া
□ স্বপ্না বেজবৰুৱা ৪১

নাৰীজগত
নাৰী শ্ৰম আৰু অৰ্থনীতি
□ সবিতা লহকৰ ৪২

চিন্তা
বিষ্ণুৰাভা প্ৰীতি আৰু সংকীৰ্ণ ৰাজনীতি □ তোষেশ্বৰ চেতিয়া ৪৪

দিল্লী ডায়েৰী
প্ৰভাকৰ মাচুৱে □ অৰবিন্দ শৰ্মা ৫৩

বিচিত্ৰা
সীতা আৰু দৌপদীৰ প্ৰাসঙ্গিকতা
□ দীপিকা বৰগোহাঁই ৬০

চিঠি ৪
সম্পাদকীয় ৭
সংবাদ প্ৰবাহ ২২
কবিতা ৩৭
সম্পাদকৰ টোকাবহী ৩৮
গ্ৰন্থজগত ৪৫
উপন্যাস ৫৫
ঘৰজেউতি ৬১


বেটুপাত □ চম্পক বৰবৰা
বেটুপাতৰ ফটো □ জনসংযোগ


সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি
সম্পাদনা সহকাৰী
মালবিকা পাঠক
মুখ্য প্ৰতিবেদক
হৰেন বুঢ়াগোহাঞি
কলা নিৰ্দেশক
চম্পক বৰবৰা
কাৰ্যধ্যক্ষ
অনিল কুমাৰ গগৈ

পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এন্ড পাব্লিকেশানচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী- ১-ৰ পৰা প্ৰকাশিত। □ ফোন ২৪৮৫৪, ২৭৮২৩, ৩৩৬১৮

Business Manager (New Delhi) P.K. Narain/121 Ashok Vihar, New Delhi-110052. Ph. 7231350(R) □


SCD

## প্ৰাত্যহিক

আপোনাৰ সম্পাদিত ১-১৫ জুলাই '৯১ সংখ্যা সূত্ৰধাৰত গৰিমা হাজৰিকাই লেখা প্ৰাত্যহিক শিতানটি পঢ়ি ভাল লাগিল। লেখিকাই কোৱাৰ দৰে মানুহবোৰৰ যে কি কাণ্ড! তেত্ৰিছ কোটি দেৱতাক একোটাকৈ আকৃতি দি ভাগে ভাগে পূজিছে। তেখেতে লিখাৰ দৰে চতুৰ্ভুজ নাৰায়ণৰ শংখ, চক্ৰ, গদা-পদ্মৰ ব্যাখ্যাটোত তেখেত যিদৰে নিজেই সন্তুষ্ট ময়ো কিন্তু সমানেই সন্তুষ্ট। তেখেতৰ ব্যাখ্যাৰ সেই চতুৰ্ভুজ নাৰায়ণক পূজিবলৈ নিৰ্জীৱ মূৰ্তিৰ কোনো প্ৰয়োজন নাই। যদি "মানুহেই দেৱ মানুহেই সেৱ মানুহেই পৰাৎপৰ" তেনেহ'লে তেত্ৰিছ কোটি দেৱতাৰ একোটা নিৰ্জীৱ মূৰ্তিক পূজাতকৈ মানুহে মানুহকে পূজিবলৈ শিকাহে উচিত।

প্ৰাত্যহিক শিতানত গৰিমা হাজৰিকাৰ এনে ধৰণৰ লেখা আশা কৰিলো।

ৰূপজ্যোতি শইকীয়া
ৰজাবাৰী, বোকাখাট

## পূঞ্জীভূত মৰ্মবেদনাৰে জৰ্জৰিত অৱহেলিত মৰাণসকল

নকুল দত্তদেৱৰ এই প্ৰবন্ধটি প্ৰকাশ কৰিবলৈ, আমি জনাত অসমৰ আগশাৰীৰ দুই এখন আলোচনীয়ে ভয় কৰিলে বা যুক্তি যুক্ততা নাপালে বা অনীহা প্ৰকাশ কৰিলে। অৱশেষত 'সূত্ৰধাৰে' নিৰ্ভীক ভাবে আৰু দায়িত্ব সহকাৰে ইয়াক প্ৰকাশ কৰিলে। মোৰ অগ্ৰজ প্ৰতিম নকুল দত্তদেৱৰ কষ্ট অথলে নগ'ল। মৰাণসকলৰ মৰ্মবেদনাক অসমবাসীৰ আগত দাঙি ধৰিবলৈ তেওঁ সফল হ'ল। স্নেহেহে সূত্ৰধাৰ আৰু নকুল দত্তদেৱলৈ সদৌ অসম মৰাণ ছাত্ৰ সংস্থাৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

এই নিবন্ধ প্ৰকাশ পোৱাৰ পাছতঃ

১। অসম সাহিত্য সভা যদি জড় পদাৰ্থ নহয়, তেতিয়াহ'লে আমাৰ প্ৰস্তাৱ আৰু অনুৰোধ কিয় তেওঁলোকে কাৰ্যকৰী কৰা নাই বা কৰিব পৰা নাই তাৰ যুক্তিপূৰ্ণ ব্যাখ্যা দাঙি ধৰক। অন্যথা..........

২। জীৱিত সাহিত্যিকসকলে তেওঁলোকৰ লেখাৰ বিজ্ঞান সন্মত, যুক্তিপূৰ্ণ, গ্ৰহণযোগ্য ব্যাখ্যা আগবঢ়াওক। অন্যথা........... (এই ক্ষেত্ৰত ড০ চন্দ্ৰ কটকীদেৱে তেখেতৰ অনিচ্ছাকৃত ভুলৰ বাবে ইতিমধ্যে অসমবাসীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছে)

৩। আমাৰ দৰে সাম্প্ৰদায়িক সংগঠনৰ নামত কুকুৰো নোপোহা অসমৰ জনপ্ৰিয় সংগঠনসমূহে এই নিবন্ধৰ ওপৰত মতামত ব্যক্ত কৰক। সদৌ অসম মৰাণ ছাত্ৰ সংস্থাই এনে পৰিস্থিতিত কি কৰিব লাগে উপদেশ আগবঢ়াওক। অন্যথা ..........

৪। সংৰক্ষণৰ বিৰুদ্ধে মাত মতা ব্যক্তি তথা সংগঠন সমূহে চিকিৎসালয়ত ডাক্তৰৰ পুত্ৰ কন্যাৰ বাবে আসন সংৰক্ষণ থকাৰ বিপৰীতে আমাৰ দৰে জনগোষ্ঠীৰ নথকাৰ কাৰণ সম্বন্ধে উপযুক্ত ব্যাখ্যা দিয়ক।

[এইখিনিতে মন কৰিব লগীয়া যে চিকিৎসা মহাবিদ্যালয়ত সংৰক্ষণ থকা এই আসন কেইখন চিকিৎসা বিভাগত কাম কৰা (চাকৰি) সমূহ কৰ্মচাৰীৰ পুত্ৰ কন্যাৰ নামত আছে যদিও এই আসন কেইখনৰ প্ৰতিযোগিতাত চুইপাৰ বা তৃতীয়, চতুৰ্থ শ্ৰেণীৰ চাকৰিয়ালৰ পুত্ৰ কন্যাই জয়ী হোৱাৰ কোনো আশা আৰু যুক্তি নাই।]

এই "অন্যথা"বোৰৰ সিদ্ধান্ত আমি এতিয়াও লোৱা নাই। কাৰণ আমাৰ ধৈৰ্য শক্তি অসীম। আমি আশাবাদী। আমি বিশ্বাস কৰো ঐক্য, শান্তি আৰু প্ৰগতিক। কিন্তু আমাৰ এই অসীমতাক, আশাক, বিশ্বাসক যদি দুৰ্বলতা বুলি গণ্য কৰা হয়, ইয়েই যদি আমাৰ অনগ্ৰসৰতাৰ কাৰণ বুলি বিবেচিত হয় তেতিয়াহ'লে অদূৰ ভৱিষ্যতে অসমৰ পূব প্ৰান্ত জ্বলি উঠিব তথাকথিত এক সাম্প্ৰদায়িকতাৰ জুইৰে।

সামৰিব খুজিছো গুৱাহাটীৰ জৰ্জ খেলপথাৰত আমি চিঞৰি চিঞৰি কোৱা কথা এষাৰেৰে– 'যদি সম্ভৱ হয়, অসমৰ সমূহ সম্প্ৰদায় তথা জনগোষ্ঠীয়ে নিজৰ নিজৰ স্বকীয়তা এৰি; শৰ্মা, বৰদলৈ, ডেকা, সোণোৱাল, গগৈ, বসুমতাৰী, শইকীয়া ইত্যাদি ইত্যাদি উপাধিবোৰ এৰি 'অসমীয়া' উপাধি লিখিবলৈ লয়, তেতিয়াহ'লে অসমৰ প্ৰথম অসমীয়া উপাধি লিখা মানুহজন হব 'তৰুণ মাধৱ অসমীয়া'।

তৰুণ মাধৱ মৰাণ
সভাপতি
সদৌ অসম মৰাণ ছাত্ৰ সংস্থা

## অসমৰ নতুন মন্ত্ৰী সভা

সূত্ৰধাৰৰ তৃতীয় বছৰ, ত্ৰয়োদশ সংখ্যা (১৬-৩১ জুলাই, ১৯৯১)-ত ওপৰোক্ত শিৰোনামাৰে প্ৰকাশিত সম্পাদকীয়টো পঢ়ি আনন্দিত হ'লো। আমাৰ বোধেৰে অসমৰ নতুন চৰকাৰটোৰ প্ৰতি কৰা গঠনমূলক সমালোচনাৰ (এই পত্ৰ লেখকৰ অধ্যয়নৰ পৰিসীমাৰ ভিতৰৰ) এক অন্যতম সম্পাদকীয় আৰু সূত্ৰধাৰত প্ৰকাশ পোৱা (বহু দিনৰ মূৰত) অসমৰ জনসাধাৰণৰ এক গ্ৰহণযোগ্য সম্পাদকীয়।

এক প্ৰতিকূল পৰিস্থিতিৰ মাজেৰে চৰকাৰ গঠন কৰা হিতেশ্বৰ শইকীয়াই যে অসমৰ জনসাধাৰণক প্ৰথম পদক্ষেপতেই কিছু পৰিমাণে হতাশ কৰিলে, সি এক নিষ্ঠুৰ সত্য। নিজেই বাৰে বাৰে আৰ্থিক সংকটৰ কথা দোহাৰি কিয় এক বৃহৎ মন্ত্ৰী সভা গঠন কৰিলে, সি অসমৰ জনসাধাৰণৰ দুৰ্বোধ্য হৈ থকা নাই।

চৰকাৰ গঠন কৰা দলটোৰ সমৰ্থক নহ'লেও আমি নতুন চৰকাৰটোৰ পৰা আশা কৰিছো শান্তি আৰু অৰ্থনৈতিক প্ৰগতি। অসমৰ জনসাধাৰণৰ মংগলৰ বাবে চিন্তা চৰ্চা কৰা প্ৰতিজন ব্যক্তিয়েই বোধকৰো উক্ত সম্পাদকীয়ৰ মূল মতৰ লগত দ্বিমত নহব। তেনে জনসাধাৰণৰ এজন বুলি ভাবিয়েই আমি আশা কৰিছিলো নতুন মুখ্য মন্ত্ৰী গৰাকীয়ে কংগ্ৰেছৰ গ্লানিময় অতীতৰ কথা মনত ৰাখিয়েই নিশ্চয় নতুন চিন্তা চৰ্চাৰে কাম কৰিব। কিন্তু সেই অতীতকেই পুনৰাবৃত্তি কৰি কংগ্ৰেছ দলটোৱে সঁচাকৈয়ে প্ৰমাণ কৰি দিলে যে বিশ্বৰ পৰিবৰ্তনৰ ঢৌৱে অসম কংগ্ৰেছৰ গাৰ নোম এডালকে চুব পৰা নাই। পঁয়ত্ৰিশ জন মন্ত্ৰীৰ লৈও মুখ্য মন্ত্ৰীৰ হাতত বিত্ত, গৃহ আদিৰ দৰে গুৰুত্বপূৰ্ণ ইমানবোৰ দপ্তৰ ৰাখি প্ৰমাণ কৰি দিলে যে মুখ্য মন্ত্ৰী গৰাকীয়ে কংগ্ৰেছৰ বিধায়ক সকলৰ যোগ্যতা সম্পৰ্কে যথেষ্ট সন্দিহান। অথচ তেওঁলোকক বিদ্ৰোহ নকৰিবৰ বাবেই হওক বা হাতৰ মুঠিত ৰাখিবৰ বাবেই হওক মন্ত্ৰী সভাত স্থান দিয়া হৈছে।

দক্ষ ৰাজনীতিবিদ বুলি স্বীকাৰ কৰি ললেও মুখ্য মন্ত্ৰীৰ নিজৰ ভাষাতেই "অসমৰ এই দুৰ্যোগপূৰ্ণ অৱস্থা"ত এজন কঠিন ব্যাধিগ্ৰস্ত মুখ্য মন্ত্ৰীয়ে কিদৰে ইমানবোৰ গধুৰ দপ্তৰ চম্ভালিব পাৰিব সি এক সন্দেহৰ বিষয়। চৰকাৰটো কেনেদৰে চলা উচিত তাক আলোচনা কৰাটো নিৰৰ্থক বুলি জানিলেও অসমৰ জনসাধাৰণৰ স্বাৰ্থতেই এনে এক বৃহৎ মন্ত্ৰী সভা আৰু মুখ্য মন্ত্ৰীৰ হাতত ইমানবোৰ গুৰুত্বপূৰ্ণ দপ্তৰ ৰখাটো নিশ্চয় সমৰ্থন কৰিব নোৱাৰি।

সম্পাদকীয়ৰ তিনি আৰু চাৰি নং দফাতেই বৰ্তমান ৰাজনীতিৰ কদৰ্য ৰূপটো সুন্দৰকৈ প্ৰকাশ পাইছে। পৰিবৰ্তনকামী ভোটাৰ ৰাইজ কিদৰে প্ৰতাৰিত হৈছে তাক স্পষ্টকৈ প্ৰকাশ কৰাৰ বাবে সম্পাদকলৈ ধন্যবাদ থাকিল। অসমৰ জনসাধাৰণৰ মাত্ৰ ২৮ শতাংশ লোকৰ সমৰ্থন প্ৰাপ্ত চৰকাৰটোৰ মুৰব্বী হিচাপে মুখ্য মন্ত্ৰীয়ে যিদৰে দলৰ বিধায়ক সকলক জনসাধাৰণতকৈ আগ স্থান দি কিদৰে জনসাধাৰণৰ সমৰ্থন লাভ কৰিবলৈ চেষ্টা কৰে তাক চাবৰ বাবে অসমৰ জনসাধাৰণে নিশ্চয় আগ্ৰহেৰে বাট চাই ৰ'ব।

দিগন্ত মংগল নেওগ
শিৱসাগৰ

## জীৱন বীমা জাতীয়কৰণ

১৬-৩০ জুন সংখ্যা সূত্ৰধাৰত 'দৃষ্টিকোণ' শিতানত "ৰাজীৱক মাৰিলে– কিন্তু কিয়?" শীৰ্ষক প্ৰবন্ধত ঘনকান্ত লস্কৰ ডাঙৰীয়াই এটি ভুল তথ্য দিছে। ৩৭ পৃষ্ঠাত তেখেতে লিখিছে– 'ইয়াৰ পিছতে বেংক আৰু জীৱন বীমা জাতীয়কৰণ কৰিলে।' ইন্দিৰা গান্ধীয়ে বেংক আৰু সাধাৰণ বীমা ব্যৱসায়হে জাতীয়কৰণ কৰিছিল। জীৱন বীমা ব্যৱসায় ১৯৫৬ চনৰ মাজ ভাগতেই প্ৰথম বিত্তমন্ত্ৰী চি, ডি দেশমুখ ডাঙৰীয়াই জাতীয়কৰণ কৰিছিল। প্ৰতিযোগিতাৰ দিনত অনুসন্ধিৎসু পাঠকৰ সুবিধাৰ বাবে কথাটো উনুকিয়ালো। লেখকলৈ ধন্যবাদ থাকিল।

উক্ত সংখ্যাটোৰ বেটুপাততো এটি ভুল থাকি গ'ল। লেখা হ'ল "১৬-৩১ জুন, ১৯৯১ ছয় টকা।" জুন মাহ ৩০ দিনীয়া। ভুলটো সামান্য। আগলৈ সাৱধান হ'লে ভাল হয়।

দীপ বৰা
জ্যোতিনগৰ, নগাঁও

## অসমৰ সাম্প্ৰতিক চিত্ৰকলা

সূত্ৰধাৰৰ তৃতীয় বছৰ ত্ৰয়োদশ সংখ্যাত প্ৰকাশিত প্ৰচ্ছদ নিবন্ধ আৰু হেমন্ত বৰ্মন লিখিত "অসমৰ সাম্প্ৰতিক শিল্পকলা" শীৰ্ষক বিশেষ নিবন্ধ পঢ়িলো।

নিজে শিল্পী নহ'লেও এজন সামান্য শিল্পৰসিক হিচাপে সূত্ৰধাৰত প্ৰকাশিত এই দুয়োটা গুৰুত্বপূৰ্ণ নিবন্ধৰ দ্বাৰা বিশেষ ভাবে উপকৃত হৈছো। হেমন্ত বৰ্মনৰ নিবন্ধটিৰ পৰা আধুনিক অসমৰ ক্ৰমবিকাশৰ ধাৰাৰ সতে পৰিচয় হোৱাৰ সমলৰ সন্ধান পাইছো। অসমৰ শিল্প কলালৈ বৰঙণি আগবঢ়োৱা শিল্পী হেমন্ত মিশ্ৰৰ নাম সম্ভৱতঃ নিবন্ধটিত হেমন্ত মিত্ৰ নামেৰে প্ৰকাশিত হৈছে। অৱশ্যে এয়া মোৰ ধাৰণাহে। এই বিষয়ে জানিবলৈ পালে সুখী হম। অসমৰ বিভিন্ন ঠাইত শিল্প কলাৰ চৰ্চাৰ এক পৰিবেশ গঢ়াৰ প্ৰচেষ্টা আৰম্ভ হৈছে। সূত্ৰধাৰৰ পাততেই এনে শিল্প কলাৰ অনুষ্ঠান সমূহৰ বিষয়ে পঢ়িবলৈ আগ্ৰহেৰে বাট চাই ৰ'লো।

প্ৰচ্ছদ নিবন্ধটিৰ যোগেদি গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ বিষয়ে জনাৰ লগতে অসমৰ শিল্প কলা সম্পৰ্কে কেইগৰাকীমান বিশিষ্ট ব্যক্তিৰ মন্তব্য পঢ়িলো। গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ সমূহ শিল্পীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। শিল্প কলাৰ সতে জড়িত বহু শিল্পীৰেই আৰ্থিক অৱস্থা ভাল নহয়। সেয়ে অসমৰ বিভিন্ন প্ৰান্তত থকা তেনে শিল্পী সকললৈ যথোচিত চৰকাৰী সাহায্য আদিৰ বাবে জোৰ দিবলৈ গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ দৰে স্বনামধন্য অনুষ্ঠানক আহ্বান জনালো।

এটা পূৰ্ণাংগ আৰ্ট গেলেৰী নথকা অসমৰ দৰে এখন ৰাজ্যত শিল্প কলাৰ প্ৰদৰ্শনৰ কিমান অসুবিধা সেই বিষয়ে শিল্পীসকল নিশ্চয় জ্ঞাত। সেয়ে বৰ্তমান গুৱাহাটীত ভাড়া ব্যৱস্থাৰে পৰিচালিত অস্থায়ী আৰ্ট গেলেৰীৰ সলনি কেৱল গুৱাহাটীতেই নহয় অসমৰ প্ৰতিখন জিলা আৰু মহকুমাৰ সদৰ আৰু চহৰ সমূহত একোটাকৈ আৰ্ট গেলেৰী স্থাপনৰ দাবী উত্থাপন কৰো আহক। এনে গেলেৰী সমূহত শিল্প কলাৰ প্ৰদৰ্শন, চৰ্চা আৰু সংৰক্ষণৰ ব্যৱস্থা কৰা হওক। অসমৰ প্ৰাণকেন্দ্ৰ স্বৰূপ গুৱাহাটীৰ আৰ্ট গেলেৰীটো কেন্দ্ৰীয় আৰ্ট গেলেৰী আৰু শিল্প কলাৰ মুখ্য কেন্দ্ৰ হিচাপে স্থাপন কৰা হওক।

এনে কৰিলে শিল্পী তথা শিল্পৰসিক সকলৰ সুবিধা হোৱাৰ লগতে বৰ্তমানৰ শিল্পী তথা শিল্প কলাক লৈ ভৱিষ্যৎ ইতিহাস প্ৰণয়নত সহায়ক হব আৰু জনগণৰ মাজত এক সাংস্কৃতিক জাগৰণৰ জন্ম হব। এই দাবী কেৱল এচাম শিল্পীৰ নহৈ অসমৰ সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু শিল্প কলাৰ শ্ৰীবৃদ্ধিৰ বাবে জনগণৰ দাবী হওক।

সূত্ৰধাৰে এই ক্ষেত্ৰত সূত্ৰ ধৰিব নোৱাৰেনে?

পৱন কুমাৰ কলিতা
দৰং

*উল্লিখিত প্ৰবন্ধটোত শিল্পী হেমন্ত মিশ্ৰৰ নামটো হেমন্ত মিত্ৰ হৈ ছপা হোৱা বাবে আমি দুখিঃত।*

*–সূত্ৰধাৰ*

## অৱহেলিত মৰাণসকল

'সূত্ৰধাৰ'ৰ তৃতীয় বছৰ, ত্ৰয়োদশ (১৬-৩১) জুলাই সংখ্যাত প্ৰকাশিত নকুল দত্তৰ 'পুঞ্জীভূত মৰ্মবেদনাৰে জৰ্জৰিত অৱহেলিত মৰাণসকল' শীৰ্ষক বিশেষ নিবন্ধটি পঢ়ি আনন্দিত হ'লো। অসমৰ ভূমিপুত্ৰ স্বৰূপ ঐতিহ্যপূৰ্ণ মৰাণসকলৰ বৰ্তমানৰ স্থিতি সম্পৰ্কে বিস্তৃত তথ্য সম্বলিত সময়োপযোগী নিবন্ধটি যুগুতাই 'সূত্ৰধাৰ'ৰ দৰে বহুল প্ৰচাৰিত জনপ্ৰিয় আলোচনী এখনৰ মাধ্যমেৰে প্ৰচাৰ কৰি দত্ত ডাঙৰীয়াই এক আপুৰুগীয়া কৰ্তব্য আৰু দায়িত্ব সম্পাদন কৰাই নহয় সংশ্লিষ্ট জনগোষ্ঠীটোৰো নিশ্চয় শ্ৰদ্ধাৰ পাত্ৰ হৈছে।

কিন্তু উল্লেখ কৰিব লগীয়া বিষয় হ'ল যে নিবন্ধটিত মৰাণসকলৰ সমাজ আৰু ভাষা তাত্বিক দিশৰ বিষয় বস্তুৰ আলোচনা প্ৰসংগত তথ্যগত আৰু মন্তব্যসূচক ভালেমান কথা মোৰ পিতৃ শ্ৰীসুশীল কুমাৰ গগৈৰ প্ৰকাশিত প্ৰবন্ধ এটাৰ পৰা হুবহু তুলি নি লিপিবদ্ধ কৰা হৈছে। অসম সাহিত্য সভাৰ বিগত ডুমডুমা অধিৱেশনত অভ্যৰ্থনা সমিতিৰ দ্বাৰা প্ৰকাশ কৰা 'মৰাণ সংস্কৃতিত এভুমুকি' নামৰ প্ৰবন্ধ সংকলনটিত সন্নিবিষ্ট উক্ত প্ৰবন্ধটোৰ ভালেখিনি তথ্যসম্ভাৰ আৰু গুৰুত্বপূৰ্ণ মতামত অবিকৃত ভাবেই তুলি নি দত্ত ডাঙৰীয়াই নিজাববীয়াকৈ তেখেতৰ নিবন্ধটিত যুগুত কৰিছে কিন্তু মূল লেখকৰ প্ৰতি কোনো ঠাইতে ঘূণাক্ষৰেও ঋণ স্বীকাৰ কৰাৰ প্ৰয়োজন বোধ নকৰিলে। তেখেতৰ এনে আচৰণ আৰু প্ৰবৃত্তিৰ অন্তৰ্নিহিত উদ্দেশ্য কি?

এই প্ৰসংগতে উল্লেখ কৰো যে মটক-মৰাণ তথা অসমৰ মায়ামৰা সমাজৰ সামাজিক-সাংস্কৃতিক বিষয়ক মোৰ পিতৃৰ বিভিন্ন কাগজ-আলোচনীত বিক্ষিপ্ত ভাবে সিঁচৰতি হৈ থকা প্ৰকাশিত অন্যান্য কিছুমান লেখাৰ পৰাও কোনো কোনো লেখকে একে ধৰণেৰে হুবহু তথ্যপাতি সৰকাই নি গা এৰা দিয়া ধৰণৰ সাধাৰণ স্বীকাৰোক্তি এটা ৰাখিয়েই আনৰ জ্ঞানেৰে নিজ গৰিমা প্ৰচাৰ কৰা প্ৰবৃত্তিত লিপ্ত হোৱাটো ইতিপূৰ্বেও আমি অত্যন্ত দুখ আৰু পৰিতাপেৰে লক্ষ্য কৰিছো। আমাৰ বুদ্ধি জীৱী সকলৰ ই কেনে ধৰণৰ মনোভাব? কুম্ভিলক বৃত্তিৰে অন্যত্ৰ এক আচৰণ বুলি ভাবিম নেকি!

মোৰ পিতৃয়ে চৰকাৰী কৰ্মৰত ব্যস্ত জীৱন লৈ আজি কিছু বছৰৰ পৰা প্ৰায় প্ৰবসুৱা জীৱনেই কটাব লগীয়া হোৱাত এইবোৰ কথা-কাণ্ড তেখেতৰ দৃষ্টি গোচৰলৈ নহাটোৱেই স্বাভাৱিক বুলি জানি পিতৃৰ প্ৰতি থকা সন্তানৰ দায়িত্ব বিবেচনাৰেই আমাৰ ফালৰ পৰাই প্ৰসংগটো অৱতাৰণা কৰাৰ আৱশ্যকতা বোধ কৰিলো আৰু আপোনাৰ দৃষ্টিগোচৰলৈও আনিলো। আশা কৰো গুৰুত্ব ভেদে আপুনিও চিঠিখনি যথাস্থানত সোনকালে প্ৰকাশ কৰি আমাৰ উৎসুক্য মানসিক অৱসাদ আৰু চিন্তা উপশম কৰাত সানন্দেৰে সহযোগ আগবঢ়াই কৃতাৰ্থ কৰিব।

– ইতি
নৱনীতা গগৈ
তিনিচুকীয়া

## অসমৰ নতুন চৰকাৰ, বিজিত শইকীয়া আৰু উদ্যোগীকৰণ

কলেজত পঢ়ি থকা দিনত এবাৰ তেজপুৰলৈ যাওঁতে নগৰখনৰ বিভিন্ন অঞ্চলত ফুৰাৰ অভিজ্ঞতা হৈছিল। মোৰ বাইদেউ স্বৰ্গীয়া দিপালী দত্ত হাজৰিকাই (জেঠাইৰ ছোৱালী) কেতেকীবাৰীলৈ ফুৰিবলৈ যাওঁতে চিনাকি কৰি দিছিল এজন সফল উদ্যোগী ডেকাৰ লগত– নামটো শ্ৰীবিজিত শইকীয়া। তেখেতৰ ফিয়েটখনত দা ধৰাৰে আহি থাকোতে সৌজন্যমূলক কথা-বতৰা হৈছিল আমাৰ মাজত। আজিৰ পৰা একৈশ বছৰৰ আগৰ কথা কৈছো। এক আকৰ্ষণীয় ব্যক্তিত্বৰ এই ডেকাজনক মই পাহৰা নাই। মই দেখা পাইছিলো ডেকাজনৰ মাজত এক গতিশীল ব্যক্তিত্ব আৰু প্ৰখৰ বুদ্ধিমত্তা। মোৰ ধাৰণা সঁচা হ'ল তেতিয়াই যেতিয়া বাইদেউ বাইদেউৰ মুখে গম পাইছিলো যে ৰাজহুৱা স্বাৰ্থৰ বিভিন্ন আন্দোলনত বিজিত শইকীয়াৰ নেতৃত্বই তেজপুৰৰ ৰাইজৰ মাজত এক বিশেষ স্থান লাভ কৰিছিল। উল্লেখ কৰা শ্ৰীবিজিত শইকীয়া আজি অসমৰ উদ্যোগ মন্ত্ৰী। মন্ত্ৰী বিজিত শইকীয়াৰ প্ৰতি মোৰ ধাৰণা কিছু সুকীয়া। নতুন চৰকাৰৰ এক গুৰুত্বপূৰ্ণ বিভাগৰ দায়িত্ব তেখেতৰ ওপৰত ন্যস্ত হৈছে। মন্ত্ৰী ডাঙৰীয়াৰ এক গতিশীল আধুনিক দৃষ্টিভংগী আছে বুলি মই বিশ্বাস কৰো আৰু অসমৰ জনসাধাৰণে তেখেতৰ কাৰ্য দক্ষতাৰ ওপৰত আস্থা ৰাখিব পাৰে। ভাৰতৰ এমূৰে অৱস্থিত এই ৰাজ্যখনৰ ঔদ্যোগিক উন্নয়ন এই মুহূৰ্তত জৰুৰী হৈছে। কেই হাজাৰমান চাকৰি সৃষ্টিৰ বাবেই এই উদ্যোগীকৰণ যে প্ৰয়োজনীয় তেনে নহয়, বৰঞ্চ সামগ্ৰিক উন্নয়নৰ লগতে ব্যৱসায় বাণিজ্যৰ সম্প্ৰসাৰণৰ মাজেদি ৰাজ্যখনৰ আৰ্থ-সামাজিক ভেটিটোৰ পৰিবৰ্তনৰ ইংগিত ইয়াত আছে।

আমি কেনেকুৱা উদ্যোগ গঢ়িম সেইয়া এক বেলেগ বিষয়। উদ্যোগ চিনাক্তকৰণ, কেঁচামাল, বজাৰকে আদি কৰি বিভিন্ন বিষয় পৰ্যালোচনাৰ পাছত এক সিদ্ধান্তলৈ অহা সম্ভৱপৰ। কিন্তু আটাইতকৈ প্ৰয়োজনীয় বিষয়টো হৈছে যে উদ্যোগীকৰণৰ বেলিকা আমি চৰকাৰী খণ্ডত উদ্যোগ স্থাপনৰ বাবে বাট চাই থাকিম নেকি? ব্যক্তিগত খণ্ডত নতুন উদ্যোগী সকলক অনুপ্ৰাণিত কৰি উদ্যোগীকৰণৰ বাটত আগবাঢ়িব পাৰিলে আমি সামগ্ৰিক সাফল্য লাভ কৰাৰ সম্ভাৱনা অধিক। বাছৰ মালিক হবলৈ হাবিয়াস কৰা উদ্যোগী যুৱক আমাৰ মাজত অসংখ্য আছে। উদ্যোগ গঢ়িবলৈ যুৱকৰ অভাৱ। এইয়া যুৱক সকলৰ দোষ নহয়। কৃষি ভিত্তিক অৰ্থনীতিৰ পৰা আহি উদ্যোগ গঢ়াৰ কৌশল, সংস্কৃতি অসমীয়া যুৱকে ইমান সহজে ৰপ্ত কৰিব নোৱাৰে। এই সম্ভাৱনাপূৰ্ণ যুৱক সকলক গঢ় দিয়াৰ দায়িত্ব আমাৰ। আহমেদাবাদত অৱস্থিত ই ডি আই-ত সম্ভাৱনাপূৰ্ণ যুৱক সকলক উদ্যোগী কৰি গঢ়ি তোলা হৈছে এক বিশেষ আঁচনিৰ মাধ্যমত। আজি গুজৰাটৰ ঔদ্যোগিক অগ্ৰগতি আমাৰ ঈৰ্ষাৰ বিষয়। উদ্যোগ গঢ়াৰ বাবে মানৱ সম্পদ উন্নয়নৰ দিশটোৰ কথা বিবেচনা কৰি আগবাঢ়িলে আন্ত গাঁথনি এটা তৈয়াৰ হব বুলি আশা কৰা যায়। নতুন উদ্যোগ মন্ত্ৰীয়ে এই দিশটো গুৰুত্ব সহকাৰে বিবেচনা কৰিব বুলি আশা কৰিছো। বিভিন্ন পৰ্যায়ত ৰূপায়ণৰ পথত থকা প্ৰকল্প সমূহৰ দ্ৰুত কাৰ্য ব্যৱস্থা গ্ৰহণ এই মুহূৰ্তৰ জৰুৰী বিষয় যিহেতু পলম হৈ গ'লে প্ৰকল্পৰ নিৰ্মাণ খৰচ অসম্ভৱ ভাবে বাঢ়ি যাব। দক্ষ মুখ্য মন্ত্ৰী গৰাকীয়ে উপযুক্ত লোকক উদ্যোগৰ দৰে গুৰুত্বপূৰ্ণ বিভাগৰ মন্ত্ৰিত্ব অৰ্পণ কৰিছে বুলি মই ব্যক্তিগত ভাবে অনুভৱ কৰিছো। মোৰ মনলৈ অহা এক দৃঢ় প্ৰত্যয়ৰ বাবে অসমৰ সামগ্ৰিক স্বাৰ্থত এই চমু আলচ আগবঢ়ালো লগতে উদ্যোগ মন্ত্ৰীৰ উত্তৰোত্তৰ সাফল্য কামনা কৰিছো।

শ্ৰীপ্ৰণব কুমাৰ হাজৰিকা

## লক্ষ্যধৰ চৌধুৰী

অসমৰ সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱনৰ সৰ্বজনমান্য শীৰ্ষস্থানীয় ব্যক্তি শ্ৰীযুত লক্ষ্যধৰ চৌধুৰীৰ ব্যক্তিত্বৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিবলৈ 'সূত্ৰধাৰ'ৰ এটি বিশেষ সংখ্যা প্ৰকাশৰ ব্যৱস্থা কৰাত আপোনাক সৰ্বান্তকৰণে ধন্যবাদ জনাইছো। ৭৫ বছৰ বয়সলৈকে নিৰৱচ্ছিন্নভাবে সাহিত্য চৰ্চাত মনোনিবেশ কৰাৰ উপৰি সামাজিক কামৰ বিভিন্নস্তৰত আন্তৰিকতাৰে সহযোগ কৰি তেখেত সাহিত্য সামাজিক জীৱনৰ এজন জনপ্ৰিয় ব্যক্তি হিচাপে স্বীকৃতি পাইছে। তেখেতৰ সান্নিধ্যলৈ অহা প্ৰতিজন লোকে তেখেতৰ সুবিশাল ব্যক্তিত্ব আৰু মহত্বৰ পৰিচয় পাইছে। আমি নিজেও সেই মহৎ ব্যক্তিজনৰ আকাশৰ দৰে উদাৰ হৃদয়ৰ আভাস পোৱাৰ সৌভাগ্য হৈছে। কথা প্ৰসংগত তেখেতে উল্লেখ কৰে–"জীৱন জুখিবা হাঁহিৰে, চকুপানীৰে নহয়। জীৱন জুখিবা বন্ধুৰে বয়সেৰে নহয়।" চৌধুৰীদেৱৰ প্ৰাণখোলা হাঁহি আৰু কথা বতৰাৰ মাজত প্ৰকাশ পাইছে এইটো জীৱন দৰ্শন।

সূত্ৰধাৰত চৌধুৰীৰ ব্যক্তিত্ব আৰু কৰ্ম সম্পৰ্কে পৰিচয় মূলক যি কেইখন ৰচনা প্ৰকাশ পাইছে সেইকেইখনে পাঠকক আনন্দ দিয়াই নহয় চৌধুৰী সম্পৰ্কে অনেক নজনা কথা পাইছে। সংখ্যাটিত আমি এটি অভাৱ অনুভৱ কৰিলো। চৌধুৰীদেৱৰ সাহিত্য কৰ্ম সম্পৰ্কে আলোচনা থকা এটি নিবন্ধ প্ৰকাশ পোৱা হলে সংখ্যাটিৰ গুৰুত্ব বাঢ়িলহেঁতেন। আমি আশা কৰো পৰৱৰ্তী সংখ্যাত হলেও তেখেতৰ সাহিত্য কৃতি সম্পৰ্কে গভীৰ আলোচনা সমৃদ্ধ প্ৰবন্ধ প্ৰকাশ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব।

অসমৰ শীৰ্ষস্থানীয় নাট্যকাৰ, অভিনেতা, সাহিত্যিক, সমাজসেৱক, ব্যক্তিত্ব সম্পন্ন চৌধুৰীৰ নিচিনা ব্যক্তিক অসম সাহিত্য সভাৰ সভাপতিৰ পদত অধিষ্ঠিত কেতিয়াবাই কৰাৰ কথা ভবাৰ প্ৰয়োজন আছিল। যিটো বয়সত সাহিত্য সভাৰ দৰে জাতীয় সুবৃহৎ অনুষ্ঠানক নেতৃত্ব দিব পাৰিলেহেঁতেন সেই বয়স পাৰ হৈ গ'লেও ৭৫ বছৰ বয়সতো তেখেতৰ উদ্যম শলাগিব লগীয়া। অসম সাহিত্য সভাৰ সভাপতিৰ পদটো জাতীয় সন্মান বুলি ধৰিলে চৌধুৰীক সেই সন্মান দিয়াটো জাতীয় কৰ্তব্য। চৌধুৰীৰ নিচিনা ব্যক্তিৰ দ্বাৰা সাহিত্য সভা মৰ্যদাসম্পন্ন অনুষ্ঠান হ'ব বুলি আমাৰ নিশ্চিত বিশ্বাস।

এইখিনিতে আন এটা কথা উল্লেখ কৰিব খুজিছো। মে' মাহৰ 'দেশ' পত্ৰিকাত আপোনাৰ এটি সুদীৰ্ঘ সাক্ষাৎকাৰ প্ৰকাশ পাইছে। উক্ত সাক্ষাৎকাৰত আপুনি চৌধুৰী সম্পৰ্কে কৰা মন্তব্যত তেখেত "বৰদলৈ মন্ত্ৰী সভাৰ" শিক্ষামন্ত্ৰী আছিল বুলি প্ৰকাশ পাইছে। সেইটো ছপাৰ ভুল বুলিয়েই ভাবিছো। আশাকৰো আপুনি সেই ভুলটো সম্পৰ্কে 'দেশ'ৰ সাক্ষাৎকাৰ লওঁতা জনক জনাব।। চৌধুৰী আমাৰ দৰে শত সহস্ৰ জনৰ কাৰণে আশা আৰু প্ৰেৰণাৰ উৎস। তেখেতৰ গুণানুৰক্ত এজন হিচাপে আপোনাক এই কথা খিনি জনোৱাৰ প্ৰয়াস কৰিছো।

শ্ৰীতোষেশ্বৰ শৰ্মা
ৰত্নপুৰ, নগাঁও

# পৃথিৱীৰ সৰ্ববৃহৎ বয়ন সমবায়ৰ নিবেদন

"হাতে বোৱা কাপোৰৰ উৎপাদনৰ আৰু বিক্ৰীৰ বিষয়ত ব্ৰহ্মপুত্ৰ সমবায় এক নতুন পথৰ সন্ধান দিয়া সমবায়।"

*কে এন অৰ্ধনাৰীশ্বৰণ*
সচিব, বস্ত্ৰশিল্প মন্ত্ৰালয়
ভাৰত চৰকাৰ, নতুন দিল্লী

"ব্ৰহ্মপুত্ৰ সমবায়ে অসমৰ বয়ন শিল্পীক স্থায়ী উপাৰ্জনৰ পথ দিব পৰাটো আৰু প্ৰায় দহ লাখ বোৱনীক নিয়মীয়াকৈ নগদ ধনৰ উপাৰ্জন সম্ভৱ কৰিব পৰাটো বিশেষ ভাবে উল্লেখনীয়। হাতে-বোৱা তাঁত শালৰ ইমান বেছি সংখ্যক বোৱনীক নিয়োগ কৰিব পৰা বিষয়ত ব্ৰহ্মপুত্ৰ সমবায় ভাৰতত সবাৰো ওপৰত আৰু ই এক সাফল্যৰ অভিলেখ।"

*– ৰবি মাথুৰ,*
হস্ততাঁত উন্নয়ন আয়ুক্ত, বস্ত্ৰশিল্প দপ্তৰ, নতুন দিল্লী

"গ্ৰাম্য নিবনুৱা সমস্যা সমাধানত ব্ৰহ্মপুত্ৰ সমবায়ে উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। এই সংগঠনটোৱে গ্ৰাম্য উদ্যোগত গৰ্ব কৰিব পৰা স্থান অধিকাৰ কৰিছে।"

*– পদ্মশ্ৰী সতীশ চন্দ্ৰ কাকতি*

"প্ৰায় দহ লাখ বোৱনীক নিয়োগ কৰিব পৰাটো আৰু প্ৰায় তিনি হেজাৰ নিবনুৱা শিক্ষিত যুৱকক উপাৰ্জনৰ বাট দিব পৰাটো, ব্ৰহ্মপুত্ৰ সমবায়ৰ বিশেষ কৃতিত্ব।"

*ডি পি বৰুৱা*
অৱসৰপ্ৰাপ্ত উপাচাৰ্য,
গুৱাহাটী বিশ্ববিদ্যালয়

"ব্ৰহ্মপুত্ৰ সমবায় দেশৰ আন সকলো সমবায়ৰ বাবে আদৰ্শ স্বৰূপ।"

*ড° আই বিল্‌গ্ৰাসী*
ৰীডাৰ, আলিগড় মুছলিম বিশ্ববিদ্যালয়

"নিবনুৱা সমস্যা সমাধান, দাৰিদ্ৰ নিবাৰণ আদিত লাভ কৰা সাফল্য আৰু সংবাদ পত্ৰত ওলোৱা খবৰ পঢ়ি অতিৰঞ্জন নকৰাকৈ ক'ব পাৰি যে ব্ৰহ্মপুত্ৰ সমবায়ে পৃথিৱীৰ সমবায় আন্দোলনত এক অভিলেখ স্থাপন কৰিছে।"

*চিনিয়ৰ অডিটৰৰ ৰিপোৰ্ট*
হস্ততাঁত আৰু বস্ত্ৰ বিভাগ।

আমাৰ বিষয়ে কৰা কেইটামান মন্তব্য উদ্ধৃত কৰি, সদৌ অসমৰ ৰাইজক আমি ভাবাস্তিৰে নিবেদোঁ যেন ৰাইজৰ সেৱাত কেতিয়াও পিছ পা নহবলৈ আমাক আশীৰ্বাদ দিয়ে।

*– পৰিচালক-সঞ্চালক*

ব্ৰহ্মপুত্ৰ ভেলি ৰিজিওনেল হেণ্ডলুম উইভাৰ্চ কো-অপাৰেটিভ ছচাইটি লিমিটেড।
আমবাৰী, গুৱাহাটী– ৭৮১০০১




# চৰকাৰী সন্ত্ৰাসবাদ

এজন ভদ্ৰলোকৰ চাৰি গৰাকী পত্নী, কিন্তু এটি মাত্ৰ সন্তান। সন্তানৰ আশাত তেওঁ এগৰাকী এগৰাকীকৈ চাৰি গৰাকী মহিলাক বিয়া কৰাব লগা হ'ল। অৱশেষত ভাগ্য তেওঁৰ প্ৰতি সুপ্ৰসন্ন হ'ল। চতুৰ্থ গৰাকী পত্নীয়ে তেওঁক এটি পুত্ৰ সন্তান উপহাৰ দিলে।

কিন্তু ইমান সাধ্য-সাধনাৰ অন্তত পোৱা একেটি মাত্ৰ সন্তানক তেওঁ অলপতে হেৰুৱাব লগা হ'ল। যোৱা ২৭ জুলাইত দৰং জিলাৰ দিপিলা চ'কত হোৱা সীমান্ত-ৰক্ষী পুলিচৰ গুলি-চালনাত যি চাৰিজন লোক নিহত হ'ল তেওঁলোকৰ ভিতৰত এজন আছিল এই ভদ্ৰলোকজনৰ একমাত্ৰ পুত্ৰ।

আজিকালি বাতৰি কাকতবোৰে প্ৰতিদিনে অসংখ্য মানুহৰ অপঘাত মৃত্যুৰ বাতৰি কঢ়িয়াই আনে। দিনৰ পিছত দিন ধৰি মৃত্যু, হিংসা আৰু সন্ত্ৰাসৰ লগত সহবাস কৰি কৰি মানুহৰ মনবোৰো এনেকুৱা হৈ গৈছে যে অতি কৰুণ আৰু মৰ্মন্তুদ মৃত্যুৰ বাতৰিয়েও এতিয়া আৰু কাৰো মনত কোনো ধৰণৰ প্ৰতিক্ৰিয়া সৃষ্টি নকৰে। সকলোৰে মনবোৰ শিল হৈ গৈছে। গতিকে ওপৰত উল্লেখ কৰা ভদ্ৰলোকজনৰ একমাত্ৰ সন্তানৰ মৃত্যুৰ বাতৰিটো তেনেকুৱা অজস্ৰ বাতৰিৰ ভিৰত হেৰাই যোৱা এটা গতানুগতিক অৰ্থহীন বাতৰিৰ বাহিৰে আন একো নহয়। সকলোৱে ধৰিয়েই লৈছে যে আজিৰ এই নৰ-খাদকৰ সমাজত নিৰীহ নিৰপৰাধ মানুহৰ এই অপঘাত মৃত্যু অনিবাৰ্য; তাৰ কোনো প্ৰতিকাৰ নাই।

কিন্তু প্ৰতিকাৰ থকা উচিত আছিল, কাৰণ এই নিৰপৰাধ মানুহ কেইজনৰ মৃত্যু সন্ত্ৰাসবাদী গুপ্ত-ঘাতকৰ হাতত হোৱা নাই, হৈছে চৰকাৰৰ পুলিচ বাহিনীৰ হাতত। পুলিচৰ হাততো মানুহ মৰে, আনকি নিৰপৰাধ মানুহো মৰে। পৰিস্থিতি অনুযায়ী তেনে হত্যা-কান্ড ক্ষমাৰ যোগ্যও হব পাৰে। কিন্তু দিপিলা চ'কত যি ঘটিল সি কোনোপধ্যেই ক্ষমাৰ যোগ্য নহয়। দলঙত লুকুৱাই ৰখা এটা বোমাৰ বিস্ফোৰণ ঘটাত এখন মটৰ গাড়ী ক্ষতিগ্ৰস্ত হ'ল আৰু আৰোহী কেইজন আহত হ'ল। ঠিক পিছে পিছে গৈ আছিল সীমান্ত-ৰক্ষী পুলিচৰ এখন গাড়ী। বোমা বিস্ফোৰণৰ লগে লগে সীমান্ত-ৰক্ষী পুলিচে চকুৰ আগতে যাকে দেখিলে তাকে ধৰি আনিলে। এই ধৰি অনা মানুহবোৰৰ ভিতৰত ওপৰত উল্লেখ কৰা ভদ্ৰলোকজনৰ একমাত্ৰ পুতেক গাঁৱৰ কোনোবা এঘৰ মানুহত টিউশ্যনি কৰি ঘৰলৈ ঘূৰিছিল; দুজনে পথাৰত ঘাঁহ কাটিছিল। তেওঁলোকক জেৰা কৰিবৰ কাৰণে ধৰি অনা হ'লেও আপত্তিৰ বিশেষ কাৰণ নাছিল। কিন্তু তেওঁলোকক ধৰি আনি থিতাতে নিৰ্মম ভাবে হত্যা কৰা হ'ল কেৱলমাত্ৰ পুলিচৰ খঙৰ জুই নুমুৱাবৰ কাৰণে!

দিপিলা চ'কত সীমান্ত-ৰক্ষী পুলিচৰ প্ৰতিশোধ-মূলক গুলি চালনাৰ ঘটনাটো চৰকাৰী সন্ত্ৰাসবাদৰ এটা জঘন্য উদাহৰণৰ বাহিৰে আন একো নহয়। সকলো ধৰণৰ সন্ত্ৰাসবাদেই অতি নিন্দনীয়; কিন্তু চৰকাৰী সন্ত্ৰাসবাদ আৰু অধিক নিন্দনীয় এই কাৰণেই যে এনে কাৰ্যত লিপ্ত হৈ চৰকাৰে সন্ত্ৰাবাদৰ বিৰুদ্ধে মাত মাতিবলৈ নিজৰ নৈতিক অধিকাৰ হেৰুৱায়। সন্ত্ৰাসবাদৰ বিৰুদ্ধে যদি চৰকাৰেও সন্ত্ৰাসবাদৰেই আশ্ৰয় লব লগা হ'ল, তেন্তে সাধাৰণ সন্ত্ৰাসবাদী আৰু চৰকাৰৰ মাজত পাৰ্থক্য থাকিল কি?

বৰ্তমানৰ পৰিস্থিতি অতি জটিল আৰু স্পৰ্শকাতৰ। এনে পৰিস্থিতিত চৰকাৰে যদি সন্ত্ৰাসবাদৰ প্ৰত্যুত্তৰ কেৱল সন্ত্ৰাসবাদৰ দ্বাৰাহে দিবলৈ চেষ্টা কৰে বা মুখেৰে আলাপ-আলোচনাৰ দ্বাৰা শান্তিপূৰ্ণ সমাধানৰ কথা কৈ তলে তলে সামৰিক প্ৰস্তুতি চলাই থাকে, তেন্তে অচিৰেই সি এটা Vicious circle তথা দুষ্ট চক্ৰত পৰিণত হব, আৰু তাৰ পৰা উদ্ধাৰ পোৱাটো কঠিন হব। সন্ত্ৰাসবাদ স্থায়ীভাবে নিৰ্মূল কৰাৰ মাত্ৰ দুটা পথ আছে। এটা হ'ল সন্ত্ৰাসবাদী সকলক মাৰি শেষ কৰা। পৃথিৱীৰ মাত্ৰ দুই এখন দেশত সেইটো সম্ভৱ হৈছে। কিন্তু অসমত সেইটো একেবাৰেই অসম্ভৱ, কাৰণ তেনে কাম কৰিবলৈ চৰকাৰে জন-সমৰ্থন নাপাব। দ্বিতীয়টো পথ হ'ল সন্ত্ৰাসবাদী সকলক যিকোনো প্ৰকাৰে আলোচনাৰ মেজলৈ আনি এৰা-ধৰা আৰু আলাপ-আলোচনাৰ মাজেৰে তেওঁলোকৰ মন জয় কৰিবলৈ চেষ্টা কৰা। এই দ্বিতীয় কামটো কৰিবলৈ অশেষ ধৈৰ্য আৰু অসাধাৰণ ৰাজনৈতিক বিচক্ষণতাৰ প্ৰয়োজন হব। দিপিলা চ'কৰ নিচিনা ঘটনা বাৰে বাৰে ঘটি থাকিলে চৰকাৰ নিজেই উগ্ৰপন্থী বুলি প্ৰমাণিত হব আৰু তাৰ ফলত উগ্ৰবাদৰ বিৰুদ্ধে মাত মাতিবলৈ তেওঁলোকে নৈতিক অধিকাৰ হেৰুৱাব।

প্ৰতিবাদী আন্দোলন দমন কৰিবলৈ চৰকাৰে যদি অত্যাধিক বল প্ৰয়োগ কৰে, তেন্তে তাৰ ফলত সন্ত্ৰাসবাদে মূৰ দাঙি উঠিবলৈ সুযোগ পায়। ৰাছিয়াত জাৰৰ শাসনৰ সময়ত কঠোৰ হাতেৰে গণ-আন্দোলনবোৰ মষিমূৰ কৰিবলৈ চেষ্টা কৰাৰ ফলতেই ১৮৭৯ চনত নাৰোদায়া ভলিয়া নামৰ সন্ত্ৰাসবাদী সংগঠনটো শক্তিশালী হৈ উঠিছিল। ফৰাচী চৰকাৰে নৈৰাজ্যবাদী সকলৰ ওপৰত নিষ্ঠুৰভাবে নিৰ্যাতন চলোৱাৰ প্ৰতিক্ৰিয়া হিচাপেই ১৮৯০ চনত নৈৰাজ্যবাদী সকলৰ সন্ত্ৰাসবাদে ভয়ংকৰ ৰূপ ধাৰণ কৰিছিল। আয়াৰলেণ্ডৰ ঈষ্টাৰ ৰাইজিঙৰ নায়কসকলক বৃটিছ চৰকাৰে ফাঁচি দিয়াৰ পৰিণামত মাইকেল কলিন্স আৰু আইৰিছ ৰিভলিউশ্যনেৰি আৰ্মিৰ অভ্যুত্থান সম্ভৱ হৈছিল। পশ্চিম জাৰ্মানীত ইৰাণৰ শ্বাহৰ বিৰুদ্ধে বিক্ষোভ প্ৰদৰ্শন কৰোতে পুলিচৰ গুলিত ছাত্ৰ-নেতা বেনো ওহনেছৰ্গৰ মৃত্যু হৈছিল আৰু তাৰেই অৱধাৰিত পৰিণাম স্বৰূপে আত্ম-প্ৰকাশ ঘটিছিল দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী সংগঠন আৰ-এ-এফ'ৰ।

*– মাৰ্থা ক্ৰেন্‌শ্বব*

OKDISCD

দৃষ্টিকোণ

# মুখ্য মন্ত্ৰীৰ সমূহীয়া ক্ষমাদান খৰখেদা হ'ল

কমলা শইকীয়া

অৰাজকতা, অশান্তিময় পৰিস্থিতি, নিৰাপত্তাহীন পৰিবেশ, ধন-জনৰ বিপৰ্যয়ৰ সৃষ্টি কৰি কাল্পনিক ৰাজনৈতিক সূত্ৰৰ অৱলম্বনত ৰাজনৈতিক তত্ত্ববোধৰ জ্ঞান আয়ত্ত কৰাৰ আগতে এচাম অপৈণত যুৱকৰ হাতত মাৰণাস্ত্ৰৰ শিক্ষা দিয়াৰ পৰিণতিতেই ৰাষ্ট্ৰপতিৰ শাসন আৰু সৈন্যৰ সমাবেশ ঘটিল। এই সময়ছোৱাত সন্ত্ৰাসবাদী সকলে নিৰাপদ দূৰত্বত আত্মগোপন কৰি তেওঁলোকৰ বাই-ভনী, ভাই-ভতিজাৰ ওপৰত সেনা বাহিনীয়ে চলোৱা আতিশয্যৰ সন্মুখত থিয় দিবলৈ সাহস কৰিব নোৱাৰিলে বা এই সময় ছোৱাত কাকো অপহৰণ কৰিবলৈকো সন্ত্ৰাসবাদী সকল আগবাঢ়ি নাহিল। ৰাজ্যৰ সকলো দিশৰ দাবীৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰপতিৰ শাসনৰ ওৰ পেলাই গণতান্ত্ৰিক শাসন ব্যৱস্থা এটাৰ কাৰ্যসূচী আৰম্ভ হোৱাৰ দিনাই দেশক স্বাধীনৰ আৱাজ দিয়ে আল্‌ফা সংগঠনৰ সদস্য সকলে। পুনৰ হত্যাকান্ড আৰু অপহৰণ কাৰ্য আৰম্ভ কৰাৰ লগতে দেশৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত কৰ্মৰত বিশিষ্ট উচ্চপদস্থ কৰ্মচাৰী সকলক অপহৰণ কৰি দেশৰ শান্তিময় পৰিবেশৰ সূচনা ওলট-পালট কৰি দিলে। ইয়াতকৈও গুৰুতৰ অপৰাধ কৰিলে আমাৰ দেশৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধনৰ ক্ষেত্ৰত কৰ্মৰত অৱস্থাত থকা ৰুচ বিদেশী অভিযন্তা গ্ৰীটচাংক'-চাৰ্গেক অপহৰণ আৰু হত্যা কৰি। তাতোকৈও প্ৰতাৰণা কৰিলে চৰকাৰ আৰু অসমৰ জনসাধাৰণৰ এটা শান্তিময় প্ৰচেষ্টাক। লগতে ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় সমস্যাৰ মাজৰ সম্বন্ধৰ ক্ষতি সাধন কৰি অসমৰ ওপৰত এটা কলংক জাপি দিলে।

এই সন্ত্ৰাসবাদী সকল আমাৰ সমাজৰ মাজতেই লুকাই থাকি কোনো দিন কাৰ্যকৰী

ছহিদ সাংবাদিক
কমলা শইকীয়াৰ শেষ লেখা



(অলপতে আততায়ীৰ হাতত নিহত কমলা শইকীয়াই এই লেখাটি সূত্ৰধাৰলৈ পঠাইছিল। খুব সম্ভৱ এইটিয়েই কমলা শইকীয়াৰ জীৱনৰ শেষ লেখা। লেখাটি প্ৰকাশ কৰাৰ লগতে আমি সেই অকুতোভয় সাংবাদিকৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছো)

*সম্পাদক, সূত্ৰধাৰ*

কৰিব নোৱৰা অসংগত কল্পনা প্ৰসূত আঁচনি লৈ অগপ-ৰ দৰেই নিৰীহ অসমীয়া সকলক প্ৰতাৰণা কৰি নিজৰ ভাবমূৰ্তি প্ৰতিষ্ঠা আৰু অৱস্থিতি উজ্জ্বল কৰিবলৈ যি আঁচনি হাতত লৈছে সেইটোহে প্ৰমাণিত হৈছে। আল্‌ফাৰ আৱিৰ্ভাবে অসমীয়া জনসাধাৰণৰ কোনো ক্ষেত্ৰতে উপকাৰ নহ'ল বৰং বিভিন্ন দিশত বিস্তৰ ক্ষতি সাধন হৈ সমাজখন দোমোজত পৰিল।

আল্‌ফাৰ সদস্য সকলে অসমত এনে অৱস্থাৰ সৃষ্টি কৰিছে, যিটো সমস্যাৰ মাজত মানুহে সাহসেৰে আগবঢ়াতো দূৰৈৰ কথা সঁচা কবলৈকো সন্দেহ কৰা হ'ল, সন্ত্ৰাসবাদী সকলে জনসাধাৰণক ভীতিগ্ৰস্ত কৰি তোলাটোকে তেওঁলোকৰ অন্য এক আঁচনি প্ৰসূত কাৰ্যসূচী হ'ল। সমাজৰ খেৰকুটা এডালো উপকাৰ হোৱা নাই।

অপহৃত নিৰপৰাধী গ্ৰীটচাংক চাৰ্গেৰ মৃত্যু ঘটিল সঁচা, কিন্তু দুৰ্বাৰ সাহসেৰে সন্ত্ৰাসবাদীৰ হাতৰ পৰাই অস্ত্ৰ কাঢ়িলৈ অস্ত্ৰধাৰীক বধ কৰি দিয়াটো একেবাৰে কম সাহসৰ কথা নহয়। অসম চৰকাৰে গ্ৰীটচাংক' চাৰ্গেক এজন বীৰ ছহিদ হিচাপে মৰণোত্তৰ ভাবে পুৰস্কৃত আৰু লিপিবদ্ধ কৰি ৰখাটো উচিত।

সেইদৰে ঠিক তিনি বছৰৰ আগতে ধন দাবী কৰিবলৈ যাওঁতে সংঘৰ্ষত লিপ্ত হৈ সন্ত্ৰাসবাদীৰ এজন সদস্য বিজু মজিন্দাৰ বৰুৱাৰ গুলিত (অৱশ্যে কিছুদিনৰ পিছত শ্ৰীবিজুক ৰাজপথত হত্যা কৰা হ'ল) নিহত হল। সন্ত্ৰাসবাদীৰ বিৰুদ্ধে সাহসেৰে থিয় দিয়া বিজু মজিন্দাৰ বৰুৱাকো অন্য জন সাহসী ছহিদ হিচাপে ঘোষণা কৰাটো উচিত। এই দুয়োটা ঘটনাই আল্‌ফা সদস্য সকলক তেওঁলোকৰ হিংসা আৰু হত্যাকান্ড প্ৰবৃত্তিৰ ওপৰত চিন্তা কৰিবলৈ সুযোগ দিব। ৰাইজৰ মংগল সাধনৰ আঁচনিবিলাক শান্তিপূৰ্ণ ভাবেই গ্ৰহণ আৰু কাৰ্যকৰী কৰাৰ চেষ্টা কৰিব লাগিব।

যদিও মুখ্য মন্ত্ৰীয়ে ৰাজ্যৰ বিভিন্ন ৰাজনৈতিক দল, উপদল শিক্ষা বিভাগৰ মুৰব্বী, বাতৰি কাকতৰ সম্পাদক, মহিলা সমিতিৰ ভাব আৰু শান্তিপূৰ্ণ চিন্তাৰ প্ৰতি গইনালৈ অপহৃত সকলক মুকলি কৰাৰ আগ্ৰহত দুয়ো পক্ষৰ মাজত ৰাজনৈতিক



ভাবে বুজাবুজি বা নিশ্চিত হোৱাৰ আগতে টাডা বন্দী সকলক সামূহিক ভাবে ক্ষমাদান কৰি অসংখ্য দাগী অপৰাধী আৰু হত্যাকাৰীক মুকলি কৰাটো অতি খৰখেদা হ'ল।

ৰাজহুৱা ক্ষমাদানৰ এই উদাৰতাৰ সুযোগ লৈ দুৰ্ধৰ্ষ অপৰাধীও মুকলি হোৱাৰ সুযোগ পালে। অন্য এটা ওলোটা ফল হ'ল যে, ভৱিষ্যতে তেনে চোৰ, ডকাইত, হত্যাকাৰী বা হত্যাকান্ডত লিপ্ত থকা সকলক প্ৰশাসনীয় পক্ষই আৱদ্ধ কৰিলেই অন্য নিৰপৰাধী এজনক পণ বন্দী কৰি সেই হত্যাকাৰী জনক মুকলি কৰি নিয়াৰ অব্যাহত পদ্ধতি এটাৰ সুযোগ ওলাল। এই ক্ষেত্ৰত সামাজিক উপকাৰতকৈ অপকাৰৰ আঁচনিহে কৰা হ'ল। জ্ঞানীলোকে উদাৰতাক মহৎ দৃষ্টিৰে গ্ৰহণ কৰে। দোষী বা অপৰাধী বিলাকে এনে কাৰ্য দুৰ্বলতা বুলিহে গণ্য কৰে।

এটা কথা এইখিনিতে উল্লেখ কৰিব পাৰি যে চম্বলৰ ডকাইতবিলাকে আত্ম সমৰ্থন কৰোতেও তেওঁলোকক প্ৰথমতে আইন আদালতৰ ওচৰলৈহে পঠাইছিল, মিজোৰাম আৰু নগা ৰাজ্যতো ৰাজনৈতিক বুজাবুজিলৈ অহাৰ পিছতহে ৰাজনৈতিক ক্ষমাদান কৰা হৈছিল। অপহৃত সকলক মুকলি কৰি দিবগৈ গৈ বাছ-বিচাৰ নকৰাকৈ সকলোকে মুকলি কৰি দিয়াটো চৰকাৰৰ দুৰ্বলতাও প্ৰকাশ নকৰাকৈ থকা নাই। আল্‌ফায়ো আলোচনাৰ সূত্ৰকে এতিয়ালৈকে গ্ৰহণ কৰা নাই।

এনে অৱস্থাৰ মাজতে প্ৰদেশ যুৱক কংগ্ৰেছৰ সভাপতি আৰু গুৱাহাটী সমষ্টিৰ পৰা লোক সভালৈ নিৰ্বাচিত সদস্য শ্ৰীকিৰিপ চলিহাৰো কিছুমান অবাঞ্ছিত অবিবেচক উক্তিয়ে সমস্যা সমাধানত নিশ্চয় বাধা আৰোপ কৰিছে আৰু কৰিব। বিশেষভাবে উল্লেখ কৰিব পাৰি যে, স্বয়ং মুখ্য মন্ত্ৰীয়েও এবাৰ আৱশ্যক হলে আল্‌ফাৰ পৰাও সহায় লোৱা হ'ব বুলি অতি আচহুৱা উক্তি কৰিছিল। এনে উক্তিবিলাকো সমস্যা সমাধানৰ অন্তৰায়ৰ পথহে।

অন্যহাতে আল্‌ফাৰ সাংগঠনিক স্থিতাৱস্থা, তেওঁলোকৰ অস্ত্ৰ-শস্ত্ৰৰ ভঁড়াল, তেওঁলোকৰ সমৰ শিবিৰৰ আড্ডাবোৰ ক'ত চলিছে, অপহৃত সকলক ক'ত ৰাখিছে, আদিবিলাকৰ কোনো সম্ভেদ দিব নোৱৰাটো আৰক্ষী আৰু চোৰাংচোৱা বিভাগৰ কাৰ্যক্ষেত্ৰৰ অমাৰ্জনীয় চূড়ান্ত অকৰ্মণ্যতা। এনে সংবাদো পোৱা যায় যে সন্ত্ৰাসবাদী সকলৰ লগত আৰক্ষী বা চোৰাংচোৱা একে পাখিৰ চৰাইৰ দৰে একে লগে চলন ফিৰণ কৰে। আল্‌ফাৰ দোষণীয় ক্ৰিয়াকলাপ বিলাক সকলো জানিশুনিও অন্যমনষ্ক হৈ থাকে। আৰু এনে কাহিনীও পোৱা যায় যে, আল্‌ফাৰ নেতা-উপনেতা আৰক্ষীৰ বুদ্ধি পৰামৰ্শ আৰু লগতে ঘূৰি পকি থাকে। সেনাবাহিনীৰ অপাৰেচনৰ ক্ষেত্ৰত অসমৰ আৰক্ষী সকলে বিশেষকৈ আল্‌ফাকহে সহযোগ দিলে বুলি অভিযোগ উঠিছে। গ্ৰীটচাংক'ৰ কোনো শুংসূত্ৰ উলিয়াব নোৱাৰি ১৫/২০ দিনৰ পিছত দিহিং নদীৰ পানী সিঁচিলে কি হ'ব।

গ্ৰীটচাংক' চাৰ্গেৰ হত্যাৰ পিছত ছাত্ৰসংস্থা আদিয়ে এষাৰো মাত নিদিয়াতো অগপ-ৰ জয়-পৰাজয় হোৱা বীৰ-উপবীৰ সকলৰ কেনে কথা।

আল্‌ফাৰ লগত হবলগীয়া আলোচনাৰ কোনো আঁত বিচাৰি লোৱাৰ আগতে ৰাজনৈতিক লাভালাভৰ ওপৰত বেছি গুৰুত্ব দি ৰাজহুৱা ক্ষমা দানত যে কিছু দুৰ্ধষ লোকেও মুক্তি পাইছে তাৰ এটা উদাহৰণ দিলো।

এটা অঞ্চলৰ কথা। কোনোবা কেইজনমান যুৱকে কেতিয়াবাই বিদ্যালয় ত্যাগ কৰিছিল যদিও সময়ৰ সুযোগত তেওঁলোক ছাত্ৰ-সংস্থাৰ অবাঞ্ছিত নেতা হৈ পৰিল। বানপানীত সাহায্য বিতৰণত লাগি ধন উপাৰ্জন কৰিলে। আনকি দিন দুপৰতে মুকলি ৰাজপথৰ ওপৰতে এজন শিক্ষকক হত্যা কৰাৰ অভিযোগত কেইবামাহো জেইল হাজোতত থাকিব লগীয়া হৈছিল। তেওঁলোকৰ বিৰুদ্ধে আদালতত এতিয়াও গোচৰ চলি আছে। এবাৰ ছহিদ বেদী নিৰ্মাণৰ বাবে ধন সংগ্ৰহ তাৰ পিছত উন্নয়ন পৰিষদৰ নামত ধন সংগ্ৰহ ইত্যাদি এশ এবুৰি সন্দেহত তেওঁ আগতে গ্ৰেপ্তাৰ হৈছিল। কিছুদিন জেইল হাজোতত থকাৰ পিছত তেওঁ এতিয়া ৰাজহুৱা ক্ষমা দানত মুক্তহৈ দেশহিতৈষী বীৰ হৈ আকৌ ভয় ভাবুকি আৰম্ভ কৰি দিছে।

অন্যহাতে আল্‌ফাৰ সংগঠনো তেওঁলোকৰ আয়ত্তৰ ভিতৰত ৰাখিব নোৱাৰিলে। আল্‌ফা সংগঠনৰ নামত গাঁৱে-ভূঞে, যতে-ততে ভয়-ভাবুকি দিয়া এনে কিছু উদন্ড আৰু অকৰ্মণ্য যুৱকৰ সৃষ্টি হ'ল সেইবোৰে সময় আৰু চেলু চাই এতিয়াও ধন, জন আৰু জীৱনৰ ভাবুকি স্বৰূপ হৈ পৰিছে। প্ৰকৃত আল্‌ফাতকৈ ২, ৩, ৪, নম্বৰৰ আল্‌ফাৰ প্ৰকোপ দিনে দিনে বৃদ্ধি পাই জনসাধাৰণক ভীতিগ্ৰস্ত কৰি তুলিছে। আৰক্ষী বিলাকো এই সকলৰ সন্মুখত অতি ভীতি বিহ্বল। সমস্যাৰ সন্মুখত পলায়নহে কৰে।

এনে পৰিস্থিতিত সমস্যা সমাধানৰ মূল প্ৰশ্ন হ'ল আল্‌ফাই যদি ৰাজনৈতিক ভাবে সঁহাৰি নজনায়, আজিও অসমৰ স্বনিয়ন্ত্ৰণ,. সাৰ্বভৌমত্ব আদি কাল্পনিক ধ্বনি দি ভাৰত বিৰোধী মত পোষণ কৰে তেতিয়া তেওঁলোকৰ লগত সমস্যা সমাধানৰ উৎস নাইকিয়া হৈ পৰিব। তেনে ক্ষেত্ৰত ৰাজশক্তিৰ লগত পোনপটীয়া সংঘৰ্ষৰ বাহিৰে অন্য গতিপথ নাই। ৰুচ অভিযন্তা জনৰ মৃতদেহ ঘূৰাই দিব নোৱাৰিলে সমস্যাই বিস্তাৰিত ৰূপ ধাৰণ কৰিব পাৰে। শান্তিপূৰ্ণ পৰিবেশৰ সৃষ্টি কৰিবলৈ বাঞ্ছা কৰিলে আল্‌ফাই সন্ত্ৰাসবাদৰ সূত্ৰ বিসৰ্জন দিয়াটোহে মংগল।

# বিশ্বৰ শান্তিৰ সৈতে অসমৰ শান্তিও জড়িত

হিতেন মহন্ত

আমেৰিকা যুক্ত ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জৰ্জ বুশ্বে অলপতে সাংবাদিকৰ আগত কয় যে ছোভিয়েত ইউনিয়নৰ ৰাষ্ট্ৰপতি মিখাইল গৰ্বাচিভ যে কমিউনিষ্ট সেইটো কোনো আপত্তিজনক কথা হ'ব নোৱাৰে। আচলতে বিশ্বত শান্তি স্থাপনৰ বাবে গৰ্বাচিভে কি অৰিহণা আগবঢ়াইছে, সেইটোহে লক্ষ্যনীয় বিষয় হোৱা উচিত। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েত ইউনিয়নে পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ নিবাৰণৰ বাবে অলপতে সম্পাদিত কৰা চুক্তিখনৰ পিছত জৰ্জ বুশ্বে মিখাইল গৰ্বাভিবৰ ওপৰত উৎসাহেৰে এই মন্তব্য কৰে।



ৰাষ্ট্ৰপতি বুশ্বৰ এই উক্তি নিঃসন্দেহে অতি গুৰুত্বপূৰ্ণ। কিয়নো বিশ্বত সম্প্ৰতি ৰাজনৈতিক চিন্তাধাৰাত যি পৰিৱৰ্তন আহিছে, বুশ্বৰ 'উক্ত উক্তিয়ে আচলতে তাৰেই ইংগিত বহণ কৰিছে। এই পৰিৱৰ্তিত ৰাজনৈতিক ধাৰাৰ ফল-শ্ৰুতিয়েই শান্তিপূৰ্ণ সহঅৱস্থানৰ শ্লোগান বা ধ্বনি বাস্তৱায়িত হোৱাৰ ক্ষেত্ৰত মূল ভূমিকা পালন কৰিছে। এই পৰিৱৰ্তিত ৰাজনৈতিক ধাৰাৰ সৰমৰ্ম হ'ল ৰাজনৈতিক মতাদৰ্শ থাকিলেও সংঘৰ্ষৰ পথ পৰিহাৰ কৰি সহঅৱস্থানৰ যোগেদি বিশ্বত শান্তি স্থাপন কৰা।

দ্বিতীয় মহাসমৰ শেষ হোৱাৰ পিছতেই সমগ্ৰ বিশ্ব প্ৰধানকৈ দুটা শিবিৰত ভাগ হৈছিল। এটা শিবিৰত আছিল কমিউনিষ্ট ছোভিয়েত ইউনিয়নৰ নেতৃত্বত সমাজবাদী ৰাষ্ট্ৰ আৰু আনটো শিবিৰত আছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত পুঁজিবাদী ৰাষ্ট্ৰবোৰ। এই দুটা শিবিৰৰ মাজত শীতল যুদ্ধ চলি আছিল। যিকোনো মুহূৰ্ততে এই শীতল যুদ্ধ প্ৰকৃত সংঘৰ্ষত পৰিণত হোৱাৰ সম্ভাৱনা আছিল। বিশেষকৈ লেটিন আমেৰিকাৰ দেশ কিউবাৰ থিডেল কাষ্ট্ৰোৰ নেতৃত্বত সমাজবাদ প্ৰতিষ্ঠা হোৱাৰ সময়ত এই শীতল যুদ্ধ প্ৰকৃত সংঘৰ্ষত পৰিণত হোৱাৰ ফালে গতি কৰিছিল। অৱশেষত দুই শিবিৰত শুভবুদ্ধি উদয় হোৱাৰ ফলতেই শীতল যুদ্ধ সংঘৰ্ষত পৰিণত নোহোৱাকৈ থাকিল।

ইয়াৰ পিছৰ পৰাই অৰ্থাৎ ষাঠি দশকৰ পৰা শান্তিপূৰ্ণ সহঅৱস্থানৰ ধ্বনি বেছিকৈ উচ্চাৰিত হবলৈ ধৰে। আচলতে শান্তিপূৰ্ণ সহঅৱস্থানৰ ধ্বনিৰ জন্মদাতা আছিল প্ৰয়াত ছোভিয়েত প্ৰধান মন্ত্ৰী লিকিটা ক্ৰুশ্বেভ। ক্ৰুশ্বেভৰ দিনৰ পৰাই শান্তিপূৰ্ণ সহঅৱস্থানৰ যোগেদি বিশ্বত শান্তি স্থাপনৰ বাবে প্ৰচেষ্টা চলোৱা হৈছিল যদিও এই ধ্বনি বাস্তৱায়িত হোৱা নাছিল। কিন্তু আশীৰ দশকত মিখাইল গৰ্বাচিভ ছোভিয়েত ইউনিয়নৰ শাসন ক্ষমতালৈ অহাৰ পিছতেই ছোভিয়েত ৰাষ্ট্ৰব্যৱস্থাৰ গুৰুত্বপূৰ্ণ সালসলনি হ'বলৈ ধৰে। বিশেষকৈ গৰ্বাচিভে পেৰোস্ত্ৰাইকা আৰু গ্ৰাচনষ্টৰ জৰিয়তে ছোভিয়েত ৰাষ্ট্ৰ ব্যৱস্থাৰ সালসলনি ঘটায়। ছোভিয়েত ৰাষ্ট্ৰ ব্যৱস্থাৰ এই সালসলনিয়ে বিশ্বৰ অন্যান্য দেশসমূহতো প্ৰভাৱ পেলায়। এই সালসলনিৰ বাবেই আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে দেশো ছোভিয়েত ইউনিয়নৰ কাষ চাপি আহে। আনহাতে এই সময়তে গৰ্বাচিভে বিশ্বত শান্তি স্থাপনৰ বাবে বিশেষ উদ্যোগ লয়। এনেদৰেই বিশ্বৰ ৰাজনৈতিক ধাৰাত পৰিবৰ্তন আহিবলৈ ধৰে। এই পৰিবৰ্তনৰ ৰাজনৈতিক ধাৰাই এটা দৰ্শনৰ জন্ম দিয়ে যে সংঘৰ্ষৰ পথেৰে পৃথিৱীত কোনো দেশেই সমৃদ্ধিশালী হৈ জীয়াই থাকিব নোৱাৰে। পাৰমাণৱিক অস্ত্ৰশস্ত্ৰ নিবাৰণৰ চুক্তিও এই পৰিৱৰ্তিত ৰাজনৈতিক ধাৰাৰেই ফল। বিশ্বৰ দুই বৃহৎ শক্তি আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েত ইউনিয়নে একেলগে কাম কৰাৰ বাবে চুক্তিবদ্ধ হোৱাটোৱে সমগ্ৰ বিশ্বত শান্তি স্থাপনত গুৰুত্বপূৰ্ণ ভূমিকা লোৱাটো ধ্ৰুৱপ।



বিশ্বৰ পৰিৱৰ্তিত ৰাজনৈতিক ধাৰাই ভাৰতবৰ্ষতো পৰোক্ষভাবে প্ৰভাৱ নেপেলোৱাকৈ থকা নাই। বৰং বিগত মধ্যকালীন নিৰ্বাচনৰ পিছত এই প্ৰভাৱ বেছি স্পষ্ট হৈ পৰিছে। উদাহৰণ স্বৰূপে পঞ্চাশ, ষাঠি, সত্তৰ দশকত ভাৰতবৰ্ষত বাওঁপন্থী দলবোৰ কংগ্ৰেছৰ বিৰুদ্ধে আৰু কংগ্ৰেছে বাওঁপন্থী দলবোৰৰ বিৰুদ্ধে যি মনোভাব পোষণ কৰিছিল, আশী দশকৰ পিছৰ পৰা সেই মনোভাবৰ বহুলাংশে পৰিবৰ্তন হয়। সুকীয়া ৰাজনৈতিক মতাদৰ্শ থকা সত্ত্বেও অন্ততঃ ভাৰতৰ ঐক্য, সংহতিৰ স্বাৰ্থতেই শাসনাধিষ্ঠ কংগ্ৰেছ দলে যিদৰে বাওঁপন্থী বা অন্যান্য বিৰোধী দলবোৰক আস্থাত নোলোৱাকৈ থাকিব নোৱাৰে, ঠিক সেইদৰে বাওঁপন্থী দল বা অন্যান্য বিৰোধী দলবোৰেও কংগ্ৰেছৰ বিৰুদ্ধে পূৰ্বৰ দৰে সংঘৰ্ষৰ পথ বা নীতি লৈ থাকিব নোৱাৰে। অৰ্থাৎ ভাৰতৰ ৰাজনৈতিক ধাৰাতো লক্ষ্যনীয় পৰিৱৰ্তন আহিছে। এই পৰিৱৰ্তিত ৰাজনৈতিক ধাৰাই আচলতে সুকীয়া মতাদৰ্শ থকা সত্ত্বেও ৰাজনৈতিক দলবোৰক অন্ততঃ কিছু বিষয়ত হলেও একত্ৰিত হবলৈ বাধ্য কৰাইছে। বিগত নিৰ্বাচনত কোনো এটা ৰাজনৈতিক দলে একক সংখ্যা গৰিষ্ঠতা লাভ কৰিবলৈ সক্ষম নোহোৱাটোৱে এই বিষয়টো সুস্পষ্ট কৰি দিছে। আচলতে এই পৰিৱৰ্তিত ৰাজনৈতিক ধাৰাই সংঘৰ্ষৰ পৰিৱৰ্তে সহঅৱস্থানৰ জৰিয়তে ভাৰতবৰ্ষৰ ৰাজনৈতিক দলবোৰক কাম কৰিবলৈ বাধ্য কৰাইছে। বিগত নিৰ্বাচনৰ পিছত কেন্দ্ৰত সংখ্যালঘু চৰকাৰখন বৰ্তি থকাৰ বাবে ৰাষ্ট্ৰীয় মৰ্চা আৰু বিশেষকৈ বাওঁ মৰ্চাৰ অংশীদাৰ দলবোৰে যি ভূমিকা পালন কৰিলে, সেইটোৱেই এই পৰিৱৰ্তিত ৰাজনৈতিক ধাৰাৰ কথাটো প্ৰমাণ কৰে। বাওঁপন্থী দলবোৰে যদিহে পূৰ্বৰ দৰে কংগ্ৰেছৰ বিৰুদ্ধে অন্ধ সংঘৰ্ষৰ নীতি গ্ৰহণ কৰিলেহেঁতেন, তেনেহলে কেন্দ্ৰত সংখ্যালঘু চৰকাৰখন বৰ্তি থকাটো সম্ভৱ হ'লহেঁতেন নে? দেশৰ যিকোনো এটা জটিল সমস্যা সমাধানৰ ক্ষেত্ৰত এতিয়া প্ৰত্যক্ষ আৰু পৰোক্ষভাবে হলেও বিৰোধী পক্ষৰ নেতা সকলৰ পৰামৰ্শ লোৱা হয়। কিন্তু পঞ্চাশ, ষাঠি, সত্তৰ দশকত এনেদৰে বিৰোধী পক্ষৰ পৰামৰ্শ লোৱা হোৱা নাছিল বা পৰামৰ্শ লোৱাৰ বাবে প্ৰয়োজন বোধ কৰা নাছিল। আচলতে দেশৰ জটিল ৰাজনৈতিক সমস্যা সমাধানৰ ক্ষেত্ৰত শাসক দলে বিৰোধী পক্ষৰ সৈতে সমিলমিলেৰে কাম নকৰাৰ ফলতেই যে সমস্যাবোৰ এতিয়া উৎকট ৰূপ ধাৰণ কৰিছে, সেইটো অনস্বীকাৰ্য।

উৎকট ৰূপ ধাৰণ কৰা ৰাজনৈতিক সমস্যা যেনে পাঞ্জাব, কাশ্মীৰ, অসম সমস্যা সমাধানৰ ক্ষেত্ৰত ৰাজনৈতিক মতাদৰ্শ থাকিলেও ৰাজনৈতিক দলবোৰে দলীয় স্বাৰ্থ পৰিহাৰ কৰি একেলগে কাম কৰিবলৈ আগবাঢ়ি আহিব লাগিব। আচলতে বিগত মধ্যকালীন নিৰ্বাচনৰ যোগেদি দেশৰ জনসাধাৰণে তাৰ সপক্ষেই ৰায় দিছে। শাসক দলে যিদৰে বিৰোধী ৰাজনৈতিক দলবোৰক অৱহেলা কৰিব নোৱাৰে, ঠিক সেইদৰে বিৰোধী দলবোৰেও কেৱল বিৰোধিতা কৰাৰ নামতেই চৰকাৰৰ বিৰোধিতা কৰিব নোৱাৰে।

সমগ্ৰ বিশ্বত শান্তি স্থাপনৰ উদ্দেশ্যে বৃহৎ শক্তিবোৰে এতিয়া যি ইতিবাচক ভূমিকা গ্ৰহণ কৰিছে, দেশৰ প্ৰধান ৰাজনৈতিক দলবোৰে তাৰ পৰা শিক্ষা গ্ৰহণ কৰা উচিত। বিশ্বৰ বৃহৎ শক্তিবোৰে ইতিবাচক ভূমিকা গ্ৰহণ কৰাৰ বাবেই সৌ সিদিনালৈকে পেলেষ্টাইনৰ সন্দৰ্ভত কোনো কথা শুনিবলৈ ইচ্ছা নকৰা ইজৰাইলে এতিয়া সমস্যা সমাধানৰ বাবে আলোচনাত বহিবলৈ মান্তি হৈছে। বিশ্বত নতুনকৈ ঘটা এই ঘটনা প্ৰবাহৰ দ্বাৰা এটা কথাৰেই ইংগিত দিছে যে একবিংশ শতিকালৈ গতি কৰা আধুনিক বিশ্বত কোনো এখন দেশেই আন এখন দেশক নাইবা কোনো এটা জাতিয়ে আন এটা জাতিক শক্তি প্ৰয়োগেৰে দমন কৰি ৰাখিব নোৱাৰে।

এই পটভূমিতেই বিশ্বৰ শান্তিৰ সৈতে অসমৰ শান্তি জড়িত বুলি ক'ব পাৰি। অসমৰ দৰে অৰ্থনৈতিক ভাবে পিছপৰা ৰাজ্য এখনত এতিয়া শান্তি স্থাপন অতীব প্ৰয়োজনীয় বিষয় হৈ পৰিছে। অসমত এতিয়া আল্‌ফা, বড়োলেন্ড আৰু কাৰ্বি আংলঙৰ সমস্যা – এই তিনিটাই হৈছে প্ৰধান সমস্যা। এই সমস্যা তিনিটা স্থায়ী সমাধানৰ অবিহনে অসমত শান্তি স্থাপন সম্ভৱ নহয়। অসমত আল্‌ফা সমস্যা সৃষ্টি হোৱাৰ ক্ষেত্ৰত যিদৰে কংগ্ৰেছ দলে দায়িত্ব এৰাই চলিব নোৱাৰে, ঠিক সেইদৰে সমস্যাটো জটিল ৰূপ ধৰাৰ ক্ষেত্ৰত প্ৰায় পাঁচ বছৰকাল ৰাজ্যখনৰ শাসন ক্ষমতাত থকা অগপ দলেও নিজৰ দোষ এৰাই চলিব নোৱাৰে। মূলতঃ অৰ্থনৈতিক কাৰণতেই ৰাজ্যখনত এই তিনিটা প্ৰধান সমস্যাৰ উদ্ভৱ হৈছে।

কিন্তু এই তিনিটা সমস্যাঁৰ সমাধানৰো পথ নিশ্চয় আছে। বিশ্বত শান্তি স্থাপনৰ উদ্দেশ্যে ৰাজনৈতিক মতাদৰ্শ থকা সত্ত্বেও বৃহৎ শক্তিবোৰে যিদৰে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিছে, তাৰ পৰাই ৰাজ্যখনৰ শাসক আৰু বিৰোধী পক্ষই শিক্ষা গ্ৰহণ কৰা উচিত। কিয়নো ৰাজ্যখনত উদ্ভৱ হোৱা জটিল সমস্যাৰ বাবে এটা পক্ষই আনটো পক্ষলৈ বোকা ছটিয়ালেই সমস্যাৰ সমাধান নহয়। এটা পক্ষই আনটো পক্ষক দোষাৰোপ কৰি যদিহে ৰাজনৈতিক মুনাফা আদায় কৰাৰ কথা ভাবিছে, তেনেহলে সেইটো আত্মঘাতীৰ পথহে হ'ব। ইয়াৰ বিপৰীতে উক্ত জ্বলন্ত সমস্যা কেইটা সমাধানৰ বাবে শাসক পক্ষই যিদৰে বিৰোধী পক্ষক আস্থাত ল'ব লাগিব, ঠিক সেইদৰে বিৰোধী পক্ষইও শাসক পক্ষৰ সৈতে সহযোগ কৰিব লাগিব। শাসক আৰু বিৰোধী পক্ষই গঠনমূলক দৃষ্টিভংগীৰে কাম কৰিলে ৰাজ্যখনৰ জ্বলন্ত সমস্যা কেইটাৰ সমাধানৰ পথ উলিওৱাত কঠিন নহ'ব। অৱশ্যে এই ক্ষেত্ৰত ৰাজ্যখনৰ শাসক গোষ্ঠীয়েই প্ৰথম উদ্যোগ লব লাগিব। ■

# ভাৰতীয় ৰাজনীতিত আঞ্চলিকতাবাদৰ ভৱিষ্যৎ

অৱনী বৰঠাকুৰ

বিগত নির্বাচনত দেশৰ আঞ্চলিকতাবাদী ৰাজনৈতিক দলবোৰ শোচনীয় পৰাজয়ৰ সমুখীন হ'ল। তামিলনাড়ুত আঞ্চলিকতা-বাদী দল- ডি এম কে-ৰ নেতা কৰুণানিধিৰ বাহিৰে তেওঁৰ দলৰ এজনো বিধান সভালৈ নির্বাচিত নহ'ল। পৰাজয়ৰ ভাৰ বহণ কৰিব নোৱাৰি তেৱোঁ বিধান সভাৰ সদস্য পদ ত্যাগ কৰিলে। আমাৰ ৰাজ্যত প্ৰথম আঞ্চলিকতাবাদৰ ধ্বজা বহণ কৰা অসম গণ পৰিষদে মাত্ৰ ১৯ খন আসন দখল কৰি কোনো মতে অস্তিত্ব ৰক্ষা কৰিলে। হাৰিয়ানাত কংগ্ৰেছৰ পৰা ফাটি গৈ আঞ্চলিকতাবাদত ভেজা দি 'হাৰিয়ানা বিকাশ মঞ্চ' নামেৰে গঢ়িবলৈ লোৱা আঞ্চলিক দলৰো জাঁপ মাৰিবলৈ লওঁতেই ভৰি ভগা অৱস্থা হ'ল। উৰিষ্যাত জনতা দলত থাকিও নির্বাচনৰ আগে আগে কেন্দ্ৰৰ উৰিষ্যাৰ প্ৰতি অৱহেলাৰ ধ্বনিৰে আঞ্চলিক অনুভূতিত সুৰসুৰণি দি নির্বাচনত সফলতা লাভৰ বাবে বিজু পাটনায়কৰ চেষ্টাও কামত নাহিল। এইবোৰ ঘটনাৰ পৰা দেখা যায় যে অসমত আঞ্চলিকতাবাদৰ প্ৰভাৱ থকা বা প্ৰভাৱিত হোৱাৰ সম্ভাৱনা থকা ৰাজ্যবোৰতে সংখ্যা গৰিষ্ঠ জনসাধাৰণে আঞ্চলিকতাবাদী ৰাজনৈতিক দলবোৰক বর্জন কৰিছে। অৱশ্যে, তামিলনাড়ুত এ আই এ ডি এম কে-ৰ চকুত লগা সফলতা আঞ্চলিকতাবাদৰ পক্ষে ৰায় বুলি কোনো কোনোৱে ক'ব বিচাৰিব পাৰে। কিন্তু এ আই এ ডি এম কে-ৰ এই সফলতা অকলশৰে যুঁজি হোৱা নাই; প্ৰধানকৈ কংগ্ৰেছ(ই) আৰু ভাৰতৰ সংযুক্ত কমিউনিষ্ট পার্টিকে ধৰি আন কেইটামান সৰু দলৰ লগত মিত্ৰতাৰ যোগেদিহে সম্ভৱ হৈছে। দ্বিতীয়তে আঞ্চলিক পর্যায়ৰ দল হ'লেও, এই দল আঞ্চলিকতাবাদী নহয়। সেয়ে এই দলৰ বিজয়ক আঞ্চলিকতাবাদৰ পক্ষে ৰায় বুলি অভিহিত কৰিব নোৱাৰি। তেনেকৈয়ে, অন্ধ্ৰপ্ৰদেশত লোক সভা নির্বাচনত এইবাৰ ভাল ফল দেখুওৱা তেলেগু দেশমো নিভাঁজ আঞ্চলিকতাবাদী দল নহয়, গতিকে তাৰ সফলতাকো আঞ্চলিকতাবাদৰ পক্ষে ৰায় বুলি ধৰিব নোৱাৰি। তেতিয়া হ'লে এই সিদ্ধান্ত ভুল নহয় যে জনসাধাৰণে আঞ্চলিকতাবাদ বর্জন কৰিছে।

প্ৰশ্ন হয়, অসমত নিজ নিজ অঞ্চলৰ জনসাধাৰণৰ বহুল সমর্থন পোৱা আঞ্চলিকতাবাদী দলবোৰৰ এনে দুৰ্দশা হ'ল কিয়? ইয়াৰ লগত জড়িত আনটো প্ৰশ্ন হ'ল, এই অঞ্চলবোৰৰ জনসাধাৰণৰ মনৰ পৰা আঞ্চলিক দৃষ্টিভংগী সম্পূর্ণ তিৰোহিত হ'ল নেকি? দুয়োটা প্ৰশ্নৰ উত্তৰ বিচাৰিবলৈ অলপ অতীতলৈ ঘূৰি যোৱা আৱশ্যক হব।

## ঐতিহাসিক পটভূমি

ভাৰতবৰ্ষৰ ইতিহাসৰ লগত সাধাৰণ পৰিচয় থকা আটায়ে জানে যে ঐতিহাসিক কালৰ পৰা ভাৰতৰ ৰাজনৈতিক গতি ধাৰাত দুটা প্ৰবণতাই ক্ৰিয়া কৰি আহিছে। এটা হ'ল অভিকেন্দ্ৰিক (centripetal) আৰু আনটো হ'ল অপকেন্দ্ৰিক (centrifugal)। অভিকেন্দ্ৰিক অর্থাৎ কেন্দ্ৰ মুখী প্ৰবণতাৰ উৎস হ'ল কেতবোৰ উমৈহতীয়া সাংস্কৃতিক পৰম্পৰা আৰু তাৰ ভিত্তিত নেতৃত্বকাৰী সামাজিক শক্তিবোৰৰ ভিতৰত এক ভাৰতীয় সত্তাৰ সজ্ঞান উপলব্ধি। অপকেন্দ্ৰিক অর্থাৎ কেন্দ্ৰৰ পৰা আঁতৰি যাব বিচৰা প্ৰবণতাৰ উৎস হ'ল আঞ্চলিক বৈশিষ্ট্য আৰু ভিন্নতা আৰু তাৰ ভিত্তিত উদ্ভৱ হোৱা আঞ্চলিক চেতনা। প্ৰাক বৃটিছ আমোলত সামন্ততান্ত্ৰিক এঘৰিয়তা (isolation), দুর্বল যোগাযোগ ব্যৱস্থা আৰু স্বয়ংসম্পূর্ণ অর্থনীতিয়ে এই প্ৰবণতাকে বিশেষ ভাবে ইন্ধন যোগাইছিল। যেতিয়াই কেন্দ্ৰীয় শাসনে উদাৰ আৰু সহনশীল নীতিৰ লগত শক্তিৰ উপযুক্ত সমন্বয় সাধি শাসন পৰিচালনা কৰিছে তেতিয়াই দেশখন মোটামুটি ভাবে এক শাসনাধীন হৈ সুস্থিৰে থাকিছে। আকৌ যেতিয়াই কেন্দ্ৰীয় শাসন দুর্বল হৈছে বা অসহিষ্ণু হৈ উঠিছে আৰু অত্যাচাৰী হৈছে তেতিয়াই আঞ্চলিক শক্তি সমূহ প্ৰবল হৈছে। সেই যুগত এই আঞ্চলিক শক্তি সমূহৰ নেতৃত্ব কৰিছিল কোনো সামন্তই বা নিজ নিজ অঞ্চলত কেন্দ্ৰৰ প্ৰতিনিধি হিচাপে থকা কোনো ৰাজ বিষয়াই। তেনে অৱস্থাতো কিন্তু কেন্দ্ৰৰ টানটো যে বৈ গৈছিল, তাৰ পৰিচয় পোৱা যায় আঞ্চলিক শাসক শক্তিবোৰৰ মাজত কেন্দ্ৰত অধিপতি হোৱাৰ কাৰণে অৰিয়া অৰিৰ মাজত। বৃটিছ আগমনৰ সময়ত ভাৰতবৰ্ষৰ এনেকুৱা এখন ছবিয়েই আমি দেখিবলৈ পাওঁ। কিন্তু তেতিয়াও কেন্দ্ৰীয় শক্তিৰ প্ৰতি মৌখিক আনুগত্য আঞ্চলিক শাসন কৰ্তাসকলে দোহাৰি আছিল।

কেন্দ্ৰত দুর্বল শাসন কর্তা, আঞ্চলিক শাসন কৰ্তাবোৰৰ মাজত পাৰস্পৰিক বিৰোধ আৰু সংঘর্ষৰ সুবিধা লৈয়েই ভাৰতত বৃটিছ আধিপত্য বিস্তাৰিত হ'ল। বৃটিছ শাসনে ভাৰতবৰ্ষক পুনৰ ৰাজনৈতিক ভাবে ঐক্যবদ্ধ কৰিলে। পণ্য বিনিময় প্ৰথাৰ প্ৰসাৰ আৰু সাম্ৰাজ্যবাদৰ নিজ স্বাৰ্থতেই ৰেল, ডাক তাঁৰ ব্যৱস্থাৰ প্ৰবর্তনে ভাৰতীয় সমাজলৈ বৈপ্লৱিক পৰিবৰ্তন অনাৰ লগে লগে ভাৰতৰ ৰাজনৈতিক ঐক্যৰ বাবে অর্থনৈতিক ভিত্তি ৰচনা কৰিলে। সেই দিশৰ পৰা, মাৰ্ক্সৰ ভাষাত বৃটিছে অজ্ঞাতসাৰেই ইতিহাসৰ যন্ত্ৰ হিচাপে কাম কৰিলে। ইয়াৰ লগে লগে পশ্চিমীয়া শিক্ষা আৰু সভ্যতাৰ প্ৰচাৰ আৰু প্ৰসাৰে জন্ম দিলে এটা নতুন মধ্যবিত্ত শ্ৰেণী যাৰ অগ্ৰসৰ বুদ্ধিজীৱী অংশটো বৃটিছ উদাৰনীতিবাদৰ দ্বাৰা প্ৰভাৱিত হৈছিল। সুকীয়া সুকীয়া আঞ্চলিক বৈশিষ্ট্যৰ মাজত গঢ় লৈ উঠিলেও দৃষ্টিভংগী আৰু মানসিকতাত এওঁলোক আছিল সমগোত্ৰিক। পশ্চিমীয়া শিক্ষা সংস্কৃতিৰে আলোকিত এওঁলোকৰ প্ৰখৰ দৃষ্টিত ধৰা পৰিল বৃটিছ শাসনৰ আনটো ফাল; নির্মম শোষণ, উৎপীড়ন আৰু অবিচাৰৰ কদর্য ৰূপটো। এওঁলোকেই ওলাই আহিল ভাৰতীয় জাতীয়তাবাদৰ ওজা হিচাপে, মুখপাত্ৰ হিচাপে। সাম্ৰাজ্যবাদী স্বার্থত ভাৰতৰ ৰাজনৈতিক ঐক্যৰ পৰিবৰ্তে জাতীয়তাবাদৰ আধাৰত ভাৰতৰ ঐক্যৰ এক বিকল্প তেওঁলোকে তুলি ধৰিলে। বৃটিছ শাসনৰ বিৰুদ্ধে গণ আন্দোলনৰ চিন্তাৰ পৰা এওঁলোক বহুত দূৰত আছিল যদিও সেই শাসনৰ এওঁলোকে কৰা তাত্ত্বিক আৰু ব্যৱহাৰিক সমালোচনা পাছৰ যুগৰ গণ স্বাধীনতা সংগ্ৰামৰ পাথেয় হ'ল। যেহেতু দেশৰ সকলো অঞ্চলেই সাম্ৰাজ্যবাদী শোষণত সমানেই জুৰুলা, সেয়ে তেওঁলোকৰ এই সমালোচনাই দেশৰ সকলো অঞ্চলৰ মধ্যবিত্ত শ্ৰেণীক ঐক্যবদ্ধ কৰি ভাৰতীয় ঐক্যবোধক গতি আৰু শক্তি দিছিল।

উনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধৰ পৰা ভাৰতত শিল্প গঢ়ি উঠিবলৈ ধৰে আৰু শতিকাৰ শেষৰ ফালে সি যথেষ্ট প্ৰসাৰ লাভ কৰে। দেশৰ ভিন ভিন অংশ পুঁজিবাদী বজাৰৰ ভিতৰলৈ আহিব ধৰে। ভাৰতীয় বুৰ্জোৱা শ্ৰেণী এটাৰো উদয় হয়। ভাৰতীয় ঐক্যৰ অর্থনৈতিক ভেটিটো অধিকতৰ শক্তিশালী হয়। ভাৰতীয় জাতীয়তাবোধো ব্যাপক হয়। জাতীয় আন্দোলনেও ক্ৰমে বেছি গতিশীলতা লাভ কৰে। কুৰি শতিকাৰ আৰম্ভণিৰ পৰা ক্ৰমাৎ ব্যাপক হবলৈ ধৰা স্বাধীনতা সংগ্ৰামে প্ৰবল গণ সংগ্ৰামৰ ৰূপ ললে। গান্ধীজীৰ নেতৃত্ব প্ৰতিষ্ঠিত হোৱাৰ লগে লগে ই এহাতে যেনেকৈ ভাৰতৰ জনসাধাৰণৰ মাজত বৰ্ধিত জাতীয় চেতনা আৰু ঐক্যবোধৰ পৰিচায়ক আনহাতে সেই চেতনাক আৰু বোধক বেছি গভীৰ কৰাৰ কাৰক হ'ল। মধ্যবিত্ত শ্ৰেণীৰ সংকীর্ণ পৰিধিৰ পৰা সেই ঐক্যবোধ দেশৰ অগণিত সাধাৰণ মানুহৰ মাজত সন্চালনিকৈ বিয়পি পৰিল। প্ৰকৃতাৰ্থত ১৮৫৭ চনতেই দেশৰ সাধাৰণ মানুহৰ মাজত সেই ভাৰতীয় বোধৰ পৰিচয় পোৱা গৈছিল। কিন্তু সি তেতিয়া আছিল নিতান্তই প্ৰাথমিক পর্যায়ৰ।

স্বাধীনতা সংগ্ৰামত জাতীয়তাবাদৰ দ্বাৰা এই ভাবে অনুপ্ৰাণিত হৈ গোটেই দেশ জঁপিয়াই পৰিলেও দেশৰ ভিন ভিন অঞ্চলত কেতবোৰ সুকীয়া সুকীয়া সমস্যা আছিল যিবোৰ সৃষ্টি হৈছিল সেই অঞ্চলবোৰৰ বৈশিষ্ট্য আৰু বৈচিত্ৰ্যৰ বাবে। এই অঞ্চলবোৰ প্ৰধানকৈ চিহ্নিত হৈছিল একো একোটা ভাষাক কেন্দ্ৰ কৰি। বৃটিছ শাসকবোৰে বিভাজনৰ যোগেদি শাসন কৰাৰ নীতি অনুসৰি ভিন ভিন ভাষা-ভাষীৰ মানুহক একোখন প্ৰদেশত সাঙুৰি ৰাখিছিল যাতে সিবোৰৰ মাজত অহৰহ খৰিয়াল সৃষ্টি হৈ জাতীয়তাবোধ দুর্বল হৈ পৰে। অৱশ্যে ভাষাগত পাৰ্থক্যৰ উপৰিও এই অঞ্চলবোৰত অর্থনৈতিক আৰু সামাজিক পাৰ্থক্যও কিছু আছিল। বৃটিছ অনুসৃত নীতিয়ে প্ৰত্যেক ভাষা-ভাষীৰ মানুহে নিজা বৈশিষ্ট্যেৰে এটা সুসংহত অঞ্চলত অর্থনৈতিক, সাংস্কৃতিক বিকাশৰ বাবে পুহি ৰখা আকাংক্ষা ৰুদ্ধ কৰিছিল। বৃটিছ ভেদ নীতিৰ নাগপাশ ছিঙিবলৈ জাতীয় নেতৃত্বই এই আকাংক্ষাক মর্যাদা দি, আঞ্চলিক সমস্যাবোৰৰ প্ৰতি চকু দিছিল আৰু সমাধানৰ পথ দাঙি ধৰিছিল। ১৯২৮ চনত কংগ্ৰেছ কমিটিবোৰৰ ভাষাৰ ভিত্তিত, সংগঠন কৰি এই দিশত এক গুৰুত্বপূর্ণ পদক্ষেপ লোৱা হৈছিল। ইয়াৰ লগত সংগতি ৰাখি স্বাধীনতাৰ পিছত ভাষাৰ ভিত্তিত প্ৰদেশবোৰ পুনৰ্গঠন কৰাত কংগ্ৰেছ প্ৰতিশ্ৰুত আছিল। ইয়াৰ যোগেদি প্ৰত্যেক অঞ্চলে নিজা বৈশিষ্ট্যৰে বৃহত্তৰ ভাৰতীয় জাতি গঠন প্ৰক্ৰিয়াত সমভাবে অংশ গ্ৰহণৰ পথ মোকোলাই স্বাধীনতা আন্দোলনক অধিক শক্তি যোগোৱা হৈছিল। ভাৰতীয় জাতীয় সত্তাৰ এটা সুদৃঢ় ভিত্তি ৰচিত হৈছিল, যদিও ভাৰতীয় জাতি গঠন প্ৰক্ৰিয়াৰ সেয়া আৰম্ভণিহে আছিল মাথোন।

## স্বাধীনোত্তৰ ভাৰতৰ বিকাশৰ ধাৰা

ভাষাৰ ভিত্তিত ৰাজ্য পুনৰ্গঠনত কংগ্ৰেছ নেতৃত্ব প্ৰতিশ্ৰুতিবদ্ধ আছিল যদিও, স্বাধীনতাৰ পিছত কংগ্ৰেছ নেতৃত্বই দলৰ ভিতৰৰ পৰা অহা হেঁচাৰ বাবে এই বিষয়ত হোহকা-পিছলা কৰি আছিল। ১৯৫৪ চনত তেলেগু ভাষী অন্ধ্ৰ ৰাজ্য গঠনৰ দাবীত পট্টি শ্ৰীৰামলৰ নামৰ নেতা এজনৰ দীৰ্ঘদিনীয়া অনশনৰ অন্তত মৃত্যুক কেন্দ্ৰ কৰি, অন্ধ্ৰত গুৰুতৰ হিংসাত্মক ঘটনা ঘটে। তাৰ পিছতেই কেন্দ্ৰই অন্ধ্ৰ ৰাজ্য গঠন কৰে আৰু ৰাজ্য পুনৰ্গঠন আয়োগ গঠন কৰি পিছত ভাষাৰ ভিত্তিত ৰাজ্য পুনৰ্গঠন কৰা হয়। অৱশ্যে বম্বে আৰু পাঞ্জাবৰ ক্ষেত্ৰত সেই নীতি তেতিয়াও কাৰ্যকৰী কৰা নহ'ল, যাৰ ফলত সুকীয়া মহাৰাষ্ট্ৰ আৰু ইফালে পাঞ্জাৱী চুবাৰ দাবীত পিছত শক্তিশালী আন্দোলন গঢ়ি উঠিছিল। আৰু তেতিয়াহে কেন্দ্ৰীয় চৰকাৰে এই দুই অঞ্চলৰ ক্ষেত্ৰত উক্ত নীতি প্ৰয়োগ কৰে।

সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰবর্তনৰ ফলত দেশৰ সকলো অংশৰে মানুহৰ শাসন ব্যৱস্থাত ভাগ লোৱাৰ অধিকাৰ প্ৰতিষ্ঠিত হ'ল। আইনগত জমিদাৰী ব্যৱস্থাৰ বিলোপৰ দৰে গণতান্ত্ৰিক সংস্কাৰ সাধন, শিল্পায়ন আৰু যোগাযোগ ব্যৱস্থাৰ উন্নতিৰ ফলত অর্থনৈতিক পৰিস্থিতিৰ উন্নতি ঘটিল। সমগ্ৰ দেশ লাহে লাহে এখন বজাৰত পৰিণত হ'ল। জাতীয় বুৰ্জোৱা শ্ৰেণীৰ বিকাশ ঘটিল আৰু মধ্যবিত্ত শ্ৰেণীটোৰো দ্ৰুত গতিত প্ৰসাৰ লাভ হ'ল। ফলস্বৰূপে দেশৰ ভিন ভিন অঞ্চলৰ মাজত অর্থনৈতিক বন্ধন আৰু বেছি দৃঢ় হ'ল। আৰু ভাৰতীয় ঐক্যৰ ভেটিও শক্তিশালী হ'ল। কিন্তু মন কৰিব লগা কথা যে ভাৰতীয় জাতি গঠনৰ প্ৰক্ৰিয়া এই ভাবে আগবঢ়াৰ সময়ত সি সততে বাহিৰৰ সাম্ৰাজ্যবাদী আৰু দেশৰ ভিতৰৰ ন্যস্ত স্বাৰ্থৰ শক্তি সমূহৰ পৰা সততে প্ৰচন্ড হেঁচাৰ সন্মুখীন হৈ থাকিব লগা হৈছিল। সময়ে সময়ে বাহিৰৰ পৰা অহা সেই হেঁচা সামৰিক আক্ৰমণৰ ৰূপো লৈছে। কিন্তু এনে প্ৰতিটো হেঁচাৰ সমুখতে সমগ্ৰ দেশৰ জনসাধাৰণে তাক প্ৰতিৰোধ কৰিবলৈ এক মুঠে থিয় দিছে। তাৰ যোগেদি আকৌ জাতীয়তাবোধ অধিক শক্তিশালী হৈছে। সমগ্ৰ দেশে একেলগে যুঁজিহে যেনেকৈ স্বাধীনতা অর্জন কৰিছে, তেনেকৈয়ে আৰ্জিত স্বাধীনতা আৰু স্বাধীনোত্তৰ কালৰ সফলতা সমূহ ৰক্ষা কৰিবলৈ যে সমগ্ৰ দেশে একেলগে থিয় দিব লাগিব এই চেতনা দকৈ শিপোৱাৰ ফলতেই সি সম্ভৱ হৈছে।

কিন্তু জাতীয় বিকাশৰ, বিশেষকৈ অর্থনৈতিক ক্ষেত্ৰত আন এটা ধাৰাও লক্ষ্য কৰিব লগীয়া। অর্থনৈতিক উন্নয়নৰ বাবে লোৱা মিশ্ৰ অর্থনীতি (যাক নিয়ন্ত্ৰিত পুঁজিবাদ বুলি ক'ব পাৰি)-ৰ ফলত, সহজ কথাত পুঁজিবাদী বিকাশৰ পথত, অনিবাৰ্য অসমান বিকাশে দেখা দিলে। দেশৰ কিছুমান অঞ্চলত বিকাশ ত্বৰান্বিত হ'ল আৰু কিছুমান অঞ্চল, বিশেষকৈ প্ৰাক বৃটিছ আমোলত পিছ পৰি থকা অঞ্চলবোৰ আৰু পিছ পৰি গ'ল। ফলস্বৰূপে এইবোৰ অঞ্চলত জনসাধাৰণৰ মাজত অসন্তুষ্টিয়ে দেখা দিলে। ইয়াৰ উপৰিও তুলনামূলক ভাবে আগবঢ়া কেতবোৰ অঞ্চলত, উদাহৰণ স্বৰূপে, তামিলনাড়ুত তাৰ বিকাশৰ ফলতেই সমস্যাৰ সৃষ্টি হ'ল। পুঁজিবাদী বিকাশৰ ফলত স্থানীয় বুৰ্জোৱা শ্ৰেণী এটা গঢ়ি উঠিছিল আৰু যথেষ্ট শক্তিশালী হৈছিল। এই শ্ৰেণীটো এতিয়া জাতীয় বুৰ্জোৱাৰ মূল অংশৰ লগত প্ৰতিদ্বন্দ্বিতাত নামিল আৰু সংঘৰ্ষৰ ফাললৈ আহিল। এই সংঘৰ্ষত ৰাজ্যৰ জনসাধাৰণক নিজৰ পিছত সমবেত কৰিবলৈ এই আঞ্চলিক বুৰ্জোৱা আৰু পেটি বুৰ্জোৱা শ্ৰেণীয়ে তামিলনাড়ুৰ ভাষিক আৰু সাংস্কৃতিক সামাজিক বৈশিষ্ট্যক মূলধন হিচাপে লৈ সুকীয়া তামিল আনকি দ্ৰাবিড় ৰাষ্ট্ৰৰ দাবী উত্থাপন কৰি বিচ্ছিন্নতাবাদৰ প্ৰচাৰত নামিল।

অসমৰ দৰে পিছ পৰা ৰাজ্যত পুঁজিবাদী

বিকাশ পলমকৈ হোৱাৰ বাবে স্থানীয় বুৰ্জোৱা শ্ৰেণীৰ বিকাশ পলম হয়। সেয়ে, অৰ্থনৈতিক অনগ্ৰসৰতাৰ বাবে অসন্তুষ্টি থাকিলেও সি কোনো দিনেই আঞ্চলিকতাবাদৰ ভয়ংকৰ ৰূপ ধাৰণ কৰা নাছিল। আনহাতে, শাসক দল কংগ্ৰেছে তাৰ নিজা পদ্ধতিৰে আঞ্চলিক সমস্যাবোৰ হাতত লোৱাত আৰু বাওঁপন্থী দল সমূহেও সেইবোৰত উদ্যোগ লোৱাত গণতান্ত্ৰিক আন্দোলনৰ যোগেদিয়ে সমস্যাবোৰৰ সমাধানৰ দাবী উত্থাপিত হৈছিল। কিন্তু '৭০-ৰ দশকটোৰ শেষৰ ফাললৈ স্থানীয় বুৰ্জোৱা আৰু পেটি বুৰ্জোৱা শ্ৰেণীৰ প্ৰসাৰ আৰু শক্তিবৃদ্ধিৰ লগে লগে পৰিস্থিতিৰ সলনি ঘটে। আৰু লাহে লাহে এই বুৰ্জোৱা শ্ৰেণীয়ে ৰাজ্যৰ জনসাধাৰণক নিজৰ পিছত সমবেত কৰিবলৈ কেতবোৰ বাস্তৱ কাৰণৰ সুবিধা লৈ 'জাতি-সত্তা বিপন্ন'ৰ ধ্বনি দিলে আৰু ঘোৰ আঞ্চলিকতাবাদী ৰাজনীতিৰ সূত্ৰপাত ঘটালে।

মন কৰিব লগা কথা যে কেন্দ্ৰত নেতৃত্বৰ দুৰ্বলতায়ো আঞ্চলিকতাবাদৰ উত্থানত সহায় কৰিলে। ১৯৬৫ চনৰ আগলৈকে দেশৰ সৰ্ববৃহৎ স্বাধীনতা সংগ্ৰামৰ ঐতিহ্যসম্পন্ন ৰাজনৈতিক দল হিচাপে কংগ্ৰেছেই দেশৰ ঐক্যৰ প্ৰধান ৰাজনৈতিক শক্তি ৰূপে থাকিছিল। ১৯৬৬ চনৰ পৰা কংগ্ৰেছৰ ভাবমূৰ্তি ম্লান হবলৈ ধৰে। '৬৭-ৰ নিৰ্বাচনত দেশৰ ৯ খন ৰাজ্যত কংগ্ৰেছ ক্ষমতাচ্যুত হয়। কেন্দ্ৰতো শক্তি হ্ৰাস হয়। কংগ্ৰেছ ১৯৬৯ চনত বিভাজিত হোৱাৰ পিছত, ১৯৭১-ৰ নিৰ্বাচনত ইন্দিৰা গান্ধীয়ে কংগ্ৰেছৰ ভাবমূৰ্তি ঘূৰাই আনে যদিও, তাৰ চৰিত্ৰ সলনি হয়। কংগ্ৰেছ এতিয়া এটা গণতান্ত্ৰিক সংগঠনৰ পৰিবৰ্তে এক ব্যক্তি নিৰ্ভৰশীল সংগঠনত পৰিণত হয়। '৭৭-ত কংগ্ৰেছ পুনৰ ক্ষমতাচ্যুত হয়। যি দলে ক্ষমতা লাভ কৰে, সি বিপুল সংখ্যা গৰিষ্ঠতা পোৱা সত্বেও এটা সুসংগঠিত দল নাছিল আৰু তাৰ সামাজিক ভিত্তিও দুৰ্বল আছিল। আভ্যন্তৰীণ দলাদলিত জুৰুলা এই দল অচিৰেই ভাগি পৰিল। এই দুৰ্বলতাৰ কাৰণেই দেখিবলৈ পোৱা গ'ল আঞ্চলিকতাবাদী শক্তি সমূহৰ এই সময়ছোৱাত বাঢ়ি যোৱা তৎপৰতা। '৮০ চনত কংগ্ৰেছ পুনৰ ক্ষমতালৈ আহিল যদিও তাৰ গণতান্ত্ৰিক চৰিত্ৰ লোপ পালে। সংগঠনটো এক ব্যক্তি নিৰ্ভৰ হ'ল। আৰু দিল্লীৰ নিৰ্দেশত সঘনে কংগ্ৰেছী মুখ্য মন্ত্ৰী সকলৰ সাল-সলনিয়ে এনে এক ধাৰণাৰ জন্ম দিলে যে ৰাজ্যবোৰৰ কোনো মৰ্যাদা নাই। কংগ্ৰেছ এটা গণতান্ত্ৰিক সংগঠন হৈ থকা অৱস্থাত ভিন ভিন অঞ্চলৰ প্ৰতিনিধি সকলে তাৰ ভিতৰত নিজা বক্তব্য দাঙি ধৰিব পাৰিছিল নিজ নিজ ৰাজ্যত নিজাকৈ সমস্যা সমাধানৰ উদ্যোগ লব পাৰিছিল। এক ব্যক্তি নিৰ্ভৰ হোৱাত সেইবোৰ তল পৰিল। ৰাজ্যবোৰৰ সংবিধান স্বীকৃত অধিকাৰে আওপাকেদি কাঢ়ি নিয়া বুলি এটা ধাৰণাই শিপালে। অন্ধ্ৰ প্ৰদেশত তেলেগু দেশমৰ জন্মৰ গুৰিত এনে ধাৰণায়েই কাম কৰিছিল।

কেন্দ্ৰত এই দুৰ্বলতাৰ সমান্তৰালকৈ আঞ্চলিকতাবাদৰ প্ৰসাৰ ঘটিবলৈ ধৰে। কিন্তু আঞ্চলিক বুৰ্জোৱা, পেটি বুৰ্জোৱা শ্ৰেণীৰ স্বাভাৱিক দুৰ্বলতাৰ কাৰণেই সিবোৰে উগ্ৰ ৰূপ ধাৰণ কৰে। কোনো ধৰণৰ বিৰোধিতা সহ্য কৰিবলৈ তেওঁলোক প্ৰস্তুত নহয় আৰু বিনা চৰ্তে তেওঁলোকৰ প্ৰতি সমৰ্থন দাবী কৰে। বিকাশৰ সুস্থ আঞ্চলিক আকাংক্ষাক তেওঁলোকে উগ্ৰ জাতীয়তাবাদৰ ফাললৈ টানি নিয়ে আৰু তাৰ স্বাভাৱিক পৰিণতিয়ে হয়গৈ বিচ্ছিন্নতাবাদ। সি ক'ৰবাত প্ৰকাশ্য ৰূপ লয় আৰু ক'ৰবাত অপ্ৰকাশ্য ভাবে থাকি যায়।

কিন্তু আঞ্চলিক বৈষম্যৰ বিৰুদ্ধে আৰু আঞ্চলিক আকাংক্ষা পূৰাবৰ কাৰণে সংগ্ৰামক যেতিয়াই উগ্ৰজাতীয়তাবাদ আৰু বিচ্ছিন্নতাবাদৰ পিনে লৈ যোৱা হয়, তেতিয়াই সি জন সমৰ্থন হেৰুৱাবলৈ আৰম্ভ কৰে। কিয়নো প্ৰথমতে; জনসাধাৰণে নিজ অভিজ্ঞতাৰ দ্বাৰাই এখন বৃহৎ ৰাষ্ট্ৰৰ উপযোগিতা উপলব্ধি কৰে। দ্বিতীয়তে, বৃটিছ যুগতে আৰম্ভ হৈ স্বাধীনতাৰ পিছৰ সময়ছোৱাত ভাৰতৰ ভিন ভিন অঞ্চলৰ মাজত অৰ্থনৈতিক বন্ধন ইমান শক্তিশালী যে নিৰ্ভেজাল আঞ্চলিকতাবাদ তাৰ লগত খাপ নাখায়। তৃতীয়তে, স্বাধীনতা সংগ্ৰামৰ ৰক্তস্নাত অভিজ্ঞতা আৰু স্বাধীনোত্তৰ কালত আৰ্জিত স্বাধীনতা বৈৰী শক্তি সমূহৰ হেঁচা আৰু আক্ৰমণৰ পৰা ৰক্ষা কৰাৰ কাৰণে চলা নিৰৱচ্ছিন্ন সংগ্ৰামৰ অভিজ্ঞতাই ভাৰতীয় ঐক্যবোধক ইমান সবল কৰিছে যে তাক দুৰ্বল কৰাটো কোনো অঞ্চলৰ জনসাধাৰণে মানি লব নোৱাৰে। চতুৰ্থতে, আঞ্চলিক বুৰ্জোৱা শ্ৰেণীৰ সকলো অংশই নহ'লেও প্ৰধান অংশটোৱে ভাৰতবৰ্ষৰ লগত থকা তাৰ অৰ্থনৈতিক সম্পৰ্ক দুৰ্বল কৰিবলৈ প্ৰস্তুত নহয়। এই সকলোবোৰ দিশ সামৰি ক'ব পাৰি যে সাম্প্ৰতিক সময়ত দেশত অভিকেন্দ্ৰিক প্ৰৱণতাটো যথেষ্ট শক্তিশালী আৰু সেয়ে অপকেন্দ্ৰিক প্ৰৱণতাটোক তাৰ চৰম বিন্দুলৈ লৈ যোৱা সম্ভৱ নহয়। দুয়োটাৰে মাজত এক ভাৰসাম্য ৰচনা কৰাটোৱেই এতিয়াৰ প্ৰধান সমস্যা।

যদি এই ভাৰসাম্য ৰক্ষা কৰিব পৰা নাযায় তেন্তে ৰাজনৈতিক জটিলতা বৃদ্ধি পাব। দেশৰ ঐক্য, অখন্ডতাৰ প্ৰতি বাৰে বাৰে বিপদে দেখা দিব। এই ভাৰসাম্য ৰক্ষা কৰিব পৰাটো নিৰ্ভৰ কৰিব কেন্দ্ৰই কেনেকুৱা নীতি অবলম্বন কৰিব তাৰ ওপৰত। কেন্দ্ৰক দুৰ্বল নকৰাকৈ যদি সুস্থ আঞ্চলিক বিকাশৰ আকাংক্ষাক মৰ্যাদা দিয়া হয় আৰু সেই আকাংক্ষা পৰিপূৰণৰ বাবে আন্তৰিক প্ৰয়াস থাকে, যদি সকলো অঞ্চলৰে সমবিকাশ নিশ্চিত কৰা হয়, তেন্তে আঞ্চলিকতাবাদী ৰাজনীতি দলৈ শিপাব নোৱাৰে। সেয়ে নহ'লে সি এতিয়া তল পৰিছে যদিও সময়ে সময়ে আমনি দি থাকিব।

এই নিৰ্বাচনে সুস্পষ্ট ভাবে প্ৰমাণ কৰিলে জনসাধাৰণে আঞ্চলিকতাবাদী ৰাজনীতি বৰ্জন কৰিছে। অসমৰ দৰে ৰাজ্যত ওপৰোক্ত কাৰণবোৰৰ উপৰিও আন এটা কাৰণেও এই ক্ষেত্ৰত ক্ৰিয়া কৰিছে। সি হ'ল ৰাজ্যখনৰ বিশেষ জন গাঁথনিত উগ্ৰ জাতীয়তাবাদে অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াটোকেই ব্যাহত কৰিছে যিটো জনসাধাৰণৰ কাম্য নহয়। আনকি স্থানীয় বুৰ্জোৱা শ্ৰেণীৰ এটা অংশও তাত ভীত।

দীঘলীয়া সংগ্ৰামৰ অভিজ্ঞতাৰে পুষ্ট ভাৰতৰ ভিন ভিন অঞ্চলৰ জনসাধাৰণে এক ঐক্যবদ্ধ আৰু শক্তিশালী ভাৰতৰ সুফল সহজেই উপলব্ধি কৰিব পাৰে। সেয়ে সাময়িকভাবে ভাবাবেগৰ দ্বাৰা পৰিচালিত হ'লেও, তেওঁলোকে আঞ্চলিকতাবাদী ৰাজনীতিৰ পিছত থকা স্থানীয় বুৰ্জোৱা শ্ৰেণীৰ সংকীৰ্ণ শ্ৰেণী স্বাৰ্থ শীঘ্ৰেই ধৰিব পাৰে। কিন্তু তেওঁলোকে এইটোও বিচাৰে যে এক ঐক্যবদ্ধ ভাৰত গঢ়াত প্ৰত্যেক অঞ্চলৰ অৱদান থকাৰ দৰে, বিকাশৰ ধাৰাতো প্ৰত্যেকৰে সমভাগ থকা উচিত। প্ৰত্যেক অঞ্চলেই মুক্ত ভাবে পৰিপূৰ্ণ অৰ্থনৈতিক সাংস্কৃতিক বিকাশৰ সুযোগ পোৱা উচিত। সেইটো নিশ্চিত হ'লে আঞ্চলিকতাবাদী ৰাজনীতিৰ শিপা দলৈ নেযায়। সূ





# অসমৰ সমস্যা সমূহ সম্পৰ্কে শইকীয়া চৰকাৰৰ দৃষ্টিভংগী

যোৱা ২৯ জুলাইৰ পৰা ৬ আগষ্টলৈ নব গঠিত অসম বিধান সভাৰ প্ৰথম অধিবেশন অনুষ্ঠিত হৈ যায়। অধিবেশনৰ একেবাৰে শেষৰ দিনটোত মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াই ৰাজ্যখনৰ প্ৰায় আটাইবোৰ জ্বলন্ত সমস্যাৰ ওপৰত ৰাজ্য চৰকাৰৰ নীতি আৰু স্থিতি ব্যাখ্যা কৰে। সমস্যাসমূহ সম্পৰ্কে চৰকাৰৰ ধ্যান ধাৰণাৰ উমান ওলাল। সন্দেহ নাই যে আসন্ন দিনবোৰত চৰকাৰে এনে ধ্যান-ধাৰণাৰ নিৰ্দেশিত পথেদিয়েই আগুৱাব।

অসমৰ সমস্যাসমূহৰ সমাধানৰ বাবে শইকীয়া চৰকাৰে সদনত দাঙি ধৰা দৃষ্টিভংগীয়ে স্বাভাৱিকতেই অসমীয়া ৰাইজৰ মাজত আলোচনা সমালোচনাৰ সৃষ্টি কৰিব। প্ৰায়বোৰ প্ৰচাৰ মাধ্যমতে, এইবিলাকৰ খন্ড বিশেষহে প্ৰকাশিত হৈছে। ৰাজ্যপালৰ ভাষণৰ ওপৰত সদনৰ সদস্যসকলে কৰা বিতৰ্কৰ উত্তৰত মুখ্য মন্ত্ৰী শ্ৰীশইকীয়াই আকস্মিক ভাবে দিয়া ভাষণৰ পৰা কেতবোৰ নিৰ্বাচিত অংশ হুবহু প্ৰকাশ কৰা হ'ল। ৰাজ্যখনৰ জৰুৰী সমস্যাসমূহৰ লগত জড়িত থকা অংশ সমূহকেই নিৰ্বাচিত কৰা হ'ল।

## আল্‌ফা সমস্যাঃ

মুখ্য মন্ত্ৰী – "আল্‌ফাৰ যিটো দাবী 'স্বাধীন অসম' আমি সেইটো গ্ৰহণ কৰিব নোৱাৰো আৰু সমৰ্থন নকৰো। তেখেতসকলে স্বাধীন কৰিবৰ বাবে যি হিংসাৰ আশ্ৰয় লৈছে, আমি তাৰ বিৰোধিতা কৰো। আমি অহিংসা নীতিৰে ভাৰতবৰ্ষ স্বাধীন কৰিছিলো। আমাৰ বিশ্বাস, ভাৰতবৰ্ষৰ গণতন্ত্ৰৰ ৰক্ষণাবেক্ষণৰ কাৰণে অহিংস আন্দোলনেই যথেষ্ট। ......... আল্‌ফাৰ বন্দী সকলক মুক্তি দিয়াৰ সম্পৰ্কে যি ধাৰণাৰ সৃষ্টি হৈছে, ইয়াৰ ওপৰত বাকবিতন্ডা চলিছে। এই সম্পৰ্কে বিভিন্ন মতামত, বিভিন্ন ধৰণৰ হিচাপ নিকাচ দিয়া হৈছে। আইনৰ কথা কোৱা হৈছে। সেই সকলে কি ক'লে, কি লিখিলে বা সেই সম্পৰ্কে কি লিখিছে, আলোচনা হৈছে, মই এই বিলাকৰ বাক-বিতন্ডা বিচৰা নাই। আমি এটা সিদ্ধান্ত লৈছো, সেইটো হৈছে আল্‌ফাৰ টাডা বন্দী সকলক মুক্তি দিব লাগে। এই সকলক এৰি দিয়াটো আমাৰ সিদ্ধান্ত। এৰি দিয়া সিদ্ধান্তটো আপোনালোকে ক্ষমা বুলি কয়, জেনেৰেল এমনেষ্টি যিহকেই নকওক লাগে, আমি আমাৰ সিদ্ধান্ত একেদৰেই ৰাখিছো। আমি ৮ জুলাইৰ আগতে যিটো কথা কৈছিলো– যি সকলৰ বিৰুদ্ধে নিৰ্দিষ্ট কোনো চাৰ্জ নাই, সেই সকলক এৰি দিয়া হৈছে, এৰি দিয়া হব আৰু এৰি দিয়া হৈছেই। যি সকলৰ বিৰুদ্ধে নিৰ্দিষ্ট চাৰ্জ আছে, সেই সকলকো আমি এৰি দিম, যদিহে তেখেত সকল আলোচনাৰ বাবে আহে আৰু পণবন্দী কৰি ৰখা বাকী ৮ জনক মুকলি কৰি দিয়ে। সেই সিদ্ধান্ত এতিয়াও ৰাখিছো আৰু আছে। আৰু মই সেই বিষয়ত আশাবাদী। মই আশা কৰিছো, আমি সেই পণবন্দী সকলক সুস্থ শৰীৰে ঘূৰাই পাম আৰু তাৰ বিনিময়ত আমি সকলো টাডা বন্দীক মুক্তি দিম। যি সকলৰ বিৰুদ্ধে নিৰ্দিষ্ট চাৰ্জ আছে আৰু আমি এইটো আশা কৰিছো যে তেখেত সকল আলোচনালৈ আহিব আৰু সেইটো হোৱাৰ লগে লগেই আমি এই দলৰ ওপৰত থকা নিষেধাজ্ঞা উঠাই দিম। ...... স্লেক এক্ট বুলি যিটো কোৱা হৈছে– ডিষ্টাৰ্ব এৰিয়া এক্ট, টাডা বা আৰ্মচ এক্ট– এই বিলাক ৰাষ্ট্ৰপতি শাসনৰ সময়ছোৱাৰ বুলি ভুলকৈ ব্যাখ্যা দিয়া হৈছে। ডিষ্টাৰ্ব এৰিয়া এক্ট অসমলৈ বহুদিন আগতে আহিছে। যেতিয়া নাগা সকলে ফিজোৰ নেতৃত্বত ১৯৪৮ চনত আন্দোলন আৰম্ভ কৰিছিল, সন্ত্ৰাস আৰম্ভ কৰিছিল, তাৰ পিছতেই মই জনাত ১৯৫৪ চন মানতে ডিষ্টাৰ্ব এৰিয়া এক্ট প্ৰযোজ্য হৈছিল। তেতিয়াৰ পৰাই ৰাজ্যখনত মূলতঃ নেথাকিলেও, আমাৰ সীমান্ত এলেকাত এই ডিষ্টাৰ্ব এৰিয়া এক্ট প্ৰযোজ্য হৈয়েই আছিল। ই নতুনকৈ অহা নাই। ..... টাডা এক্ট এতিয়া অহা নাই, ১৯৮৮ চনত আহিছে। কিয় আহিছিল, কাৰ কাৰণে আহিছিল, সেই কথা মই আজি ক'ব খোজা নাই। এই কথা অসমৰ ৰাইজে জানে। আজি অসমত ৰাষ্ট্ৰপতি শাসন অহাৰ কাৰণেই টাডা এক্ট আহিলে, ডিষ্টাৰ্ব এৰিয়া এক্ট আহিলে আৰু লগে লগে স্লেক এক্ট আহিলেনে নাই সেই কথাৰ মূল্যাংকন হব লাগে। যি আগতে হোৱা নাছিল। ৰাষ্ট্ৰপতি শাসনৰ লগতহে স্লেক এক্ট হ'ল।"

## আবছুৰ আন্দোলন

মুখ্য মন্ত্ৰী– "........ অতি আন্তৰিকতাৰে তেখেত সকলৰ সমস্যা সমূহ সমাধান উলিয়াবলৈ চেষ্টা কৰিম। তেখেত সকলে কি কাৰণে বড়োলেন্ড বিচাৰিছে, সেই সমস্যা বিলাকৰ সমাধান উলিয়াবলৈ চেষ্টা কৰিম। কিন্তু আমি অসমৰ বিভাজন নিবিচাৰো। অসমৰ বিভাজনে সমস্যাৰ সমাধান নকৰে। ..... এক্সপাৰ্ট কমিটি সম্পৰ্কে আমাৰ সিদ্ধান্ত সম্পূৰ্ণ ক্লিয়েৰ। এক্সপাৰ্ট কমিটিখন, মাননীয় সদস্য প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়া মুখ্য মন্ত্ৰী থাকোতেই কেন্দ্ৰীয় চৰকাৰে এই মৰ্মে প্ৰস্তাৱ আৰম্ভ কৰিছিল। যি কাৰণেই নহওক লাগে, এই কমিটিখন গঠন হোৱা নাছিল। এই এক্সপাৰ্ট কমিটিখন গঠন কৰা সম্পৰ্কে সিদ্ধান্ত লোৱা সময়ত কেন্দ্ৰত ভি পি সিং প্ৰধান মন্ত্ৰী আছিল আৰু অসমত মাননীয় সদস্য প্ৰফুল্ল কুমাৰ মহন্ত মুখ্য মন্ত্ৰী আছিল। এক্সপাৰ্ট কমিটিখন গঠনৰ কাম শেষ হোৱা নাছিল আৰু তেতিয়া মোৰ লগত আবছুৰ নেতৃবৃন্দৰ কথা-বতৰা হৈছিল। সেই

সময়তে চন্দ্ৰ শেখৰ প্ৰধান মন্ত্ৰী হ'ল। মোৰ তেখেত সকলৰ কথা মনলৈ আহিছিল, যিহেতু চন্দ্ৰ শেখৰ মন্ত্ৰী সভাখনক কংগ্ৰেছ দলে সমৰ্থন কৰিছিল। ..... তেখেত সকলক সেই সময়ত আমাৰ সভাপতি ৰাজীৱ গান্ধীৰ ঘৰলৈ লৈ গৈছিলো। আলোচনা কৰিছিলো; আৰু ৰাজীৱ গান্ধীৰ আগত স্পষ্ট ভাবে কৈছিলো আৰু তেখেত সকলকো কৈছিলো এক্সপাৰ্ট কমিটিখন গঠন কৰক। ..... মই তেখেত সকলৰ সমুখত ৰাজীৱ গান্ধীক অনুৰোধ কৰিছিলো, এইটো আপুনি সমৰ্থন কৰক আৰু চন্দ্ৰ শেখৰৰ হতুৱাই কোনো মতে কৰাই দিয়ক। .... মই এতিয়াও কৈছো, এক্সপাৰ্ট কমিটি ফৰমেচনত আমাৰ আপত্তি নাই। ..... তেখেত সকলে মোক তেখেত সকলৰ বন্দী সকলক মুক্তি দিয়াৰ কথাও কৈছে। মই তেখেত সকলক কৈছো, তেখেত সকলৰ ৫0 জন এতিয়াও টাডাত আছে। ২১ জনৰ বিৰুদ্ধে কোনো নিৰ্দিষ্ট চাৰ্জ নাই। মই সেই সকলক এৰি দিব পাৰিম। বাকী ২৯ জনক এৰি দিয়াত অসুবিধা আছে। মই ভাবো, বুজাপৰাৰ মাজেৰে আমি সমস্যা সমাধান কৰিব পাৰিম। আৰু মই আশা ৰাখিছো, তেখেত সকলে আমাৰ নিবেদন ৰক্ষা কৰি তেখেত সকলৰ ১000 ঘন্টীয়া বন্ধ উঠাই লব। ........ আজি উপেন ব্ৰহ্ম আৰু নাই। তেওঁ ঢুকাল আৰু সেয়ে মই অৱশ্যে এইখিনি কোৱা কথা অপ্ৰিয় সত্য, মোক ক্ষমা কৰিব। মোক সেই সময়ত উপেন ব্ৰহ্ম ডাঙৰীয়াই, মই যেতিয়া ৰাজ্যপাল হৈ আছিলো, তেতিয়া উপেন ব্ৰহ্ম ডাঙৰীয়াই ভালেকেইজন তেখেতৰ নেতাক লগত লৈ গৈ মোক দেখা কৰি কৈছিল– "আমি কেন্দ্ৰৰ ওচৰলৈ কেইবাবাৰো গৈ আহিছো; কিন্তু অসম চৰকাৰৰ হস্তক্ষেপ নে কি নাজানো, আমাক গৃহ মন্ত্ৰীয়ে লগেই নকৰে।" মই তেতিয়া তেখেত সকলক গৃহ মন্ত্ৰীক লগ কৰাৰ ব্যৱস্থা কৰি দিছিলো আৰু কৈছিলো যে এওঁলোকক লগ নকৰাৰ কোনো কাৰণ থাকিব নোৱাৰে.....। এইখিনিতে ক'ব খুজিছো (বড়ো সকলৰ প্ৰতি) আমাৰ আপোনা সকলৰ দাবী সম্পৰ্কে কোনো দ্বিমত নাই। আমাৰ আন্তৰিকতা আছে। কিন্তু অসমৰ বুৰঞ্জীখন আমি সংশোধন কৰিব নোৱাৰো.......।

## এ এচ ডি চি-ৰ আন্দোলন

**মুখ্য মন্ত্ৰী–** "............ এ এচ ডি চি-য়ে যিটো কথালৈ আন্দোলন কৰিছে, কাৰবি আংলং জিলা কংগ্ৰেছো তাত আনন্দিত। কিন্তু এই কথাটোত আমাৰ কিছু কথা আলোচনা কৰিব লাগে। ...... তেখেতৰ লগত (ৰাজীৱ গান্ধী) আমি এই বিষয়ে বিশদ আলোচনা কৰিছিলো। প্ৰাক্তন মন্ত্ৰী বীৰেন সিং ইংতিয়ে জোৰ কৰি ধৰিছিল যে মই সেই কথা ক'ব লাগে। তেখেতক এটা কথা খোলাকৈ কৈছিলো যে অসমৰ ৰাইজ জাগিছে। ৰাজীৱ গান্ধীয়ে এবাৰ কৈছিল বীৰেন ইংতিক 'তোমাক মই অসমত চেপাৰেট ষ্টেট এখন বনাই দিব পাৰো; কিন্তু যদি সেইখন মেঘালয় হৈ যায়? চিন্তা কৰি চাবা।' আমিও চিন্তা কৰি চাব লাগিব। .... আমি এখন উপৰাজ্য দি, শেষ গ্লানি লব নোৱাৰো। সেই কাৰণে যিহেতু আমি শুদ্ধ ভাবে কৈছো, আন্তৰিকতাৰে কৈছো, অসমৰ বিভাজন নিবিচাৰো। অসমৰ বিভাজন নোহোৱা যি কোনো কাম কৰিবলৈ প্ৰস্তুত আছো। তেখেত সকলৰ সকলো কথা, এই ক্ষেত্ৰত খোলোচা হব লাগিব।"

## অসমৰ উন্নয়নঃ

**মুখ্য মন্ত্ৰী–** "......... অসমৰ উন্নয়ন বিচৰা হৈছে। অসমৰ অৰ্থনৈতিক আৰু এক্সপ্লইটেচনৰ কথা কোৱা হৈছে। কিন্তু সঁচাকৈ সেইটে হৈছে নে নাই, তাক কোনে বিচাৰ লব। সেইটো মই অস্বীকাৰ নকৰো যে স্বাধীন ভাৰতক অসমে যিমানখিনি আগবঢ়াব লাগিছিল, সেইখিনি আগবঢ়াব নোৱাৰিলে। ইতিহাস পঢ়িলে দেখিব, ২00 বছৰৰ আগতে ১৭৫৭ চনত বৃটিছে কলিকতা দখল কৰিছিল। চনটো মোৰ অলপ ভুল হব পাৰে। অসম দখল কৰিছিল ১৮২৬ চনত, প্ৰায় ১00 বছৰৰ পিছত। এইটো কোনেও অস্বীকাৰ কৰিব নোৱাৰে। ভাৰতবৰ্ষৰ যিটো মডাৰেচন সেইটো ওৱেষ্টাৰ্ণ চিভিলাইজেচনৰ পৰা অহা। ওৱেষ্টাৰ্ণ চিভিলাইজেচন কলিকতা, মদ্ৰাজ আৰু বোম্বাইত বহু বছৰৰ আগতে আহিল। জাহাংগীৰৰ দিনত বৃটিছ সকলে পশ্চিম ভাৰতত খোপনি পুতিলে। বৃটিছ সকলৰ জৰিয়তে ওৱেষ্টাৰ্ণ কালচাৰটো, ওৱেষ্টাৰ্ণ মৰ্ডানাইজেচনৰ যিটো কালচাৰ, সেইটো বহু বছৰৰ আগতে আহিছিল। অসমলৈ ৰেল লাইন কিয় আহিল, এই কাৰণেই আহিল যে অসমত তেল আছে, চাহ আছে। কিন্তু এক্সপ্লইটেচনৰ এক্সপ্লেন হ'লেও ই অসমৰ ডেভেলপমেন্টত সহায় কৰিছে। আজি যিহেতু আমাৰ ৰাজ্যখন ভাৰতবৰ্ষৰ অন্যান্য অঞ্চলৰ ৰাজ্যতকৈ ১00 বছৰৰ পিছত বৃটিছ সকলে দখল কৰিছিল। ইয়াৰ উন্নয়নৰ কথা বিলাক শোষণৰ কাৰণ হ'লেও, ১৯৪৭ চনত নাগালেণ্ডৰ কি আছিল, মিজোৰামৰ কি আছিল আৰু অৰুণাচলৰ কি আছিল, এটা ৰাস্তা নাছিল। ১৯৪৭ চনত ভাৰতবৰ্ষ স্বাধীন হোৱাৰ সময়ত মিজোৰাম জিলা আছিল। অসমৰ এই অঞ্চলৰ পৰা আইজাল, লুংলেলৈ খোজ কাঢ়ি যাব লাগিছিল সেই অৱস্থা আছিল। আজি যদি মিজোৰামত থাকি মই কওঁ যে মোৰ ইয়াত যি যি হোৱা নাই তাৰ কাৰণে দিল্লীক দোষ দিলে নহব, সময় চাব লাগিব আৰু সেই হিচাপে জীৱনলৈও চাব লাগিব। মই এইখিনিতে অসমৰ অৰ্থনৈতিক অৱস্থাৰ ছবি এখন দাঙি ধৰিবলৈ চেষ্টা কৰিছো। অসমৰ অৰ্থনৈতিক অৱস্থা কেনেকুৱা আৰু আমি কেনেকৈ চলিছো, এক্সপেনডিচাৰটো কিমান খিনিলৈকে হৈছে বা কিমানখিনি নাই হোৱা, মই সেইটো ক'ব খুজিছো। মাননীয় সদস্য থানেশ্বৰ বড়ো ডাঙৰীয়াই কৈছিল তেখেতৰ ভাষণত যে আমাৰ ৰাজ্যখনত শোষণ হৈছে। শোষণ সম্পৰ্কত মই যি পৰামৰ্শ দাঙি ধৰিছিলো, আমি সাধাৰণতে তেলক লৈয়েই এটা সংগ্ৰাম কৰি আছো। তেলক লৈয়েই আমি কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে অফেনচিভ মনোভাব লৈ আছো। কোৱা হৈছে যে অসমৰ তেল বাহিৰলৈ নি আমাক শোষণ কৰি আছে; কিন্তু অসমক কিমান তেল দিছে বা এই ক্ৰুড অইল ক'ত গৈছে আমি আলোচনা কৰি চাইছোনে, কেতিয়াবা বিচাৰ কৰি চাইছোনে। এই ক্ৰুড অইলত আমি যিমান টকা পাইছো বা কিমান টকা খৰছ হৈছে অথবা কেন্দ্ৰীয় চৰকাৰে কিমান পাইছে, আমি কেতিয়াবা আলোচনা কৰিছোনে। আমাৰ ভাৰতবৰ্ষত বৰ্তমানে ৫৮ নিযুত মেট্ৰিকটন খাৰুৱা তেল লাগে। ভাৰতবৰ্ষত উৎপাদন হয় ৩৪ মেট্ৰিকটন। মই এইটো ৰাউন্ড ফিগাৰত কৈছো, ৯0 দশকত অসমত উৎপাদন ৫ নিযুত মেট্ৰিকটন। এইখিনিতে মূল তথ্য। পৃথিৱীৰ বজাৰৰ হিচাপত আমি যদি প্ৰতি মেট্ৰিকটনৰ দাম তিনি হাজাৰকৈ ধৰো, তেতিয়া আমাৰ এই খাৰুৱা তেলখিনিৰ মূল্য হয় ১৫00 কোটি টকা। আন্তঃৰাষ্ট্ৰীয় বজাৰত যিটো তেলৰ ভাৰতীয় মূল্য, সেই হিচাপত এই ৫ নিযুত মেট্ৰিকটনৰ মূল্য হৈছে ১৫00 কোটি টকা। এই ১৫00 কোটি টকাৰ ভিতৰত আমি ৰয়েল্টি হিচাপে আৰু টেক্স লগাই পাওঁ প্ৰায় ৩00 কোটি টকা। সেই খাৰুৱা তেল উৎপাদনৰ পৰা আৰম্ভ কৰি খৰচ হিচাপত



যায় প্ৰায় ৭৫0 কোটি টকা। দেখা গৈছে, ৭৫0 কোটি টকা এই খাৰুৱা তেলখিনি ৰিফাইন কৰাৰ পৰা এক্সট্ৰেক কৰালৈ খৰচ হয় ৭৫0 কোটি টকা। অসমে অইল ৰয়েল্টি আৰু অন্যান্য টেক্সৰ বিনিময়ত পায় ৩00 কোটি টকা। থাকিলে ৪৫0 কোটি টকা। এই ৪৫0 কোটি টকা পায় কেন্দ্ৰীয় চৰকাৰে।

চাহৰ ক্ষেত্ৰলৈ আহো, চাহৰ উদ্যোগৰ তথ্যপাতিত যদি আমি সোমাই চাওঁ, ১৯৮৯ চনত অসমত চাহ উৎপাদন হৈছিল ৩৭৮ নিযুত কিলোগ্ৰাম। সেই বছৰত চাহ পাতৰ মূল্য গড় হিচাপে আছিল, কিলোগ্ৰামত ৩২ টকা। সেই দাম অনুসৰি অসমত উৎপাদিত সমূহ চাহৰ দাম হব ১২0১ কোটি টকা। এই ১২0১ কোটি টকাৰ ভিতৰত মজুৰি, খাদ্য সামগ্ৰী আৰু অন্যান্য খৰচ ধৰিলে আমি দেখো ১৯৯0 বছৰটোত ভাৰতে উৎপাদন কৰা ৮৩৪ নিযুত কিলোগ্ৰাম চাহ পাতৰ বিপৰীতে অসমে ৩৮৯ নিযুত কিলোগ্ৰাম চাহ উৎপাদন কৰে। এই বছৰটোত বজাৰৰ গড় হিচাপে প্ৰতি কিলোগ্ৰাম চাহৰ দাম আছিল প্ৰায় ৪0 টকা। অসম চৰকাৰে কৃষি আকয়ৰ হিচাপে পাইছে ৯0 কোটি টকা; আৰু অন্যান্য মিলালে হয়গৈ প্ৰায় ১১৫/১১৮ কোটি টকা। এইখিনি আমাৰ চাহৰ পৰা টেক্স হিচাপে আহে। কেন্দ্ৰীয় চৰকাৰে সেই অনুপাতে কিছু টকা পায়। কিন্তু ইয়াত বেছি টকা যায়গৈ মালিক সকললৈ। এই মালিক সকলক বেংক হিচাপে ৰাষ্ট্ৰীয়কৰণ কৰিব লাগে আৰু ৰাষ্ট্ৰীয়কৰণ কৰিলে এই টকাটো আমালৈ আহিব। ৰাষ্ট্ৰীয়কৰণ কৰাৰ ক্ষেত্ৰত আমি যথেষ্ট চিন্তা কৰি চাব লাগিব আৰু আমিয়েই মেনেজ কৰিব পাৰি নেকি চাব লাগিব। আমি ৰাষ্ট্ৰীয়কৰণ কৰা কথাটো এতিয়া আলোচনা কৰিব খোজা নাই। চাহৰ ক্ষেত্ৰত আমি ফৰেইন একচ্চেঞ্জ দিলেও আমি কম টকা নোপোৱাকৈ থকা নাই। অন্যহাতে শ্ৰীমহন্ত ডাঙৰীয়াই কৈছে, এইবাৰ ৯0 শতাংশ গ্ৰান্ট পোৱা হৈছে প্লেনত। আমি চেভেন প্লেনত কেন্দ্ৰীয় চৰকাৰৰ পৰা পাইছিলো ২৫00 কোটি টকা। এইবাৰৰ প্লেনত আমি নিশ্চয় ৩000 কোটি টকা পাম। ইয়াৰে শতকৰা ১0 ভাগ বাদ দিলে, তেতিয়া আমালৈ ২৭00 কোটি টকা আহিব। এইবাৰ অষ্টম-নবম বিত্ত আয়োগৰ জৰিয়তে আমি কিছু টকা পাম। মই জানো যে অসমৰ কাৰণে কেন্দ্ৰই আৰু বহু টকা দিব লাগিব; কিন্তু আমি এইটো কথা প্ৰচাৰ কৰিব নালাগে যে কেন্দ্ৰই আমাক শোষণ কৰি আছে। ইয়াৰ ফলত অসমৰ সৰু সৰু ল'ৰাবোৰৰ মনত এটা বিষাক্ত ভাবৰ সৃষ্টি কৰিছে। যিটো কথাৰ সত্যতা নাই। সেই বিলাক কথা সোঁৱৰাই দি এটা বিষাক্ত মন সৃষ্টি কৰিব নালাগে। যিহেতু আমি সদনত থকা প্ৰতিজন সদস্যই কৈছো, আমি অসমৰ স্বাধীনতা নিবিচাৰো। অসম ভাৰতৰ অংগ হৈ থাকিব লাগে। কিন্তু আমি ভাৰতীয় চৰকাৰৰ লগত আমাৰ সম্পৰ্ক ভালে ৰাখিব লাগিব আৰু উঠি অহা ল'ৰা-ছোৱালী বিলাকৰ মন বিষাক্ত কৰি তুলিব নালাগিব।"

## অসমৰ ৰাজহঃ

**মুখ্য মন্ত্ৰী–** "........ বৰ্তমানে ১৯৯0-৯১ বছৰটোত ৰাজহ সংগ্ৰহ হৈছে ৬0৭.৩৭ কোটি টকা আৰু আমাৰ বেতনৰ খৰচ হয় ৯৬0 কোটি টকা। আপুনি জানে যে দৰমহাটো নন-প্লেন এক্সপেনডিচাৰত পৰে। সেয়ে আজি অসমৰ অৱস্থা এনে হৈ আছে। যদি কেন্দ্ৰীয় চৰকাৰৰ পৰা আমি টকা নাপাওঁ, মোক বিষয়া সকলে কোৱা মতে যোৱা দুটা বছৰ আমাৰ অসমত আমি কোনো উন্নয়নমূলক কাম কৰিব নোৱাৰিলো। উন্নয়নমূলক কামৰ বাবে চেভেন প্লেন যোগে যিমান টকা আহিছিল সকলো দৰমহাতে খৰচ হ'ল।"

## চাহৰ হেড কোৱাৰ্টাৰঃ

**মুখ্য মন্ত্ৰী–** "...... আমাৰ চাহ বাগিচা আৰু অন্যান্য শিল্প উদ্যোগৰ হেড কোৱাৰ্টাৰ অসমলৈ ঘূৰাই অনা কথা উল্লেখ কৰিছে। আমাৰ এই কথাত সমৰ্থন আছে। আমিও চেষ্টা কৰিছো আৰু কথা বতৰা পাতিছো। বিষয়টোত তেওঁলোকে আপত্তি কৰিছে যে তেওঁলোকক ৰক্ষণাবেক্ষণ দিব লাগে। আইন শৃংখলাৰ কথাতো আছেই। এইটো আমি পিছৰ কথালৈ নিম।"

## বস্তুৰ মূল্যঃ

**মুখ্য মন্ত্ৰী–** "বস্তুৰ মূল্য বাঢ়িছে, আমাৰ মাননীয় সদস্য সকলে জানে। ইয়াক আমি নিয়ন্ত্ৰণ কৰিব লাগিব। তাৰ কাৰণে আমি বিশেষ ব্যৱস্থা লব খুজিছো।"

## নিবনুৱা সমস্যাঃ

**মুখ্য মন্ত্ৰী–** "অসমৰ চাকৰি বাকৰিৰ কথা কওঁতে আমি আজি এটা প্ৰশ্নৰ উত্তৰত শ্ৰীশৰ্মা ডাঙৰীয়াই আমাক দায়িত্ব নথকা বুলি তীব্ৰ ভাবে সমালোচনা কৰিছে। আমি তামচা কৰিছিলো। এই তামচাটো কিন্তু কেতিয়াবাই আৰম্ভ হৈছিল কাৰণ বৰ্তমান আমি চালো ২১২ জন ডাক্তৰ নাই আৰু ১৪৮৯ গৰাকী নাৰ্চ নাই। সেইটো এতিয়াৰ সৃষ্টি নহয়। আমাৰ ৫ সপ্তাহৰ সৃষ্টি নহয়। ২১২ জন ডাক্তৰ নথকাটো, ১৪৮৯ গৰাকী নাৰ্চ নথকাটো এদিনৰ সৃষ্টি নহয়। সেয়ে মই কৈছো, এই তামচাটো আমাৰ নহয়। তামচাটো আগতেই আৰম্ভ হৈছে। ইঞ্জিনিয়াৰৰ কথা ক'ব খুজিছো, মই এতিয়া খা-খবৰ কৰিছো আৰু ইঞ্জিনিয়াৰ সকলকো কৈছো। বৰ্তমান ৭000 জন ইঞ্জিনিয়াৰ আছে বেকাৰ হৈ। তাৰে ২৫00 জন হৈছে ইঞ্জিনিয়াৰ গ্ৰেজুৱেট আৰু ৪৫00 জন ডিপ্লোমা হোল্ডাৰ ইঞ্জিনিয়াৰ। এই ৭000 হাজাৰ ইঞ্জিনিয়াৰে অসমৰ এটা বিভীষিকাৰ সৃষ্টি কৰিছে। এতিয়া মোক কৈছে যে প্ৰতি বছৰে অসমত ১000 কৈ ডিপ্লোমা হোল্ডাৰৰ সৃষ্টি হৈছে। অসমত ১000 কৈ ডিপ্লোমা হোল্ডাৰক চাকৰি দিওঁ ক'ৰপৰা। আমি নিশ্চয় সহযোগেৰে মোকাবিলা কৰিব লাগিব। আমি সাহসেৰে ক'ব লাগিব আৰু ইঞ্জিনিয়াৰৰ আমাৰ কোনো প্ৰয়োজন নাই। এই ৭000 ইঞ্জিনিয়াৰক চাকৰি দিবই লাগিব। ১৯৮৫ চনৰ পৰা মোক কোৱা মতে মই নেজানো মহন্ত ডাঙৰীয়াই বেছিকৈ জানিব এই ইঞ্জিনিয়াৰ গ্ৰেজুৱেট সকলে বা তেওঁলোকৰ সংস্থাটোৱে কৈছে, ১৯৮৫ চনৰ পৰা আমি এজনেও চাকৰি পোৱা নাই। এই পাঁচ বছৰে এই বেকলগটো আছে আৰু পাঁচ বছৰ হবলৈ হ'লে আৰু ৭000 হব। আমি ইয়াত এটা মোকাবিলা কৰিব লাগিব। এই কথাবিলাক আমি গভীৰ চিন্তা কৰিব লাগিব কিন্তু কাৰোবাৰ মুখলৈ বোকা দলিওৱা কথা নহয়। এইটো আমাৰ নিজৰ সমস্যাৰ কথা। আমি চিন্তা কৰি ইয়াৰ প্ৰতিকাৰ কৰিব লাগিব।"

## সামাজিক উত্তেজনাঃ

**মুখ্য মন্ত্ৰী–** "আজি আমাৰ ৰাজ্যত এটা ছচিয়েল টেনচন হৈছে, এটা সামাজিক উত্তেজনা চলি আছে। এই সামাজিক উত্তেজনাটো আমি নিয়ন্ত্ৰণ কৰিব লাগিব। সামাজিক উত্তেজনা কেনেকৈ হৈছে মই ইয়াৰ ইতিহাস জানিব খোজা নাই। কিন্তু অস্বীকাৰ কৰিব নোৱাৰো। অস্বীকাৰ কৰিব নালাগিব যে সামাজিক যি টেনচন যোৱা কেইটা বছৰত খুব বেছি বাঢ়িছিল যি কাৰণেই নহওক লাগে আজি এই সদনত কোচ, ৰাজবংশী, চুতীয়া, মটক, মৰাণ, টি ট্ৰাইবেল এই সকলক ট্ৰাইবেল বুলি ধৰা হৈছে। কাৰ্বি আংলঙত থকা বড়ো সকলক আমি ট্ৰাইবেল বুলি কব লাগিব। অসমৰ

ভৈয়ামত থকা কাৰ্বি সকলক আমি ট্ৰাইবেল বুলি কব লাগিব। এইটো কোৱা উচিত। আজি আমি কোচ, ৰাজবংশী, চুতীয়া, মৰাণ, মটক টি ট্ৰাইবচ আৰু আন সকলেও বিচাৰিছে। এইটোক যদি আমি ট্ৰাইবচ কৰো আৰু যদি আমি এই সকলক ট্ৰাইবেল হিচাপে সম্পূৰ্ণ মৰ্যাদা দি অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক ভাবে স্বীকৃতি দিওঁ অসমৰ এই ছবি থাকিবনে? আজি আমি চিন্তা কৰি চাব লাগিব। অসমৰ বৈশিষ্ট্যৰ কথা অসমৰ সংহতিৰ কথা অসমৰ ইন্টিগ্ৰিটিৰ কথা, অসমৰ বিভাজন বন্ধ কৰা কথা। মই এইসকলক কৈছো, কোচ, ৰাজবংশী, চুতীয়া, মটক, মৰাণ, আহোম যি এতিয়া মোৰ ওচৰলৈ আহিছে মই কৈছো আপোনালোকক সামাজিক মৰ্যাদা দিব পাৰো। আপোনালোকক অৰ্থনৈতিক মৰ্যাদা দিব পাৰো। আজি ট্ৰাইবেল ছাত্ৰ সকলে ৰিজাৰ্ভ ছিট যি পাই, ট্ৰাইবেল ছাত্ৰ সকল –আপোনালোকে ৰিজাৰ্ভেচন লওক কিন্তু পলিটিকেল মোভমেন্ট নিবিচাৰিব। এই পলিটিকেল ডিভিজন বিচৰা সকলে অসমখন আৰু ভাগ কৰিব। আৰু পলিটিকেল মৰ্যাদা দিবলৈ গলে বৰ্তমান যিটো পলিটিকেল ষ্ট্ৰাকচাৰ সেইটো নষ্ট হৈ যাব। নতুবা আমি গোটেই অসমখনে ট্ৰাইবেল ষ্টেট কৰিব লাগিব। আমি এইটো কব বিচাৰিছো যে আমি এই সকলক ট্ৰাইবেল মৰ্যাদা দিবলৈ অকণো আপত্তি নাই। মটক, মৰাণ ছাত্ৰ সংস্থাই মোৰ কথাতো তেওঁলোকে সমৰ্থন কৰিছে অৱশ্যে। আজি পলিটিকেল মৰ্যাদা কোন বিলাকে বিচাৰে কোনোবা এম এল এ হ'ব, মিনিষ্টাৰ হ'ব কিন্তু আপোনালোকৰ ক্ষতি হ'ব। বৰঞ্চ আপোনালোকে এইখিনি মৰ্যাদা বিচাৰক। আপোনালোকক চাকৰি লাগে চাকৰিৰ ৰিজাৰ্ভেচন লওক। আপোনা-লোকক স্কলাৰচিপ লাগে স্কলাৰচিপ লওক, আপোনালোকক বিশেষ সা-সুবিধা লাগে অৰ্থনৈতিক ভাবে সেইখিনি লওক। কিন্তু পলিটিকেল ভাবে নিবিচাৰিব। মই ভাবো সদনৰ মাননীয় সদস্য সকলে একমত হ'ব। কোচ, ৰাজবংশী, চুতীয়া, মটক, মৰাণ, আহোম, ট্ৰাইবচ সেই সকলক আমি ট্ৰাইবেল অৰ্থনৈতিক প্ৰিভিলেন্স বা ছোচিয়েল ষ্টেটাচ দিব লাগে। কিন্তু পলিটিকেল প্ৰেছাৰ দিব নালাগে। কাৰণ পলিটিকেল প্ৰেছ দিলে আমাৰ অসমৰ প্ৰতি সকলো বিশ্বাস কমি যাব। মই ভাবো সদনৰ মাননীয় সদস্য সকলে এই কথাটো বিচাৰ কৰিব আৰু মই ভাবো এইটো কৰিলে অসমৰ ভৱিষ্যত ৰক্ষা পৰিব বুলি মোৰ দৃঢ় বিশ্বাস। মোৰ ভুল হ'ব পাৰে। আৰু ভুল হলে মই ভালেই পাম। কিন্তু মোৰ ক্ষুদ্ৰ মগজুত যিটো ভাব হৈছে তাৰ পৰা মই ভাবিছো যে আমি যদি সকলোকে ট্ৰাইবেল কৰি লওঁ অপমানজনক হ'ব। ইয়াত চেন্ট্ৰেল ইউনিভাৰ্চিটি, আই আই টি, অশোক পেপাৰ মিল, অন্যান্য প্ৰজেক্টবিলাক কৈছে – আমিও চেষ্টা কৰিছো। শ্ৰীমহন্ত ডাঙৰীয়াই কৈছে – এইবিলাক তেখেত সকলে আনিছে। আমি আলোচনা কৰিম। তেখেত সকলে ইয়াৰ মূল স্বীকৃতি পাব আৰু মই তেখেত সকলক কবলৈ বিচাৰিছো যে এইবিলাক হোৱাৰ ক্ষেত্ৰত তেখেত সকলে আমাক সমৰ্থন কৰিব।"

## অসম চুক্তিঃ

মুখ্য মন্ত্ৰী – "আসাম একৰ্ডৰ কথা খুব কমেই উল্লেখ কৰিছে তথাপিও মই কব খুজিছো আসাম একৰ্ড আমি কৰাৰ কাৰণে মোৰ সহকৰ্মী সকলে এতিয়াও কৈ থাকে। বহুতে কয় আমি পৰিস্থিতিত মাৰ খালো। কিন্তু আমি ইয়াৰ অংশীদাৰ। আসাম একৰ্ড অংশীদাৰ আৰু সেই আসাম একৰ্ডৰ সকলো কথাই ·এই চৰকাৰে পূৰ্ণ পৰ্যায়েৰে ইমপ্লিমেন্ট কৰিবলৈ চেষ্টা কৰিব।"

## সীমা সমস্যাঃ

মুখ্য মন্ত্ৰী – "বোৰ্ডাৰ দিচপিউট্ কথা কৈছে। সীমান্তৰ সমস্যা এইটো অতি পুৰণি। অসমৰ জিলাবোৰ এতিয়া ৰাজ্য হৈছে। তেওঁবিলাকে এতিয়া নতুন নতুন ঠাই বিচাৰিছে। তেওঁবিলাকে পাহাৰীয়া অঞ্চল খেতি বাতি কৰিবলৈ স্থান বিচাৰিছে। সমস্যা এটা হৈছে। অৱশ্যে কিছুদিন আগতে মেঘালয়ৰ মুখ্য মন্ত্ৰীয়ে মোক কৈ গৈছে যে বোৰ্ডাৰ সমস্যালৈ আমি কোনো ধৰণৰ বিবাদ লৈ যাব নালাগে। আমি এটা মীমাংসাত আহিম আৰু তাৰ কাৰণে আমি একে লগে বহিব লাগিব। অৰুণাচলৰ মুখ্য মন্ত্ৰীয়ে কৈছে মোক এই বিষয়ে আমি পৰবৰ্তী এটা মীমাংসা কৰিম। মই আশা কৰো অসমৰ লগত কাষৰীয়া ৰাজ্যৰ মুখ্য মন্ত্ৰী সকলে এই বিষয়ে যিটো আগ্ৰহ কৰিছে এই সম্পৰ্কে আমি নিশ্চয় সীমা বিবাদ উঠাবলৈ চেষ্টা কৰিম। কিন্তু সহজ নহয় এইটো।"

## আইন শৃংখলা

মুখ্য মন্ত্ৰী – "শ্ৰীযুত প্ৰমোদ গগৈ ডাঙৰীয়াই পোনপটিয়াকৈ বিষেশকৈ আইন শৃংখলাৰ অৱনতিৰ কথা কৈছে আৰু আনেও কৈছে। কিন্তু আমাৰ ৰাজ্যখনত আইন শৃংখলা আছে জানো? আইন শৃংখলাৰ অৱনতি হবলৈ আছে জানো? যিখন ৰাজ্যত যোৱা ৫টা বছৰত ৪৬৫ বাৰ পুলিচ ফায়াৰিং হৈছে। ইয়াৰ পৰা বুজিব লাগিব যে ৰাজ্যখনত কেনে এটা পৰিস্থিতিৰ সৃষ্টি হৈছে। আইন নমনা মানুহৰ সংখ্যা সীমা নোহোৱা হৈছে। ১৯৪৬ পৰা ৮৫ চন পৰ্যন্ত এই সুদীৰ্ঘ ৩৯টা বছৰত মাত্ৰ ১৬ বাৰ পুলিচ ফায়াৰিং হৈছিল। তাত ৩২টা মানুহ মৰিছে। যোৱা ৫টা বছৰত ৪৬৫টা পুলিচ ফায়াৰিং হৈছে আৰু ১২৫টা মানুহ মৰিছে বুলি কৈছে। আজি আৰু আইন শৃংখলা আছে নে? এই ৰাজ্যত আইন শৃংখলা নাই। ইয়াত মই প্ৰমোদ গগৈ ডাঙৰীয়াক কব খুজিছো। তেখেত এজন প্ৰবীণ বয়োজ্যেষ্ঠ মোৰ লগৰে অৱশ্যে, আমি স্কুলৰ দিনৰ পৰাই একে লগে ৰাজনীতি কৰিছো। সেয়ে মই তেখেতক কব খুজিছো, যিখন ৰাজ্যত ৪৬৫ বাৰ পুলিচ ফায়াৰিং হয় ৫ বছৰত, পুলিচৰ গুলিত ১২৫টা মানুহ মৰে, সেই ৰাজ্যত আইন শৃংখলা আছে নে? অৱনতি হবলৈ জেগা আছে নে? অৱনতি হৈয়ে গ'ল। পিছে এইটো উঠাব লাগিব। মই বিধান সভাৰ সদস্য সকলৰ পৰা সহায় সহযোগ বিচাৰিছো। হয়, গুলি চালনা হৈছে, লাঠি চাৰ্জ হৈছে আৰু ইমান তাৰ কাৰণে অধৰ্য হ'ব নালাগে। আজি তিনি বছৰ আগতে তৰুণ গগৈ কংগ্ৰেছ সভাপতি হৈ থাকোতে মই অহা নাছিলো অৱশ্যে, আমাৰ কংগ্ৰেছ কৰ্মী সকলে ইয়াত ধৰ্ণা দিবলৈ আহোতে খুব পিটিলে, খুব মাৰিলে। আমাৰ সদস্য সকলক সোঁৱৰাই দিলো পিছে। ডেমক্ৰেচিত পুলিচৰ মাৰ খাই, জেলত থয়, তাৰ কাৰণে আমি ইমান উৎত্ৰাৱল হওঁ, ৰাজনীতি কৰিছো কিয়? মই পিছে বেয়া পাইছো। আজি সঁচাকৈয়ে ছাত্ৰ-ছাত্ৰী সকলক পিটিছে। সেইটো বেয়া কাম কৰিছে। কিন্তু এইটোক লৈ আমি এটা ইচ্যু কৰিবলৈ চেষ্টা কৰিব নালাগে। এইটো চৰকাৰৰ দৃষ্টি গোচৰ কৰিবলৈ চেষ্টা কৰিব লাগে।"

## বানপানীঃ

মুখ্য মন্ত্ৰী– "বান পানীৰ কথা ওলাইছে। বানপানীৰ কথা কওঁতে বিশেষকৈ মানকাছাৰ আৰু চাউথ শালমাৰাৰ সদস্য গৰাকী ভীষণ উত্তেজিত হৈছে। আৰু দুখেৰে কৈছে। এটা অৱষ্ট্ৰেকচনৰ কথা কৈছে। চাউথ শালমাৰাৰ বিষয়ে মই জানো। মইও দুবছৰমান মুখ্য মন্ত্ৰী আছিলো। মই তেতিয়া দেখিছিলো, মই '৮৩ চনত গৈছিলো, নিৰ্বাচনতো গৈছিলো, ৯০ চনতো গৈছিলো, আজিঁও সেই মানুহবিলাক মথাউৰিতে আছে। ৮৪ চনতো মই যিখিনি মানুহ দেখি আহিছিলো মথাউৰিত আজিও আছে। নতুন সমস্যা নহয়। তেতিয়াও চৰকাৰে সহায় কৰিছিল, এতিয়াও সেই অঞ্চলৰ সদস্য এজনে কোৱাৰ দৰে চৰকাৰে ইয়াত কৃপণালি কৰা নাই। সেই মানুহখিনিক চৰকাৰে মৰিবলৈ এৰি নিদিয়ে। তেখেতে কৈছে যে কেম্পত দহ হেজাৰ মানুহ আছে। মই লিডাৰকে ধৰিছো, আমি কিমান চাম। ৫১৫৩ কুইন্টল চাউল দক্ষিণ শালমাৰাৰ কাৰণে দিয়া হৈছে। কেম্পত মানুহ আছে কিন্তু এঘাৰজনহে। হিচাপ কৰি চাব ৫১৫৩ কুইন্টল এইখিনি খাই যদি মানুহ মৰে ভগৱানে কাক বচাব? মিঠাতেল দিয়া আছে ২৪১ লিটাৰ, চিৰা ১৫ কুইন্টল, নিমখ ২১৫ কুইন্টল, টকা হিচাপে পিছত দিয়া হৈছে এক লাখ সাতচল্লিশ হাজাৰ আৰু চিৰা দিয়া হৈছে ত্ৰিশ হেজাৰ। তাৰ উপৰি চাব-ডিভিজনৰ অফিচলৈ পঠোৱা হৈছে একত্ৰিশ লাখ পঞ্চাশ হেজাৰ টকা। ইমান টকা পইছা দিয়াৰ পিছতো পৃথিৱীত কোনে তেওঁলোকক সহায় কৰিব পাৰে? উপায় নাই। এইটো আপোনালোকে চাই আহিব। এইবাৰ সঁচাকৈ পানীতো ডাঙৰ। এইবাৰ১৯ খন জিলাত ক্ষতিগ্ৰস্ত হৈছে। আঠ লাখ চৌসত্তৰ হেজাৰ এশ ঊনানব্বৈ হেক্টৰ অঞ্চলৰ মাটিত পানী সোমাইছে। গাওঁ হিচাপে ক্ষতিগ্ৰস্ত হৈছে ৩0,১৯৮ আৰু ক্ষতিগ্ৰস্ত লোকৰ সংখ্যা হৈছে ৩৪,৮৪৫৫৩। হেক্টৰ হিচাপে ক্ষতিগ্ৰস্ত হোৱা অঞ্চল হৈছে ২৩৮৬৮0টা, মৃত্যুৰ সংখ্যা হৈছে ৩৮ আৰু বানপানীত ক্ষতিগ্ৰস্ত ঘৰৰ সংখ্যা হৈছে ২১000। আমি টকা দিয়াৰ পৰিমাণৰ কথা কব খুজিছো। এই গোটেই অঞ্চলত চাউল পঠোৱা হৈছে ৫২৫৭৪ কুইন্টল, দাইল ১৪৪৭ কুইন্টল, নিমখ ১0৮0 কুইন্টল, মিঠা তেল ১৭১১৫ কুইন্টল, চিঁৰা ৪৩৯ কুইন্টল, আটা ৬২ কুইন্টল। টকা হিচাপে খৰচ হৈছে এতিয়ালৈ সাত কোটি দুই লাখ আশী হেজাৰ, তাৰ উপৰিও পুনৰ সংস্থাপনৰ বাবে দিয়া হৈছে ৮0 লাখ ৬৩ হেজাৰৰ ৬00 টকা। মুঠ খৰচ হৈছে এতিয়ালৈকে ৭ কোটি ৮৫ লাখ ৫৫ হেজাৰ ৬00 টকা।

অৰ্থনৈতিক অৱস্থা বৰ বেয়া হৈছে। সেই কাৰণে আমি তথাপিও কৃপণালি কৰা নাই। সেই সকলৰ কাৰণে ৭ কোটিতকৈও অধিক টকা ব্যয় কৰা হৈছে। ইয়াৰ উপৰিও স্বাস্থ্য বিভাগক দিয়া গৈছে ২0 লাখ টকা, জনস্বাস্থ্য বিভাগক দিয়া হৈছে ৯ লাখ টকা। কৃষি বিভাগক ৫0 লাখ টকা। বান নিয়ন্ত্ৰণ বিভাগক প্ৰায় ৩ কোটি টকা দিয়া হৈছে। গতিকে যিমান পৰা যায় অৰ্থনৈতিক অৱস্থা ভাল নহলেও যাতে মানুহখিনি নাখাই নমৰে তাৰ ব্যৱস্থা কৰা হৈছে। এতিয়ালৈকে মুঠ আমাৰ ৯ কোটি ৫৮ লাখ ৫৫ হেজাৰ ৬00 টকা খৰচ হৈছে। ৰাইজক সাহায্য দিয়া হৈছে।"

## নিৰ্বাচনঃ

মুখ্য মন্ত্ৰী– "মই এতিয়া আমাৰ চৰকাৰটোৰ কথা কব খুজিছো। আমি শতকৰা ২৮ ভাগ ভোট পাই চৰকাৰ কৰিছো। সেয়ে আমাৰ চৰকাৰ এটা গণতান্ত্ৰিক চৰকাৰ। গণতন্ত্ৰত সংসদত চৰকাৰ থাকে। ১৯৭৮ চনত আমাৰ এই ৰাজ্যখনত মাত্ৰ শতকৰা ২৬.৬৯ ভাগ ভোট পাই জনতা দলে চৰকাৰ কৰিছিল। আনকি গণ পৰিষদ দলেও ৩৪.৫৪ পাৰ্চেন্ট পাইহে চৰকাৰ গঠন কৰিছে। আমি তেতিয়া কোৱা নাছিলো যে আপোনালোকে ৩৪ পাৰ্চেন্ট পাই চৰকাৰ কৰিছে। আজি আমাক কব নালাগে আমি ২৯ পাৰ্চেন্ট পাই আহিছো। আপোনালোকে ৩৪ পাৰ্চেন্টৰ ঠাইত ৬৪ পাৰ্চেন্ট বুলি কিয় কৈছে সেইটো নহয়গৈ। কোৱা হৈছে যে অংক হিচাপত যেতিয়া একতকৈ বেছি পায় তেওঁলোকো জয় হয় সেইফালৰ পৰা আমি চৰকাৰ কৰিছো।"

*(অহা সংখ্যাত)*

সজাওঁতা – হৰেন বুঢ়াগোহাঞি


সুন্দৰ, সুনিপুণ, প্ৰাণ চঞ্চল স্বাস্থ্য?

যৌন শক্তি আৰু যৌন নৈপুণ্যৰ ওপৰতেই শাৰীৰিক স্বাস্থ্য, সুখ আৰু সমৃদ্ধি সম্পূৰ্ণ নিৰ্ভৰশীল। সন্তানহীনতাকে ধৰি সকলো ধৰণৰ যৌন সমস্যা আৰু সোঁচৰা ৰোগৰ সৰ্বাধুনিক অতি সফল ব্যয়সাধ্য স্থায়ী আৰু দ্ৰুত নিৰাময়ৰ ১00% হাৰৰ গহীন অংগীকাৰ আমি আগবঢ়াওঁ।

ব্যক্তিগত বা ডাকযোগে যোগাযোগ কৰক।

সপ্তাহৰ আটাইবোৰ দিনতেই পৰামৰ্শ দান কৰা হয়।

সময় পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ।

উত্তৰ পূৰ্ব ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ

জেউতি ছেকস ক্লিনিক
এফ, এ, পথ; কুমাৰ পাৰা
গুৱাহাটী-৭৮১00৯
ৰেলগেট নং - ৬

ডাঃ এ, নেছাৰ
এম, বি, বি, এছ, এম ডি (গেট)
এম, আই, এছ, টি, এম, এন,
এছ, চি (যৌন) এম, জি, পি, এ (বম্বে)

## চুং খাঁও

অনিল বৰুৱা

# বিপ্লৱীয়ে পণ বন্দীক হত্যা নকৰে! ভৰসা নে পৰীক্ষা?

অপহৰণ আৰু পণবন্দী কৰা ঘটনাই কিছু দিনৰ আগলৈকে স্নায়ু বিকল কৰি দিয়াৰ উপক্ৰম কৰিছিল, যেন উল্‌ফা আৰু হিতেশ্বৰ শইকীয়া চৰকাৰৰ মাজত এখন 'স্নায়ুযুদ্ধ'হে। এতিয়া স্নায়ুৰ ওপৰত ঠিক সেই হেঁচা বা ভৰটো নাই। কিন্তু ঘটনাই চাওঁতে চাওঁতে ৪১ দিন অতিক্ৰম কৰিছে আজি লিখিবৰ সময়লৈকে আৰু এই পৰ্যন্ত মীমাংসাৰ কোনো ৰেঙণিও চকুত পৰা নাই। তথাপি।

এনেকুৱা এটা ভৰসা ইতিমধ্যে সকলোৰে, চৰকাৰৰো আৰু ৰাইজৰো, জাগিব পাৰে যে বিপ্লৱীয়ে কেতিয়াও পণবন্দীক হত্যা নকৰে। উল্‌ফাই বিপ্লৱৰ কথা কৈছে, নিজকে এটা বিপ্লৱী সংগঠন বুলিয়েই প্ৰচাৰ কৰিছে, বিশেষকৈ মাৰ্ক্সবাদ-লেনিনবাদৰ কথাও মাজে মাজে কৈছে, গতিকে কোনো ক্ষেত্ৰতে তেওঁলোকে নিৰপৰাধী পণবন্দীক হত্যা নকৰে – কৰিব নোৱাৰে। কৰিলে, তেওঁলোক সৰ্বসাধাৰণ ৰাইজৰ পৰা বিচ্ছিন্ন হৈ পৰিব আৰু অতি সাধাৰণ, মামুলী সন্ত্ৰাসবাদীত, উগ্ৰপন্থীত পৰিণত হ'ব। ৰাইজৰ শুভেচ্ছা হেৰুওৱা সন্ত্ৰাসবাদীক দমন কৰিবলৈ কোনো চৰকাৰৰ কাৰণেই টান কাম নহয়।

হয় উল্‌ফাৰ ওপৰত ভৰসা কৰা হৈছে, নহয় উল্‌ফাক পৰীক্ষা কৰা হৈছে। সেয়ে নহ'লে, শইকীয়া চৰকাৰ ইমান নিৰ্বিকাৰ হৈ পৰিল কিয়? আমাৰ স্নায়ুৰ ওপৰত হেঁচাটো কমিছে কেনেকৈ? আমি আটাইবোৰ দেখোন নিশ্চিন্ত হৈ পৰিছো?

□ □ □

উল্‌ফাই এক জুলাইত কেইবাজনকো অপহৰণ কৰি নি পণবন্দী কৰি ৰখা ঘটনাই লগে লগে এটা বেলেগ ধাৰণাৰ সৃষ্টি কৰিছিল। আকৌ তিৰাশীৰ খেলখন নতুন ৰূপত নেকি? এইবাৰো হিতেশ্বৰ শইকীয়াক শান্তিৰে চৰকাৰ চলাবলৈ দিব খোজা নাই নেকি? সেইদৰে ভবাৰ কাৰণ, নতুন চৰকাৰটোৰ সম্পৰ্কত অন্য প্ৰকাৰে ভবাৰ থল পোৱা নাছিলো – কংগ্ৰেছ আই দলটোৰ বিষয়ে, জুনৰ নিৰ্বাচনটোৰ বিষয়ে আৰু নেতা হিতেশ্বৰ শইকীয়াৰ বিষয়ে কিছুমান নিৰ্দিষ্ট ধাৰণা থকা সত্ত্বেও। যিটো বৃত্তৰ ভিতৰত আমাৰ বৃত্তি, তাত নিৰ্বাচিত নতুন চৰকাৰ এটাৰ প্ৰতি শুভেচ্ছাৰ ভাব লৈ আৰম্ভ কৰাটোৱেই নিয়ম।

## অচলাৱস্থাঃ এইবাৰো

শপত গ্ৰহণ কৰাৰ ঠিক ২৪ ঘন্টাৰ মূৰতে শইকীয়া চৰকাৰক লৰচৰ কৰিব নোৱৰাকৈ একৰকম অচল কৰি দিয়া হ'ল। এইবাৰ কামটো কৰা হ'ল ১৫ জন লোকক অপহৰণ কৰি নি পণবন্দী কৰি ৰখাৰ ৰূপত। চৰকাৰত বহিয়েই শইকীয়াই এই পণবন্দী কেইজনক মোকোলাই অনা সমস্যাটোত বাদে আন কথা আৰু ভাবিব নোৱৰা হ'ল।

শইকীয়া আগৰবাৰ মুখ্য মন্ত্ৰী হওঁতে তেওঁৰ চৰকাৰক অচল কৰি ৰখা কামটো সম্পন্ন কৰা হৈছিল সুকীয়া এটা পদ্ধতিৰে। নিৰ্বাচনটো বৰ্জন কৰিবলৈ আহ্বান জনোৱা হ'ল আৰু বৰ্জন কৰাও হ'ল – অন্ততঃ আন্দোলনত চামিল হৈ থকা আৰু আন্দোলনৰ প্ৰভাৱ উপেক্ষা কৰিব নোৱৰা বুজন সংখ্যক ৰাইজে নিৰ্বাচনটো বৰ্জন কৰিলে। তথাপি নিৰ্বাচনটো বৈধই প্ৰতিপন্ন হ'ল, সংবিধানখনৰ মাহাত্ম্য এনে যে তিনিটা ভোট পৰিলে দুটা পোৱাজনো জিকে আৰু ৰাইজৰ প্ৰতিনিধি হয়। চৰকাৰ হ'ল, পাছত উচ্চতম ন্যায়ালয়ত হোৱা গোচৰ এটাৰ ৰায়ৰ মৰ্মে পাকেপ্ৰকাৰে চৰকাৰটো বৈধ বুলিও সাব্যস্ত হ'ল, কিন্তু নিৰ্বাচনটো বৰ্জন কৰা ৰাইজে বৈধ বুলি মানি নল'লে। চৰকাৰটো অবৈধ বুলি বৰ্জন কৰা হ'ল – পঁচাশীত অসম গণ পৰিষদ চৰকাৰ নিৰ্বাচিত নোহোৱা পৰ্যন্ত।

শইকীয়াৰ তিৰাশীৰ চৰকাৰটো অবৈধ বুলি বৰ্জন কৰি প্ৰায় অচল কৰি ৰাখিছিল আন্দোলন কৰা পক্ষই – সদৌ অসম ছাত্ৰ সংস্থা, সদৌ অসম গণ সংগ্ৰাম পৰিষদ আৰু তেওঁলোকক বুধি-ভাৰসা দি পৃষ্ঠপোষকতা কৰা অসমৰ সমাজ-জীৱনৰ বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠা লৈ মাতব্বৰি কৰি থকা ভালেমান গণ্যমান্য লোকৰ নেতৃত্বত।

এইবাৰ শইকীয়াৰ একান্নব্বৈৰ চৰকাৰটো প্ৰায় অচল কৰি দিছে এখন স্বাধীন আৰু সাৰ্বভৌম অসম বিচৰা উল্‌ফাই।

ঘটনা প্ৰায় একেধৰণৰ যেন লাগি যায়।

শইকীয়াক চৰকাৰ কৰিবলৈ দিব নালাগে, কেনেবাকৈ চৰকাৰ কৰিলে, অচল কৰি দিয়া হওক – এই লক্ষ্য অভিমুখে তিৰাশীত এটা পথেৰে আগবঢ়া হৈছিল আৰু একান্নব্বৈত আন এটা পথেৰে খোজ দিয়া হৈছে। তিৰাশীত ভোটাৰ তালিকা আৰু তাত লাখ লাখ বিদেশী নাগৰিকৰ নাম সোমাই থকা কথাটো আছিল আৰু গতিকে সেইখন ভোটাৰ তালিকাৰে নিৰ্বাচন পাতিলে তাক বৰ্জন কৰিব লাগে বুলি কোৱাৰ এটা যুক্তি আছিল আৰু সেই কাৰণে সেই দৰে কৈ নিৰ্বাচনটো একৰকম বৰ্জন কৰোৱা হৈছিল আৰু তাৰ পাছতো যিটো চৰকাৰ দুই-চাৰিটা ভোট পাই অহা তথাকথিত নিৰ্বাচিত প্ৰতিনিধি সকলে পাতিছিল, সেই চৰকাৰক আইনৰ ফালৰ পৰা নহলেও নীতিৰ ফালৰ পৰা অবৈধ বুলি কৈ ৰজাব পৰা আৰু বৰ্জন কৰাব পৰা হৈছিল।

## পথ ভিন্ন, লক্ষ্য এক

একান্নব্বৈত সেইটো পথেৰে আগবঢ়াৰ থল নাথাকিল। ভোটাৰ তালিকা আৰু তাত লাখ লাখ বিদেশী নাগৰিকৰ নাম থকা বুলি কৈ সেইখন ভোটাৰ তালিকাৰে নিৰ্বাচন পাতিব নালাগে বুলি পঁচাশীৰ নিৰ্বাচনৰ নায়ক সকলে (আৰু তেওঁলোকৰ অনুচৰ সদৌ অসম ছাত্ৰ সংস্থা আৰু আন্দোলনত অভিভাৱকত্ব কৰা তেওঁলোকৰ পৃষ্ঠপোষক সকলে) কবলৈ অসুবিধা হ'ল। সদৌ অসম ছাত্ৰ সংস্থাই তেওঁলোকৰ অৰাজনৈতিক কাপোৰ-কানিবোৰ খুলি দিনৰ পোহৰতে সম্পূৰ্ণ নাঙঠ হৈ অমুকক-তমুকক ভোট নিদিবা বুলি কোঢ়াল লগাই চেষ্টা এটা কৰি চাইছিল, কিন্তু মূৰকত তেওঁলোকে দেখিবলৈ পালে যে তেওঁলোকৰ ৰণদুৰ্মদ বাণী শুনি আকৌ এবাৰ লুইতৰ পানী ৰঙা কৰি মৰিবলৈ কোনো নোলাল।

হিতেশ্বৰ শইকীয়া পুনৰ ক্ষমতাত বহিল। গতিকে এইবাৰ তেওঁৰ চৰকাৰক আন এটা পথেৰে অচল কৰি দিয়াৰ চেষ্টা চলিছে। পথ ভিন্ন, কিন্তু লক্ষ্য একেটাই। শইকীয়া চৰকাৰক কোনো পধ্যেই কাৰ্যনিৰ্বাহ কৰিবলৈ দিব নালাগে। এসময়ত কামটো কৰা হৈছিল গুৱাহাটীৰ জালুকবাৰী আৰু জজ খেল পথাৰৰ পৰা – প্ৰকাশ্যে। এতিয়া কামটো কৰিবলৈ লোৱা হৈছে আত্মগোপন কৰা অৱস্থাৰ পৰা।

অনুগ্ৰহ কৰি ভুল নুবুজিব, একেখিনি মানুহেই দুয়োবাৰতে আছে বুলি মই কোৱা নাই। কিন্তু তিৰাশীত থকা কিছু মানুহ নিশ্চয় একান্নব্বৈত আছে। প্ৰফুল্ল-ভৃগুহঁতে আন্দোলনৰ সময়ত আকাশৰ জোনটো নমাই আনি দিব বুলি কোৱা কথা মনেচিতে বিশ্বাস কৰি লোৱা সৰল মানুহ অসমত ঢেৰ আছিল; সেইদৰে তেওঁলোকে দিছপুৰত চৰকাৰত বহি নিজ হাতেৰে সোণৰ অসম গঢ়িব বুলি আশা কৰা মানুহো ঢেৰ আছিল। তাৰে কিছুমানে একান্নব্বৈৰ পথ লোৱা সকলৰ লগ লব বা তেওঁলোকৰ প্ৰতি সহানুভূতিশীল হ'ব, সেইটোৱেই স্বাভাৱিক।

□ □ □

এইখিনিতে এটা নীতিগত প্ৰশ্নৰ থল থাকি গৈছে।

যি কাৰণতেই নহওক, তিৰাশীত অসমৰ ৰাইজৰ গণতান্ত্ৰিক ৰায় সম্পূৰ্ণ ৰূপত লবলৈ দিয়া নহ'ল; তথাপি যিটো ৰায় আইন আৰু সংবিধান সন্মত বুলি সাধাৰণভাবে সাব্যস্ত হ'ল, তাকো উচিতভাবে কাৰ্যকৰ কৰিবলৈ দিয়া নহ'ল। যি সকলে নিদিলে, সেই সকল কিন্তু উশাহে-নিশাহে গণতন্ত্ৰৰ কথা কৈ থকা লোক। তেওঁলোকে পঁচাশীত গণতন্ত্ৰৰ সাংঘাতিক ৰাজসূয় যজ্ঞ এভাগো কৰি দেখুৱালে।

## 'আন্দোলন'ৰ প্ৰতি প্ৰশ্ন

একান্নব্বৈত অসমৰ ৰাইজৰ গণতান্ত্ৰিক ৰায় সম্পূৰ্ণৰূপেই ল'বলৈ দিয়া হ'ল, কিন্তু তাক উচিত ভাবে কাৰ্যকৰ কৰিবলৈ দিব খোজা নাই। অসমৰ ৰাইজৰ গণতান্ত্ৰিক ৰায়ক কাৰ্যতঃ পশ্চাৎঘাত কৰিবলৈ লোৱা হৈছে। ৰাইজৰ পৰা জনাদেশ লবলৈ দিলে, কিন্তু সেই জনাদেশ কাৰ্যকৰ কৰিবলৈ দিব খোজা নাই। তিৰাশীত বাধা দিলে আৰু একান্নব্বৈত দিছে, কিন্তু পঁচাশীত হলে দিয়া নাছিল!

ভাবি থাকিলে, কিম্ভূতকিমাকাৰ মূৰ্তি কিছুমান মনৰ চকুত ভাহিবলৈ ধৰে। যেন কিম্ভূতকিমাকাৰ মূৰ্তি কিছুমানৰ এটা বৰ দীঘলীয়া সমদলঃ ঊনাশীৰ পৰা পঁচাশীৰ ডিচেম্বৰলৈকে এটা নিছিগা ধাৰ, আকৌ নব্বৈৰ নবেম্বৰৰ পৰা এই একান্নব্বৈৰ আগষ্টলৈকে আন এটা নিছিগা ধাৰ, কিন্তু মাজতে পঁচাশীৰ ডিচেম্বৰৰ পৰা নব্বৈৰ নবেম্বৰলৈকে ছিন্নসূত্ৰ! এওঁলোক কোন? এছোৱা সময়ত কিয় আছিল আৰু এতিয়া কিয় আছে আৰু মাজতে কিয় নাছিল?

প্ৰফুল্ল-ভৃগুহঁতে আৰু তেওঁলোকৰ লগত থকা সকলে, বিশেষকৈ অভিভাবক সকলে – ওপৰত উল্লেখ কৰা অসমৰ সমাজ-জীৱনৰ বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠা লৈ মাতব্বৰি কৰি থকা গণ্যমান্য লোক সকলে এই প্ৰশ্নটোৰ স্পষ্ট উত্তৰ দি ৰহস্যটোৰ ভেদ ভাঙি দিব লাগেঃ অসমৰ ৰাইজে নিৰ্বাচনযোগে দিয়া গণতান্ত্ৰিক ৰায়, তেওঁলোকৰ অনুকূল নোহোৱা ক্ষেত্ৰত তাক পশ্চাৎঘাত কৰা হলে, তেনে কাৰ্যৰ প্ৰতি তেওঁলোকৰ অনুমোদন আছে নেকি? তেওঁলোকে ভাবি চালে দেখিব, তেওঁলোকে তিৰাশীত ৰায় লবলৈ দিয়া নাছিল, তাৰ পাছতো আইন আৰু সংবিধানৰ বিচাৰত যিখিনি ৰলগৈ আৰু স্বাভাৱিকতে তেওঁলোকৰ পক্ষে নহ'ল, তাক কাৰ্যকৰ কৰিবলৈ দিয়া নাছিল, কিন্তু পঁচাশীৰ ৰায় তেওঁলোকৰ পক্ষে অনুকূল হৈ থকাত তাক কাৰ্যকৰ কৰাত বাধা দিয়া নাছিল, আকৌ একান্নব্বৈৰ ৰায় তেওঁলোকৰ পক্ষে অনুকূল নোহোৱাত তাক বাধা দিব খোজা হৈছে। এইবোৰ কাৰণতে প্ৰশ্নটো।

## জনাদেশক পশ্চাৎঘাত

'পেটাৰ্ণ'টো হ'লঃ কিছুমান ৰায় কিছুমান শক্তিৰ বিৰুদ্ধে বুলি ধৰি লৈ সেইবোৰ কাৰ্যকৰ কৰিবলৈ দিয়া হোৱা নাই। এসময়ত দিয়া নাছিল আন্দোলনে আৰু এতিয়া দিয়া নাই উল্‌ফাই। দুয়োটা শক্তিৰে স্বভাৱ-চৰিত্ৰ, নীতি-আদৰ্শ, অনুভৱ-উপলব্ধি যে সুকীয়া সুকীয়া সেইটো মই বুজো। কিন্তু কাম কৰা হৈছে, অৰ্থাৎ লক্ষ্য সাধন কৰা হৈছে একেটাই।

এইখিনিতে আন্দোলন পক্ষৰ বাবে অতি গুৰু দায়িত্ব উপস্থিত হৈছে। একেটা লক্ষ্যই সাধিত হৈছে কাৰণেই পথৰ ভিন্নতা অধিক স্পষ্ট ৰূপত দাঙি ধৰাৰ প্ৰয়োজন হৈছে – যাতে কোনেও সুবিধাবাদ কৰাৰ থল নাথাকে। নহ'লে এনে এটা ধাৰণাৰ সৃষ্টি হ'বলৈ বাধ্য যে এসময়ত যিটো লক্ষ্য জালুকবাৰী আৰু জজ খেল পথাৰৰ পৰা ভেদ কৰা হৈছিল; এতিয়া সেইবোৰ ঠাইৰ পৰা সেইটো লক্ষ্য ভেদ কৰিব নোৱাৰি কাৰণে, আচলতে পৰা নহ'ল কাৰণে, আত্মগোপনত থকা অৱস্থাৰ পৰা ভেদ কৰিবলৈ এৰি দিয়া হৈছে, হিতেশ্বৰহঁতৰ মজাটো চোৱা হওক বুলি।

আচলতে, নিৰ্বাচন যোগে প্ৰদত্ত গণতান্ত্ৰিক ৰায়ৰ ক্ষেত্ৰত চলা এই পশ্চাৎঘাতে শইকীয়া আৰু তেওঁৰ দলক কৰা সমানেই উদ্বিগ্ন আৰু বিতত কৰিব লাগে প্ৰফুল্ল-ভৃগু আৰু তেওঁলোকৰ অনুগামী সকলকো। নহ'লে পাছত তেওঁলোকৰ দৰকাৰৰ সময়ত 'গণতন্ত্ৰ গণতন্ত্ৰ' বুলি আটাহ পৰাৰ ভিকাচন ভাগিব। 'শইকীয়াৰহে বিপদ হৈছে, আমাৰ কি' – এনেকুৱা ভাব লৈ থাকিলে নিজৰ ভৰিত কুঠাৰ মৰাৰ দৰে হ'ব। আজি যে হিতেশ্বৰ শইকীয়া আমাৰ আগত উপস্থিত হৈছে, গণতন্ত্ৰৰ পতাকাখন কান্ধত লৈ, এদিন প্ৰফুল্ল-ভৃগুও ঠিক এইদৰে উপস্থিত হ'ব লাগিব। তেওঁলোকৰ বুৰ্জোৱা ৰাজনীতিৰ এইটোৱেই নিয়ম, তাৰ অন্যথা নহয়।

□ □ □

কিন্তু দিন বাগৰিছে মানে প্ৰথমে সৃষ্টি হোৱা ধাৰণাটোৰো খোপনি ল'ৰিছে। এতিয়া অপহৰণৰ ঘটনাৰ প্ৰায় ৪১ দিনৰ মূৰত কথাৰ গতি কাৰ্যৰ ভাও দেখি এটা প্ৰশ্ন দুৰ্ণিবাৰ হৈ উঠিছেঃ ক'ৰবাত কিবা এটা বুজাবুজি আছিল নেকি বা ইতিমধ্যে হৈছে নেকি? কিবা এটা? উল্‌ফাৰ ওপৰত ভৰসা কৰিব পৰা হৈছে? নে উল্‌ফাক পৰীক্ষা কৰিছে?

# প্ৰফুল্ল মহন্ত এতিয়াও সৰ্বসন্মত নেতা নহয়

অগপ বিধায়িনী দলৰ নেতা প্ৰফুল্ল কুমাৰ মহন্ত যদিও নেতা ভিতৰি ভিতৰি অতুল বৰা, থানেশ্বৰ বড়ো আদিয়ে তেওঁক নেতা হিচাপে মানি লব পৰা নাই। আনকি এসময়ত মহন্তৰ বিশ্বস্ত সহযোগী তথা ঘোৰ সমৰ্থক দিলীপ শইকীয়াইও এতিয়া মনোভাব সলনি কৰিছে। মহন্তৰ নেতৃত্বৰ সম্পৰ্কত শইকীয়াও ভিতৰি ভিতৰি নাৰাজ বুলি জানিব পৰা গৈছে। বিশেষকৈ মহন্তই বিগত বিধানসভাত নিস্পৃহ ভূমিকা পালন কৰাৰ বাবে শইকীয়াইতে অসন্তুষ্টি প্ৰকাশ কৰিছে। মহন্তৰ পৰিবৰ্তে এইবাৰ অগপ বিধায়ক জয়নাথ শৰ্মাইহে বিধানসভাত সক্ৰিয় ভূমিকা পালন কৰে।

জানিব পৰা মতে মহন্তৰ পক্ষত এতিয়া আছে ভৰত নৰহ নগেন শৰ্মা আদি। আনহাতে দিলীপ শইকীয়া আৰু জয়নাথ শৰ্মাৰ মাজত বন্ধুত্ব বাঢ়িছে। অতুল বৰা আৰু থানেশ্বৰ বড়োৱে নিজাববীয়াকৈ আছে। অতুল বৰাৰ মতে তেওঁ নেতা হব মহন্তৰ হাত শক্তিশালী কৰাত নাই। দিলীপ শইকীয়াইও এতিয়া পূৰ্বৰ দৰে মহন্তক সমৰ্থন নকৰে বুলি জানিব পৰা গৈছে। দিলীপ শইকীয়াই এইবাৰ আনকি বিধান সভাত শপত লোৱাৰ সময়ত মহন্তই প্ৰধান ৰাজনৈতিক শত্ৰু হিচাপে গণ্য কৰা মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াক মহন্তৰ সন্মুখতে কৰমৰ্দন কৰে। দিলীপ শইকীয়াই এনেদৰে মহন্তৰ সন্মুখতে হিতেশ্বৰ শইকীয়াক কৰমৰ্দন কৰাটো ৰাজনৈতিক ভাবে তাৎপৰ্যপূৰ্ণ বুলি বহুতেই মন্তব্য কৰে। থানেশ্বৰ বড়োৱে এটা মধ্যম পন্থী ভূমিকা পালন কৰি আছে। অৰ্থাৎ তেওঁ মহন্তৰ পক্ষতো নাই আৰু বৰাৰ পক্ষতো নাই। অৱশ্যে দেখাত জয়নাথ শৰ্মা এতিয়াও মহন্তৰ সপক্ষে আছে। জানিব পৰা মতে দলৰ স্বাৰ্থ আৰু নিজৰ ৰাজনৈতিক অস্তিত্বৰ বাবে মহন্তৰ নেতৃত্ব অসন্তুষ্ট বিধায়ক কেইজনে খোলাখুলি ভাবে কোনো ধৰণৰ বিৰুদ্ধাচৰণ নকৰিলেও ভিতৰি ভিতৰি তেওঁক সৰ্বসন্মত নেতা হিচাপে মানি লব পৰা নাই।

আনহাতে অগপ মহলত হেনো এটা ধাৰণাৰ সৃষ্টি হৈছে যে মহন্তক নেতৃত্বৰ পৰা আঁতৰ কৰিব পাৰিলে অগপ আৰু নঅগপ পুনৰ এটা দলত মিলিত হব পাৰিব। অগপ আৰু নঅগপ পুনৰ ঐকত্ৰিত হোৱাৰ ক্ষেত্ৰত মহন্তই হেনো একমাত্ৰ হেঙাৰ। কিন্তু অগপ-ৰ নগেন শৰ্মা, ভৰত নৰহ, দিগেন বৰা আদিয়ে ভৃগু কুমাৰ ফুকন, পুলকেশ বৰুৱা আৰু অতুল বৰা ইয়াৰ এজনকো নেতা হিচাপে মানি লব নোখোজে। থানেশ্বৰ বড়োৰ সন্দৰ্ভত কাৰো আপত্তি নাথাকিলেও তেওঁ দলটোক নেতৃত্ব দিব নোৱাৰিব বুলিয়েই সকলোৱে বিশ্বাস কৰে।

প্ৰফুল্ল মহন্ত আৰু অতুল বৰাৰ মাজত এতিয়া সম্পৰ্ক একেবাৰে বেয়া বুলি জানিব পৰা গৈছে। বিধায়িনী দলৰ নেতা হোৱা সত্ত্বেও বিগত বিধানসভাৰ অধিবেশনৰ সময়ছোৱাত দলৰ কৌশলৰ সন্দৰ্ভত বৰাই মহন্তৰ সৈতে হেনো কোনো ধৰণৰ আলোচনা নকৰিলে। আনকি দিপিলা চ'কৰ ঘটনাৰ সন্দৰ্ভত সদনত অনা সভাস্থগিত প্ৰস্তাৱটোৰ বিষয়ত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হোৱাৰ বাবে অধ্যক্ষই সদনৰ কাম-কাজ আধা ঘন্টাৰ বাবে স্থগিত ৰখাৰ পিছত প্ৰস্তাৱটোৰ সমৰ্থক সকলে কি ভূমিকা পালন কৰিব বা কেনে ধৰণৰ কৌশল অবলম্বন কৰিব এই বিষয়ে বৰাই মহন্তৰ সৈতে আলোচনা কৰাৰ পৰিবৰ্তে নিৰ্দলীয় সদস্য চন্দ্ৰমোহন পাটোৱাৰীৰ সৈতেহে হেনো আলোচনা কৰিছিল।

জানিব পৰা মতে প্ৰকাশ্যে নহ'লেও ভিতৰি ভিতৰি অগপ দলত এতিয়াও বিসম্বাদ বিদ্যমান।

## চাকৰি বিচাৰি লটি-ঘটি

নতুন চৰকাৰখনে শপত গ্ৰহণ কৰাৰ পিছতেই দূৰদূৰণিৰ পৰা চাকৰি বিচাৰি অহা যুৱক-যুৱতীৰ মন্ত্ৰীৰ ঘৰলৈ লানি-নিছিগা সোঁত ববলৈ ধৰিছে। এনেকুৱাও ঘটনা ঘটিছে যে নিজৰ সমষ্টিৰ বিধায়কজন মন্ত্ৰী হৈছে, অথচ সমষ্টিৰ ৰাইজে তেওঁক চিনি নাপায়? সেই মন্ত্ৰীজনৰ ওচৰলৈ চাকৰি বিচাৰি আহি চিনি নোপোৱাৰ ফলতেই অন্য দলৰ বিধায়কক মন্ত্ৰী বুলি ভাবি চাকৰিৰ বাবে খাটনি ধৰিছে।

অলপতে তেনেকুৱাই এটা ঘটনা ঘটিল। নতুন মন্ত্ৰী আৰু বিধায়কসকলৰ বাবে বিধান সভাৰ সচিবালয়ে বিভিন্ন জনৰ বাবে বিভিন্ন আবাস গৃহত থকাৰ ব্যৱস্থা কৰিছে। বিভাগীয় খেলিমেলিৰ বাবেই মাজ বাট সমষ্টিৰ পৰা নিৰ্বাচিত বিধায়ক তথা মন্ত্ৰী ছিলভিয়াছ কন্দপানৰ ঘৰটোত এজন অগপ বিধায়কে থাকিবলৈ লয়। মাজবাট সমষ্টিৰ কেইজনমান যুৱকে ছিলভিয়াছ বন্দপানৰ ওচৰলৈ আহি অগপ বিধায়কজন থকা ঘৰটোত উঠিল। অগপ বিধায়কজনকে মন্ত্ৰী বুলি ভাবি যুৱক কেইজনে চাকৰিৰ বাবে খাটনি ধৰিলে। তেতিয়া অগপ বিধায়কজনে যুৱক কেইজনক ক'লে যে তেওঁ এতিয়া কেৱল এজন বিধায়কহে। তাতে আকৌ বিৰোধী পক্ষৰ বিধায়ক। গতিকে তেওঁ চাকৰি দিব কেনেকৈ? বিধায়কজনে এইদৰে কোৱাতহে যুৱক কেইজনে তেওঁলোকে কৰা ভুলৰ বিষয়ে গম পালে আৰু লগে লগে বিধায়কজনক নমস্কাৰ জনাই প্ৰস্থান কৰিলে।

## উপাচাৰ্যৰ বলিষ্ঠ পদক্ষেপ

গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যই ছাত্ৰাবাসত অবৈধ ভাবে বহু বছৰ ধৰি থকা ছাত্ৰ সকলক কোঠাবোৰ এৰি দিবলৈ কড়া নিৰ্দেশ দিছে।

সেই মৰ্মে অবৈধভাবে বাস কৰি থকা ছাত্ৰ সকলে ছাত্ৰাবাস এৰি যাবলৈ বাধ্য হৈছে। ছাত্ৰসকলৰ এটা দলে উপাচাৰ্যৰ নিৰ্দেশ বাতিল কৰাৰ বাবে পুনৰ হেঁচা প্ৰয়োগ কৰিছে যদিও সফল হব পৰা নাই।

আনহাতে উপাচাৰ্যৰ এই পদক্ষেপৰ প্ৰতি বিশ্ববিদ্যালয়ৰ ৯০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে আদৰণি জনাইছে।



## দিছপুৰত নপতা ফুকন

নতুন চৰকাৰ গঠন হোৱাৰ পিছতেই দিছপুৰত কেইজনমান নপতা ফুকনৰ আৱিৰ্ভাৱ হৈছে। মন্ত্ৰী, বিধায়ক নোহোৱা সত্ত্বেও আনকি এই নপতা ফুকন কেইজনে চৰকাৰী কাম-কাজত হস্তক্ষেপ কৰা আৰম্ভ কৰিছে। চৰকাৰী বিষয়া-কৰ্মচাৰীৰ বদলি ঠিকা-ঠুকুলি আদিৰ ক্ষেত্ৰত তেওঁলোকেই সৰ্বেসৰ্বা বুলি জাহিৰ কৰি ফুৰিছে। আনকি চৰকাৰী বিষয়াসকলে মন্ত্ৰীৰ হৈ বিবৃতি আদি লিখি উলিওৱাৰ পিছতে এই নপতা ফুকনে 'এপ্ৰুভড্' বুলি লিখি দিবলৈও কুণ্ঠাবোধ কৰা নাই।

অলপতে এনেকুৱা এটা ঘটনা ঘটিবলৈ পালে। তথ্য আৰু জনসংযোগ বিভাগৰ বিষয়া এজনে চৰকাৰী নিয়ম অনুযায়ী মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ এটা বিবৃতি লিখি উলিয়ালে। এই বিবৃতিটো লিখি উঠাৰ পিছতেই মুখ্য মন্ত্ৰীৰ অতি ঘনিষ্ঠ বুলি জহাই ফুৰা নপতা ফুকন এজনে চৰকাৰী বিবৃতিটোৰ ওপৰত 'এপ্ৰুভড্' বুলি লিখি দিলে। নপতা ফুকনজনৰ উদ্দেশ্য হ'ল মুখ্য মন্ত্ৰীক ভালৰি লগোৱা। নপতা ফুকনজনে এইদৰে 'এপ্ৰুভড্' বুলি লিখি দিয়াৰ পিছতেই স্বাভাৱিকতে বিষয়াজন ক্ষুণ্ণ হ'ল আৰু সেইদৰেই লিখি দিবলৈ তেওঁ কোন বুলি প্ৰশ্ন কৰিলে। বিষয়াজনে কেৱল ইয়াতে ক্ষান্ত নাথাকি বিষয়টো মুখ্য মন্ত্ৰীৰ দৃষ্টি গোচৰ কৰাৰ বাবে চকীৰ পৰা উঠিল। বিপদৰ সম্ভাৱনা দেখি নপতা ফুকনজনে লগে লগে বিষয়াজনৰ ওচৰত ক্ষমা বিচাৰিলে।

এই কাণ্ড দেখি ওচৰতে বহি থকা সাংবাদিক কেইজনমানে মন্তব্য কৰিলে যে এই নপতা ফুকন বিলাকৰ বাবেই বহু সময়ত চৰকাৰৰ ভাবমূৰ্তি নষ্ট হয়।

কেৱল সেয়ে নহয়, উক্ত নপতা ফুকনজনে এদিন মন্ত্ৰীৰ কোঠাৰ পৰা এজন নিম্নখাপৰ আৰক্ষী বিষয়া বদলি কৰাৰ বাবে এজন উচ্চ পদস্থ আৰক্ষী বিষয়ালৈ টেলিফোন কৰিলে। টেলিফোনত তেওঁ জনালে যে স্বয়ং মন্ত্ৰীয়ে বিষয়াজনৰ বদলি হোৱাটো বিচাৰিছে। আৰক্ষী বিষয়াজনে উক্ত নপতা ফুকনৰ কথা বিশ্বাস নকৰি, বিষয়টোৰ সত্যা সত্যতা নিৰূপণ কৰাৰ বাবে মন্ত্ৰীজনলৈ টেলিফোন কৰিলে। কিন্তু মন্ত্ৰীজনে বিষয়াজনক এই বিষয়ত তেওঁ একোৱেই কোৱা নাই।

## অগপ-ৰ মুখ্য কাৰ্যালয়ত বিদ্যুৎ যোগান বন্ধ

আঠ লাখ টকা আদায় নিদিয়াৰ বাবদ গুৱাহাটীৰ আমবাৰীত থকা অসম গণ পৰিষদ দলৰ কাৰ্যালয়ৰ বিদ্যুতৰ লাইন কাটি দিয়া হৈছে বুলি জানিব পৰা গৈছে।

জানিব পৰা মতে বিদ্যুতৰ যোগানৰ বাবদ উক্ত টকাখিনি পৰিশোধ কৰাৰ বাবে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে অগপ-ৰ মুখ্য কাৰ্যালয়ক কেইবাবাৰো তাগিদা দিছিল। পিছত অগপ-ৰ মুখ্য কাৰ্যালয়ৰ পৰা কিস্তিৰ ভিত্তিত উক্ত টকা পৰিশোধ কৰিব বুলি সন্মতি দিছিল। কিন্তু কিস্তিৰ ভিত্তিতো সেই টকা আদায় নিদিয়াত সম্প্ৰতি বিদ্যুৎ পৰিষদে বিদ্যুতৰ যোগান বন্ধ কৰি দিছে।

## বিধায়কৰ অবিহনেও

অগপ-ৰ বিধায়িনী দলৰ নেতা ভৃগু কুমাৰ ফুকনৰ ওচৰলৈ অলপতে সমষ্টিৰ কিছুসংখ্যক ৰাইজ আহি মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াক সাক্ষাৎ কৰাৰ বাবে বন্দৱস্ত কৰি দিবলৈ অনুৰোধ জনালে। ৰাইজৰ প্ৰতিনিধি দলটোৰ উদ্দেশ্য আছিল জালুকবাৰী সমষ্টিৰ বিভিন্ন অভাৱ-অভিযোগৰ সন্দৰ্ভত মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াক অৱগত কৰোৱা।

সি যি কি নহওক প্ৰথম দিনাখন হেনো ফুকনে ৰাইজৰ প্ৰতিনিধি দলটোক গা অসুখ বুলি পিছত এদিন মাতি পঠিয়ালে। সেই মৰ্মে ৰাইজ পিছৰ দিনাখন উপস্থিত হ'ল। তেতিয়া বিধায়ক ফুকনে হেনো জনালে যে নীতিগত কাৰণতেই তেওঁ শইকীয়াৰ সৈতে ৰাইজক সাক্ষাতৰ বন্দৱস্ত কৰাই দিব নোৱাৰে। ফুকনৰ এই কথাত ৰাইজৰ প্ৰতিনিধি দলটোৱে তীব্ৰ প্ৰতিবাদ জনালে। ফুকনৰ বাস ভৱনতে ৰাইজে ইয়াৰ বিৰুদ্ধে ধ্বনি দিলে আৰু জনালে যে ফুকনৰ অবিহনেও তেওঁলোকে হিতেশ্বৰ শইকীয়াক সাক্ষাৎ কৰিব।

## পৰিবহণ নিগম কাৰ ভাগ্যত?

মন্ত্ৰী হব নোৱৰাৰ পিছতেই কংগ্ৰেছআইও বিধায়ক সকলৰ মাজত এতিয়া চৰকাৰী নিগম, প্ৰতিষ্ঠানৰ সভাপতি বা চেয়াৰমেন পদত নিযুক্তি পোৱাৰ বাবে প্ৰতিদ্বন্দ্বিতা চলিছে। বহুতেই ইতিমধ্যে সভাপতিৰ তালিকাত নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈছে আৰু সেইদৰে নিযুক্তিও পাইছে।

কিন্তু কিছুমানে নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈও বিভাগীয় মন্ত্ৰীৰ বাধাৰ বাবে নিযুক্তি নোপোৱাকৈ আছে। অসম ৰাজ্যিক পৰিবহণ নিগমৰ কথাকে এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি। পৰিবহণ নিগমৰ সভাপতি পদত নিযুক্তি পোৱাৰ বাবে কংগ্ৰেছআইও বিধায়ক মুজিবুৰ ৰহমানৰ নামটো প্ৰস্তাৱ কৰা হয়। সেই মৰ্মে চৰকাৰী ফাইল প্ৰস্তুত কৰা হয়। কিন্তু বিভাগীয় মন্ত্ৰীৰ বাধাৰ বাবেই তিনি সপ্তাহ অতিক্ৰম কৰাৰ পিছতো বিধায়কজনে সভাপতি পদত নিযুক্তি নোপোৱাকৈ থাকে। বিভাগীয় মন্ত্ৰীজনে এই বিষয়ত বাধা দিয়াৰ কাৰণ জনা নেযায়।

## অগপ চৰকাৰৰ দিনত কি হৈছিল?

পূৰ্বৰ চৰকাৰৰ দিনত যথে-মথে বিভাগীয় টকা খৰচ কৰি আত্মসাৎ কৰাৰ বহুল তথ্য এতিয়া পোহৰলৈ আহিছে।

উদাহৰণ স্বৰূপে যোগান বিভাগৰ অধীনত গুৱাহাটীত কেৰাচিন বিক্ৰেতা সকলক কেৱল পৰিচয় পত্ৰ দিয়াৰ নামত ১৪ লাখ ৫৬ হেজাৰ টকা খৰচ কৰা দেখুওৱা হৈছে। আনহাতে পৰিচয় পত্ৰৰ নামত কেৱল এখন কাগজহে দিয়া হৈছিল।

সেইদৰে পশু পালন আৰু পশু চিকিৎসা বিভাগৰ অধীনত দৰৱ ক্ৰয় কৰাৰ বাবদ বাজেট প্ৰস্তুত কৰা হৈছিল ৫০ লাখ টকা। কিন্তু দৰৱ ক্ৰয় কৰাৰ বাবদ খৰচ কৰা দেখুওৱা হৈছে পাঁচ কোটি টকা।

বৰ্তমান চৰকাৰে ইতিমধ্যে এই বিষয়ত তদন্ত কৰাৰ ব্যৱস্থা কৰিছে বুলি জানিব পৰা গৈছে।

ত্ৰিনয়ন

OKDISCD

# যুদ্ধ আৰু ধেমালি- মনৰ খতে

দুলাল বৰা

পণ্ডিত সকলৰ মতে প্ৰায় পাঁচ লাখ বছৰৰ আগতে মানুহ জাতিৰ মুখত প্ৰথম কথা ফুটিছিল। লিখিত ৰূপ আৰম্ভ হৈছিল প্ৰায় ৫ বা ৬ হেজাৰ বছৰ পূৰ্বে। ছপাশাল আৱিষ্কাৰ হৈছিল ৫০০ বছৰৰ আগেয়ে। সেইদৰে টেলিগ্ৰাফ প্ৰায় দেৰশ বছৰৰ আগেয়ে, টেলিফোন এশ বছৰৰ কিছু আগেয়ে। ৰেডিঅ'ৰ আৱিষ্কাৰ প্ৰায় ৯০ বছৰ, ব্যাপক হাৰত টেলিভিশ্যনৰ আৱিৰ্ভাৱ এতিয়াও ৫০ বছৰেই হোৱা নাই, কম্পিউটাৰ ব্যৱহৃত হোৱা দুকুৰি বছৰেই হোৱা নাই, মহাকাশত যোগাযোগ – উপগ্ৰহ স্থাপিত হোৱা মাত্ৰ ত্ৰিশ বছৰো হোৱা নাই।


অৰ্থাৎ মানুহে কথা ক'বলৈ আৰম্ভ কৰা ভালে বছৰ হ'লেও, পৰস্পৰে পৰস্পৰৰ মাজত তথ্য বা সংবাদ সৰবৰাহ কৰাৰ ঘটনা বেছি দিনৰ নহয়। কিয়নো তথ্য আৰু সংবাদৰ আদান-প্ৰদান কৰা যন্ত্ৰপাতি-বোৰৰ আৱিষ্কাৰেই বহু দিনৰ ঘটনা নহয়। পৃথিৱীৰ মানুহৰ মাজত ঠিক কেতিয়া তথ্যৰ আদান-প্ৰদান হৈছিল সেই কথা কোৱা টান। কিন্তু যেতিয়াই নহওক লাগিলে, এই কথা ঠিক যে অতীতত উট, ঘোঁৰা বা পাৰ চৰাইৰ মাধ্যমত চলোৱা সংবাদ বা তথ্যৰ গতি আছিল অত্যন্ত মন্থৰ। একোটা বাৰ্তাবাহী উটৰ গতি আছিল প্ৰতি ঘন্টাত মাত্ৰ ১৩ কিলোমিটাৰ। বৃটেইনত ১৮ শতিকাত চলোৱা প্ৰথমখন মেইল বা ডাকবাহী ৰেলখনৰ গতিও আছিল প্ৰতি ঘন্টাত মাত্ৰ ১৬ কিলোমিটাৰহে।

তথ্য, সংবাদৰ আদান-প্ৰদান বা প্ৰচাৰ মাধ্যমবোৰৰ অগ্ৰগতি হৈছিল যোগাযোগ মাধ্যমৰ অগ্ৰগতিৰ লগে লগে। অৰ্থাৎ সেয়া ১৯ শতিকাৰহে ঘটনা। যোগাযোগ মাধ্যমৰ উন্নতিও আকৌ ঘটিছিল পুঁজিবাদী সমাজ ব্যৱস্থাৰ জন্ম আৰু বিকাশৰ লগে লগেহে। উৰ্ৱলি যোৱা সামন্তবাদী সমাজ ব্যৱস্থাৰ তুলনাত, অত্যন্ত প্ৰগতিশীল হৈ উঠা পুঁজিপতি শ্ৰেণীটোৱে নিজৰ স্বাৰ্থতেই ব্যাপক আৰু দ্ৰুতগতিৰে তথ্য আৰু সংবাদ সৰবৰাহ কৰাৰ প্ৰয়োজনীয়তা সবাতোকৈ বেছিকৈ উপলব্ধি কৰিছিল। ইউৰোপৰ ঊনৈশ শতিকাৰ এটা কাহিনীৰ কথা এই ক্ষেত্ৰত উদাহৰণ হিচাপে উল্লেখ কৰিব পাৰি। ১৮১৫ চনৰ ১৯ জুনৰ দিনা এজন মানুহে ঘোঁৰাৰ ওপৰত উঠি ওৱাটাৰলুৰ পৰা ইংলিচ চেনেল্ অভিমুখে যাত্ৰা আৰম্ভ কৰিলে। বাটে বাটে ঘোঁৰা সলনি কৰি হ'লেও তেওঁ গৈয়েই থাকিল আৰু অষ্টেণ্ড্ পোৱাৰ পিছত, বৃটেইনলৈ যোৱা জাহাজ এখনত তেওঁ উঠিল। পিছদিনা বৃটেইনৰ ফোকষ্টোনত তেওঁ নামিল আৰু পুনৰ ঘোঁৰা এটাৰ পিঠিত দৌৰি গৈ শেষত লণ্ডন পালেগৈ। তাতেই তেওঁ প্ৰথম লগ পালে ধনী ব্যৱসায়ী নাথান্ ৰথচাইল্ডক। ঘোঁৰাৰ পিঠিত উঠি যোৱা মানুহজনৰ পৰা ৰথচাইল্ডে যি বাতৰিটো পালে, তাৰেই ভিত্তিত ততালিকে তেওঁ লণ্ডনৰ শ্বেয়াৰ বজাৰত নিজৰ অংশবোৰ বিক্ৰীৰ বাবে এৰি দিলে। আনবোৰ ব্যৱসায়ীয়ে ধৰি ললে যে ঘোঁৰাৰ পিঠিত অহা মানুহজনে নিশ্চয় প্ৰথম খবৰ দিলেহি যে যুদ্ধত বৃটেইন হাৰিছে, নেপোলিয়নৰহে জয় হৈছে। নহ'লে ৰথচাইল্ডে নিজৰ অংশবোৰ ততালিকে বেচিবলৈ ওলাব কিয়? যুদ্ধত বৃটেইন হৰা মানেই শ্বেয়াৰৰ মূল্য মাৰাত্মকভাবে কমি যোৱা অৰ্থাৎ পোন অৰ্থত ভীষণ সংকট। গতিকে আনবোৰ ব্যৱসায়ীয়েও লৰালৰিকৈ নিচেই কম মূল্যত নিজৰ নিজৰ অংশবোৰ বিক্ৰী কৰিবলৈ হেতা-ওপৰা লগাই দিলে। যেতিয়া বজাৰত গোটেইবোৰ বিক্ৰীৰ বাবে ওলাল, ৰথচাইল্ডে পুনৰ আটাইবোৰ শ্বেয়াৰ বা অংশ কিনি পেলালে। এই ঘটনাৰ মাত্ৰ কেইঘন্টামান পিছতহে সমগ্ৰ বৃটেইনে গম পালে যে যুদ্ধত বৃটেইনৰ পৰাজয় হোৱা নাই, জিকিছেহে। নেপোলিয়নহে পৰাস্ত হৈছে। সেই খবৰটোকে, ঘোঁৰা দৌৰাই যোৱা মানুহজনৰ পৰা প্ৰথম পাইছিল ৰথচাইল্ডে। কিন্তু সেইটোকে জনাজাত হবলৈ নিদি, কৃত্ৰিমভাবে শ্বেয়াৰ বজাৰত আতংকৰ সৃষ্টি কৰি ৰথচাইল্ডে সকলোবোৰ শ্বেয়াৰ কিনি লৈ বিশ্ববিখ্যাত কোটিপতিলৈ পৰিণত হৈ পৰিছিল। আধুনিক ব্যৱসায় বাণিজ্যৰ যুগত সংবাদৰ গুৰুত্ব আৰু সেই সংবাদ নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰাৰ ই এক আদিম আৰু অভিনৱ দৃষ্টান্ত।

প্ৰচাৰ মাধ্যমৰ প্ৰসাৰ মাত্ৰ ১৯ শতিকাৰ ঘটনা হ'লেও কিন্তু এই কথা ঠিক যে এই ক্ষেত্ৰতেই মানৱ সভ্যতাৰ অগ্ৰগতি অতি দ্ৰুত। আমেৰিকাৰ প্ৰখ্যাত সমাজতত্ত্ববিদ আলভিন টাফেলাৰ-এ লিখা "ফিউচাৰ শ্বক্" (Future Shock) নামৰ গ্ৰন্থখনত কৈছে–বিগত মাত্ৰ ৭০টা প্ৰজন্মৰ মানুহেহে ভাষাৰ লিখিত ৰূপটো জানে। বিগত মাত্ৰ ৬টা প্ৰজন্মৰ মানুহে দেখিছে ছপাশালৰ আখৰ। মাত্ৰ ৪টা বিগত প্ৰজন্মৰ মানুহে সময়ৰ জোখ-মাপ কৰিব পাৰিছে। মাত্ৰ ২টা বিগত প্ৰজন্মৰ মানুহে ব্যৱহাৰ কৰিছে বিদ্যুৎশক্তি। কিন্তু চলিত এটা মাত্ৰ প্ৰজন্মতেই মানুহে কৰায়ত্ত কৰিছে তথ্য সংবাদৰ সৰ্বাধুনিক গণ মাধ্যম। "এগেইন্‌ষ্ট ইনফৰমেশ্যন ইমপিৰিয়েলিজম" নামৰ গ্ৰন্থত ইউৰি কাছ্‌লেভ-এ কৈছে– "ইয়াৰ








পূৰ্বে কেইবাশ প্ৰজন্মত যি সম্ভৱ হোৱা নাছিল, আজিৰ মানুহ সেই সকলোবোৰতকৈ বহুগুণে বেছি সংবাদ আৰু তথ্য-ভাণ্ডাৰৰ অধিকাৰী হৈছে।"

তথ্য আৰু সংবাদৰ জগতত ঘটা এই চমকপ্ৰদ অগ্ৰগতিকেই সম্প্ৰতি বহুতে "তথ্য বিস্ফোৰণ" বুলি আখ্যা দিয়ে। ইলেকট্ৰনিকচ্‌ৰ অভ্যুদয়েই সঁচাকৈ তথ্যৰ জগতখনত এক বিস্ফোৰণ ঘটালে। বাতৰি কাকতৰ পৃষ্ঠালৈ বৈপ্লৱিক পৰিবৰ্তন আহিল। এই বিস্ফোৰণৰ প্ৰভাৱৰ পৰা আঁতৰি লুকাই থাকিব পৰা এটা বিন্দুও পৃথিৱীখনত কতো নাই। মহাকাশত ওলমি থকা কমিউনিকেশ্যন চেটেলাইটৰ পৰা বাটে পথে ভ্ৰমি ফুৰা অঘৰীৰ হাতত ওলমি থকা ৰেডিঅ'টোলৈকে– সকলোতে অহৰহ নিৰ্গত হৈ আছে তথ্য আৰু সংবাদ।

সমীক্ষা মতে পৃথিৱীৰ মানুহে সম্প্ৰতি তথ্য পায় প্ৰায় ১৫০টা প্ৰধান বাতৰি প্ৰতিষ্ঠান, ৩০ হেজাৰতকৈও অধিক ৰেডিঅ', টেলিভিশ্যন কেন্দ্ৰ, প্ৰায় দহ হেজাৰ প্ৰধান বাতৰি কাকতৰ পৰা। প্ৰেছ, ৰেডিঅ', টেলিভিশ্যন, কিতাপ পত্ৰ, ডকুমেন্টৰী ফিল্ম আদিয়ে মানুহক মুহূৰ্তে মুহূৰ্তে পৰিচিত কৰি আছে পৃথিৱীৰ বুকুত ক'ত কি ঘটি আছে আৰু ইয়াৰেই ভিত্তিত গঢ় লৈ উঠিছে মানুহৰ বিভিন্ন মতামত। মাৰ্ক টোৱেইনে কৈছিল যে– পৃথিৱীৰ বুকুত মাথো দুটাই পোহৰৰ উৎস- এটা হৈছে মহাকাশৰ সূৰ্য আৰু আনটো হৈছে আমেৰিকাৰ এছোচিয়েটেড প্ৰেছ (এ পি) নামৰ সংবাদ প্ৰতিষ্ঠানটো। সংবাদ প্ৰতিষ্ঠানটোৰ নাম তেওঁ এই বাবেই লব লগা হৈছিল যে সেই কালত পৃথিৱীৰ বুকুত মাত্ৰ ৪টা সংবাদ প্ৰতিষ্ঠানৰ যোগেদিহে সংবাদ আৰু তথ্য সৰবৰাহ কৰা হৈছিল। সেই কেইটা আছিল– বৃটেইনৰ ৰয়টাৰ, ফ্ৰান্সৰ হাৱাছ (Havas), জাৰ্মানীৰ ৱলফ্ (Wolfe) আৰু এছোচিয়েটেড প্ৰেছ। আৰু সেই কেইটাৰ ভিতৰত এ পি-য়েই আছিল শক্তিশালী। কিন্তু এতিয়া আৰু সেই দিন নাই। আমেৰিকা আৰু বৃটেইনৰ সংগঠন দুটাৰ বাদে আন দুটা ইতিমধ্যে মৃত যদিও, শত-সহস্ৰ নতুন নতুন সংবাদ প্ৰতিষ্ঠানে মূৰ দাঙি উঠিল, তথ্যৰে পৃথিৱী উপচি পৰিছে। কিন্তু তথ্য বা সংবাদৰ প্ৰতি মানুহৰ ক্ষুধাৰ শেষ হোৱা নাই। এই ক্ষুধাৰ গুৰিত কেৱল মাত্ৰ নজনা কথা জনাৰ বাবে মানুহৰ

জিজ্ঞাসাই নাই, সামাজিক অগ্ৰগতিৰ অভিজ্ঞতা, বিশ্বৰ আন্তৰ্জাতিকৰণ আৰু অৰ্থনৈতিক, সংস্কৃতি আৰু অন্যান্য আন্তৰ্জাতিক সম্পৰ্কৰ বিস্তৃতিয়েও এই ক্ষুধা চিৰন্তন কৰি ৰাখিছে।

এই ক্ষুধাৰ আলমতে এখন যুদ্ধও চলিছে। দুখনকৈ বিধ্বংসী বিশ্ব যুদ্ধৰ পিছত পৃথিৱীৰ বুকুত তৃতীয়বাৰৰ বাবে এখন বিশ্ব যুদ্ধ যাতে নহয় তাৰ বাবে মানৱ জাতিৰ অহৰহ প্ৰচেষ্টা চলি থাকোতেই, তৃতীয় বিশ্ব যুদ্ধ এখন আৰম্ভ হৈ গৈছে। এইখন মনস্তাত্ত্বিক যুদ্ধ। চলিছে মানুহৰ মনক লৈ ঘাইকৈ তথ্য আৰু সংবাদ জগতত। পৃথিৱীত তথ্যৰ বিস্ফোৰণ ঘটিছে যদিও এটা কথা কিন্তু সত্য যে প্ৰচাৰ মাধ্যম সমূহৰ ওপৰত একচেটিয়া অধিকাৰ এতিয়াও পশ্চিমীয়া ধনী দেশবোৰৰ হাততে আছে। এই দেশসমূহে নিয়ন্ত্ৰণ কৰা সংবাদ মাধ্যমবোৰেই এতিয়াও পৃথিৱীৰ প্ৰায় দুই-তৃতীয়াংশ মানুহক তথ্য আৰু সংবাদ সৰবৰাহ কৰে। উদাহৰণ স্বৰূপে, ইউনেস্কোৰ তথ্য অনুসৰি, আমেৰিকাৰ দুটা সংবাদ প্ৰতিষ্ঠান, এ পি আৰু ইউ পি আই-য়ে ১৯৮০ চনতেই ক্ৰমে ১০৮ খন দেশৰ প্ৰায় ১৩২০ খন বাতৰি কাকত আৰু ৯২ খন দেশৰ ৭০৭৯ খন বাতৰি কাকতত তথ্যৰ যোগান ধৰিব পাৰিছিল। একেদৰে, বৃটেইনৰ দ্বাৰা নিয়ন্ত্ৰিত ৰয়টাৰে ১৪৭ খন দেশৰ ৬৫০০ কাকত আৰু ফ্ৰান্সৰ দ্বাৰা নিয়ন্ত্ৰিত ফ্ৰি প্ৰেছে (এফ পি) ১৫২ খন দেশৰ প্ৰায় ১২ হেজাৰ কাকতত তথ্য সৰবৰাহ কৰে। এই সংখ্যা এতিয়া নিঃসন্দেহে বেছি হৈছে। আনহাতে ছোভিয়েত ইউনিয়নৰ নভস্তি বা কিউবাৰ প্ৰেছনা-লেটিনা বা ভাৰতৰ দৰে আন সকলোবোৰ সদ্য স্বাধীন দেশৰ সংবাদ প্ৰতিষ্ঠানবোৰৰ বিস্তৃতি অতি নগণ্য। ফল স্বৰূপে বিশ্বৰ সমস্যাৰাজিৰ ওপৰত ধনী পশ্চিমীয়া বিশ্বৰ দৃষ্টিভংগীয়েই সংবাদ মাধ্যমৰ অধিকাংশ ঠাই আগুৰি আছে। ইয়াকেই, ১৯৭৩ চনত ফিনলেণ্ডৰ প্ৰাক্তন ৰাষ্ট্ৰপতি উৰ্হো কালেভা কেক্কোনেন-এ সৰ্ব প্ৰথম "তথ্য সাম্ৰাজ্যবাদ" অৰ্থাৎ ইনফৰমেশ্যন ইমপিৰিয়েলিজম বুলি আখ্যা দিছিল। এই "তথ্য আৰু সাম্ৰাজ্যবাদৰ" বিৰুদ্ধেই পৃথিৱীৰ সমাজতান্ত্ৰিক দেশ আৰু তৃতীয় বিশ্বৰ দেশ সমূহে প্ৰতিবাদ কৰিছে–এক সম অধিকাৰ বা এটা "নতুন ইনফৰমেশ্যন অৰ্ডাৰ"ৰ বাবে ৰাষ্ট্ৰসংঘ, ইউনেস্কো আদিৰ দৰে প্ৰতিষ্ঠানত আৰু অনেক ধৰণৰ সভা সমাবেশত দাবী তুলিছে। ফলস্বৰূপে কিছুমান আন্তৰ্জাতিক আইন-কানুন হৈছে। কিন্তু দুয়োটা শিবিৰৰ মাজত চলা যুদ্ধখন মূলতঃ মনস্তাত্ত্বিক।

মনস্তাত্ত্বিক যুদ্ধৰ কায়দা-কিটিপবোৰহে কিন্তু বৰ চমকপ্ৰদ। সৰবৰাহ কৰা তথ্য আৰু সংবাদবোৰ বাছনি কৰা, নিৰ্দিষ্ট উদ্দেশ্য-লক্ষ্য আগত ৰাখি সজোৱা আৰু সময় বুজি সংবাদৰ শৰবোৰ নিক্ষেপ কৰাটোৱেই ঘাই কৌশল। প্ৰতিটো পক্ষই মানুহৰ মন জয় কৰিব পৰাকৈ এই কৌশলবোৰ নিৰূপণ কৰে। তাৰ বাবে সময়ে সময়ে প্ৰয়োজন বশতঃ অসত্য বা অৰ্ধ সত্যৰ ৰহণো অৱশ্যে নসনা নহয়। যি কি নহওক, এটা কথা কিন্তু ঠিক যে মন জয় কৰাৰ উদ্দেশ্যে চলা এই মনস্তাত্ত্বিক যুদ্ধখন বৰ আমোদজনক, কেৱলমাত্ৰ বুদ্ধিৰ কাৰচাজি।

বিশ্বজুৰি চলা এই মনস্তাত্ত্বিক যুদ্ধখনৰ পৰা কিন্তু ভাৰতো বাহিৰত থকা নাই। স্বাধীনতা প্ৰাপ্তিৰ পিছৰে পৰাই অহৰহ ই চলি আছে। ভাৰতে স্বাধীন অৰ্থনীতিৰ বুনিয়াদ গঢ়িব খোজোতে পশ্চিমীয়া প্ৰচাৰ মাধ্যমত তাৰ বিৰুদ্ধে প্ৰচাৰ, ভাৰতৰ মাটিত সন্ত্ৰাসবাদ দমন কৰিব খোজোতে পশ্চিমীয়া প্ৰচাৰ যন্ত্ৰত মানৱ অধিকাৰ লংঘন হোৱাৰ ঘটনাৰ বহুল প্ৰচাৰ বা ভাৰতত নেহৰু নীতিৰ প্ৰাসংগিকতা সম্পৰ্কে চিন্তা চৰ্চা হোৱা যেন দেখিলেই পশ্চিমীয়া প্ৰচাৰ যন্ত্ৰত নেহৰু আৰু লৰ্ড মাউন্টবেটেনৰ পত্নী এডউইনাৰ মাজত গোপন বন্ধুত্বৰ কথা প্ৰচাৰ বা তথাকথিত ব'ফৰ্চ কেলেংকাৰিয়ে নিজ স্বাৰ্থত আঘাত হনা যেন দেখা মাত্ৰকেই ব্যাপক হাৰত পামেলা বোৰ্ডছ নামৰ কলগাৰ্ল এগৰাকীৰ কেলেংকাৰিপূৰ্ণ নিশাৰ কাহিনী পশ্চিমীয়া প্ৰচাৰ যন্ত্ৰই চলোৱাৰ ঘটনাৰ কথাকেই দৃষ্টান্ত হিচাপে দিব পাৰি। এনে উদাহৰণ দৰাচলতে অলেখ। প্ৰতি মুহূৰ্ততেই এইবোৰ ঘটি আছে মন জয় কৰাৰ উদ্দেশ্যে বা মন ঘূৰোৱাৰ উদ্দেশ্যে।

আন্তৰ্জাতিক প্ৰতিষ্ঠান, প্ৰতিখন দেশৰ প্ৰতিটো চৰকাৰ আৰু প্ৰেছ– এই তিনিওটাই তথ্য আৰু সংবাদ সৰবৰাহ কৰে। প্ৰকৃত পক্ষে তিনিওটা পক্ষই একো একোখন মনস্তাত্ত্বিক যুদ্ধ পৰিচালনা কৰে। প্ৰতিটো চৰকাৰৰে ইয়াৰ বাবে একো একোটা নিৰ্দিষ্ট বিভাগ থাকে। চৰকাৰৰ নীতি আৰু আদৰ্শ সুৰক্ষিত কৰি ৰখা, দেশ বা ৰাজ্যখনৰ ঐতিহ্য আৰু পৰম্পৰাৰ লগত খাপ খোৱাকৈ বা মানুহৰ চেতনাত জোকাৰণি তুলিব পৰাকৈ চৰকাৰৰ হৈ উক্ত বিভাগটোৱে মনস্তাত্ত্বিক যুদ্ধখন চলাই থাকে। মানুহৰ মন লিৰিকি-বিদাৰি চাই, যুঁজৰ কৌশল নিৰূপণ কৰিবলৈ সক্ষম হ'লেই যুঁজত সফলতা লাভ কৰে। নহ'লে চৰকাৰৰ গতানুগতিক বক্তৃতা বিবৃতি লিখা বিভাগলৈ পৰ্যবসিত হয়।

ভিন ভিন বিষয়ক কেন্দ্ৰ কৰি ভিন ভিন লক্ষ্য উদ্দেশ্য লৈ অসমৰো সংবাদ মাধ্যমত অদৃশ্য ভাবে মনস্তাত্ত্বিক যুদ্ধখন অহৰহ চলিয়েই আছে। অসম চৰকাৰৰ হৈ 'তথ্য আৰু জনসংযোগ' বিভাগে এই যুদ্ধখন চলায়। মন কৰিব লগীয়া কথা যে অসমৰ এই বিভাগটোৱে চলোৱা মনস্তাত্ত্বিক যুদ্ধখন সময়ে সময়ে অত্যন্ত চমকপ্ৰদ হোৱাই নহয়, ভীষণ বিতৰ্কৰো ধুমুহা তুলিবলৈ সক্ষম হৈছে।

১৯৮৩ চনৰ ৰক্তাক্ত নিৰ্বাচনৰ পিছত যেতিয়া অসমত হিতেশ্বৰ শইকীয়াৰ প্ৰথমটো চৰকাৰ গঠিত হৈছিল, তাৰ ঠিক পিছতেই "তথ্য আৰু জনসংযোগ" বিভাগে ব্যাপক হাৰত, বিজ্ঞাপন, পুস্তিকা, ফলক আদিৰ যোগেদি প্ৰচাৰ কৰিছিল যে "অসমে হাঁহিছে"। হাঁহি ওলাইছিল নে নাই সেই সম্পৰ্কে অসমৰ ৰাইজৰ মাজত দ্বিমত আছিল যদিও এই কথা সত্য যে বিভাগটোৱে "অসমে হাঁহিছে" বুলি অসমৰ বাহিৰত বিশ্বাস জন্মাবলৈ সক্ষম হৈছিল। সেই সময়ৰ চৰকাৰৰ বাবে সেইটোৱেই প্ৰয়োজনীয় আছিল আৰু বিভাগটোৱে তাকেই সফলতাৰে কৰিছিল। বিভাগটোৰ উক্ত প্ৰচাৰ ইমানেই আক্ৰমণাত্মক হৈছিল যে সেই সময়ত বিদেশী খেদা আন্দোলনৰ নেতৃত্ব দিয়া সকলে জনসংযোগ বিভাগৰ "অসমে হাঁহিছে" বোলা প্ৰচাৰটোকেই প্ৰতি আক্ৰমণৰ লক্ষ্য হিচাপে বাছি লবলৈ বাধ্য হৈছিল। সেই সময়তে বিভাগটোৱে লোৱা আৰু এটা কায়দাৰ কথাও এইখিনিতে উল্লেখ কৰিব পাৰি। বিদেশী খেদা আন্দোলনৰ ৰণ ধ্বনি আছিল "জয় আই অসম"। সেই ধ্বনিৰ এক ধুমুহাই দৰাচলতে সেই সময়ত উঠিছিল। জনসংযোগ বিভাগে সেই ধ্বনিটোকেই কৌশলেৰে আন্দোলনকাৰীসকলৰ বিৰুদ্ধে অত্যন্ত সফল ভাবে প্ৰয়োগ কৰিছিল। তেতিয়াৰ ৰাজ্য চৰকাৰে অৰ্থনৈতিক উন্নয়নৰ বাবে লোৱা পদক্ষেপবোৰ নিয়াৰীকৈ সজাই বিভিন্ন বিজ্ঞাপন, হৰ্ডিং আদিত প্ৰচাৰ কৰাত লাগি গৈছিল আৰু প্ৰতিটো বিজ্ঞাপনৰ তলতে লিখি দিছিল– "অসম আকৌ উন্নতিৰ পথত, জয় আই অসম বোল"। বহুতৰে বাবে অপ্ৰিয় হ'লেও সত্য যে সেই সময়ৰ চৰকাৰে নিজেই "জয় আই অসম" ধ্বনি কৌশলেৰে ব্যৱহাৰ কৰাৰ পিছত, আন্দোলনকাৰীৰ কণ্ঠত সেই ধ্বনি বহুখিনি স্তিমিত হৈ পৰিছিল। মনস্তাত্ত্বিক যুদ্ধ কৌশলৰ ই আছিল নিঃসন্দেহে এক উৎকৃষ্ট নিদৰ্শন।

অসমৰ ৰাইজৰ বাবে বিগত ৰাষ্ট্ৰপতিৰ শাসন আৰু সৈন্য বাহিনীৰ 'অপাৰেচন বজৰঙ'ৰ কালছোৱা আছিল এক তীব্ৰ উত্তেজনাপূৰ্ণ সময়। এহাতেদি ৰাইজৰ গণতান্ত্ৰিক অধিকাৰ অনেকখিনি খৰ্ব হৈ পৰিছিল আৰু আনহাতে ঠায়ে ঠায়ে সৰ্বসাধাৰণ নিৰীহ মানুহৰ ওপৰত পৰিছিল সন্ত্ৰাসবাদ বিৰোধী অভিযান চলোৱা সৈন্য বাহিনীৰ গচক। স্বাভাৱিকতেই ৰাষ্ট্ৰপতি শাসনৰ প্ৰতি মানুহৰ তিক্ততা হৈছিল। কিন্তু এই কথা স্বীকাৰ কৰা ভাল যে সেই তিক্ততাৰ পৰিমাণ কমোৱাত অত্যন্ত পাৰদৰ্শিতাৰে কাম কৰিছিল 'জনসংযোগ' বিভাগটোৱে। সেয়ে নোহোৱা হ'লে, সৈন্য বাহিনীৰ অতিচাৰৰ কাহিনী অহৰহ কাকতত প্ৰকাশ হৈ থকা সত্বেও, ঠায়ে ঠায়ে আতংক বিৰাজ কৰি থকা সত্বেও নিৰীহ ব্যক্তি গ্ৰেপ্তাৰ আৰু মৃত্যু হোৱা সত্বেও, ৰাষ্ট্ৰপতি শাসন চলাই থকা প্ৰধান নায়ক স্বৰূপ তিনি গৰাকীকৈ ৰাজ্যপালৰ উপদেষ্টাই অসমৰ ঠায়ে ঠায়ে কোনো ধৰণৰ বিক্ষোভ নোহোৱাকৈ ঘূৰি ফুৰিব পাৰিলেহেঁতেন নে নাই, সেই সম্পৰ্কে কেতবোৰ মহলত হোৱা সন্দেহ অমূলক নহয়। উল্লেখযোগ্য যে ১৯৮৩-৮৫-ৰ কালছোৱাত থকা জনসংযোগ বিভাগৰ সঞ্চালক জ্যোতি প্ৰসাদ শইকীয়া, ৰাষ্ট্ৰপতি শাসনৰ কালছোৱাতো বিভাগটোৰ সঞ্চালক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। গণ পৰিষদ চৰকাৰৰ প্ৰায় ৫ বছৰীয়া কালছোৱাত বিষয়া গৰাকীক এক প্ৰকাৰ নিষ্কৰ্মা অৰ্থাৎ বিশেষ কোনো ধৰণৰ দায়িত্ব নিদিয়াকৈ ৰখাৰ কথা জনাজাত।

বিগত ৰাষ্ট্ৰপতি শাসনৰ কালছোৱাত 'জনসংযোগ' বিভাগৰ প্ৰচাৰ যথেষ্ট আকৰ্ষণীয়েই নহয়, মানুহৰ মন জয় কৰিব পৰা বিধৰো আছিল। ৰাষ্ট্ৰপতি শাসনৰ প্ৰতি থকা মানুহৰ বিতৃষ্ণা আৰু বিৰূপ মনোভাবৰ কথা ভালদৰে উপলব্ধি কৰিয়েই যেন 'জনসংযোগ' বিভাগে, অসমীয়াৰ নতুন বছৰটোৰ বাবে শুভেচ্ছা জনাই বিজ্ঞাপন দিছিল। বহুসংখ্যক বছা বছা লোকলৈ, সাংবাদিক, সাহিত্যিক বুদ্ধিজীৱীলৈ, স্কুল-কলেজৰ অধ্যাপক, ছাত্ৰ নেতালৈ আৰু আনকি জনামতে জেলৰ ভিতৰত আটক হৈ থকা বন্দী লোকলৈও সেই শুভেচ্ছাবাণী বিভাগটোৰ পৰা গৈছিল, য'ত লিখা আছিল উপনিষদৰ সেই মহান শ্লোক– "সকলোৱে যেন মোক বন্ধুৰ চকুৰে চায় .........।" ৰাষ্ট্ৰপতি শাসনৰ সময়ত, চৰকাৰৰ দৃষ্টিকোণৰ পৰা এনে আবেদনৰ বাছনি আছিল নিতান্তই অৰ্থবহ আৰু সি কিছুসংখ্যক লোকৰ মাজত হলেও জোকাৰণি তুলিবলৈ সক্ষম হৈছিল।

এই কালছোৱাতে ৰাজ্যখনৰ ঠায়ে ঠায়ে 'জনসংযোগ' বিভাগৰ কেতবোৰ বিজ্ঞাপন চকুত পৰিছে। বিভাগটোৰ শিল্পীয়ে আটক ধুনীয়া আৰ্হিৰে প্ৰস্তুত কৰি দিয়া এটি বিজ্ঞাপনত কোৱা হৈছে– "গুৰুজনে এক কৰে, ভকতেহে ভাগ কৰে।" ৰাজ্যখনৰ সমাজ জীৱনত চলি থকা অনৈক্য আৰু অসূয়া-অপ্ৰীতিবোৰৰ মাজত এই বিজ্ঞাপনৰ আবেদন বৰ গভীৰ। শংকৰ-মাধৱৰ এই ভূখণ্ডটোত উক্ত আবেদন মৰ্মস্পৰ্শী হৈ উঠাও স্বাভাৱিক। একেদৰে ৰাজ্যখনৰ অনেক পিছপৰা অঞ্চলৰ মাজেদি অহা যোৱা কৰা চৰকাৰী বাছৰ গাত, চিনেমা হলবোৰৰ পৰ্দাত, পথৰ দাঁতিত থিয় হৈ থকা হৰ্ডিঙত আৰু বাতৰি কাকতৰ পৃষ্ঠাত মাজে সময়ে ওলোৱা বিজ্ঞাপনত জনসংযোগ বিভাগে চলোৱা প্ৰচাৰবোৰৰ ভাষাৰ মাধুৰ্য, ব্যঞ্জনা আৰু আবেদন যথেষ্ট শক্তিশালী। বিচ্ছিন্নতাবাদৰ বীজ ৰাজ্যখনৰ চৌদিশে বিয়পি পৰাৰ সময়ত, জনসংযোগৰ দ্বাৰা প্ৰচাৰিত বক্তব্য যেনে– "বহু জন বহু মন, দেশ পিছে একেখন" "ভিন ভিন সাজ-পাৰ, ভিন ভিন বেশ, ধমনীত বৈ আছে একেখনি দেশ" ইত্যাদি – নিঃসন্দেহে যুগমীয়া স্বৰূপ। ভাৰতৰ আন বহু ৰাজ্য, আনকি কেন্দ্ৰীয় চৰকাৰৰ প্ৰচাৰ দপ্তৰটোৱেও ইমান শুৱলা আৰু শক্তিশালী আবেগেৰে ভাৰতীয় ঐক্য আৰু সংহতিৰ সপক্ষে প্ৰচাৰ কৰা এতিয়ালৈকে চকুত পৰা নাই। এইবোৰৰ একো সুফলো নোহোৱাকৈ থকা নাই। গাঁৱে ভূঞে, স্কুল-কলেজে বহুতেই আজিকালি জনসংযোগৰ এই লিৰিকবোৰৰ বিষয়ে কথা পতাও দেখা যায়, কিছুৰ ওঁঠৰ আগতেই এইবোৰ স্থায়ী হৈ ৰৈ গৈছে। এই ক্ষেত্ৰত বিভাগটোৰ বাবে সাৰ্থকতাৰ সন্মান সঁচাকৈয়ে প্ৰাপ্য।

কিন্তু প্ৰশ্ন হয়, সাৰ্থক ভাবে মনস্তাত্ত্বিক যুঁজ চলোৱা এই বিভাগটোৱে ভৱিষ্যতৰ দিনবোৰতো এই ধৰণেৰে বা ইয়াতোকৈ উন্নত ধৰণেৰে কাম-কাজ চলাই যাব পাৰিবনে? যি দলৰেই চৰকাৰ দিছপুৰত নহওক, বিভাগটোৱে কিন্তু এই কাম যে কৰিয়েই যাব লাগিব। বিভাগটোৰ সামৰ্থ্যখিনিৰ স্থায়িত্ব আৰু বিকাশ সম্বন্ধে সন্দেহ হয় এই বাবেই যে অধিকাংশ চৰকাৰৰ মুৰব্বীয়েই বিভাগটোক নিজৰ ঠেক দলীয় ৰাজনৈতিক উদ্দেশ্যেৰে ব্যৱহাৰ কৰিব খোজা দেখা যায়। বহুবোৰ মন্ত্ৰী, হাকিমে আকৌ বিভাগটোক কেৱল মাত্ৰ বক্তৃতা বিবৃতি লিখা আৰু চৰকাৰী কাম-কাজবোৰৰ নঙঠা প্ৰচাৰ কৰা বিভাগ বুলিয়েই গণ্য কৰা দেখা যায়। তদুপৰি বিভাগটো চৰকাৰৰ ফালৰ পৰা এক অন্যতম অৱহেলিত বিভাগ যেনেই লাগে। সেয়ে অভাৱ-অভিযোগৰ হেঁচাও আৰু বিশেষকৈ বৰ্তমানৰ কম্পিউটাৰৰ যুগটোত বিভাগটো এনেদৰেই থাকিলে অচিৰেই অক্ষম হৈ পৰিবলৈও বাধ্য। মনস্তাত্ত্বিক যুদ্ধ চলোৱাৰতো কথাই নাই, অস্তিত্বই হয়তো ৰাখিবলৈ বিভাগটোৰ টান হৈ পৰিব। অৱশ্যে মন কৰিব লগীয় যে আনবোৰ প্ৰচাৰ মাধ্যমৰ অধিকাংশতে "নতুন দিল্লীয়ে অসমক ঔপনিবেশিক শোষণ" কৰাৰ বক্তব্যই বহুল ভাবে ঠাই পাই থকা সত্বেও, বা ভাৰতৰ সভ্যতা-সংস্কৃতিৰ পৰা অসমক এচামে নিলগাই চোৱাৰ প্ৰয়াস চলাই থকা সত্বেও 'জনসংযোগ' বিভাগটোৱে এই সংক্ৰান্তত বস্তুনিষ্ঠ বক্তব্য আৰু বিশ্লেষণেৰে চৰকাৰৰ বক্তব্য দাঙি ধৰা কামত এতিয়ালৈকে ব্যৰ্থ হৈ আছে।

বিজ্ঞানী সকললৈ সম্বোধন কৰি লিখা এখন চিঠিত আইনষ্টাইনে কৈছিল– "Insitutions are in a moral sense impotent, unless they are supported by the sense of responsibility of living individuals. An effort to arouse and strengthen this sense of responsibility of the individual is an important service to mankind." অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগটোৱে এই ধৰণৰ দায়িত্ববোধ জগাই অসমৰ ৰাইজৰ হক সাধিব পাৰিবনে?

# জন, জনসংযোগ আৰু আমি

তীৰ্থ ফুকন

*"আশাৰে চাকিটি জ্বলে অ' লুইতত*
*আশাৰে চাকিটি জ্বলে*
*এটি দুটি কৰি খুঁটা শাৰী শাৰী*
*পানীতে জিলিকি পৰে।*
*......................................*
*ওপৰ খলপাৰে মটৰ বাছ চলিব*
*কাযেদি মানুহৰ শাৰী*
*তলৰ খলপাৰে ধান মাহ কঢ়িয়াই*
*চলিব কত ৰেল গাড়ী" ........*

এ সময়ত এই গানটোৱে অসমৰ আকাশ বতাহ ৰজনজনাই আছিল। বিশেষকৈ ৰেডিঅ'ত দিনটোত এবাৰ বাজিছিল। গানটোৰ ৰচনা শৈলীৰ সৰলতা আৰু সুৰৰ মাদকতাই সহজে শ্ৰোতাক মুগ্ধ কৰিব পাৰিছিল। কোনে লিখিছে- কিয় লিখিছে খবৰ নকৰাকৈ আমিও লগৰ লগৰীয়াৰে সৈতে গুণ গুণাইছিলো। কোনো কিমান গান লিখিছে গাইছে সকলোৰে ৰচক আৰু সুৰকাৰৰ খবৰ জানো ৰাখো?

কিছুদিনৰ পিছত জানিলো গানটোৰ স্ৰষ্টা ৰুদ্ৰ বৰুৱা। ৰুদ্ৰ বৰুৱা? অ' সেই ৰুদ্ৰ বৰুৱা "পকা ধানৰ মাজে মাজে," "তাঁতৰ দোৰেপতি চলাই ঘনেপতি"ৰ ৰুদ্ৰ বৰুৱা। আৰু জানিলো ৰুদ্ৰ বৰুৱাই পাব্লিচিটি বিভাগত কাম কৰে। লাহে লাহে আৰু জানিলো অকল ৰুদ্ৰ বৰুৱাই নহয়- যুগল কুমাৰ দাস, নিপ বৰুৱা, তৰুণ দুৱৰা, যতীন গোস্বামী, কমলা গোস্বামী, মণি শৰ্মা আদি বহুতো শিল্প-সাহিত্যৰ সতে জড়িত লোক এই বিভাগত কাম কৰে।

তেতিয়া মই মনৰ মতন চাকৰি এটাৰ সন্ধানত। পাব্লিচিটি বিভাগটোৰ প্ৰতি এটা আকৰ্ষণ অনুভৱ কৰিলো মনে মনে। ভাবিলো– মনে বিচৰা বিভাগ হয়তো এইটোৱেই। প্ৰসংগতে কৈ থওঁ– কিছু বছৰৰ আগতে পশ্চিমৰ এখন দেশত ডেকাবোৰৰ কাম্য কি তাৰ এটা সমীক্ষা চলাইছিল। শতকৰা নব্বৈ জনে হেনো জনালে জীৱনত কাম্য বস্তু ঘাইকৈ তিনিটা- মনে বিচৰা চাকৰি এটা, মনে বিচৰা ক্লাব এটা আৰু মনে বিচৰা ছোৱালীজনী। দি বিলভেদ জব, দি বিলভেদ ক্লাব এণ্ড দি বিলভেদ গাৰ্ল এজ ৱাইফ।

তাৰ পিছত চাওঁতে চাওঁতে এই বিভাগটোতে কুৰিটাতকৈ অধিক বছৰ পাৰ হৈ গ'ল। কেনেকৈ যে পাৰ হ'ল এই দুই দশকৰো অধিক কাল। কিন্তু আজিও মনত আছে শিল পুখুৰীত তেতিয়া থকা অফিচটোত প্ৰথম প্ৰবেশৰ দিনাই ভংগ হোৱা স্বপ্ন এটাৰ কথা। আলেঙে আলেঙে মন কৰিছিলো যুগল দাস কোন জন, তৰুণ দুৱৰা কোন জন? কাৰণ ইতিমধ্যে ৰুদ্ৰ বৰুৱাৰ লগত সাক্ষাৎ হৈ গৈছিল। তৰুণ দুৱৰা– ঠিকেই আছে- ভবাৰ দৰেই, কিন্তু যুগল দাস? ভূপেন হাজৰিকাৰ দুখনমান কথাছবিত পৰিচয় লিপিত দেখিছিলো– "কলা নিৰ্দেশনাঃ যুগল কুমাৰ দাস।" মনত এটা ধাৰণা হৈছিল– ওখ পাখ, ৰূপকোঁৱৰৰ ৰূপকোঁৱৰ যেন লগা ধুতি বা পায়জামা পৰিহিত এজন মানুহ হব যুগল দাস। মোৰ ধাৰণা ধূলিস্যাৎ হৈ গ'ল ঠিক ওখ বুলিব নোৱাৰা, ডাঙৰ পেট এটাৰে- বহল জলহু ধৰণৰ ঠেঙা পিন্ধা, প্ৰথম দৰ্শনত কোনো ধৰণে আকৰ্ষণ কৰিব নোৱাৰা মানুহ এজনক যুগল দাস বুলি জনাৰ পিছত।

এই তিনি গৰাকী শ্ৰদ্ধাভাজন ব্যক্তিৰ কথা বিশেষভাবে উল্লেখ কৰাৰ কাৰণটো হ'ল– পাব্লিচিটি বিভাগে মোক আকৰ্ষণ কৰাৰ আঁৰত আছিল এই তিনি গৰাকী ব্যক্তি। নক'লেও হয়তো হয়- সেই সময়ত অসমৰ শিল্প-সাহিত্যৰ জগতত যুগল দাস, ৰুদ্ৰ বৰুৱা আৰু তৰুণ দুৱৰা বিশেষ আলোচিত আৰু আকৰ্ষণীয় ব্যক্তি আছিল। বিভাগটোত যোগ দিয়েই লগ পোৱা আন এগৰাকী বিশেষ ব্যক্তি আছিল সত্যপ্ৰসাদ বৰুৱা। শ্ৰী বৰুৱাৰ 'নাটক আৰু অভিনয়' পুথিখন এম, এ পৰীক্ষাৰ বাবে পঢ়িব লগা হৈছিল।

তেতিয়ালৈকে এই বিভাগটো 'পাব্লিচিটি' বুলিয়েই মানুহৰ মুখে মুখে উচ্চাৰিত হৈছিল। অসমীয়াত বোলা হৈছিল "প্ৰচাৰ বিভাগ"। পিছলৈ পাব্লিচিটিৰ ঠাইত হ'লহি 'পাব্লিক ৰিলেচনচ" আৰু প্ৰচাৰৰ ঠাইত "জনসংযোগ।"


তাহানিখনতে দেশে স্বাধীনতা পোৱাৰ আগতেই বিলাতৰ হেইলি উপাধিৰ চাহাব এজনৰ সঞ্চালনাত গঠন হোৱা এই বিভাগটোত যে কিমান গুণী-জ্ঞানী বৰ্ণাঢ্য লোকে কাম কৰি যোৱা নাই। মহেন্দ্ৰ ডেকা ফুকনে বোলে হেংদাংখন কঁকালত ওলমাই লৈয়েই অফিচলৈ আহিছিল। কমল নাৰায়ণ চৌধুৰীয়ে বোলে কাম বন একো নাই- কিমান বহি বহি সময় কটাম বুলিয়েই গুচি গ'ল। সতীশ কাকতিও বছৰদিয়েক এই বিভাগত আছিল। আছিল মুনীন বৰকটকী, ৰেণুকাদেৱী বৰকটকী, কমল গগৈ, ৰাজেন হাজৰিকা। এসময়ত যতীন গোস্বামী, কমলা গোস্বামী, নীলু চক্ৰবৰ্তীৰ বাহিৰেও জয়ন্ত হাজৰিকা, বিজয় শংকৰ দাস, পুলক গগৈও প্ৰচাৰ বিভাগৰ লগত দিন ছেৰেক জড়িত আছিল।

মাজে মাজে কেতিয়াবা ভাবো- 'কিয় আহিছিল বাৰু মহেন্দ্ৰ ডেকা ফুকনৰ পৰা জয়ন্ত হাজৰিকালৈকে এইসকল ব্যক্তি এই বিভাগটোলৈ।' গুচিয়েই বা গ'ল কিয়? নে বিভাগটোৱে ধৰি ৰাখিব নোৱাৰিলে?'

অপ্ৰিয় হ'লেও সত্য- বহুতৰ বাবে এই বিভাগটো চৰকাৰৰ ঢোল বজোৱা বিভাগ। চৰকাৰৰ হৈ ঢোল বজোৱাই ইয়াৰ কাম। শাসনৰ দায়িত্বত থকা সকলে কি ভাবিছে কি পাঙিছে সকলো ৰাইজে তাৰ ভু পাব লাগে। সেই কথাবোৰকে বেলেগ বেলেগ ধৰণে কোনোবাই ক'ব লাগিব। ভুল শুদ্ধ ৰাইজে বিচাৰ কৰিব। তাকে ক'বলৈ এটা নিয়মীয়া অফিচ লাগে। সেই কামখিনি কৰিলে চৰকাৰী ঢোল বজোৱা কেনেকৈ হয় বাৰু? সেই 'আশাৰ চাকিটি জ্বলে অ' লুইতত' সেই গানটোও প্ৰচাৰহে। ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মীয়মান দলঙৰ প্ৰচাৰ। আচলতে চৰকাৰৰ কামতেই প্ৰচাৰ।

আজিকালি আৰু বিভাগটোক প্ৰচাৰ বিভাগ নোবোলে। বোলে জনসংযোগ বিভাগ। জন আৰু সংযোগ। পাব্লিক ৰিলেচনছ। খবৰ পোৱা মতে পাব্লিক ৰিলেচনছৰ বিষয়ত পৃথিৱীৰ বহুতো উন্নত




জনসংযোগ অসম

দেশৰ পাব্লিক ৰিলেচনছৰ তাত্ত্বিক তথা কৰ্মকৰ্তা সকলেও চকুৰে ধোঁৱা কোঁৱা দেখি গৈছে। হাও টু ৰিছ দি পাব্লিক? কিবা এসোপা লেখি বিভিন্ন মাধ্যমত ৰংছঙীয়া কৰি প্ৰচাৰ কৰিলেই হ'ল নে? মানুহ দিনে দিনে অধিক চতুৰ হৈছে। চতুৰ মানুহৰ গ্ৰহণযোগ্য প্ৰচাৰ মাধ্যম বা বক্তব্য কেনে হব লাগে?

জনসংযোগ? জনসংযোগ শব্দটো ইংৰাজী পাব্লিক ৰিলেচনছ শব্দ দুটাৰে ৰূপান্তৰ। কিন্তু– "Who is the Public, and what kind of relations are sought to be established with it?"

এই প্ৰশ্নৰ অৱতাৰণা কৰি খ্যাতনামা জনসংযোগ তাত্ত্বিক শ্ৰীবলদেউ সাহায়ে উত্তৰো দি থৈছে– "A Public is a group of people who have a common interest." আৰু "Public Relations is a behavioural seience as it deals basically with motivating people to persue a particular line of action."

কিন্তু এটা 'কমন ইন্টাৰেষ্ট' থকা গ্ৰুপ অৱ পিপুল বা পাব্লিক কোনোবা ৰাজ্য বা দেশত আছেনে? হয়তো ক'ব পাৰি একেবাৰে কমন ইন্টাৰেষ্ট থকা পাব্লিক নাথাকিলেও পাব্লিকৰ সমুখত আলোচনা কৰিব পৰাকৈ একোটা ইছ্যু থাকে। আৰু সেই ক্ষেত্ৰত জনসংযোগৰো বিশেষ দায়িত্ব থাকে কাৰণ– Public Relations is a dynamic concept. The only thing definite about it is constant adjustment to the happenings around in various field. ........ Public relations can help in formulating a particular opinion on a specific issue, it can bring together the scattered strands of ideas and weave them into well–meaning patterns, it can turn a dribbling flow of action into a forceful tide.

## চৰকাৰৰ জনসংযোগ

"Government PR is very important, and at the same time difficult and demanding. It is important because people should understand how they are governed. Once they appreciate this government will find it easier to secure their support for and participation in implementing its policies and programmes, thus ensuring quicker national develop-ment." – এগৰাকী অভিজ্ঞ জনসংযোগ তাত্ত্বিকৰ এই কথাষাৰৰ দ্বিমত নাই বুলিয়ে ভাবো।

ওপৰৰ কথাষাৰত চৰকাৰৰ জনসংযোগ 'ইম্পৰটেন্ট' বোলাৰ লগে লগে 'ডিফিকাল্ট' বুলিও কোৱা হৈছে। ইম্পৰটেন্ট– কাৰণ চৰকাৰৰ কৰ্মকৰ্তা সকলে কি ভাবিছে- কি পাঙিছে জনসাধাৰণে জানিব লাগে। আৰু ডিফিকাল্ট– কাৰণ -একোখন দেশত বা একোখন ৰাজ্যত বিভিন্ন ভাষা-ভাষী লোক চুকে কোণে থাকে-ৰাষ্ট্ৰভাষা বা চৰকাৰী ভাষাত কৰা প্ৰচাৰ বহুতৰ বাবে বুজাত অসুবিধাও– তেনে ক্ষেত্ৰত তেওঁলোকক কেনেকৈ কথাবোৰ কোৱা হব। সাধাৰণ ভদ্ৰ সমাজৰ ভাষাও আকৌ বহু সময়ত গাঁও-ভূইৰ বাবে অসজা অসজা লাগিব পাৰে। আৰু সজাই পৰাই ৰংচঙীয়া কৰি কিতাপ পত্ৰ কিছুমান উলিয়াই দিলেই মানুহে পঢ়িবনে? পঢ়িলেই বাৰু বিশ্বাস কৰিব নে যদি লগে লগে তাৰ বাস্তৱ ৰূপায়ণ ঠিক ভাবে নহয়।

আনহাতে জনসংযোগ বিভাগটো একোখন চৰকাৰৰ মুখপাত্ৰ। কিন্তু মুখপাত্ৰ হ'লেও ন্যায্য মৰ্যাদা তথা প্ৰয়োজনীয় সুবিধাৰ অভাৱতে বহু সময়ত জনসংযোগ

বিভাগবোৰে সাৰ্থকভাৱে কাৰ্য সম্পাদন কৰাত অসুবিধা ভুগি আহিছে। এই সম্পৰ্কত ইণ্ডিয়ান চিভিল চাৰ্ভিছৰ এজন জ্যেষ্ঠ বিষয়া এ কে ছন্দৰ সভাপতিত্বত কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিয়া কমিটিখনৰ প্ৰতিবেদনত প্ৰিন্সিপাল ইনফৰমেচন অফিচাৰৰ সম্পৰ্কত কোৱা মন্তব্যকে দাঙি ধৰিব পাৰি। প্ৰচাৰ বিভাগ পুনৰ গঠন আৰু অধিক কৰ্মক্ষম কৰাৰ উদ্দেশ্যেৰে পৰামৰ্শ দিবলৈ গঠন কৰা এই কমিটিৰ উক্ত প্ৰতিবেদনত কৈছিল– P.I.O. has yet to develop and assert his role as the indespensable technical adviser to the government on all matters pertaining to press and publicity. This is due mainly to the compratively low status he has been accorded in the hierarchy. ১৯৬৭ চনতেই এই প্ৰতিবেদন প্ৰকাশ পালেও সামগ্ৰিকভাৱে আমাৰ দেশত প্ৰায় সকলো ৰাজ্যতে জনসংযোগ বিভাগবোৰৰ মৰ্যাদা এই দৰেই আছে বুলিব পাৰি।

প্ৰচাৰ বিভাগৰ পুনৰ্গঠনৰ পৰামৰ্শ বিচাৰি কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিয়া এ কে ছন্দৰ নেতৃত্বাধীন কমিটিৰ প্ৰতিবেদন ১৯৬৭ চনতেই এইদৰে কোৱাৰ পিছতো কিন্তু প্ৰচাৰ বিভাগৰ মৰ্যাদাৰ ক্ষেত্ৰত বিচাৰ বিবেচনা কৰাৰ কথা শুনা নাই। এই ক্ষেত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষই গভীৰ ভাৱে বিবেচনা কৰা উচিত। কৰ্তৃপক্ষই এগৰাকী জনসংযোগ তাত্ত্বিকৰ এইষাৰ মন্তব্যও বিবেচনা কৰিব লাগে– "In the modern context the lines of communication between the relurs and ruled have lengthened, sometimes creating a wide gap. This distance is not only physical but also social, emotional and cultural".

□ □ □

প্ৰসংগক্ৰমে আৰু এটা দিশৰ কথা কোৱা যুগুত বুলি ভাবো। জনসংযোগ বিভাগৰ কাম কাজবোৰ আপাত দৃষ্টিত মানুহৰ চকুত পৰা কাম নহয়। অৰ্থাৎ যেতিয়া কামবোৰ সুকলমে চলি থাকে– বিভাগটোৰ অস্তিত্ব কোনেও গমকে নাপায়– ক্ষন্তেক বিজুতি ঘটিলেহে দশা বেয়ালৈ যায়। ধৰক–প্ৰধান মন্ত্ৰীয়ে জজ খেলপথাৰত ভাষণ দি আছে। সভাস্থলীৰ উপৰিও ফিক্সড লাউদ স্পীকাৰ যোগে আপুনি ঘৰৰ পৰা ভাষণ শুনি আছে। মাইক্ৰফোনৰ দায়িত্ব জনসংযোগৰ। ঠিকে ঠিকে চলি থকালৈকে কোনেও গমকে নাপায় যে মাইক্ৰফোনৰ ওচৰত কেইবাজনো জনসংযোগৰ কৰ্মী তাত খাটি আছে। কিন্তু হঠাৎ যদি মাইক্ৰফোনে কাম নকৰা হ'ল। লগে লগেই ৰাইজৰ বহুতৰ মুখত উচ্চাৰিত হব জনসংযোগৰ প্ৰতি নিন্দাসূচক শব্দ। এনে উদাহৰণ বহুত দিব পাৰি। শস্য উৎপাদন বৃদ্ধি পালে মানুহৰ চকুত পৰে। অভাৱ ব্ৰীজ এখন নিৰ্মিত হ'লে মানুহে প্ৰশংসা কৰে। কিন্তু "আশাৰ চাকিটি জ্বলে অ' লুইতত" বুলি আশাৰ কঠীয়া সিঁচা জনসংযোগ বিভাগ সাধাৰণতেই চকুত নপৰে। বোধহয় ইয়েই জনসংযোগৰ ধৰ্ম– আনক দাঙি ধৰি নিজে লুকাই থাকে।

ভালেই বোলক বেয়াই বোলক জৰুৰীকালীন অৱস্থা এটাও আমি কিছু বছৰৰ আগতে পাৰ কৰিছিলো। সেই সময়ত জনসংযোগ বিভাগৰ পৰা কিছু কিতাপ পত্ৰ প্ৰকাশ পাইছিল। তাৰে উল্লেখযোগ্য খন হ'ল– "লেণ্ড অব চেভেন চিষ্টাৰ্ছ" কিতাপখন আজিও মানুহে বিচাৰে। সেই সময়তে প্ৰকাশ পাইছিল– "জনা নজনা কথা" শীৰ্ষক এলানি কিতাপ। তাতে "টকাৰ সাধু" বোলাখনি কোনোবা এখন হাইস্কুলত পঢ়াইছিল বুলিও গম পাইছিলো। সেই সময়তে 'লিমাৰিক' কিছু প্ৰচাৰিত হৈছিল– বিভিন্ন বিষয়ৰ।

এইবোৰৰ কিন্তু জৰুৰীকালীন প্ৰশাসনৰ লগত বিশেষ সম্পৰ্ক একো নাছিল। জনসংযোগো এটা আৰ্ট- বিশেষ আৰ্ট সেই কথা ভালদৰে বুজা শ্ৰীজ্যোতি প্ৰসাদ শইকীয়াই তেতিয়া নতুনকৈ বিভাগটোত যোগ কৰি সেইবোৰ আঁচতি তৰিছিল আৰু ৰূপায়ণো কৰিছিল। জনসংযোগে পাইছিল এক নতুন মাত্ৰা।

তাৰ পিছতো– ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ সম্পৰ্কে ইংৰাজীত এটা প্ৰবন্ধ সংকলন জনসংযোগ বিভাগেই প্ৰথম প্ৰকাশ কৰে। মুক্তি সংগ্ৰামত বাৰু অসমৰ ছহিদ মুঠতে কিমান? তপৰাই কোৱা মানুহ হয়তো নোলাবই। স্বাধীনতা সংগ্ৰামৰ ছহিদসকলৰ জীৱনীমূলক পুস্তিকা এখনো জনসংযোগৰ দ্বাৰা প্ৰকাশিত হৈছে। অসমীয়া কবিতাৰ ইংৰাজী অনুবাদৰ সংকলন এটাও জনসংযোগ বিভাগে কৰিছে। অন্যান্য ক্ষেত্ৰতো সৰ্বভাৰতীয় পৰ্যায়ত প্ৰদৰ্শনী শাখাই প্ৰথম পুৰস্কাৰ পাইছে- এসময়ত যুগল চাৰৰ দিনতো পাইছিল। নৃত্য গীতৰ যোগেদিও চৰকাৰী কাৰ্যসূচীৰ প্ৰচাৰৰ বাহিৰেও পৰম্পৰাগত গীত-নাচ প্ৰদৰ্শন কৰি সুনাম আৰ্জিছে। "হেণ্ড বুক অব আচাম" পুথিয়ে সৰ্বভাৰতীয় বঁটা পাইছে।

তথাপিও, তথাপিও জনসংযোগ বিভাগত দুই দশকতকৈও অধিক কাল কটোৱাৰ পিছত মাজে মাজে অনুভৱ হয়– ক'ৰবাত যেন কিবা এটা ৰৈ গৈছে। কিবা এটা অসম্পূৰ্ণ হৈ ৰৈছে বিভাগটোত। নিপ বৰুৱা অকালতে স্বৰ্গী হৈছে। কেই বছৰমান আগতেহে তেখেতে এই বিভাগৰ পৰা অৱসৰ লৈছিল। নিপ বৰুৱাই বিদেশৰ পৰা প্ৰশংসা কঢ়িয়াই অনা তথ্যচিত্ৰ 'গল্ডেন এপাৰেল' নিৰ্মাণ কৰিছিল ৰেচম বিভাগৰ পৰা। জনসংযোগ বিভাগে নিপ বৰুৱাক বিশেষ সুবিধা দিব নোৱাৰিলে ভাল কাম কৰিবলৈ। ৰমেশ ঘোষো কেই বছৰমানৰ আগতে অৱসৰ লৈছে। ঘোষ মূৰ্তি আৰু পৰ্টেইট কৰাত পাৰ্গত। অসমৰ কোনো বৰেণ্য ব্যক্তিৰ প্ৰতিমূৰ্তি বা প্ৰতিচ্ছবি ঘোষৰ দ্বাৰা কৰোৱা নহ'ল। কিয় নহ'ল? সেই কথা কোনে ক'ব?

ধাৰণা হৈছে – ৰাইজৰ একাংশই যিদৰে জনসংযোগ বিভাগক কেৱল চৰকাৰৰ ঢোল বজোৱা বিভাগ বুলি ভাবে– প্ৰশাসনৰ শীৰ্ষস্থানত থকা বহুতেই তেওঁলোকৰ সচিত্ৰ বা বাতৰি ৰেডিঅ', টেলিভিচন বা কাকতে পত্ৰই প্ৰচাৰ কৰি থকাই এই বিভাগটোৰ কাম বুলি ভাবে। এই ধাৰণা আঁতৰ কৰাৰ দায়িত্বও জনসংযোগ বিভাগৰে। কাৰণ– PR is a dynamic concept. The only thing definite about it is constant adjustment to the happening around in various field. PR men, therefore have to alert, alive, able, ereative, honest and above all humane anxious to help the commynity and enhance human values."

দ্ৰুত পৰিৱৰ্তনৰ যুগত মানুহৰ জীৱন যাত্ৰা, ধ্যান ধাৰণা, ৰুচি- মানসিকতাৰো দ্ৰুত পৰিৱৰ্তন ঘটিছে। তাৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখি প্ৰচাৰ মাধ্যম তথা আংগিকৰো পৰিৱৰ্তন সাধিব লাগিব। পৰিৱৰ্তনৰ লগত নিজক পৰিৱৰ্তন কৰিব নোৱাৰিলে জনসংযোগ জনগণৰ পৰা দূৰত ৰৈ যাব। প্ৰশাসনৰ দায়িত্বত থকা সকলে তাত্ত্বিক বলদেউ সাহায়ৰ এই কথাষাৰো যেন মনত ৰাখে–

"We have had a Stone Age, a Bronze Age and an Iron Age, right now Public Relations Age is on us."





# সম্পদ হিচাপে 'তথ্য'ৰ প্ৰয়োগ

ধীৰাজ দাস

সাম্প্ৰতিক কালত যি কোনো অৰ্থনৈতিক পৰিকল্পনা নাইবা উন্নয়নমূলক আঁচনি ৰচনা আৰু ইয়াৰ ৰূপায়ণৰ ক্ষেত্ৰত 'সম্পদ' শব্দটো বহুল ভাবে ব্যৱহৃত হৈ আহিছে। দৰাচলতে এই শব্দটোৰ তাৎপৰ্য অতিশয় অৰ্থবহ আৰু সুদূৰ প্ৰসাৰী। প্ৰচলিত ধাৰণা মতে 'সম্পদ' বুলিলে সাধাৰণতে কেতবোৰ বস্তুগত প্ৰাকৃতিক সামগ্ৰী, যেনে – তেল, কয়লা, লো, বনজ সম্পদ আদিকে ঘাইকৈ সূচোৱা হয়। অৱশ্যে বৰ্তমানে উন্নয়নৰ লগত ওত-প্ৰোত ভাবে জড়িত আন এটা গুৰুত্বপূৰ্ণ দিশকো 'সম্পদ'ৰ পৰ্যায়ভুক্ত কৰা হৈছে – আৰু সেয়া হ'ল 'জনশক্তি'। কিন্তু কিছু পলমকৈ হলেও প্ৰচলিত সম্পদৰাজিৰ লগতে এটি সম্পূৰ্ণ নতুন বিষয়, যেনে 'তথ্য'ৰ ব্যৱহাৰিক প্ৰক্ৰিয়াকো 'সম্পদ'ৰ অপৰিহাৰ্য অংগ ৰূপে সাঙুৰি লব বিচৰা হৈছে। স্বাভাৱিকতে এইটো এটা অতি আচহুৱা কথা যেন লাগে, কিয়নো 'তথ্য'ৰ দৰে গুণগত বিষয় এটাক কেনেকৈ 'সম্পদ'ৰ শাৰীত স্থান দিব পাৰি৷ ইয়াৰ সমৰ্থনত যুক্তি দাঙি ধৰাটো তেনে উজু কথাও নহয়। কিন্তু সম্প্ৰতি এইটো ক্ৰমান্বয়ে স্পষ্টতৰ হৈ পৰিছে যে 'তথ্য'কো এক বস্তুগত ৰূপত চিন্তা কৰাৰ যথেষ্ট থল আছে, বিশেষকৈ উন্নয়ন প্ৰচেষ্টাৰ প্ৰাৰম্ভিক প্ৰক্ৰিয়াত ইয়াৰ ভূমিকা অন্যান্য সম্পদৰ দৰেই অপৰিহাৰ্য।

'তথ্য'ৰ এই বিশেষ স্থিতিৰ বিষয়ে গুণা-গঁথা কৰাৰ আগতে আন এটা প্ৰাসংগিক দিশৰ প্ৰতি মনোযোগ দিয়াটো নিতান্তই প্ৰয়োজন। কাৰণ তথ্যৰ বিষয়ে কবলৈ লওঁতে স্বাভাৱিকতে 'পৰিসংখ্যাৰ' কথাটোও আহি পৰে। সাধাৰণ ধাৰণা অনুসৰি 'তথ্য' আৰু 'পৰিসংখ্যাক' প্ৰায় একে শাৰীতে ধৰি লোৱা হয়। ইটোক সিটোৰ পৰা বেলেগে চোৱাৰ কিছু অসুবিধাও আছে। এইটো কোনোপধ্যে নুই কৰিব নোৱাৰি যে পৰিকল্পনা নাইবা গঠনমূলক আঁচনি ৰচনাৰ ক্ষেত্ৰত পৰিসংখ্যাৰ এক সুকীয়া অবদান নিশ্চয় আছে। কাৰণ এনে পৰিকল্পনাৰ গাঁথনি মূলতঃ পৰিসংখ্যাৰ ওপৰতেই ভালেখিনি নিৰ্ভৰশীল। তেনেহলে প্ৰশ্ন উঠে যে এই দুয়োবিধ প্ৰক্ৰিয়াৰ মাজত আচলতে কোনো পাৰ্থক্যই নাই নেকি? সদ্যহতে পৰিকল্পনাৰ মূল্যায়ন আৰু বাস্তৱ বিশ্লেষণৰ যোগেদি এইটো উপলব্ধি কৰা হৈছে যে আঁচনিৰ প্ৰস্তুতি আৰু ৰূপায়ণ যথাৰ্থৰূপে কাৰ্যকৰী কৰি তুলিবলৈ হলে কেৱল পৰিসংখ্যাই যথেষ্ট উপাদান নহয়। ইয়াকো লক্ষ্য কৰা হৈছে যে পৰিসংখ্যাৰ প্ৰয়োগৰ দ্বাৰা আঁচনি এখন যুগুতাব পাৰি সঁচা, কিন্তু ইয়াক উদ্দেশ্য ধৰ্মী আৰু ফলপ্ৰসূ কৰি তুলিবলৈ হলে পৰিসংখ্যাৰ লগতে আঁচনিৰ লগত ওচৰ সম্পৰ্ক থকা আনুষংগিক, মৌলিক আৰু ভেটি তথ্য, যিবোৰ তথ্য আঁচনিৰ প্ৰকৃত মূল্যায়নত সহায়ক হয়, তেনেধৰণৰ ব্যৱহাৰিক তথ্যৰ সমন্বয় ঘটোৱাটো নিতান্তই প্ৰয়োজন। ইয়াৰ অবিহনে যি কোনো কল্যাণকামী আঁচনিয়ে কেৱল কেতবোৰ গাণিতিক সংখ্যাৰহে সমষ্টি হৈ পৰাৰ আশংকা থাকে। তাত্ত্বিক কথাত কবলৈ হলে, ইয়াৰ ফলত আঁচনি একোখন মাথোন এক আত্মাহীন খচৰাত পৰিণত হোৱাৰ সম্ভাৱনাই বেছি।

এনেবিলাক কাৰণতে বৰ্তমানে পৰিকল্পনাৰ ৰচক সকলে এইটো উপলব্ধি কৰিবলৈ লৈছে যে উপযুক্ত 'সমাৰ্থক তথ্যৰ' সংযোজনৰ অভাৱতেই ভালেমান হিতকৰ আঁচনিয়ে হয় আশাপ্ৰদ ফল দিব পৰা নাই, নতুবা ঠাই বিশেষে ই সম্পূৰ্ণ ব্যৰ্থতাত পৰ্যবসিত হৈ পৰিছে।

এই সন্দৰ্ভত এটা সাধাৰণ উদাহৰণে সম্ভৱতঃ কথাটো কিছু পৰিমাণে বুজাত সহায় কৰিব। বেছি নিলগলৈ নগৈ, আমাৰ অসমৰে পাৰ্বত্য জিলা দুখনত প্ৰচলিত 'ঝুম' খেতিৰ কথাটোকে আঙুলিয়াব পৰা যায়। এইটো আটায়ে জনা কথা যে 'ঝুম' খেতি এটা অতিশয় ক্ষতিকাৰক প্ৰক্ৰিয়া। সেই গতিকে চৰকাৰে চেষ্টা কৰিছে যাতে খেতিয়ক সকলক এই ক্ষতিকাৰক 'ঝুম' খেতিৰ পৰা আঁতৰাই আনি আন বিকল্প অৰ্থকৰী কামত নিয়োজিত কৰিব পৰা যায়। এই বিষয়ে যথেষ্ট প্ৰচাৰ কাৰ্যও চলোৱা হৈছে ৰাইজক পতিয়ন নিয়াবলৈ। কিন্তু পৰিতাপৰ কথা যে এনেবিলাক প্ৰচেষ্টাই তেনে কোনো সুফল দিব পৰা নাই। এই বিষয়টো লৈ যদি পৰিসংখ্যানবিদ এজনৰ কাষ চপা যায় তেনেহলে তেওঁ হয়তো তৎঘড়িতে যথেষ্ট পৰিসংখ্যাৰ যোগান ধৰিব। 'ঝুম' খেতিত কিমান মানুহ নিয়োজিত হৈ আছে, ইয়াৰ পৰা বছৰি উৎপাদন কিমান, কিমান মাটিত এই খেতি কৰা হয় – ইত্যাদি ভালেমান সাংখ্যিক তথ্য তৎক্ষণাত হাজিৰ কৰি দিব। কিন্তু, ঝুমীয়া কৃষক সকলে জানি শুনিও কিয় 'ঝুম' খেতিক এৰিব খোজা নাই তাৰ প্ৰকৃত তথ্যভিত্তিক বিন্যাস জানো কৰা হৈছে? ঝুম খেতিৰ পৰিবৰ্তে আন কৰ্মসংস্থামুখী আঁচনি প্ৰস্তুত কৰাৰ আগতে এটা কথা নিশ্চয় জনা আৱশ্যক, কি আনুষংগিক কাৰণতনো এই আওপুৰণি অথচ ক্ষতিকৰ খেতিকেই মানুহখিনিয়ে এতিয়াও খামুচি ধৰি আছে। গতিকে এনে ক্ষেত্ৰত প্ৰধান কাম হ'ব এনেবিলাক তথ্য সংযোজন কৰা যাৰ পৰা সমস্যাটোৰ প্ৰকৃত গুৰি উলিয়াই ইয়াৰ সমাধান কৰাটো সহজ হৈ পৰে। তাকে কৰিবলৈ লওঁতে পোনতে উপযুক্ত 'পটভূমিক তথ্য' সঞ্চালনৰ বিষয়টো চিন্তা কৰি চাব লাগিব। মুঠতে সমস্যাটোৰ অধ্যয়ন কেৱল উপৰুৱা আলেখ-লেখতেই আৱদ্ধ নৰাখি ইয়াৰ গভীৰতালৈ সোমাই গৈ কেতবোৰ লাগতিয়াল মূল তথ্যৰ আঁত বিচাৰি উলিয়াব পাৰিলেহে আঁচনি-ভিত্তিক সমাধান নিৰূপণ কৰাটো সহজসাধ্য হৈ উঠিব বুলি আশা কৰিব পৰা যায়। আমাৰ আলোচ্য সমস্যাটোৰ ক্ষেত্ৰত তথ্য সঞ্চালনৰ ধাৰা এনে ধৰণৰ হ'ব পাৰে – যেনে ঝুমীয়া সকলৰ এই খেতিৰ সতে পৰম্পৰাগত সম্পৰ্ক কি, তেওঁলোকৰ আনুভূতিক সংযোগ কেনেধৰণৰ, ইয়াৰ লগত ভৌগোলিক অৱস্থানৰ কিবা সম্বন্ধ আছে নেকি, তেওঁলোকৰ আৰ্থিক আৰু সামাজিক জীৱন ধাৰাৰ ক্ষেত্ৰত 'ঝুম খেতিৰ ভূমিক কি – ইত্যাদি বিভিন্ন দিশ ফঁহিয়াই চাই তাক তথ্য-আহিলা হিচাপে প্ৰয়োগ কৰাৰ ওপৰতে আঁচনিৰ সফলতা যে নিৰ্ভৰ কৰিব তাত কোনো সন্দেহ থাকিব নোৱাৰে।

গতিকে দেখা যায় যে পৰিসংখ্যাৰ বাহিৰেও তথ্যৰ এক স্বকীয় ব্যৱহাৰিক স্থিতি আছে, ই কেৱল কেতবোৰ সাংকেতিক অথবা গাণিতিক বিশ্লেষণ নহয়। তথ্যৰ এনে সুকীয়া গুণগত আৰু বস্তুগত স্বৰূপৰ বাবেই ইয়াক বৰ্তমানে এক বিশেষ শ্ৰেণীৰ সম্পদ হিচাপে চিহ্নিত কৰিব বিচৰা হৈছে।

আনহাতে বৰ্তমানে আমাৰ দেশত পৰিকল্পনাৰ বিকেন্দ্ৰীকৰণৰ বিষয়টো যদি বিবেচনা কৰি চোৱা যায় তেনেহলে এইটো আৰু অধিক স্পষ্ট হৈ পৰিব যে এই ক্ষেত্ৰত 'তথ্য'ৰ কাৰ্যকাৰিতা কেনে গুৰুত্বপূৰ্ণ হ'ব পাৰে।

পৰিকল্পনাৰ বিকেন্দ্ৰীকৰণ বোলা কথাষাৰৰ অৰ্থই হ'ল, একেবাৰে তৃণমূল পৰ্যায়লৈকে জনসাধাৰণক উন্নয়নৰ খচৰা প্ৰস্তুত কৰা কাৰ্যত লিপ্ত কৰা। এতিয়া কথা হ'ল, যি সকলে এই খচৰা তৈয়াৰ কৰিব, তেওঁলোকক যদি লাগতিয়াল বিষয়গত আৰু পটভূমিগত বিস্তৃত তথ্যৰ যোগান ধৰা নহয়, তেনেহলে কোনো ধৰণৰ ফলদায়ক আঁচনি প্ৰস্তুত কৰাটো সম্ভৱ নহয়। ফলত বিকেন্দ্ৰীকৰণৰ গোটেই উদ্দেশ্যই ব্যৰ্থতাত পৰ্যবসিত হৈ পৰিবলৈ বাধ্য। সেয়ে এইটো ভবা হৈছে যে উদ্দেশ্যধৰ্মী আৰু কাৰ্যকৰী আঁচনি প্ৰস্তুত কৰাৰ সুবিধাৰ অৰ্থে প্ৰতিটো উন্নয়ন খণ্ডতে একোটাকৈ 'তথ্য ভঁড়াল' ঢঈঙনজ্যাগপডীজঙ ফপঙাধ গঢ়ি তোলাটো অতি আৱশ্যক, যাতে এই তথ্য ভঁড়ালবোৰৰ পৰা প্ৰয়োজনীয় পটভূমি বিষয়ক তথ্য-পাতি আহৰণ কৰি অঞ্চল বিশেষৰ উপযোগীকৈ আঁচনি যুগুত কৰাটো সুগম হৈ উঠে।


সুখৰ কথা যে ভাৰতৰ পৰিকল্পনা আয়োগে সম্প্ৰতি 'তথ্য'ৰ এই বিশেষ ভূমিকাৰ বিষয়ে গুৰুত্ব সহকাৰে বিবেচনা কৰিবলৈ লৈছে আৰু 'তথ্য'ক এক বিশেষ সম্পদৰ শাৰীলৈ উন্নীত কৰাৰ প্ৰয়াস কৰিছে। আশা কৰা যায় যে এনে দৃষ্টিভংগীয়ে পৰিকল্পনাৰ ৰচনাত এক আমূল পৰিৱৰ্তনৰ সূচনা কৰিব। এইখিনিতে প্ৰশ্ন উঠে যে এনে প্ৰণালীবদ্ধ, গুণগত তথ্যৰ সমল কেনে দৰে আহৰণ কৰিব পাৰি, নাইবা কোনে এই জটিল অথচ সূক্ষ্ম কামৰ দায়িত্ব বহণ কৰিব কিম্বা এনে প্ৰক্ৰিয়াত কিবা বিশেষ দক্ষতা বা অৰ্হতাৰ প্ৰয়োজন হ'ব নেকি? আমি আটায়ে অবগত যে বৰ্তমান যুগটো হ'লগৈ 'জন সংযোগ' আৰু 'তথ্য'ৰ বিস্ফোৰণৰ যুগ। জন সংযোগৰ ক্ষেত্ৰত বিভিন্ন মাধ্যমৰ প্ৰয়োগে ইয়াৰ গতিশীলতা আৰু সম্প্ৰসাৰণ ইমান ব্যাপক কৰি তুলিছে যে বৰ্তমানে ইয়াৰ অবিহনে ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় কিম্বা ব্যক্তিগত খণ্ডৰ কোনো কাৰ্য ব্যৱস্থাই পৰিচালনা কৰা সম্ভৱ নোহোৱা যেন হৈ পৰিছে। বিশেষকৈ ইলেক্ট্ৰনিক মাধ্যমৰ ব্যৱহাৰে জন সংযোগৰ গোটেই ধাৰণাটোকে এক নতুন ৰূপ প্ৰদান কৰিছে। বিশ্বৰ উন্নত দেশ আমেৰিকা, ইংলণ্ড আদি ৰাষ্ট্ৰত এই মাধ্যমৰ যোগেদি কেৱল প্ৰচাৰেই নহয়, আনকি জন-কল্যাণমূলক আঁচনিৰ লক্ষ্য পূৰণত বিশেষ অৰিহণা যোগাই আহিছে। জনমত গঠন, জনমত সংগ্ৰহ, জন প্ৰতিক্ৰিয়াৰ লেখ আদি নিৰ্ণয় কৰাত এনে মাধ্যমৰ ব্যাপক প্ৰচলন হোৱাটো উল্লেখনীয় কথা এই বাবেই যে গণতন্ত্ৰত এনেবিলাক মূল্যায়ন এৰাব নোৱৰা চৰ্ত। আন পিনে, সম্প্ৰতি প্ৰায় সকলো ক্ষেত্ৰতে 'কম্পিউটাৰ'ৰ ব্যৱহাৰে এক অভিনৱ বিপ্লৱৰ সৃষ্টি কৰিছে বুলি কব পাৰি। ইয়াৰ দ্বাৰা তথ্যৰ সঠিক সংযোজন, বিশ্লেষণ আৰু সংগ্ৰহ কাৰ্য অতি দ্ৰুত আৰু নিখুঁত হৈ পৰিছে। বৰ্তমানে সেই উদ্দেশ্য সমুখত ৰাখিয়ে পৰিকল্পনা আয়োগৰ অধীনত 'নেচনেল ইনফৰমেটিক চেন্টাৰে' অঙঈ%ও সমগ্ৰ দেশ জুৰি প্ৰতিখন জিলাতে একোটাকৈ কেন্দ্ৰ স্থাপন কৰি উন্নয়নমূলক আৰু মূলগত প্ৰাথমিক তথ্য সংগ্ৰহৰ কামত ব্ৰতী হৈছে। এই কাম সম্পন্ন কৰাত কম্পিউটাৰৰ ব্যাপক ব্যৱহাৰ নিশ্চয় মন কৰিব লগীয়া। এনেধৰণৰ তথ্য সংগ্ৰহৰ প্ৰধান উদ্দেশ্যই হ'ল ৰাষ্ট্ৰীয় পৰিকল্পনা ৰচনাত গুৰুত্বপূৰ্ণ সমল যোগোৱা।

আমাৰ বোধেৰে প্ৰতিখন ৰাজ্যতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ সমূহৰ যিসকল ক্ষেত্ৰ জনসংযোগ বিষয়া নিয়োজিত হৈ আছে, তেওঁলোককো ঙঈ%য়ে সক্ৰিয় ভাবে সাঙুৰি লোৱাৰ যথেষ্ট থল আছে। কিয়নো এই বিষয়া সকল জনসাধাৰণৰ লগত ওত-প্ৰোত ভাবে জড়িত আৰু বিশেষকৈ গাওঁ পৰ্যায়ত এওঁলোকৰ পৰিচিতি অত্যন্ত নিবিড় আৰু বাস্তৱ জ্ঞানসম্পন্ন। গতিকে এই ক্ষেত্ৰত জনসংযোগ কৰ্মী সকলক যদি উপযুক্ত কৌশলগত প্ৰশিক্ষণ দিয়া যায় তেনেহলে তেওঁলোকে নিশ্চয় এই দিশত এক কাৰ্যকৰী ভূমিকা গ্ৰহণ কৰিব পাৰিব আৰু তেতিয়া হলে মহকুমা বা উন্নয়ন খণ্ড পৰ্যায়ত যি 'তথ্য ভঁড়াল' স্থাপনৰ কথা উনুকিওৱা হৈছে, সেই কাম যথেষ্ট উজু হৈ পৰিব বুলি আশা কৰিব পাৰি।

মুঠতে, ওপৰত যুগুতোৱা বিশ্লেষণৰ যোগেদি 'তথ্য'ৰ নতুন ধাৰণাৰ বিষয়ে কিঞ্চিৎ মাথো আলোকপাত কৰাৰহে প্ৰয়াস কৰা হৈছে। এই প্ৰসংগত আৰু গভীৰ ভাবে চিন্তা-চৰ্চা কৰাৰ যথেষ্ট অবকাশ নথকা নহয়, বিশেষকৈ ভাৰতবৰ্ষৰ দৰে উন্নয়নমুখী দেশ এখনত তথ্য আৰু তাৰ আনুষংগিক বিষয় সমূহৰ যথাৰ্থ অনুধাৱন যে অতিকে প্ৰয়োজন তাত কোনো দ্বিমত থাকিব নোৱাৰে। ■

*অলেখক তথ্য আৰু জনসংযোগ বিভাগৰ অৱসৰ প্ৰাপ্ত অতিৰিক্ত সঞ্চালকও*

> ভিন ভিন সাজ-পাৰ
> ভিন ভিন বেশ
> ধমনীত বৈ আছে
> একেখনি দেশ ॥



জনসংযোগ







# 'চাকৰি জীৱনত মোৰ ব্যক্তিগত মতামতৰ বাবে ঠায়েই নাই'

অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালক জ্যোতি প্ৰসাদ শইকীয়া। চৰকাৰী চাকৰিত সোমোৱাৰ আগতে 'টাইমচ্ অব্ ইণ্ডিয়া' কাকতৰ সাংবাদিক হিচাপে আগৰতলাত আছিল। চৰকাৰী দায়িত্ব পালনৰ মাজতে শ্ৰীশইকীয়াই ভালেকেইখন টেলি-ফিল্মৰ চিত্ৰনাট্যও লিখিছে আৰু দূৰদৰ্শনৰ ৰাষ্ট্ৰীয় চেনেলত ইতিমধ্যে প্ৰদৰ্শিত হৈ গৈছে। প্ৰখৰ মেধা শক্তিৰ এই বিষয়া গৰাকীৰ মনৰ সৃষ্টি 'সাত ভনীৰ দেশ' (Land of Seven Sisters) আজি বিশ্ব জুৰি বহুলভাবে প্ৰচাৰিত। সূত্ৰধাৰৰ সৈতে হোৱা শ্ৰীশইকীয়াৰ কথোপকথন–



**সূত্ৰধাৰঃ তথ্য আৰু জনসংযোগ বিভাগটোক কেৱলমাত্ৰ চৰকাৰী কামকাজ প্ৰচাৰ কৰা শাখা বুলিয়েই সচৰাচৰ ধাৰণা। প্ৰধানকৈ কি উদ্দেশ্যেৰে এই বিভাগটোৰ জন্ম হৈছিল? সেই উদ্দেশ্য পালন কৰাত বিভাগটো সম্পূৰ্ণ সফল হৈছে বুলি আপুনি ভাবেনে?**

শইকীয়াঃ স্বাধীনতাৰ আগতে প্ৰচাৰ বিভাগ, স্বাধীনতাৰ পিছত এটা সময়লৈ তথ্য আৰু প্ৰচাৰ বিভাগ আৰু শেহতীয়াকৈ তথ্য আৰু জনসংযোগ বিভাগ বেলেগ বেলেগ সময়ৰ এই নামকৰণ সমূহৰ পৰাই বোধহয় বিভিন্ন সময়ত বিভাগটোৰ ওপৰত ন্যস্ত কৰা কাম-কাজৰ থূলমূল ধাৰণা এটা কৰি লব পাৰি। চৰকাৰে কি ভাবিছে, কি কৰিছে বা কৰিবলৈ প্ৰয়াস কৰিছে, সেই বিষয়ে শুদ্ধভাবে ৰাইজক অবগত কৰোৱা আৰু আনহাতেদি ৰাইজৰ চিন্তা-চৰ্চা মতামত, প্ৰতিক্ৰিয়া আদিৰ বিষয়ে চৰকাৰক নিয়মীয়াকৈ জনাই থকাই হৈছে মুখ্যতঃ জনসংযোগ বিভাগৰ দায়িত্ব। ।ণতান্ত্ৰিক ব্যৱস্থাত চৰকাৰ আৰু ৰাইজৰ মাজত যি ঘনিষ্ঠ সংযোগৰ দৰকাৰ, জনসংযোগ বিভাগ তাৰেই মাধ্যম। ইয়াৰ উপৰিও মৌলিক আদৰ্শ, স্থায়ী ধৰণৰ প্ৰমূল্য আদিৰ বিষয়েও জনসাধাৰণক সচেতন কৰি ৰাখিবলৈ এই বিভাগে যত্ন কৰিব লাগে। চৰকাৰৰ কাম-কাজ সম্পৰ্কে ৰাইজক অবগত কৰাটো জনসংযোগ বিভাগৰ এটা দায়িত্ব হলেও দৰাচলতে সচৰাচৰ ধাৰণা হোৱাৰ দৰে ইয়াৰ মাজতে বিভাগটোৰ দায়িত্ব সীমাবদ্ধ নহয়। অৱশ্যে আনবোৰ দায়িত্ব পালনত জনসংযোগ বিভাগৰ সফলতা বা বিফলতা জোখাৰ কোনো মাপকাঠি নাই। উদাহৰণ স্বৰূপে সাম্প্ৰদায়িক শান্তি-সম্প্ৰীতিৰ ধৰণৰ আদৰ্শ সঞ্চাৰিত কৰাৰ ক্ষেত্ৰত কোনো সময়সীমা বা কৰ্মপৰিধিও নাথাকে। গতিকে এনেবোৰ ক্ষেত্ৰত সম্পূৰ্ণ সফল হোৱা নোহোৱা জাতীয় প্ৰশ্ন বৰ প্ৰাসংগিক নহয়গৈ।

**সূত্ৰধাৰঃ ব্যক্তিগতভাবে আপুনিয়েই এই বিভাগটোৰ সবাতোকৈ বিতৰ্কিত বিষয়া বুলি প্ৰচাৰ হোৱা দেখা যায়। উদাহৰণ স্বৰূপে, অসমত যেতিয়াই অকংগ্ৰেছী চৰকাৰ স্থাপিত হৈছে, আপোনাক বিভাগটোৰ মূল দায়িত্বৰ পৰা নিলগাই ৰখা আৰু আনহাতে কংগ্ৰেছ দলৰ চৰকাৰৰ সময়ত আপোনাক ওচৰ চপাই অনা চকুত পৰে। ভাব হয়, যেন আপুনি প্ৰথমতে এগৰাকী কংগ্ৰেছ দলৰ সমৰ্থকহে, তাৰ পিছতহে চৰকাৰী বিষয়া। আপোনাৰ বক্তব্য কি?**

শইকীয়াঃ আপোনাৰ এই প্ৰশ্নৰ সমিধান দিবলৈ বা আপুনি উল্লেখ কৰা ধৰণৰ কোনো বিতৰ্ক থাকিলে তাত নিজকে জড়িত কৰিবলৈও সেৱা বিধি বা আচৰণ বিধি মানি চলা চৰকাৰী বিষয়া হিচাপে মোৰ সামৰ্থ্য তেনেই সীমাবদ্ধ। অৱশ্যে এই সন্দৰ্ভত দুটামান মৌলিক কথা বিবেচনা কৰিলে বোধহয় গোটেই বিষয়টো আপোনাৰ ওচৰত আপোনা-আপুনি পৰিষ্কাৰ হৈ পৰিব। জনসংযোগ বিভাগৰ অনেক দায়িত্বৰ ভিতৰত যিখিনি সততে সকলোৰে চকুত পৰে, সি হ'ল চৰকাৰৰ নীতি আৰু কাৰ্যসূচীৰ প্ৰচাৰ। আমাৰ বহুদলীয় গণতান্ত্ৰিক ব্যৱস্থাত একোটা বিশেষ দলে চৰকাৰ গঠন কৰে আৰু সেই দলৰ নীতি আৰু নিৰ্বাচনী ইস্তাহাৰৰ ভেটিতে স্বাভাৱিকতে সেই চৰকাৰৰ নীতিআৰু কাৰ্যসূচী নিৰ্ধাৰিত হয়হি। এই নীতি বা কাৰ্যসূচীৰ প্ৰচাৰ কৰোতে বহুতেই জনসংযোগ বিভাগক শাসনাধিষ্ঠ দলৰ অনুগামী বুলি ভুলতে ভাবি পেলায় আৰু দায়িত্ব পালনত অধিক নিষ্ঠা বা একাগ্ৰতা দেখুওৱা বিষয়া একোজনকে শাসনাধিষ্ঠ দলৰ সমৰ্থক বুলি গণ্য কৰিবলৈ ধৰে। অথচ চৰকাৰী বিভাগটোৰ বা চৰকাৰী বিষয়াজনৰ আনুগত্য চৰকাৰৰ প্ৰতিহে থাকে।

চৰকাৰী বিষয়াৰ বদলি প্ৰশাসনীয় প্ৰয়োজনতহে হয়। তাত নিলগাই ৰখা বা ওচৰ চপাই অনাৰ কথাও নাথাকে। মোক নিলগাই ৰখা বা ওচৰ চপাই অনাৰ কথা কওঁতে আপুনি বোধহয় মোক দুবাৰ পাৰ্বত্য অঞ্চললৈ বদলি কৰা আৰু পুনৰ গুৱাহাটীলৈ ঘূৰাই অনালৈকে ইংগিত কৰিছে। তথ্যৰ ফালৰ পৰাও পিছে আপোনাৰ ধাৰণাটো শুদ্ধ নহ'ল, কিয়নো মোক এবাৰ পাৰ্বত্য অঞ্চললৈ বদলি কৰোতে আপুনি উল্লেখ কৰা দলটোৰে চৰকাৰ আছিল আৰু গুৱাহাটীলৈ বদলি কৰি আনোতে এবাৰহে সেই দলৰ চৰকাৰ আছিল। তদুপৰি বদলি কৰি চৰকাৰে মোক দিয়া দায়িত্ব কোনোবাৰতে মই কম গুৰুত্বপূৰ্ণ বুলি ভবাৰ থল নাছিল। আকৌ জনসংযোগ বিভাগকে নিয়ন্ত্ৰণ কৰা গৃহ বিভাগলৈ বিশেষ দায়িত্ব দি মোক বদলি কৰোতে আৰু পিছলৈ আন এটা গুৰুত্বপূৰ্ণ বিভাগৰো অতিৰিক্ত দায়িত্ব দিওঁতে বা পুনৰ জনসংযোগ বিভাগৰ দায়িত্ব দিওঁতেও আপুনি উল্লেখ কৰা দলৰ চৰকাৰ নাছিল। আপোনাৰ তথ্যৰ বিসংগতি আঙুলিয়াই দিবলৈহে এই কথাখিনি কৈছো যদিও দৰাচলতে এই কথাখিনিৰ কোনো প্ৰাসংগিকতা নাই। কিয়নো বিষয়াৰ স্থানান্তৰত প্ৰশাসনীয় বিচাৰ বিবেচনাহে থাকে, ৰাজনৈতিক কথা নাথাকে।

চৰকাৰী বিষয়া ৰূপে কাৰ্যনিৰ্বাহ কৰোতে তাত বিষয়া জনৰ নিজৰ ব্যক্তিগত মতামতৰ কোনো প্ৰভাৱ নপৰে। অৱশ্যে নাগৰিক ৰূপে চৰকাৰী বিষয়া একোজনৰ নিজস্ব ধ্যান-ধাৰণা আৰু মতামত থাকিব পাৰে। বিষয়া একোজনে নিৰ্বাচনত ভোটো দিয়ে। কিন্তু চৰকাৰী বিষয়া ৰূপে নিষ্ঠা আৰু একাগ্ৰতাৰে কাৰ্যনিৰ্বাহ কৰোতে এই কথাটো বৰ অপ্ৰাসংগিক হৈ পৰেগৈ। সেই দিশৰ পৰাই চৰকাৰী কামৰ ভেটিত বিষয়া একোজনক কোনোবা এটা দলৰ সমৰ্থক বুলি চিহ্নিত কৰিবলৈ যোৱাটো অশোভনীয় আৰু অযুক্তিকৰ নহবনে?

**সূত্ৰধাৰঃ জৰুৰী অৱস্থা, ১৯৮৩-ৰ পৰা ১৯৮৫-লৈ হিতেশ্বৰ শইকীয়া চৰকাৰৰ দিন আৰু শেহতীয়াভাবে ৰাষ্ট্ৰপতি শাসন তথা অপাৰেশ্যন বজৰঙৰ দিন এইবোৰৰ দৰে অত্যন্ত জটিল আৰু উত্তেজনাপূৰ্ণ সময়ছোৱাত আপোনাক বিভাগটোৰ নেতৃত্ব দিয়া দেখা গৈছে। এই সময়বোৰত অসমীয়া ৰাইজৰ মনৰ সৈতে আপুনি বেচ পাঞ্জা খেলিব লগাও হৈছে। এইক্ষেত্ৰত আপোনাৰ অভিজ্ঞতা কি?**

শইকীয়াঃ যি কেইছোৱা সময়ক আপুনি জটিল আৰু উত্তেজনাপূৰ্ণ বুলি অভিহিত কৰিছে, সেই কেইছোৱা সময় জনসংযোগ বিষয়া সকলৰ বাবে সঁচাকৈয়ে প্ৰত্যাহ্বানৰ দৰে আছিল। জৰুৰী অৱস্থাৰ সময়ত তেতিয়াৰ মুখ্য মন্ত্ৰী গৰাকীৰ সৈতে আলোচনা কৰি থিৰাং কৰা হৈছিল যে প্ৰায় একেলগে ঘোষণা কৰা কুৰি দফীয়া অৰ্থনৈতিক আঁচনিৰ ওপৰতহে জনসংযোগ বিভাগে গুৰুত্ব দিব আৰু তাৰ ভিত্তিতে এটা কৰ্মসংস্কৃতি গঢ়ি তোলাৰ প্ৰতি জনসাধাৰণক আকৰ্ষিত কৰিবলৈ প্ৰচেষ্টা চলোৱা হ'ব। সেই পৰিপ্ৰেক্ষিতত জনপ্ৰিয় কৰি তোলা 'এতিয়া কামৰ সময়' শ্লোগানটো আজিও অ'ত ত'ত ব্যৱহৃত হোৱা মন কৰিছেনে? জৰুৰী অৱস্থাৰ বেলিকা অনুশাসন, নিয়মানুবৰ্তিতা আদিৰ প্ৰচাৰতে বিভাগৰ কাম-কাজ সীমিত থাকিব বুলিও থিৰাং কৰা হৈছিল। সেই সময়ত আমি ৰাজ্যৰ ভালেমান কবি-সাহিত্যিক-শিল্পীকো আমাৰ প্ৰচেষ্টাৰ সৈতে জড়িত কৰিবলৈ সক্ষম হৈছিলো। তেনেকৈয়ে আমি প্ৰকাশ কৰা 'নতুন দিনৰ গল্প', 'নতুন দিনৰ কবিতা' বা 'নতুন দিনৰ গীত'ৰ দৰে সংকলনসমূহ ৰাইজে আদৰি লৈছিল। বিভিন্ন সামাজিক অৰ্থনৈতিক জটিল বিষয়ৰ লগত ভিতৰুৱা গাঁৱৰ ৰাইজকো পৰিচিত কৰি জনসচেতনতা জগাবলৈ বুলি প্ৰকাশ 'জনা নজনা কথা' নামৰ এলানি যুক্তাক্ষৰ বৰ্জিত প্ৰাঞ্জল ভাষাৰ সচিত্ৰ কিতাপো বৰ জনপ্ৰিয় হৈছিল আৰু তাৰ দুই এখন স্কুল-কলেজতো অৱশ্য পাঠ্য হিচাপে অনানুষ্ঠানিকভাবে চলিছিল। 'কথাৰ আঁৰৰ কথা' নামৰ বিভাগে যুগুতোৱা এলানি চুটি নাটক অনাতাঁৰ কেন্দ্ৰই একাধিকবাৰ শ্ৰোতাৰ অনুৰোধত প্ৰচাৰ কৰিছিল আৰু সেই নাটক ভিতৰুৱা গাঁৱত বিভিন্ন অনুষ্ঠানে মঞ্চস্থও কৰিছিল। দুৰ্নীতিগ্ৰস্ত বিষয়া, সুদখোৰ মহাজন, মাটিগিৰী আদিক ব্যংগ কৰি লিখা এলানি সচিত্ৰ কবিতা-কাৰ্ড আমি ৰাইজৰ অনুৰোধত কেবাবাৰো ছপাবলগীয়া হৈছিল। গতিকে ৰাইজৰ মনৰ সৈতে আপুনি কোৱাৰ দৰে আমি পাঞ্জা খেলিবলগীয়া হোৱা নাছিল, বৰঞ্চ আমি ৰাইজৰ পৰা অনায়াসে সঁহাৰি পাইছিলো। ১৯৮৩-ৰ পৰা ১৯৮৫-লৈ সময়ছোৱা অৱশ্যে জনসংযোগৰ বাবে সঁচাকৈয়ে অতিশয় জটিল আছিল আৰু তেতিয়া প্ৰতিটো পদক্ষেপ আমি সাবধানে দিবলগীয়া হৈছিল। সেই সময়ত আমাৰ জনসংযোগৰ মূল বিষয় আছিল শান্তি আৰু সাম্প্ৰদায়িক সম্প্ৰীতি। ১৯৮৩-ৰ প্ৰথমছোৱা সময়ৰ কেতবোৰ ঠাইত সংঘটিত ঘটনাৱলীয়ে ৰাজ্যৰ বাহিৰত অসমৰ ছবিখন তেনেই মলিন কৰি পেলাইছিল আৰু সেয়ে আমি আমাৰ কৰ্মক্ষেত্ৰ ৰাজ্যৰ বাহিৰলৈকে সম্প্ৰসাৰিত কৰিবলগীয়া হৈছিল। সীমিত সম্পদৰ বাবে মাজে মাজে অৱশ্যে সেই প্ৰচেষ্টা শ্লোগানতে সীমাবদ্ধ ৰাখিব লগীয়া





হৈছিল আৰু তেনেদৰে ৰচনা কৰা 'Assam Smiles Again' জাতীয় দুই এটা শ্লোগানেৰে আমি ৰাজ্যৰ বাহিৰৰ ৰাইজৰ হৃদয় স্পৰ্শ কৰিছিলো। সেই সম্পৰ্কীয় আমাৰ অভিযানৰ বাতৰি দি কলিকতাৰে এখন আগশাৰীৰ কাকতে শিৰোনামা দিছিলঃ 'কলিকতাৰ হৃদয় জয় কৰিলে অসমে।' অলপতে অন্ত পৰা ৰাষ্ট্ৰপতিৰ শাসন আৰু অপাৰেশ্যন বজৰঙৰ সময়ত আমাৰ বিভাগৰ ভূমিকা সম্পৰ্কে সকলোৰে মনত আছে বাবেই তাৰ উল্লেখ কৰিব খোজা নাই। এইখিনি সময়ত আমাৰ বিভাগৰ টিভি কুইকি, বিজ্ঞাপন, হোৰ্ডিং আদি সম্পৰ্কে বাতৰি কাকতেও সপ্ৰশংস মন্তব্য কৰিছে আৰু চৰকাৰী ভাবেও ৰাজ্যপাল, ৰাজ্যপালৰ উপদেষ্টা, প্ৰশাসনে লিখিতভাবে আমাৰ বিভাগৰ শলাগ লৈছে।

**সূত্ৰধাৰঃ বিভাগটোৰ মূল অসুবিধা আপুনি কি বুলি ভাবে? সিবিলাক আঁতৰ কৰাটো সম্ভৱনে? যদি সম্ভৱ, তাৰ বাবে আপুনি কেনে ব্যৱস্থা লোৱাৰ কথা ভাবিছে? এইক্ষেত্ৰত চৰকাৰৰ মনোভাব কেনে ধৰণৰ?**

শইকীয়াঃ জনসংযোগ বিভাগৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে সংশ্লিষ্ট সকলোৰে এটা শুদ্ধ ধাৰণা নথকাটোৱেই বিভাগটোৰ মূল অসুবিধা। কেতিয়াবা কোনো কোনোৱে ভাবে যে তেওঁৰ ভাবমূৰ্তি গঢ়ি তোলাটোৱেই বিভাগৰ কাম, কেতিয়াবা কোনো সংবাদ মাধ্যমে ভাবে যে পৰিচয় পত্ৰ দিয়াৰ বাহিৰে বা প্ৰেছ বাৰ্তা আৰু ছবি আদি যতনাই দিয়াৰ বাদে জনসংযোগ বিভাগৰ আন কাম নাই। কেতিয়াবা কোনো কোনোৱে ভাবে যে মেলে মিটিঙে মাইকৰ যোগান ধৰা, চিনেমা দেখুওৱা আদিয়েই এই বিভাগৰ কাম। জিলা মহকুমাত আমাৰ বিভাগৰ বিষয়াক আইন-শৃংখলাৰ কামত, ৰেচন কাৰ্ড লিখোৱাৰ কামত বা আন আন বিভাগৰ কামতো লগোৱাৰ বিস্তৰ উদাহৰণ আছে। জনসংযোগ যে গণতান্ত্ৰিক ব্যৱস্থাত এক অপৰিহাৰ্য কাম আৰু ৰাইজক সচেতন কৰি তোলাৰ আঁৰত যে ৰাষ্ট্ৰ গঠনৰো বহুখিনি নিৰ্ভৰ কৰে, এইবিষয়ে বহল ধাৰণা এটা সচৰাচৰ দেখা নাযায়। বিভাগৰ অসুবিধাৰ ভিতৰত এটা প্ৰধান অসুবিধা হ'ল তৃণমূল পৰ্যায়ত এই বিভাগৰ সম্প্ৰসাৰণ নোহোৱাটো। এই বিষয়েও সম্প্ৰতি চিন্তা-চৰ্চা কৰা হৈছে আৰু চৰকাৰেও তাত উৎসাহেৰে সঁহাৰি দিছে।





# "কলিয়াবৰত পৈয়েক মৰিল, ঢেঁকী দিওঁতে মনত পৰিল'

প্ৰহ্লাদ বৰুৱা

আজি প্ৰায় এসপ্তাহ মানৰ পৰা 'আছু'ৰ সভাপতি শ্ৰীঅতুল বৰাৰ বাতৰি কাগজ আলোচনী আদিৰ বিবৃতিবোৰ পঢ়ি আগতে বৌটিহঁতে কথাৰ মাজে মাজে দিয়া এই যোজনা বোৰলৈ মনত পৰিছে। কি সাংঘাতিক আমাৰ দৈনন্দিন জীৱনত এই যোজনাবোৰৰ প্ৰাসংগিকতা। যেতিয়া যিটো কৰিব লাগিছিল তেতিয়া সেইটো কৰা নহ'ল। কলিয়াবৰতে মৃত পৈয়েকক এৰি আহি ঢেঁকী দিওঁতে মনত পেলোৱাৰ দৰে কিছুমান হাস্যকৰ কাম কৰিবলৈ আৰম্ভ কৰিছে 'আছু'ৰ নেতৃত্বই।

"সংযুক্ত মুক্তি বাহিনী অসমে" আবদ্ধ কৰি ৰখা তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ কৰ্মী ভোলানাথ জয়ছোৱালে বম্বেৰ পৰা প্ৰকাশিত এটা সাক্ষাৎকাৰত "উল্ফা" সদস্য সকলৰ আচৰণ বিধি, অসমীয়া পৰিয়ালৰ আতিথ্য আৰু তেওঁলোকৰ কিছু কথোপকথন প্ৰকাশ কৰিছে। অসমৰ বিভিন্ন কাগজতো ইতিমধ্যে প্ৰকাশ হৈ গৈছে। "উল্ফা" সদস্যসকলে কোৱা বুলি প্ৰকাশ পোৱা এটা কথাই অতুল , সমূজ্জ্বলহঁতক বেকায়দাত পেলাইছে। কথাটো এনে ধৰণৰ– "আছু"ৰ বিফলতা আৰু বিশ্বাসঘাতকতাই "উল্ফাক" হিংসাৰ পথ লবলৈ বাধ্য কৰালে। বৰ সাংঘাতিক অভিযোগ। সেই অভিযোগ খণ্ডন কৰিবলৈ গৈ "আছু"ৰ সভাপতিয়ে কৈছে– ৬০ দশকৰ পৰা আৰম্ভ কৰি অসমৰ সকলো গণ আন্দোলন(?) আৰু মৌলিক সমস্যা সমাধানৰ নেতৃত্ব 'আছুৱে' লৈ আহিছে। কোনো ব্যক্তি বা সংগঠনে দেশ প্ৰেম তেওঁলোকৰ একচেটিয়া অধিকাৰ বুলি দাবী কৰিব নোৱাৰে। আমিয়েই কেৱল অসমপ্ৰেমী বুলি কোনো ব্যক্তি বা অনুষ্ঠানৰ দাবী কৰাৰ অধিকাৰ নাই। "আছু"ৱেহে কেৱল অসমীয়া মানুহক ৰাজনৈতিক ভাবে সচেতন কৰাৰ লগতে অসমৰ প্ৰতি কেন্দ্ৰই কৰি অহা অবিচাৰৰ দাবী কৰাৰ একমাত্ৰ অনুষ্ঠান বুলি কৈছে। "উল্ফা" আৰু "আছু"ৰ মাজৰ আদৰ্শগত ভিন্নতা সম্পৰ্কে ক'বলৈ গৈ সভাপতি জনে কৈছে– "আছু"ৱে সদায় সমস্যাৰ শান্তিপূৰ্ণ সমাধান বিচাৰে, "উল্ফা"ই শান্তিৰ পৰিবৰ্তে হিংসাক বিশ্বাস কৰে। "আছু"ৱে ভাৰতীয় সংবিধানৰ গণ্ডিৰ ভিতৰতে থাকি অসমীয়া মানুহৰ বাবে অধিক স্বায়ত্ত শাসন বিচাৰে; কিন্তু "উল্ফা"ই বিচাৰে "স্বাধীন অসম"। সমস্যা সমাধানৰ বাবে ব্যক্তি অপহৰণৰ দৰে ঘটনা "আছু"ৱে নিন্দা কৰে। ৰুছ অভিযন্তা ছেৰ্গেইৰ হত্যাক "আছু"ৱে ভয়তে গৰিহণা নিদিলে নেকি বুলি সোধা সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ পোনপটীয়াকৈ নিদি ক'লে– ঘটনাটো দুৰ্ভাগ্যজনক; ইতিমধ্যে বিভিন্ন সংগঠনে যেহেতু গৰিহণা দিছেই আমি আকৌ বেলেগকৈ গৰিহণা দিয়াৰ বা মৃতকৰ পৰিয়ালৰ প্ৰতি সমবেদনা জনোৱাৰ প্ৰয়োজন বোধ কৰা নাই।

ওপৰোক্ত বক্তব্যখিনি এই কাৰণেই উল্লেখ কৰা হৈছে যে এই বক্তব্যখিনিৰ মাজতেই শ্ৰীবৰাই আমাক কিছু কথা সোধাৰ সুৰুঙা এৰি গৈছে। ইতিমধ্যে শ্ৰীবৰাই কেনে ধৰণৰ কথাক গ্ৰাহ্য আৰু কেনে ধৰণৰ কথাক অগ্ৰাহ্য কৰিব সূত্ৰধাৰৰ ১-১৫ আগষ্ট সংখ্যাত প্ৰকাশ কৰিছে। বৰাক এটা কথা জনাই থব খুজিছো; সেইটো হ'ল তেখেতসকলে ১৯৮৫-৯০ চনত যেনেকৈ "গণ পৰিষদ" আৰু প্ৰাক্তন মুখ্য মন্ত্ৰী প্ৰফুল্ল মহন্তৰ শ্ৰুতিলিপি লৈ সংগঠন চলাইছিল বা কাম কৰিছিল ঠিক সেইদৰেই অসমৰ লেখা-পঢ়া কৰা মানুহবোৰেও তেখেত সকলৰ অনুমতি সাপেক্ষে উঠা বহা

কৰিব বুলি যিটো ধাৰণা কৰি লৈছে সেই ধাৰণাটো ভুল।

৬০-ৰ দশকত "আছু'ৰে যিবোৰ আন্দোলন কৰিছিল তাত অসমৰ বিভিন্ন সৰ্বভাৰতীয় ৰাজনৈতিক দলবোৰে সমৰ্থন জনোৱা নাছিলনে? নিশ্চয় সমৰ্থনো জনাইছিল আৰু আন্দোলনত ভাগো লৈছিল। খাদ্য আন্দোলন, ৰিফাইনেৰীৰ আন্দোলনত বিভিন্ন ৰাজনৈতিক দলৰ যোগদানক বৰ্তমানৰ "আছু"ৰ সভাপতি জনে ফু মাৰিলেই উৰি যাবনে? তাৰ পাছত "আছু"ৰে ৰাজনৈতিক দলবোৰক বাহিৰত ৰাখি নিজে কৰা আন্দোলনৰ ফলশ্ৰুতি কি হৈছে ৰাইজৰ অবিদিত নে? মাধ্যম আন্দোলনৰ সমাপ্তিৰ ফলাফল কি হ'ল? বিভিন্ন ভাষা-ভাষীৰে গঢ়া অসমৰ সামাজিক বান্ধোন থান-বান কৰি পেলোৱা হ'ল। বিভিন্ন সৰ্বভাৰতীয় ৰাজনৈতিক দলক বৰ্জন কৰি ১৯৭৯-৮৫লৈ যিটো আন্দোলন চলাই সমাপ্তি ঘটোৱা হ'ল তাৰ ফল কি হ'ল? ৬ বছৰে গৰ্ভত লৈ থাকি হাত ভৰি নোহোৱা এটা মৃত সন্তান ভূমিস্থ কৰি দিলে (অসম চুক্তি); তাৰ পৰা কি লাভ হ'ল? মেলেৰিয়াৰ আগৰ দন্ডিৰামহঁত মেলেৰিয়াৰ পাছত খাই বৈ নোদোকা-নোদোক হ'ল। সম্ভাৱনাপূৰ্ণ অসমীয়া যুৱকক অপসংস্কৃতিৰ নিচা খুৱাই দিয়া হ'ল। এতিয়া "উল্‌ফা"ই সঁচা কথাটো কৈ দিয়াৰ বাবে জাঙুৰ খাই উঠি লাভ নাই।

দেশপ্ৰেম যে কিছু ব্যক্তি বা সংগঠনৰ একচেটিয়া সম্পত্তি সেই ভাবধাৰাটো কেতিয়াৰ পৰা আৰম্ভ হ'ল? "আছু"ৱে কৰা নাইনে? দেশপ্ৰেম "আছু"ৰ একচেটিয়া সম্পত্তি বুলি প্ৰতিপন্ন কৰিবলৈকে সৰ্বভাৰতীয় দলক বৰ্জন, 'আছু'ৰ কথা নমনাজনক সামাজিক বৰ্জন ইত্যাদি বস্তুবোৰ কিহৰ পৰিচায়ক আছিল? আজিৰ যুৱ মানসত অ-সহিষ্ণুতাৰ বীজ কোনে সুমুৱালে? এতিয়া সুবিধা বুজি আমি কৰা নাই বুলি কৈ দিলেই লেঠা মৰিবনে? "সোণৰ অসম" গঢ়ি দিম বুলি কোৱা সকলক শংখ, ঘন্টা বজাই দিছপুৰলৈ অহাত কোনে সহায় কৰিছিল? দিছপুৰত বহুৱাই দিয়াৰ পাছত দুৰ্নীতিত লিপ্ত হৈ যেতিয়া জাতিটোৰ বাবে বা ডেকা চামৰ বাবে ভাবিবলৈ তেওঁলোকৰ আহৰি নোহোৱা হ'ল তেতিয়া ডেকা চাম হতাশ নহবনে? প্ৰতিশ্ৰুতি ভংগৰ দোষেৰে দোষী সাব্যস্ত নকৰি পুনৰ তেওঁলোকক ক্ষমতালৈ আনিবলৈ বিভিন্ন চল চাতুৰীৰে আশ্ৰয় লোৱাৰ দৃশ্য দেখি থকাৰ পাছতো এই সমস্ত দোষৰ বাবে দোষী "আছু" বুলি কেৱল "উল্‌ফাই" নহয়, তেওঁলোকে ৰাজনৈতিক ভাবে সচেতন কৰি দিয়া প্ৰত্যেকজন ব্যক্তিয়েই ক'ব।

"আছু"ৱে হেনো সদায় শান্তিপূৰ্ণ পৰিবেশত সংবিধানৰ গন্ডিৰ ভিতৰত থাকি সমস্যাৰ সমাধান বিচাৰে, সঁচানে? ১৯৭৯-৮৫ চনৰ ভিতৰত অসমত "আছু"ৰ কৰ্মীৰ হাতত কিমান নিৰপৰাধী মানুহ লঘু-লাঞ্ছনাৰ বলি হব লগা হ'ল তাৰ বিচাৰ বাতৰি কাগজ আলোচনী আদিৰ পাত-লুটিয়াই চালেই হব। ১৯৮৫ চনত সাধাৰণ নিৰ্বাচনৰ আগতে "আছু"ৱে জাৰি কৰা SECRET CIRCULAR-খনেই "আছু"ৰ অহিংস নীতিৰ দলিল আছিল নেকি? যদি হয়, তেন্তে আজিৰ অসমখন কিবা হিংসা প্ৰতিহিংসাই চাটি পেলাইছে বুলি চিঞৰা সকলক অনতি বিলম্বে ধৰি কিলাব লাগিব।

অধিক স্বায়ত্ত শাসন কাৰ বাবে? ইতিমধ্যেই সুবিধা ভোগ কৰি থকা মধ্যবিত্ত আৰু উচ্চ মধ্যবিত্ত শ্ৰেণীটোক আৰু কিছু সুবিধাৰ প্ৰয়োজনত তেওঁলোকে অধিক স্বায়ত্ত শাসন নামৰ এটা শ্লোগান বাহিৰ কৰি 'আছু'ক আদায় কৰি দিয়াৰ দায়িত্ব দিছে। "আছু"ৱেও দায়িত্ব লৈছে। অধিক স্বায়ত্ত শাসনত দৰিদ্ৰ সকলৰ অধিক পোৱাৰ কিবা সুৰুঙা থাকিবনে? বিদেশী বহিষ্কাৰৰ আন্দোলনত যিসকলে কোনো দিনেই পুলিচৰ মাৰ নাখালে, অসম বন্ধ দিলে আগদিনাই মেঘালয় নাইবা মানসত বৰশী বাবলৈ গ'ল, নিষ্প্ৰদীপ ঘোষণা কৰিলে যিসকলে খিৰিকিত ক'লা পৰ্দা লগাই ভি চি আৰ-ত চিনেমা চালে, ৬ বছৰীয়া আন্দোলনৰ অন্তত গণ-পৰিষদ চৰকাৰৰ দিনত সেই সকলেই সমস্ত সুবিধা ভোগ কৰিলে। যিসকলে চিৰদিনৰ বাবেই পুত্ৰ হেৰুৱালে, যিসকলৰ কপালৰ সেন্দুৰ মচ খালে সেই সকলৰ কিবা হ'লনে? অধিক স্বায়ত্ত শাসনো এই সকলৰে ভাগ বতৰা কৰি খোৱাৰ ফন্দি।

অতিথি পৰায়ণ বুলি গোটেই পৃথিৱীতে অসমীয়াৰ এটা খ্যাতি আছে। হিউৱেনচাং অসমলৈ আহোতে বোলে অসমীয়া শিপিনীয়ে ৰাতিটোৰ ভিতৰতে বৈ উলিওৱা 'পিতদলক' বস্ত্ৰেৰে উপহাৰ বান্ধি দিছিল। সাত সতৰুকো ঘৰলৈ আহিলে বৰ পীৰা পাৰি বহুৱাৰ পৰম্পৰা বহণ কৰা অসমৰ বুকুত এজন বিদেশী অভিযন্তাক অপহৰণ কৰি নি হত্যা কৰাৰ পাছত মৃত দেহটো পৰিয়ালৰ মানুহক ঘূৰাই নিদিয়াৰ দৰে ঘটনা ঘটিছে অসমত। বিভিন্ন সংগঠনে নিন্দা কৰি বিবৃতি দিছে যেতিয়া আমি নিদিলেও হব বুলি ভাবি বহি আছে "আছু"ৰ সভপতি, সম্পাদকে। উস! কি সাংঘাতিক যুক্তি!

নিজৰটো সোণ গুটি, আনৰটো ভেকোলা বোলা কায়দাটো "আছু"ৱে কেনেকৈ কৰিছে চাওঁচোন। অন্যাই কৰিলে যদি হয়েই, তেনেহ'লে বিশ্ববিদ্যালয়ৰ চৌহদৰ কাষত বিশ্ববিদ্যালয়ৰ ছাত্ৰজনক গুলিয়াই মৃত অৱস্থাত পেলাই থৈ যোৱা ঘটনাটোত অসমৰ প্ৰায় সকলো ৰাজনৈতিক দল, বিভিন্ন সংগঠনে গৰিহণা দিছেই; তাৰ পাছতো বেলেগে কিয় কৰিব লগা হ'ল? দৰং জিলাত বি এচ এফে নিৰ্দোষী ব্যক্তিক গুলিয়াই হত্যা কৰা ঘটনাকো সকলোৱে নিন্দা কৰিছেই, বেলেগে বন্ধ এটা কিয় দিব লগা হ'ল? মানৱতাক কোনো নিৰ্দিষ্ট ভৌগোলিক সীমাত আবদ্ধ কৰা নাযায়। মানৱ অধিকাৰৰ বাবে মাত মাতোতে "উল্‌ফাৰ" কেম্পত উদ্ধাৰ কৰা মৃত দেহবোৰলৈ পাহৰি গলেও কেনেবা যেন লাগে; কাৰণ মৃত্যুৰ বেদনা সকলো পৰিয়ালৰ বাবে একেই। নিজৰ সংগঠনৰ এজন সদস্যক গুলিয়াই মাৰোতে যি প্ৰতিক্ৰিয়া প্ৰকাশ কৰা হৈছে, অন্য সংগঠনৰ মানুহক গুলিয়াই মাৰোতে তেনে প্ৰতিক্ৰিয়া কিয় প্ৰকাশ হোৱা নাই? "আছু"ৱে নিৰপেক্ষ, অৰাজনৈতিক আদি শব্দবোৰ প্ৰয়োগ নকৰা হ'লে আমাৰ ক'ব লগীয়া নাথাকিলহেঁতেন।

যোৱা পাঁচোটা বছৰে গণ পৰিষদ চৰকাৰে দুৰ্নীতিৰ ক্ষেত্ৰত পূৰ্বৰ সকলো অভিলেখ ভংগ কৰিলে বুলি অসমৰ প্ৰায় সকলো মানুহ আৰু সংবাদ মাধ্যমে স্বীকাৰ কৰিছে। ছাত্ৰ সংস্থাই ইচ্ছা কৰা হ'লে প্ৰতিবাদ কৰি চৰকাৰক এসেকা দিব পাৰিলেহেঁতেন। তেনে কোনো ব্যৱস্থা নকৰিলে; এতিয়া কৰিলে জোলোঙাৰে মেকুৰী ওলাই পৰিব আৰু জন সাধাৰণেও কথাটো সহজে নলব।


"উল্‌ফা" যদি এটা বেজি, "আছু" এখন চালনী। চালনীয়ে বেজিক উপহাস কৰিবলৈ আৰম্ভ কৰাতো বৰ হাস্যকৰ হৈছে। এজন মিছলীয়াক বা এজন সঁচা কথা কোৱা মানুহক বিশ্বাস কৰিবলৈ বা বিচাৰি উলিয়াবলৈ সহজ, কিন্তু যিজনে সঁচাই মিছাই দুয়োটাই মিলাই কয় তেওঁক বুজি পোৱাটো বৰ কঠিন হয়। "আছু"য়ে নিজে চলা বিহ নিজে পান কৰাৰ সময় উপস্থিত।




## সন্ত্ৰাসৰ স্তুতি

উষা শইকীয়া

শৈশৱ, যৌৱন, সংগীত, বেদনা,
শংখধ্বনি, তেজ, গুলি আৰু কাৰ্বাইনৰ
সহস্ৰ সংগ্ৰাম গচকি আহি
থমকি ৰলোহি
১৯৯০/৯১-ৰ উপকণ্ঠত
য'ত গুলিবিদ্ধ মৃত দেহবোৰ
সিঁচৰতি হৈ পৰি আছে।
কেঁচা তেজৰ কেচেমা গোন্ধত
য'ত কলিজাৰ তেজ গোট মাৰে
সন্ত্ৰাসত চকুৰ পানীও য'ত
শিল হৈ ৰয়।
এতিয়া বহুত নিশা।
অৰণ্যত গভীৰ আন্ধাৰ।
পৃথিৱীত মানৱতাৰ অপমৃত্যুত
আকাশত বতাহত জুই।
অনেক ভীতিবিহ্বল
দুচকুৰ চাৱনিত যেন
দেখিছো মই, অনুভৱ কৰিছো
এক হৃদয় ভঙা চেপা কান্দোন।
সেয়েহে মোৰো জৰ্জৰিত হৃদয়ে
টোপনি হৰা এই গভীৰ নিশা
বিচাৰে মাথো
শান্তিৰ বাবে এক
শান্তিৰ মৌন যাত্ৰা। □



## সময়

প্ৰশান্ত শইকীয়া

নৈৰ পাৰত জিলীটোৱে কান্দি থাকে এনেকৈ
দিন দুপৰতো .........
মহাদেৱে ভাঙৰ চিলিম খোলে।
মাজিনিশা– এক দুপৰ তাড়ণাত
জোনটো জ্বলি থাকে
পাহাৰৰ সিটো পাৰে।
যোৱা সাতদিন ধৰি মানুহবোৰৰ
টোপনি নাই
এটা নৰখাদক আৰু এজন চিকাৰী
ঘূৰি ফুৰিছে উপত্যকাটোত ......
পেহী, দুৱাৰখনত ডাং দি থবি
ভিতৰৰ পৰা ......। □

## ৰং আৰু ৰেখাৰ অপৰূপ ৰম্যভূমি

অনুভৱ তুলসী

মোৰ প্ৰতি প্ৰসাৰিত তোমাৰ হাতৰ অনেক আঙুলি

অলপ আগলৈকে সেই যে নখবোৰ মৰি আহিছিল ক্ৰমশঃ
আচলতে অনাকাঙ্ক্ষিত বহু আকাঙ্ক্ষাৰ তুমি আকাশ

ঠোঁট চুমি পাখি চুই কাকলিত চিকুটি একান্ত বিনম্ৰ
আঙুলি মাজৰ আকাশৰ তুমি চৰাই নামৰ কোনটো নক্ষত্ৰ

অনেক আঙুলিত দোলা দি দেওলগা জীৱনে তোমাক
পাইছে
এটি মাত্ৰ উদগ্ৰ দেহৰ ৰং আৰু ৰেখাৰ অপৰূপ ৰম্যভূমি

এটি এটিকৈ সহস্ৰ জাপ ভাঙি উন্মোচিত সত্তাৰ
সলজ্জ সংকোচনত সুগন্ধি তোমাৰ ফুল ফলত পৰিণত □

## কেতিয়াবা বিপৰ্যস্ত হ'লে

গৌতম বৰদলৈ

কেতিয়াবা অত্যুৎসাহীৰ দৰে আহি
কিছুমান বিব্ৰত মুহূৰ্তৰ মুখামুখি হওঁ।

মানৱতাৰ এই বিশাল কোঠালিটোত
কিছুমান প্ৰস্তৰ মূৰ্তি বহি আছে।

সূৰ্যৰ পোহৰত যেতিয়া মূতিবোৰে
সিহঁতৰ দৃষ্টিশক্তি হেৰুৱায়,
তেতিয়া বৈদ্যুতিক চাকিৰ বিচ্ছুৰিত পোহৰৰ
প্ৰয়োজন হয়। আৰু এই বৈদ্যুতিক বিচনীবোৰৰ
ঘূৰ্ণনৰ দৰেই
তেতিয়া প্ৰকান্ড ঘড়ীটোৰ কাঁটাডাল ঘূৰিব ধৰে।

প্ৰকান্ড ঘড়ীটোত আকৌ এবাৰ প্ৰচন্ড ভাবে
ঘন্টা পৰাৰ শব্দ হ'লেই
বিব্ৰত মূৰ্তিবোৰে ভয়ে ভয়ে ঘূৰি চায়।

চিপাহীৰ জোতাৰ আঘাতে
যেতিয়া অট্টালিকাটো ওফৰাই দিয়ে
তেতিয়া প্ৰস্তৰ মূৰ্তিবোৰে
এটা নতুনত্বৰ সন্ধানত যাত্ৰা কৰে। □

# আইজাক বছেভিছ ছিংগাৰ



আইজাক বছেভিছ ছিংগাৰে ১৯৭৮ চনৰ সাহিত্যৰ নবেল বঁটা পোৱাৰ বাতৰি পাই মই তেওঁৰ বিষয়ে এটি সৰু প্ৰবন্ধ লিখিছিলো। সঁচা কথা কবলৈ গলে তেতিয়ালৈকে মই ছিংগাৰৰ এখন কিতাপো পঢ়ি পোৱা নাছিলো বা আনকি তেওঁৰ নামটো পৰ্যন্ত শুনা পোৱা নাছিলো। গতিকে সেই সময়ত তেওঁ মোৰ কাৰণে আছিল নবেল বঁটা আৰু বাতৰি কাকতে বিখ্যাত কৰি তোলা এটা নাম মাত্ৰ। কিন্তু তাৰ পিছত ছিংগাৰে লেখা প্ৰায় আটাইবোৰ উপন্যাস মই এখন এখনকৈ পঢ়ি শেষ কৰি পেলালো আৰু মানুহজনকো ভাল পাই পেলালো। মই কাফ্‌কাৰ উপন্যাস পঢ়ি চিন্তাত আচ্ছন্ন হওঁ আৰু তেওঁৰ বিস্ময়কৰ গদ্য-শৈলীৰ দ্বাৰা মুগ্ধ হওঁ; কিন্তু মানুহ হিচাপে মই কাফ্‌কাৰ প্ৰতি একো আকৰ্ষণ অনুভৱ নকৰো। মই ডষ্টয়েভস্কিৰ উপন্যাস পঢ়ি ভাবাবেগত আলোড়িত হওঁ, কিন্তু কেতিয়াও মোৰ মনলৈ এনেকুৱা ভাব নাহে যে মই যেন এদিন খন্তেক সময় তেওঁৰ ওচৰত বহি দু-আষাৰ সুখ-দুখৰ কথা পাতিম। কিন্তু টুৰ্গেনেভৰ ওচৰত কিছু সময় নীৰৱে বহি থাকিবলৈ মোৰ মন যায়। মদৰ গিলাচ হাতত লৈ গ্ৰাহাম গ্ৰীণৰ লগত এটা সন্ধিয়া কটাবলৈ আৰু তেওঁৰ কথা শুনি থাকিবলৈ মোৰ মন যায়। আৰু আইজাক বছেভিছ ছিংগাৰৰ শান্ত প্ৰজ্ঞা-দীপ্ত মুখখন মনত পৰিলেই মোৰ এনেকুৱা ইচ্ছা হয় –যেন এইমাত্ৰ দৌৰি গৈ তেওঁৰ ওচৰত বহি পৰিম আৰু জগত-সংসাৰ পাহৰি তেওঁৰ মুখত ভূতৰ গল্প শুনিম। এইখিনিতে কৈ থোৱা উচিত যে ছিংগাৰে ভূতৰ গল্প লিখিবলৈ খুব ভাল পায়।

যোৱা ২৪ জুলাইত ৮৭ বছৰ বয়সত ছিংগাৰৰ মৃত্যু হ'ল। ছিংগাৰে মোৰ হৃদয়ত অকণমান ঠাই কৰি লৈছিল; সেই কাৰণে তেওঁৰ মৃত্যুৰ খবৰটো পঢ়ি মই অলপ সময় স্তব্ধ হৈ ৰলো। সেইদিনা ছিংগাৰৰ দুখনমান উপন্যাস আকৌ এবাৰ চকু ফুৰাই চাবলৈ মোৰ মন গৈছিল। কিন্তু মোৰ হাতত তেওঁৰ এখনো কিতাপ নাছিল, কাৰণ তেওঁৰ আটাইবোৰ কিতাপেই মই আনৰ পৰা ধাৰলৈ আনি পঢ়িছিলো। কিন্তু ভাগ্যক্ৰমে মোৰ ক্ষুদ্ৰ পুথি ভঁৰালত থকা The Penguin Book of Modern European Short Stories নামৰ কিতাপখনত ছিংগাৰৰ বিখ্যাত The Old Man নামৰ গল্পটো আছিল। আৰু আছিল এখন বিদেশী আলোচনীত ছিংগাৰে নবেল বঁটা গ্ৰহণ কৰিবৰ সময়ত দিয়া বক্তৃতাটোৰ সাৰাংশ। ছিংগাৰৰ মৃত্যুৰ খবৰ পাই মই তেওঁৰ এই দুটা লেখাকেই আকৌ এবাৰ পঢ়িলো আৰু তাকে কৰিয়েই সদ্যোমৃত মোৰ প্ৰিয় লেখকৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিলো।

ছিংগাৰৰ চিন্তাধাৰাৰ লগত পাঠক সকলক চিনাকি কৰি দিবলৈ মই ইয়াত তেওঁৰ নবেল বক্তৃতাৰ পৰা মাত্ৰ কেইটামান বাক্য উদ্ধৃত কৰিব খোজো। কিন্তু তাৰ আগতে সেইসকল পাঠকৰ কথা মনত ৰাখি ছিংগাৰৰ বিষয়ে কিছু কথা চমুকৈ কৈ লোৱা ভাল হ'ব – যিসকলে ছিংগাৰক ভালকৈ নাজানে বা তেওঁৰ এখনো কিতাপ পঢ়ি পোৱা নাই।

ছিংগাৰৰ জন্ম হৈছিল পোলেণ্ডৰ এটা ইহুদী পৰিয়ালত। ১৯৩৫ চনত তেওঁ স্বদেশ ত্যাগ কৰি আমেৰিকা যুক্তৰাষ্ট্ৰলৈ আহে আৰু তেতিয়াৰ পৰা তেওঁ তাতে সেই দেশৰ স্থায়ী নাগৰিক হৈ বাস কৰিছে। প্ৰথমে তেওঁ হিব্ৰু ভাষাত লিখিছিল; কিন্তু পিছলৈ তেওঁ য়িডিছ ভাষাত লিখিবলৈ লয়। য়িডিছ হ'ল হিব্ৰু আৰু অন্যান্য বিদেশী ভাষাৰ সংমিশ্ৰণত গঢ় লৈ উঠা এটা বৰ্ণসংকৰ ভাষা – ঠিক যিদৰে গঢ় লৈ উঠিছিল ভাৰত উপ-মহাদেশৰ উৰ্দু ভাষা। ছিংগাৰে তেওঁৰ আগ বয়সৰ বেছিভাগ গল্প উপন্যাস ইউৰোপীয় ইহুদী সকলৰ কথিত ভাষা য়িডিছ ভাষাতে লিখিছিল আৰু তেওঁৰ ৰচনাৰ একমাত্ৰ বিষয়-বস্তু আছিল দ্বিতীয় মহাযুদ্ধৰ আগৰ পোলেণ্ডৰ ইহুদী সকলৰ জীৱন-গাথা, তেওঁলোকৰ প্ৰাচীন ইতিহাস আৰু ৰীতি-নীতি। ছিংগাৰৰ প্ৰতিভাৰ অসামান্য বৈশিষ্ট্য এইখিনিতেই যে যদিও তেওঁৰ আটাইবোৰ কাহিনীৰ পটভূমি এটা মাত্ৰ বিশেষ যুগৰ এখন দেশৰ এটা ক্ষুদ্ৰ সম্প্ৰদায়ৰ জীৱন বৃত্তৰ মাজতে সীমাৱদ্ধ, কিন্তু পাঠকে সেই কাহিনীবোৰৰ মাজত আৱিষ্কাৰ কৰে বিশ্বজনীন তাৎপৰ্য। সোতৰ শতিকাৰ পোলেণ্ডৰ পটভূমিত ৰচিত এটা কাহিনীৰ যোগেদি ছিংগাৰে দেখুৱাইছে যে মানুহৰ মূল সমস্যাবোৰ আচলতে চিৰন্তন; ওল্ড টেষ্টামেন্টত আমি যিবোৰ পুৰুষ-তিৰোতাক লগ পাওঁ তেওঁলোকৰ লগত সোতৰ শতিকাৰ পোলেণ্ডৰ পুৰুষ-তিৰোতাৰ একো পাৰ্থক্য নাই – বিশেষকৈ মানুহৰ হৃদয়-বৃত্তি আৰু সেইবোৰক কেন্দ্ৰ কৰি গঢ় লৈ উঠা সমস্যাবোৰৰ মাজত। এই প্ৰসংগতে কৈ থোৱা ভাল হ'ব যে ছিংগাৰৰ গল্প-উপন্যাস তথা সামগ্ৰিকভাৱে য়িডিছ কাহিনী সাহিত্যৰ কেন্দ্ৰীয় চৰিত্ৰ হ'ল the ordinary man – সাধাৰণ মানুহ – যাৰ বিষয়ে আমেৰিকান সাহিত্য-সমালোচক আৰ্ভিং হাউৱে লিখিছে – At the center of Yiddish fiction stands the archetypal figure of the little fellow, the ordinary man. It is he, long-suffering, persistent, lovingly ironic, whom the Yiddish writers celebrate. This poor but proud house holder trying to maintain his status in the 'shtetl' world even as he keeps sinking deeper and deeper into poverty, appeals to the Yiddish imagination far more than mighty figures like Virgil's Aeneas or Melville's Ahab. (The American Review: Vol. 23, No. 4, 1979)।

ছিংগাৰে ১৯৫০ চন মানৰ পৰাই আমেৰিকাৰ সাহিত্যানুৰাগী সমাজৰ এটা অতি ক্ষুদ্ৰ অংশৰ সশ্ৰদ্ধ মনোযোগ আকৰ্ষণ কৰিবলৈ সমৰ্থ হলেও ১৯৭৮ চনত নবেল বঁটা নোপোৱালৈকে তেওঁ এজন অখ্যাত লেখক হৈয়েই আছিল। যি কোনো সাহিত্যিক বঁটাৰ প্ৰধান সাৰ্থকতা হ'ল এইখিনিতে যে এটা নতুন প্ৰতিভা আৱিষ্কাৰ কৰিবলৈ সৰ্বসাধাৰণ পাঠকক ই সহায় কৰে। ছিংগাৰে নবেল বঁটা নোপোৱা হলে তেওঁৰ কিতাপবোৰ বোধহয় গুৱাহাটীলৈ নাহিলহেঁতেন আৰু আহিলেও সেইবোৰৰ প্ৰতি আমি বোধহয় বিশেষ কৌতূহল অনুভৱ নকৰিলোহেঁতেন। সি যি কি নহওক, নবেল বঁটা পোৱাৰ খবৰ পাই সৌজন্য আৰু সততাৰ প্ৰতিমূৰ্তি আইজাক বছেভিছ ছিংগাৰে তেওঁৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল এই বুলি – 'মই বঁটা পোৱাৰ আশাত কেতিয়াও লেখা নাছিলো। কিন্তু যদি বঁটা পাওঁ তেতিয়া মোৰ নিশ্চয় ভাল লাগিব। কিন্তু বঁটা নাপালেও মই লিখিয়েই থাকিলোহেঁতেন।'

নবেল বঁটা গ্ৰহণ কৰি ছিংগাৰে যিটো বক্তৃতা দিছিল তাৰ কেইটামান কথা বিশেষ প্ৰণিধানযোগ্য বুলি মই ভাবো।

লেখকৰ ভূমিকা ব্যাখ্যা কৰি ছিংগাৰে কৈছিল যে লেখক কেৱল





সামাজিক বা ৰাজনৈতিক আদৰ্শৰ প্ৰচাৰক হলেই নহ'ব; 'মনোৰঞ্জন' শব্দটোৰ সম্পূৰ্ণতম অৰ্থত তেওঁৰ থাকিব লাগিব মানুহৰ মনোৰঞ্জনৰ ক্ষমতা। সাহিত্য যদি এনেকুৱা বিৰক্তিকৰ হয় যে ই পাঠকক ভাবাবিষ্ট নকৰে, তেওঁৰ আত্মাক বলীয়ান নকৰে, তেওঁক আনন্দ নিদিয়ে বা পলায়নৰ পথ নিদিয়ে, তেন্তে তেনে সাহিত্য ক্ষমাৰ অযোগ্য।

'কিন্তু সেই বুলি আমাৰ যুগৰ কোনো ছিৰিয়াছ লেখকেই তেওঁৰ নিজৰ প্ৰজন্মৰ সমস্যাবোৰ সম্পৰ্কে গভীৰভাৱে চিন্তিত নোঁহোৱাকৈ থাকিব নোৱাৰে। এই কথা তেওঁৰ চকুত পৰিবই যে মানুহৰ ইতিহাসৰ যিকোনো যুগতকৈ বৰ্তমান যুগত ধৰ্মৰ প্ৰভাৱ হ্ৰাস পাইছে। ঈশ্বৰৰ অস্তিত্ব, আত্মাৰ অমৰত্ব, পাপৰ কাৰণে শাস্তি আৰু পুণ্যৰ কাৰণে পুৰস্কাৰ, আনকি নীতি-শাস্ত্ৰৰ অভ্ৰান্ততা – এই আটাইবোৰৰ ওপৰত বিশ্বাস হেৰুৱাই পেলোৱা ল'ৰা-ছোৱালীৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাইছে। যি মানুহ প্ৰকৃত অৰ্থত লেখক তেওঁ এই কথাও আওকাণ কৰি থাকিব নোৱাৰে যে পৰিয়ালৰ আধ্যাত্মিক ভেটি জহি-খহি যাবলৈ আৰম্ভ কৰিছে। দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ পৰাই অছৱাল্ড স্পেঙলালৰ আটাইবোৰ ভয়ংকৰ ভৱিষ্যদ্বাণী এটা এটাকৈ সঁচা বুলি প্ৰমাণিত হ'ব ধৰিছে। প্ৰযুক্তিবিদ্যাৰ কোনো বিস্ময়কৰ সাফল্যই আধুনিক মানুহৰ গভীৰ হতাশা, নিঃসংগতা, নীচাত্মকাবোধ, আৰু যুদ্ধ-বিপ্লৱ-সন্ত্ৰাসৰ ভয় প্ৰশমিত কৰিব নোৱাৰে। আমাৰ প্ৰজন্মৰ মানুহে যে কেৱল ভগৱান বা দৈব বিধানতে বিশ্বাস হেৰুৱাই পেলাইছে এনে নহয়; তেওঁ আনকি মানুহৰ ওপৰতো বিশ্বাস হেৰুৱাই পেলাইছে। লগতে তেওঁ বিশ্বাস হেৰুৱাইছে মানুহৰ নানাবিধ অনুষ্ঠানৰ ওপৰত, আৰু আনকি তেওঁৰ অতি আপোনজনৰ ওপৰতো।

এনেভাৱে হতাশাগ্ৰস্ত হৈ যিবোৰ মানুহে সমাজৰ নেতা সকলৰ ওপৰত বিশ্বাস হেৰুৱাই পেলাইছে তেওঁলোকে এতিয়া আশাৰ চকুৰে চাব ধৰিছে লেখক সকললৈ – শব্দৰ গুৰুসকললৈ। সকলো আশা হেৰুৱাইয়ো তেওঁলোকে আকৌ আশা কৰিছে যে এই প্ৰতিভাবান আৰু সংবেদনশীল মানুহবোৰেই হয়তো অৱশেষত সভ্যতাক পৰিত্ৰাণ কৰিব পাৰিব। শিল্পীৰ মাজত এতিয়াও কিজানি নবীৰ (Prophet) অকণমান ফিৰিঙটি আছেই!

মই এই কথা স্বীকাৰ কৰিবলৈ অকণো লাজ নকৰো যে সাহিত্যই ধৰ্ম, দৰ্শন, সমাজ আৰু নন্দন-তত্ত্ব আদি সকলো ক্ষেত্ৰতে নতুন দিগন্ত আৰু নতুন পৰিপ্ৰেক্ষিত আনিব পাৰে বুলি মই বিশ্বাস কৰো। ইহুদী সাহিত্যৰ ইতিহাসত কবি আৰু নবীৰ (Prophet) মাজত কেতিয়াও কোনো মৌলিক পাৰ্থক্য নাছিল। আমাৰ প্ৰাচীন কাব্য প্ৰায়েই পৰিণত হৈছিল জীৱনৰ আদৰ্শ আৰু আচৰণ-বিধিত।

মোৰ কথাবোৰ শুনিবলৈ অতি আচহুৱা যেন লাগিলেও মই প্ৰায়েই এই কথা কল্পনা কৰো যে যেতিয়া আটাইবোৰ সামাজিক তত্ত্ব বা মতবাদ চৰম ব্যৰ্থতাত পৰ্যবসিত হ'ব আৰু যুদ্ধ আৰু বিপ্লৱে মানৱ-জাতিক সৰ্বস্বান্ত কৰিব, তেতিয়া আমাৰ সকলোকে ৰক্ষা কৰিবলৈ উঠি আহিব কবি – যি কবিক প্লেটোৱে নিৰ্বাসিত কৰিছিল তেওঁৰ 'ৰিপাব্লিকৰ' পৰা।'

## উচ্চাকাংক্ষাৰ উচ্চতম সীমা



এই শিতানত যোৱা সংখ্যা সূত্ৰধাৰত কি লিখিছিলো আকৌ এবাৰ মনত পেলাই চাওঁ আহক। খ্যাতি আৰু জনপ্ৰিয়তাৰ প্ৰতি বালজাকৰ লোভ আছিল সীমাহীন। লেখক হিচাপে তেওঁ যেতিয়া খুব বেছি বিখ্যাত হোৱা নাছিল সেই সময়তে তেওঁ এদিন এজন বন্ধুক কৈছিল –'মই এদিন ইমান বিখ্যাত হ'ব খোজো, ইমান বেছি জনপ্ৰিয় হ'ব খোজো, ইমান বেছি প্ৰশংসাৰ পাত্ৰ হ'ব খোজো যে মই .............. কৰিলেও সমাজে মোক বেয়া চকুৰে নাচাব; বৰং সেই কামটোক সমাজে অতি স্বাভাৱিক বুলি গণ্য কৰিব।'

গঁকুৰে তেওঁৰ জাৰ্ণালত প্ৰশ্ন কৰিছে – 'কি হ'ব পাৰে সেই অসম্ভৱ উচ্চাকাংক্ষা? সি কি এনে এটা উচ্চাকাংক্ষা – যাৰ কথা আনকি এজন সৰ্বশক্তিমান স্বেচ্ছাচাৰী শাসক বা কোনো এটা জাতিৰ মুক্তিদাতা বা মহামান্য পোপ বা আনকি সসাগৰা পৃথিৱীৰ অধিকাৰীয়েও কল্পনা কৰিব নোৱাৰে? সৃষ্টিৰ পাতনিৰে পৰা মানুহৰ মূৰত যিমানবোৰ উচ্চাকাংক্ষাই ঠাই লৈছে, বালজাকৰ উচ্চাকাংক্ষা কি সেই সকলোবোৰতকৈ ডাঙৰ?'

সকলো প্ৰতিভাশালী সাহিত্যিকেই কম-বেছি পৰিমাণে অহংকাৰী হয়। অৱশ্যে এই অহংকাৰক সংকীৰ্ণ আভিধানিক অৰ্থত ধৰিব নালাগিব। ই এনে এক অহংকাৰ – যি অহংকাৰে এজন শিল্পী বা লেখকক গড্ডলিকা-প্ৰবাহত নিজকে বিলীন কৰি দিয়াৰ অৱমাননাৰ পৰা ৰক্ষা কৰে। এনে এক দেৱতা-সুলভ অহংকাৰৰ বশৱৰ্তী হৈ আন এজন মহৎ ফৰাচী লেখক ভিক্টৰ হিউগোৱে এদিন দাবী কৰিছিল যে পেৰিচৰ নামটো সলনি কৰি তাৰ নাম ৰাখিব লাগিব 'ভিক্টৰ হিউগো' বুলি! বালজাকে কি এই বুলি দাবী কৰিব খুজিছিল যে ফ্ৰান্সৰ নামটো সলনি কৰি সেই দেশৰ নাম ৰাখিব লাগিব 'বালজাক' বুলি?

নহয়। সেই ধৰণৰ কোনো বাসনাই এক মুহূৰ্তৰ কাৰণেও বালজাকৰ মনত ঠাই পোৱা নাছিল। তেওঁৰ জীৱনৰ চৰম উচ্চাকাংক্ষা আছিল বহুত মানুহৰ মাজত বহি থাকোতেও শৌচদ্বাৰেদি সশব্দে বায়ু-ত্যাগ কৰিবলৈ অধিকাৰ পোৱাটো! 'মই এদিন ইমান বেছি বিখ্যাত হ'ব খোজো, ইমান বেছি জনপ্ৰিয় হ'ব খোজো, ইমান বেছি প্ৰশংসাৰ পাত্ৰ হ'ব খোজো যে মই বহুত মানুহৰ মাজত বহি থাকোতে শৌচদ্বাৰেদি সশব্দে বায়ু-ত্যাগ কৰিলেও কোনেও মোক বেয়া চকুৰে নাচাব, বৰং সেই কামটোকে সকলোৱে অতি স্বাভাৱিক বুলি গণ্য কৰিব।'

মিখাইল গৰ্বাচভে এদিন তেওঁৰ নাতিটোক লৈ ক্ৰেমলিনলৈ ফুৰিবলৈ গৈছিল। গৰ্বাচভৰ নাতিক চাবলৈ তাত বহুত মানুহ জুম বান্ধিলে। ল'ৰাটিক কিছু সময় ভালকৈ নিৰীক্ষণ কৰি প্ৰতিৰক্ষা মন্ত্ৰী ডিমিত্ৰি ইয়াজভে কলে – 'ই ডাঙৰ হৈ এদিন এজন সেনানায়ক হ'ব। তাৰ খোজ কঢ়াৰ ধৰণ দেখিয়েই সেই কথা কব পাৰি।'

সেই কথাত একমত নহৈ প্ৰধান মন্ত্ৰী ভেলেন্টিন পাভলভে কলে –'মোৰ ধাৰণা যে ডাঙৰ হৈ সি বেংকাৰ হ'ব। তাৰ হাতৰ মুঠি মৰাৰ ধৰণ দেখিয়েই সেই কথা কব পাৰি।'

দুয়োজনৰ কথা শুনি গৰ্বাচভে ঘোষণা কৰিলে – 'সি সেনাপতি বা বেংকাৰ একো নহয়। সি হ'ব ৰাষ্ট্ৰপতি। দেখা নাইনে সি কেনেকৈ পিন্ধি থকা কাপোৰতে শৌচ কৰিছে, অথচ তাৰ মুখত হাঁহিটো লাগিয়েই আছে!'

বাৰে বৰণীয়া ফুলেৰে পাতো
আদৰৰ ফুলনি বাৰী,
মিলিজুলি সবে গঢ়ো ভাৰতক
জাকত জিলিকা কৰি ।

বিবিধ পখীৰ মিঠা কাকলিয়ে
আমাক দিয়ে জগাই,
ধমনীতো শুনো অনেক পখীয়ে
একে সুৰে গীত গায় ।
সেই সুৰতেই জাগে মোৰ দেশ
জননীৰ ৰূপ ধৰি ॥

গংগা কাবেৰী লুইতৰ পানী
একে সাগৰলে বয়,
ভিন্ন ভাষাৰ গীতে গীতে বাজে
একে সুৰ সমলয় ।
সেই সুৰে সুৰে মনে প্ৰাণে আজি
চেনেহৰ এনাজৰী ॥

স্বাধীনতা দিৱসৰ ওলগ
আৰু শুভকামনাৰে

জন সংযোগ, অসম




# গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত ঘৃণনীয় হত্যাকাণ্ড আৰু ইয়াৰ প্ৰতিক্ৰিয়া

স্বপ্না বেজবৰুৱা

যোৱা ৩ আগষ্টৰ নিশা প্ৰথম প্ৰহৰতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত হোৱা প্ৰশান্ত মজুমদাৰৰ হত্যাকাণ্ডই মন্দিৰ স্বৰূপ এই শিক্ষানুষ্ঠানটোত এক নাৰকীয় পৰিস্থিতিৰ সৃষ্টি কৰিলে। প্ৰশান্ত মজুমদাৰ এই বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ আছিল। তেওঁক ২৬ জুলাইত কেইজনমান সন্দেহ যুক্ত আল্‌ফাৰ সদস্যই মাতি নিছিল বুলি প্ৰকাশ পাইছিল।

এই ঘটনাৰ পূৰ্বে বিশ্ববিদ্যালয়ত আৰু এটা অপ্ৰীতিকৰ ঘটনা সংঘটিত হৈছিল। সেই ঘটনাৰ লগত এই হত্যাকাণ্ডৰ সম্বন্ধ আছে বুলি বহুতে সন্দেহ কৰে। সেই ঘটনাৰ সূত্ৰপাত হয় ২৪ জুলাইত। অভিযোগ কৰা মতে বিশ্ববিদ্যালয়ৰ দিলীপ দাস আৰু অমিতাভ বৰ্মন নামৰ দুজন ছাত্ৰই ফাঁচি বজাৰৰ ব্যৱসায়ীৰ পৰা আল্‌ফাৰ নামত টকা দাবী কৰিছিল। তেনে অৱস্থাত পুলিচৰ হাতত ধৰা পৰাত তেওঁলোকক গ্ৰেপ্তাৰ কৰা হয়। এই ঘটনাত বিশ্ববিদ্যালয়ৰ প্ৰতিজন ব্যক্তিয়েই লজ্জা অনুভৱ কৰিছিল। কৰ্তৃপক্ষই উক্ত ছাত্ৰ দুজনক বিশ্ববিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰিছিল। তেওঁলোকে টকা দাবী কৰা ৰছিদ বহিবোৰ ভুৱা আল্‌ফাৰ আছিল বুলি বাতৰি কাকতত প্ৰকাশ পাইছিল। ২নং দুমহলীয়া ছাত্ৰাবাসত তেওঁলোকৰ কোঠালিৰ পৰা কিছুমান আপত্তিজনক নথিপত্ৰ আৰু টকা উদ্ধাৰ হৈছিল। এই ঘটনা সদৰি হোৱাৰ পাছত অভিযুক্ত দিলীপ দাসৰ কোঠালিৰ আবাসী প্ৰশান্ত মজুমদাৰ আৰু সেই ছাত্ৰাবাসৰে দুজন অবৈধ আবাসী যোগেন বৰ্মন আৰু ভগৱান চৌধুৰীক কেইজনমান যুৱকে ছাত্ৰাবাসৰ পৰা মাতি নিছিল। কোনো চাক্ষুস বা লিখিত প্ৰমাণ নাথাকিলেও তেওঁলোকক আল্‌ফাৰ সদস্যই লৈ যোৱা বুলি জনাজাত হৈ পৰিছিল। এই কথা আল্‌ফাৰ ফালৰ পৰাও অস্বীকাৰ কৰা দেখা নগ'ল। কেইবাদিনো ছাত্ৰ কেইজন ছাত্ৰাবাসলৈ ঘূৰি নহাত ছাত্ৰসকলৰ মনত শংকা মিহলি সন্দেহে বাহ লবলৈ ধৰিলে।

২৬ তাৰিখৰ পৰাই খিৰিক কৰিলেই শহাকণীয়া হৈ পৰা কিছু ছাত্ৰই ৩ আগষ্টৰ নিশা প্ৰায় ১০ বজাত ছাত্ৰাবাসৰ সমুখত এটা সৰু বন্দুকৰ শব্দ শুনিবলৈ পাইছিল। ওচৰতে থকা একাডেমীক ষ্টাফ কলেজত বহি থকা চকিদাৰজনেও আয়নাত শিলগুটি পৰাৰ দৰে শব্দ শুনিবলৈ পাইছিল। কিন্তু কোনেও ক'তো ওলাই চাবলৈ সাহস কৰা নাছিল। চকিদাৰজনে লাহেকৈ দুৱাৰখন খুলি দিওঁতে এখন সৰু গাড়ী বিশ্ববিদ্যালয়ৰ মূল প্ৰবেশ দ্বাৰৰ ফালে পাৰ হৈ যোৱা দেখিবলৈ পালে। ওলাই আহি এজন মানুহ পৰি থকা দেখি ছাত্ৰাবাসত খবৰ দিয়াত ছাত্ৰসকল ওলাই আহি চকুত কাপোৰ বান্ধি থোৱা অৱস্থাত মানুহজন দেখে আৰু ভালদৰে চাই সেই ছাত্ৰাবাসৰে প্ৰশান্ত মজুমদাৰ বুলি চিনাক্ত কৰে। তেতিয়া প্ৰশান্তৰ মূৰেৰে তেজ বৈ আছিল। লগে লগে বিশ্ববিদ্যালয়ৰ শ্ৰেণী সচিব, পঞ্জীয়ক আৰু উপাচাৰ্যক খবৰ দিয়াত আটাইকেইজন লগে লগে ঘটনাস্থলীত উপস্থিত হয়। তেতিয়া নিশা ১০-৩০ হৈছিল। তাৰ মানে ঘটনাটো ঠিক ১০ বজাৰ ওচৰে পাঁজৰে ঘটিছিল। ঘটনাটোৰ কিছুসময়ৰ পাছতেই অপহৃত বাকী দুজন ছাত্ৰও আহি ছাত্ৰাবাসত উপস্থিত হয়। তেওঁলোকৰ সৰ্বশৰীৰ আঘাতেৰে ক্ষত-বিক্ষত হৈ আছিল। তেওঁলোক সেই নিশাই ছাত্ৰাবাসৰ পৰা গুচি গৈছিল।

ইতিমধ্যে বিশ্ববিদ্যালয়ত আটাইকেইজন উচ্চ পদস্থ ব্যক্তি আহি ঘটনাস্থলীত উপস্থিত হ'লহি। পুলিচক লগে লগে খবৰ দিয়া হৈছিল যদিও তেওঁলোকে সম্পূৰ্ণ সুসজ্জিত হৈ ৷।ম৷। সহ নিশা ১-৩০ বজাতহে ঘটনাস্থলী পাইছিলহি। পুলিচে চাৰিও ফালে ঘটনাস্থলী ঘেৰাও কৰি লোৱাৰ পিছত ২-৩০ বজাতহে উপাচাৰ্যজনে ঘটনাস্থলী এৰিছিল। আনহাতে স্নাতকোত্তৰ ছাত্ৰ সংস্থাৰ সম্পাদকজন আৰু সদৌ অসম ছাত্ৰ সংস্থাৰ এজন উপদেষ্ট পুৱালৈকে পুলিচৰ লগত সহযোগ কৰি থাকিল। কাৰণ পুলিচ প্ৰশাসনেও তেওঁলোক থকাটো বিচাৰিছিল। তাৰ মানে নিৰাপত্তা ৰক্ষীয়েও নিৰাপত্তাহীনতা অনুভৱ কৰিছিল নেকি?

ৰাতিপুৱা ৭-৩০ মান বজাত ঘটনাস্থলীলৈ কুকুৰ আনি পৰীক্ষা কৰা হৈছিল যদিও কোনো ফল পোৱা নগ'ল। পুলিচে তাৰ পাছত মৃত দেহটোৰ আঘাতৰ বিবৰণ লোৱাৰ সময়ত দেখা গ'ল– প্ৰশান্তৰ মূৰত দুটা গুলিৰ চিন আছিল আৰু দেহত বহুতো আঘাতৰ চিন আছিল। তাৰে কিছুমান ব্লেডৰ চিন যেন দেখা গৈছিল। তাৰ পৰা মৃত্যুৰ আগতে তেওঁক যথেষ্ট শাৰীৰিক অত্যাচাৰ কৰা হৈছিল যেন অনুমান কৰিব পাৰি। চকু দুটা এখন দীঘল গামোচাৰে টানকৈ বন্ধা আছিল। ঘটনা স্থানৰ পৰা প্ৰায় ৪৫ ফুটমান আঁতৰত একাডেমীক ষ্টাফ কলেজৰ দুৱাৰৰ আয়নাত গুলিৰ চিন আছিল। আৰু ভিতৰফালে এটা বুলেট উদ্ধাৰ কৰা হৈছিল।

সেইবোৰৰ বিবৰণ লৈ শেষ হওঁতেই ঠিক ৮-৩০ বজাত মহানগৰীৰ আৰক্ষী অধীক্ষকজন ঘটনাস্থলী পায়গৈ আৰু তৰ্জন গৰ্জন কৰি ২নং দুমহলীয়া ছাত্ৰাবাসটোত তালাচী চলায়। সেই সময়ত তেওঁ বিশ্ববিদ্যালয়ৰ উপাচাৰ্যজনৰ লগতো কটু-ভাষাৰে অশালীন আচৰণ কৰে। বিশ্ববিদ্যালয়ৰ সন্মানিত উপাচাৰ্যজনক কৰা এই আচৰণে সকলোকে ক্ষুব্ধ কৰি তোলে।

তালাচী কাৰ্যত বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু ছাত্ৰ সংস্থা কোনেও আপত্তি কৰা নাছিল। বৰঞ্চ আৰম্ভণিৰে পৰা প্ৰশাসনৰ লগত সহযোগিতাহে কৰিছিল। লাহে লাহে ঘটনাস্থলীত পুলিচৰ উচ্চ পদস্থ বিষয়া সকলো উপস্থিত হৈছিল। ১০ বজাত মৃত দেহটো পৰীক্ষাৰ বাবে মহেন্দ্ৰ মোহন চৌধুৰী হস্পিতাললৈ লৈ যায়। আবেলি ঘৰলৈ নিয়াৰ পথত বিশ্ববিদ্যালয় ফালৰ পৰা শেষ শ্ৰদ্ধা তৰ্পণ কৰা হয় আৰু মৃতদেহ পৰিয়ালৰ লোকক চমজাই দিয়া হয়। সূ



OKDISCD

# নাৰী, শ্ৰম আৰু অৰ্থনীতি

সবিতা লহকৰ

যোৱা কিছু দশক ধৰি বিশ্বৰ বিভিন্ন প্ৰান্তৰ নাৰী সমাজে সমানাধিকাৰ অৰ্জনৰ সংগ্ৰাম নিৰলসভাবে চলাই আহিছে। আমাৰ দেশৰ বৃহত্তৰ নাৰী সমাজো ক্ৰমে সম মৰ্যাদা আৰু সমানাধিকাৰ অৰ্জনৰ এই সংগ্ৰামৰ অংশীদাৰ হৈছে। কিন্তু সমানাধিকাৰ অৰ্জনৰ অন্যতম প্ৰাথমিক চৰ্ত– আৰ্থিক স্বনিৰ্ভৰতাই অধিকাংশ ভাৰতীয় নাৰীৰ নাই। আৰ্থিক ভাবে ভাৰতীয় নাৰী এতিয়াও পুৰুষ নিৰ্ভৰ।

এই পৰনিৰ্ভৰশীলতাই কিন্তু এইটো নুসূচায় যে নাৰীয়ে শ্ৰম নকৰে। বৰং সূৰ্যোদয়ৰ পৰা গভীৰ নিশালৈকে অধিকাংশ নাৰীয়ে নিজ নিজ সংসাৰত শ্ৰমদান কৰে। নাৰীৰ এই শ্ৰমেহে ঘৰ একোখন বাসযোগ্য কৰি ৰাখে। কিন্তু নাৰীৰ এই শ্ৰমে সমাজ বা পৰিয়ালত উপযুক্ত সন্মান আৰু মৰ্যাদা লাভৰ পৰা বঞ্চিত হয়। কাৰণ এই শ্ৰমৰ আৰ্থিক মূল্য শূন্য। ঘৰখনত কৰা প্ৰাণান্তকৰ পৰিশ্ৰমে নাৰীলৈ অৰ্থনৈতিক স্বাধীনতা নানে। 'কৰ্তব্য', 'দায়িত্ব' ইত্যাদি নানা শুৱলা শব্দৰ আৱৰণ পিন্ধি নাৰীৰ এই ঘৰুৱা শ্ৰমদান আৰ্থিক মূল্যবিহীন শ্ৰম হিচাপে পৰিগণিত হয়।

আনহাতে অৰ্থনৈতিক ক্ষেত্ৰত অংশ গ্ৰহণ কৰা নাৰীয়েও তেওঁলোকৰ শ্ৰমৰ সঠিক মূল্য লাভৰ পৰা বঞ্চিত হয়। ভাৰতবৰ্ষৰ কৃষি ক্ষেত্ৰ আৰু সংগঠিত শ্ৰমভিত্তিক পাৰিবাৰিক কুটীৰ শিল্পত নাৰীৰ অংশগ্ৰহণ অতি ব্যাপক। খেতি পথাৰত সনাতনী পদ্ধতিৰ মাটি চহোৱা কাম বাদ দি আন প্ৰায় সকলো কাম, কঠীয়া পৰাৰ পৰা ধানগুটি ভঁড়ালত তোলালৈকে আৰু পিছৰ কামবোৰ যেনে– ধনাবনা, কঁড়া আদি সমস্ত কাম প্ৰধানতঃ নাৰীয়েই কৰি আহিছে অত্যন্ত নিপুণভাবে। আনহাতে ঘৰুৱা ভাবে একোটা বিশেষ অঞ্চলৰ বিশেষ বিশেষ কুটীৰ শিল্পৰ উৎপাদনমূলক কাম-কাজতো নাৰী শ্ৰমিকেই ওত-প্ৰোতভাবে জড়িত হৈ আহিছে। কিন্তু এই সমস্ত উৎপাদনমূলক কাম-কাজত জড়িত হোৱা সত্বেও আৰ্থিক স্বাধীনতা এই নাৰীচামৰ নাই।

ইফালে যিবিলাক মহিলাই আনৰ মাটিত দিন মজুৰি কৰি জীৱন নিৰ্বাহ কৰে তেওঁলোকে বছৰত অতি কম দিনৰ বাবেহে কাম যোগাৰ কৰিবলৈ সমৰ্থ হয়। বছৰৰ বেছি ভাগ সময় নিবনুৱা হৈ থাকিবলৈ বাধ্য হোৱা এই মহিলাসকলে যেতিয়া খেতি পথাৰত কাম কৰিবলৈ সুযোগ পায়, বেছি ভাগ ক্ষেত্ৰতে তেওঁলোকে পুৰুষ শ্ৰমিকতকৈ কম পাৰিশ্ৰমিক পায়। আকৌ খেতি পথাৰত কাম নাপালেও পুৰুষ শ্ৰমিকসকলে অন্যান্য সৰু সুৰা কাম সংগ্ৰহ কৰি লব পাৰে– যিটো সুবিধা নাৰী শ্ৰমিকৰ নাই। কাম কৰাৰ ইচ্ছা আৰু শক্তি থাকিও বেকাৰত্ব মানি লবলৈ বাধ্য হোৱা লোকৰ যন্ত্ৰণা এনেয়ে অসহনীয়। নাৰীৰ বাবে ই অসহনীয় হোৱাৰ লগতে অমৰ্যাদাকৰ আৰু নিদাৰুণো।

গ্ৰামাঞ্চলৰ ক্ষুদ্ৰ আৰু কুটীৰ শিল্পৰ পৰিয়াল ভিত্তিক ব্যৱসায় সমূহ ক্ৰমে সংকুচিত হৈ আহিছে আৰু ইয়াৰে কিছুমান ৰুগ্ন অৱস্থাৰ চিকাৰ হৈ চিৰদিনৰ বাবে বন্ধ হৈয়ো গৈছে। এই ক্ষেত্ৰতো সৰ্বাধিক ক্ষতিগ্ৰস্ত হৈছে নাৰী শ্ৰমিকসকল। মৃৎ শিল্প, তাঁত শিল্প, কাঁহ-পিতল শিল্প আদি সকলো ধৰণৰ পৰিয়াল ভিত্তিক কুটীৰ শিল্পৰে এতিয়া ৰুগ্ন অৱস্থা। সৰ্থেবাৰীৰ কাঁহ-পিতলৰ বাচনৰ অসমৰ ব্যৱহাৰিক জীৱনত বিশেষ ভূমিকা আছিল। ষ্টেনলেচ ষ্টীল, প্লাষ্টিক, চীনামাটি, পোৰ্চেলিন আদি বিভিন্ন ধৰণৰ বাচন-বৰ্তনৰ ব্যৱহাৰ বৃদ্ধিৰ লগে লগে সৰ্থেবাৰীৰ কাঁহ-পিতলৰ বাচন এতিয়া দ্ৰয়িংৰূমৰ সৌন্দৰ্যবৰ্ধক আৰু বিয়া-বাৰুত কন্যাক উছৰ্গা কৰিব লগীয়া সামগ্ৰী এবিধলৈ পৰ্যবসিত হৈছে।

এই ধৰণে কিছু ক্ষেত্ৰত নতুন উদ্ভাৱনৰ ফল স্বৰূপে আৰু কিছুক্ষেত্ৰত সামাজিক ৰুচি আৰু মূল্যবোধৰ পৰিবৰ্তনৰ ফলত ক্ষুদ্ৰ কুটীৰ শিল্পসমূহ ক্ষতিগ্ৰস্ত হৈছে। আৰু ইয়াৰেই অৱশ্যম্ভাৱী পৰিণতি স্বৰূপে এই শিল্প সমূহৰ সৈতে জড়িত শ্ৰমিক কৰ্মচাৰীসকল কৰ্মহীন হৈ পৰিছে; অথচ বিকল্প কৰ্মসন্ধানো পোৱা নাই। কৰ্মহীন এই শ্ৰমিকসকলৰ ভিতৰত নাৰী শ্ৰমিকৰ সংখ্যাও তেনেই কম নহয়।

গ্ৰামাঞ্চলৰ ক্ষুদ্ৰ আৰু কুটীৰ শিল্পসমূহে আধুনিক শিল্পৰ সৈতে অসম প্ৰতিযোগিতাৰ মুখামুখি হৈ ক্ষতিগ্ৰস্ত হোৱাৰ লগে লগে গাঁও অঞ্চলৰ শ্ৰমিকসকল বেছিকৈ কৃষি নিৰ্ভৰশীল হৈ পৰিছে; অথচ ইয়াৰ বাবে প্ৰয়োজনীয় ভূমিৰ অভাৱত বেকাৰত্ব বাঢ়িছে আৰু গ্ৰামীণ দৰিদ্ৰতাও ক্ৰমাৎ বৃদ্ধি পাই আহিছে।

কৃষিত আধুনিক যন্ত্ৰপাতিৰ ব্যৱহাৰৰ ফলস্বৰূপেও নাৰী শ্ৰমিকৰ সংখ্যা কমি গৈছে। ট্ৰেক্টৰ, পাৱাৰ টিলাৰ ইত্যাদিৰ ব্যৱহাৰ বঢ়াৰ লগে লগে মাটি চহ কৰিবলৈ পূৰ্বতে প্ৰয়োজন হোৱা শ্ৰমিকৰ আধাৰেই কাম চলাব পৰা হৈছে। দমকল, ডীপ টিউবৱেল আদিৰ সহায়ত সহজে জলসিঞ্চন কৰিব পৰা হোৱাৰ পুৰণি পদ্ধতিৰ কষ্টকৰ জলসিঞ্চনৰ প্ৰয়োজনো কমি আহিছে। আধুনিক যন্ত্ৰপাতিৰ ব্যৱহাৰে আধুনিক সমাজ সভ্যতাৰ অগ্ৰগতি সূচনা কৰে। কিন্তু আমাৰ দেশত যন্ত্ৰপাতি ব্যৱহাৰৰ বিষম ফলশ্ৰুতি হ'ল এই যে এক বিশাল সংখ্যক পুৰুষ কৰ্মী তেওঁলোকৰ স্ব-কৰ্ম ক্ষেত্ৰৰ পৰা বিতাড়িত হৈছে। বিকল্প কৰ্ম ব্যৱস্থাৰ অভাৱত এইসকল পুৰুষ শ্ৰমিকে আগতে যি কাম কেৱল নাৰীয়েহে কৰিছিল, তেনেবোৰ কাম- কঠীয়া পৰা, ধান কটা, নিৰোৱা আদিতো ভাগ লব ধৰিলে। ফলত কৃষি ক্ষেত্ৰতো নাৰী শ্ৰমিকৰ সংখ্যা হ্ৰাস পাবলৈ বাধ্য হ'ল।

গাঁৱে গাঁৱে ব্যাপক হাৰত ধান বনা, চিৰা খুন্দা কল স্থাপন হোৱাৰ বাবেও নাৰী শ্ৰমিকে কৰ্মসংস্থাপন হেৰুৱাব লগা হৈছে। দেৰ/দুই দশক আগতেও গাঁৱত এতিয়াৰ নিচিনাকৈ ধান কল, চিৰা কল স্থাপন হোৱা নাছিল। গতিকে শস্য ভঁড়ালত তোলাৰ পিছত প্ৰায়ে গোটেই বছৰটোৰ বাবেই নাৰী শ্ৰমিকসকল কৰ্মহীন হোৱা নাছিল। ইঘৰ সিঘৰত প্ৰায় গোটেই বছৰটো ধান সিজোৱা, শুকোৱা, ঢেঁকীত বানি-খুন্দি চাউল উলিওৱা, চিৰা ভজা আদি কামত তেওঁলোক ব্যস্ত থাকিব লাগিছিল। এই কাম নাৰীকৰ্মী সকলে মজুৰি অথবা চাউল আৰু তুঁহৰ বিনিময়ত মাটিৰ মালিকৰ ঘৰত অথবা ঘৰতে বহি ঠিকা ভিত্তিত কৰি দিছিল। বৰ্তমানে ঢেঁকীত ধান বনা প্ৰথা একেবাৰেই উঠি যোৱা বুলিয়ে ক'ব পাৰি। গতিকে এই বৃত্তিত জড়িত মহিলাসকলো কৰ্মহীন হৈ পৰিছে। মিল বিলাকত কিছু কাম ওলাইছে যদিও সেয়া প্ৰয়োজন অনুপাতে একেবাৰে কম আৰু নাৰীকৰ্মীসকলে সেই কামৰ সুযোগ পাইছে আৰু কম।

ভাৰতীয় সংবিধানে প্ৰদান কৰা সমান মজুৰিৰ অধিকাৰো এতিয়ালৈকে সকলো ক্ষেত্ৰতে নাৰী শ্ৰমিকসকলে সাব্যস্ত কৰিব পৰা নাই। চৰকাৰী, বেচৰকাৰী সংস্থা, বেংক, আদালত আদিত কাম কৰা শিক্ষিতা নাৰীয়ে পুৰুষৰ সমানে বেতন লাভ কৰে। কিন্তু বিভিন্ন অসংগঠিত ক্ষেত্ৰ চাহ বাগিচা, কয়লা খনি আদিত কাম কৰা মহিলাই উপযুক্ত মজুৰি নাপায়। সমান মজুৰিৰ দাবীত নাৰী সমাজে চলাই অহা দীৰ্ঘদিনীয়া সংগ্ৰামক ১৯৭৫ চনৰ আন্তৰ্জাতিক নাৰীবৰ্ষৰ সময়ত চৰকাৰে স্বীকৃতি দিবলৈ বাধ্য হয়। পিছত ১৯৭৬ চনত সমান কামত সমান মজুৰিৰ আইনো পাছ হয়। কিন্তু এই আইনকো ফাকি দি নানা ভাবে নাৰীকৰ্মীক বঞ্চিত কৰি অহা হৈছে। আন্দোলনৰ মাধ্যমেদি বহুত ক্ষেত্ৰত তুলনামূলক ভাবে মজুৰি বৃদ্ধি হৈছে, কিন্তু সকলো ক্ষেত্ৰতে এতিয়াও নাৰীকৰ্মীয়ে সমান মজুৰিৰ সুবিধা লাভ কৰিব পৰা নাই। সংগঠিত শিল্প ক্ষেত্ৰসমূহত ন্যূনতম বেতন দিবলৈ বাধ্য হ'লেও বেতন বৃদ্ধি, প্ৰমোছন বা ট্ৰেইনিং আদিৰ ক্ষেত্ৰত নাৰী শ্ৰমিক বৈষম্যৰ চিকাৰ হৈ আহিছে।

শিল্পাঞ্চলৰ বৃহৎ শিল্প সমূহৰ পৰা পৰিকল্পিত ভাবে নাৰী শ্ৰমিকৰ সংখ্যা হ্ৰাস কৰি অনা হৈছে। নাৰী শ্ৰমিকৰ বাবে বেতনসহ প্ৰসূতিকালীন ছুটী আৰু সমান মজুৰি আইন প্ৰবৰ্তিত হোৱাৰ পিছত পূৰ্বৰ দৰে কম পাৰিশ্ৰমিকত অমানুষিক শ্ৰম কৰিবলৈ বাধ্য কৰোৱাৰ অৱস্থা আৰু নাথাকিল। ইফালে নানা ধৰণৰ আন্দোলন আদিৰ ফলত প্ৰকাশ্যে শিশু শ্ৰমিক নিয়োগৰ সুবিধাও নোহোৱা হ'ল। (যদিও আমাৰ দেশৰ ১৪ বছৰৰ তলৰ শিশু শ্ৰমিকৰ সংখ্যা বৰ্তমান প্ৰায় ৬০ লাখ বুলি এটা চৰকাৰী সূত্ৰত প্ৰকাশ)। এই ধৰণৰ পৰিস্থিতিত সস্তা শ্ৰমৰ সুবিধা হেৰুৱাই মালিক পক্ষই নাৰীশ্ৰমিকৰ সংখ্যা কমাই অনাৰ প্ৰচেষ্টা পৰিকল্পিত ভাবে কৰিবলৈ ধৰিলে।

অৱশ্যে আমাৰ দেশৰ কৃষি ক্ষেত্ৰত মজুৰ হিচাপে কাম কৰা মহিলা, ৰাস্তাঘাট মেৰামতি আৰু নিৰ্মাণ, বিড়ী শিল্প, দৰ্জি শিল্প আদিত কাম কৰা মহিলাই বৰ্তমানো বেতনসহ প্ৰসূতিকালীন ছুটীৰ সুবিধা লাভ কৰা নাই। অত্যন্ত অমানৱীয় অৱস্থাৰ মাজত কাম কৰা এই মহিলাসকলৰ দুৰ্দশা দেখিলে যিকোনো সভ্য দেশৰ মানুহ শিয়ৰি উঠিব।

আইন অনুসাৰে নাৰী শ্ৰমিকে যি যি সুবিধা লাভ কৰা উচিত নাৰী শ্ৰমিকসকল অধিকাংশ ক্ষেত্ৰতেই তাৰ পৰা বঞ্চিত হৈছে। প্ৰসূতি ভাট্টা আইন, ১৯৫১ চনৰ খনি আইন অথবা শ্ৰমিকৰ ৰাজ্যিক নিৰাপত্তা আইন আদি আইনে প্ৰসূতি মাতৃৰ বেতনসহ ছুটীৰ সুবিধাৰ উপৰিও অন্যান্য বহুতো সুবিধাৰ অধিকাৰ নাৰী শ্ৰমিকক অৰ্পণ কৰিছে। শিশু সন্তানক গাখীৰ খুওৱাৰ বাবে ছুটী দিয়া, ৬ বছৰ বয়সলৈ কেঁচুৱা ৰাখিবৰ বাবে ক্ৰেছৰ ব্যৱস্থা কৰা আৰু পিছত সেই সন্তানৰ বাবে শিক্ষাৰ ব্যৱস্থা কৰা আদিৰ দায়িত্বও মালিক পক্ষই লব লাগিব– এনে ধৰণৰ নিৰ্দেশো এই আইনসমূহে দিছে। কিন্তু এই আইনৰো ফাঁক ৰৈ গৈছে। ৫০ জনৰ কম নাৰী শ্ৰমিকে কাম কৰা ঠাইত এই আইন প্ৰযোজ্য নহয়। ফলত উল্লিখিত ধৰণৰ শ্ৰুতি মধুৰ ব্যৱস্থাৱলী মানি লবলৈ মালিক পক্ষ বাধ্য হোৱা নাই। এইবোৰ সুবিধাৰ কথা বাদ দিলেও আইন অনুযায়ী পাব লগীয়া নিম্নতম প্ৰয়োজনীয় সুবিধা– সুকীয়া বিশ্ৰামাগাৰ বা শৌচাগাৰৰ ব্যৱস্থাও আনকি অধিক ক্ষেত্ৰত কৰা নহয়।

অফিচ, আদালত, কাৰখানাত নাৰী শ্ৰমিকে পুৰুষৰ সমানে সুযোগ আৰু মৰ্যাদা নাপায়। নতুন কাম-কাজ শিকা, অধিকতৰ দায়িত্বপূৰ্ণ কাম বণ্টন অথবা প্ৰমোছনৰ ক্ষেত্ৰত নাৰীকৰ্মী সকলক সমদৃষ্টিৰে প্ৰায়েই চোৱা নহয়। এই বৈষম্যৰ বিৰুদ্ধে সকলো সময়তে নাৰী কৰ্মীসকলে প্ৰতিবাদ নজনালেও তেওঁলোকৰ মনত বিক্ষোভ জমা হবলৈ বাধ্য। এনে অৱস্থাত সামগ্ৰিক ভাবে কামৰেই ক্ষতি হয়। এই ধৰণৰ বৈষম্য মূলক মানসিকতা সংবিধান প্ৰদত্ত নাৰী-পুৰুষৰ সমান অধিকাৰ নীতিৰো ঘোৰ বিৰোধী।

দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তী অৱস্থাত ব্যাপক সংখ্যক মধ্যবিত্ত নাৰী বিদ্যালয়, হস্পিতাল, আদালত, কাছাৰী, বেংক আদিৰ চাকৰিত নিযুক্ত হৈছে। কিন্তু মধ্যবিত্ত নাৰীৰ সামগ্ৰিক সংখ্যাৰ তুলনাত এই সংখ্যা একেবাৰে নগণ্য।

অফিচ-আদালত, প্ৰশাসনীয় ক্ষেত্ৰ বা শিক্ষাক্ষেত্ৰ আদিত মুষ্টিমেয় সংখ্যক নাৰীয়ে উচ্চ পদ লাভ কৰিবলৈকো সক্ষম হৈছে যদিও এওঁলোকেও সমান অধিকাৰৰ ক্ষেত্ৰত বৈষম্যৰ চিকাৰ হব লগীয়া হৈছে।

কৰ্মৰত নাৰী শ্ৰমিকে অসুবিধা ভোগ কৰে নানা ক্ষেত্ৰৰ পৰা। এহাতে পাবলগীয়া নানা আইনসংগত অধিকাৰৰ পৰা বঞ্চিত হয়, আনহাতে মালিক পক্ষ অথবা কেতিয়াবা পুৰুষ সহকৰ্মীৰ অসংগত আচৰণৰ বলিও হব লগা হয়। সংস্থান হেৰুৱাৰ ভয়ত এই ধৰণৰ ঘটনা ঘটিলে অধিকাংশ নাৰীয়ে মৌনতা অৱলম্বন কৰে। অথচ মানসিক সংঘাতৰ ফলস্বৰূপে কামৰ উৎসাহ আৰু দক্ষতা হ্ৰাস পায়।

কিছু কিছু ক্ষেত্ৰত আকৌ কিছু বছৰ আগলৈকো বিবাহিতা মহিলাক সংস্থান দিয়া হোৱা নাছিল অথবা ইতিমধ্যেই নিযুক্ত নাৰীৰ বিবাহত বাধাদান কৰা হৈছিল। অথচ পুৰুষ কৰ্মীৰ বিবাহত কোনো বাধা নাছিল। নাৰী কৰ্মীক বাধা দিয়া হৈছিল মূলতঃ বেতনসহ প্ৰসূতি ছুটীৰ সুবিধা দিবলগীয়া হোৱা দায়িত্ব এৰাবৰ বাবেহে। এতিয়া অৱশ্যে অৱস্থাৰ পৰিবৰ্তন ঘটিছে। আন্দোলনৰ মাধ্যমেৰেই নাৰীকৰ্মী সকলে অৱস্থাৰ পৰিবৰ্তন ঘটাবলৈ সক্ষম হৈছে।

অৱশ্যে এই ধৰণৰ আন্দোলন সঠিক পথেৰে আগুৱাই নিবলৈ হ'লে কিছু মৌলিক কথালৈ লক্ষ্য ৰাখিব লাগিব। নাৰীমুক্তি সংগ্ৰাম, নাৰীৰ সমানাধিকাৰ সংগ্ৰাম আৰু নাৰীকৰ্মীৰ স্বাৰ্থ ৰক্ষাৰ সংগ্ৰাম ওত-প্ৰোতভাবে জড়িত আৰু এই সংগ্ৰামত সামগ্ৰিক গণ আন্দোলনৰ অংশ কৰি তুলিলেহে ই সঠিক দিশত আগবাঢ়ি যাব। সমাজৰ সামগ্ৰিক কল্যাণৰ সৈতেই নাৰী কল্যাণৰ প্ৰশ্নটোও জড়িত। কেইখনমান আইন কৰি অথবা চেগা-চোৰোকাকৈ মাজে মাজে ৰাজ পথত নাৰীমুক্তি শ্লোগান আওৰালেই প্ৰকৃত নাৰী কল্যাণ সম্ভৱ নহয়। ইয়াৰ বাবে সৰ্বাগ্ৰে প্ৰয়োজন হ'ল সামাজিক নৱ চেতনাৰ। সামন্ততান্ত্ৰিক পৰিবেশ আৰু ধনতান্ত্ৰিক কাঠামোত বৰ্তি থকা এখন সমাজত সামাজিক নৱ-চেতনাৰ উন্মেষ ঘটাবলৈ প্ৰয়োজন হোৱা সমল আমি আহৰণ কৰিব লাগিব বিশ্ব ইতিহাসৰ পৰাই। ■

চিন্তা

# বিষ্ণুৰাভা প্ৰীতি আৰু সংকীৰ্ণ ৰাজনীতি

তোষেশ্বৰ চেতিয়া

জৰ্জ অৰৱেলৰ বিশ্লেষণত মহাত্মা গান্ধীক ইংৰাজ, ভাৰতীয় পুঁজিপতি আৰু ভাৰতীয় জাতীয়তাবাদী প্ৰত্যেকেই 'নিজা মানুহ' বুলি ভবাৰ দৰে বিষ্ণুৰাভাকো আজি অসমত বিভিন্ন মহলে টনা আঁজোৰা লগাই বিষ্ণুৰাভা প্ৰীতিৰ পৰাকাষ্ঠা দেখুৱাৰ প্ৰয়াস কৰা দেখা গৈছে। ৰাভাক বিভিন্ন জনে দিছে বিভিন্ন আখ্যা। চৰকাৰী বেচৰকাৰী মহলত বিভিন্ন প্ৰচাৰ, জাকজমকতা, ফুলৰ মালা আৰু ধূপধূনাৰে বিষ্ণু ৰাভাক দেৱতা সজোৱাৰ বিচিত্ৰ আয়োজন চলিছে। কিন্তু এইবোৰ আন্তৰিক নে কৃত্ৰিম, অকৃত্ৰিম নে বাহ্যিক প্ৰদৰ্শন মাথোন তাক গভীৰ ভাবে অৱলোকন কৰাৰ প্ৰয়োজন হৈছে। এনে পূজাৰ মাজত কিবা চক্ৰান্ত বা নীচক ৰাজনৈতিক চক্ৰান্ত নিহিত হৈ আছে নেকি তাক নিশ্চয় লক্ষ্য কৰাৰ প্ৰয়োজন হৈছে। নহ'লে পাতৰ তলত লাউ লুকোৱাৰ দৰে আচল বিষ্ণুৰাভা ৰাজসিক ধূমধূপালৰ মাজত লুকাই পৰিব আৰু যি বিষ্ণুৰাভা আজি সমন্বয় আৰু সংগ্ৰামৰ প্ৰতীক তথা কোটি কোটি মেহনতী মানুহৰ মুক্তিৰ আঁৰিয়া স্বৰূপ সেই ভাবি কালৰ আশাৰ প্ৰতিভূ ৰাভা মতলব বাজী পাশা খেলৰ পটা গুটিত পৰিণত হব।

আমি জানো যে বিষ্ণুৰাভাৰ আভা চিৰ জ্যোতিষ্মান। গীতে-মাতে, নাটে-ভাটে, সাহিত্য-শিল্প-সংস্কৃতিয়ে আৰু সমাজ মুক্তিৰ সংগ্ৰামেৰে বিষ্ণুৰাভাই অসমৰ যুযুৎসু মানুহৰ ভাবি কালৰ দিগন্ত উদ্ভাসিত কৰি থৈ গৈছে। সেই ভাস্কৰ ভবিতব্যক বিভ্ৰান্তিৰ বোকা ছটিয়াই সহজে ম্লান কৰিব নোৱাৰে। মানুহ যিমানেই সচেতন হৈছে সিমানেই জ্যোতি-বিষ্ণুৰ অম্লান আলোকেৰে উজ্জ্বলি উঠিছে। ১০ হেজাৰ টকা মূৰৰ দাম ঘোষণা কৰি, গৰুৰ পঘাৰে বান্ধি আৰু নানা কাৰচাজীৰে প্ৰচাৰ-স্বীকৃতি আৰু প্ৰকাশৰ পৰা আঁতৰাই ৰাখিও বিষ্ণুৰাভাক জনতাৰ পৰা আঁতৰাই ৰাখিব নোৱাৰিলে। বৰঞ্চ জনতাৰ অপ্ৰতিৰুদ্ধ বিষ্ণু প্ৰেম দেখি শাসক শোষক বুৰ্জোৱা সামন্তহঁত শংকিত হৈ পৰিল। এসময়ত বিহুক লেইলেই ছেইছেই কৰাহঁত, জ্যোতি প্ৰসাদৰ 'জয়মতী'ত গ্ৰাম্য গীত-মাত নাচ দেখি অৰ্বাচীন অপাংক্তেয় জ্ঞান কৰি জ্যোতি প্ৰসাদক ঋণগ্ৰস্ত হবলৈ এৰি দিয়া সকল আৰু বিষ্ণু ৰাভাক 'লেতেৰা কমিউনিষ্ট' বুলি উপহাস কৰাহঁতে নাকটো মোহাৰি নতুন কায়দা উলিয়ালে।

অনাৰ্যৰ দেৱতা সৰ্প বাঘৰ ছাল ভষ্ম পৰিহিত শিৱক আৰ্যীকৰণ কৰি কপট আৰু তোষামোদৰ পথ লবলৈ এসময়ত বাধ্য হোৱাসকল আজি বিষ্ণুক বৰ ঘৰত সোমাবলৈ আৰু জ্যোতি-বিষ্ণুক আপোন বুলি দেখুৱাবলৈ বিবৰ্তিত বাস্তৱতাত বাধ্য হৈছে। তাহাঁতৰ বহুতেই প্ৰকৃত ৰাভাপ্ৰেমী সকলতকৈ দুখোজ আগবঢ়া আৰু তেৰাসবৰ ৰাভাপ্ৰীতি পানী নসৰকা, তাংকা আৰু নিভাঁজ বুলি প্ৰদৰ্শন কৰিবলৈ সততে তৎপৰ হোৱা দেখা গৈছে। মাৰ্ক্সৰ নাম লৈয়েই যে মাৰ্ক্সবাদক হত্যা কৰাৰ চক্ৰান্ত চলোৱা হৈছে বুলি লেনিনে কোৱাৰ দৰে বিষ্ণুৰাভাৰ পূজা কৰি সেই বিষ্ণুৰাভাক তেওঁৰ বুকুৰ কুটুম, হিয়াৰ কহিনুৰ ৰাইজ সকলৰ পৰা বিচ্ছিন্ন কৰি নিয়াৰ ষড়যন্ত্ৰ চলিছে তাক সহজে লক্ষ্য কৰা যায়। সেয়ে এসময়ত ৰাভাৰ নিৰ্যাতনকাৰীহঁত আৰু আজিৰ সমন্বয়-সম্প্ৰীতি, ঐক্য-ভাতৃত্ববোধৰ হত্যা-কৰীহঁতক ৰাভা পূজাত উঠি পৰি লগা দেখা হৈছে- যেন ৰাভা তাহাঁতৰ আদৰ্শৰ বাপতিসাহোনহে। এতএব আজিৰ ফাকি-প্ৰবঞ্চনা-কপটতা-কৃত্ৰিমতা আৰু মতলব-বাজীৰ ভুৱা-ভাবনাৰ মাজৰ পৰা প্ৰকৃত বিষ্ণুৰাভাক উদ্ধাৰ কৰিব লাগিব। আকাশৰ দৰে উদাৰ, বতাহৰ দৰে গতিশীল, লুইতৰ দৰে বিশাল, দধীচিৰ দৰে ত্যাগী সূৰ্যৰ দৰে তেজী আৰু পৃথিৱীৰ দৰে সৃষ্টিশীল সব্যসাচী বিষ্ণুৰাভাক জনতাৰ মাজত জীয়াই ৰাখিব লাগিব- যাক লৈ জনতা হব চিৰউদ্দীপিত, জাগ্ৰত আৰু সংগ্ৰামী।

চলিত বছৰৰ বিষ্ণুৰাভা দিৱস পালনৰ তিনিটা অনুষ্ঠানলৈ গৈ এফালে বিষ্ণুপ্ৰীতিৰ আন্তৰিকতা আৰু আনফালে বিষ্ণুপ্ৰীতিৰ নামত সস্তীয়া ৰাজনীতি কৰাও আমাৰ দৃষ্টিগোচৰ হ'ল। আমাৰ নিজা ঠাইত যোৱা কেইবছৰ জ্যোতি-বিষ্ণু দিৱস ঐক্যবদ্ধ ভাবেই পালন কৰি অহা হৈছিল। কিন্তু এই বছৰ হঠাৎ দেখা গ'ল মূল অনুষ্ঠানৰ পৰা জাতিবাদীহঁত আঁতৰি আহি সুকীয়াকৈ ৰাভা দিৱস পাতিলে। কাৰণ নিৰ্বাচনত জিকি হয়তো তেওঁলোকে অধিক বিষ্ণুপ্ৰেম দেখুৱালে। দ্বিতীয়খন অনুষ্ঠানত দেখা গ'ল যে উদ্যোক্তাসকলে সৎ উদ্দেশ্যেৰে বহল ভিত্তিত বক্তা নিমন্ত্ৰণ কৰাৰ এনে স্থানীয় প্ৰতিক্ৰিয়া হ'ল যে ছপা চিঠিকেই বিলোৱা নহ'ল আৰু মোৰ বাহিৰে প্ৰায়বোৰ বক্তাই নগ'ল। যিসকল গৈছিল তেওঁলোকেও আলোচনাচক্ৰ বৰ্জন কৰাত শূন্য সভাগৃহ দেখি উভতি গ'ল। মই অৱশ্যে সাহসেৰে উপস্থিত থাকি ৰাজহুৱা সভাৰ নিৰ্দিষ্ট বক্তা হ'লো। তৃতীয়খন অনুষ্ঠানৰ মুৰব্বীয়ে বোলে ২০ জুনৰ পিছত কিহৰ ৰাভাৰ দিৱস (তাৰিখটো লোৱা হৈছিল ২৩-৬-৯১) বুলি ধমক দি টকা পইছা দিবলৈকেই অমান্তি হ'ল। তথাপি উদ্যোক্তাসকলে চিঠি লিখু কৰি অনুষ্ঠান পাতিলে। মুৰব্বী মহাশয় পিছে নাহিল। মই গৈ উপস্থিত হ'লো আৰু ঠাইখনত ঐতিহাসিক অনুষ্ঠান এটা হ'ল।

এনেবোৰ কান্ডক প্ৰকৃত বিষ্ণুপ্ৰীতি নুবুলি সংকীৰ্ণ ৰাজনীতি বুলিব লাগিব। কেৱল ২০ জুনহে বিষ্ণু সোঁৱৰণীৰ দিন অন্যদিন এহোবাহ্য ধৰণৰ ধাৰণা বিষ্ণু দ্ৰোহৰেই নামান্তৰ মাথোন। এনে ধৰণৰ কুমতলবী ধ্যান-ধাৰণাৰে প্ৰকৃত বিষ্ণু ৰাভা চৰ্চা অসম্ভৱ আৰু তেনে বিষ্ণু পূজাৰে ৰাভা প্ৰতিভাক বিকৃত কৰাহে হৈছে। গতিকে বৃহত্তৰ জন স্বাৰ্থৰ প্ৰকৃত জনতাৰ দৰবাৰত বিষ্ণুৰাভাক প্ৰতিষ্ঠা কৰিব লাগিব। বুৰ্জোৱা সামন্তৰ বাৰোৱাৰী ৰাভা পূজাৰে ৰাভাৰ হত্যা আৰু জনবঞ্চনা কৰাহে হৈছে। ☐



গ্ৰন্থজগত

নলিনীধৰ ভট্টাচাৰ্য

# উপন্যাসত সহজ সুন্দৰ

সুপৰিচিত গল্প লেখক অতুলানন্দ গোস্বামীৰ 'নামঘৰীয়া' আকাৰত সৰু হ'লেও, ওজনত গধুৰ। উপন্যাসিকাখনৰ ঘাই চৰিত্ৰ 'নামঘৰীয়া',- এই চৰিত্ৰটোৰ নাম অনুসৰিয়েই উপন্যাসিকাৰো নাম 'নামঘৰীয়া' হৈছে। চৰিত্ৰটোৰে তাৰ হৃদয়ৰ নিৰ্মলতা, সহজ প্ৰাণময় উত্তাপৰ বলত গোটেই গাঁওখনৰে বিবেক আৰু মধ্যমণি হৈ পৰাৰ যি অন্তৰংগ বৰ্ণনা দিয়া হৈছে সি হৃদয়স্পৰ্শী। উপন্যাসিকাত বহুতো চৰিত্ৰৰ সমাবেশ ঘটিছে যদিও, সেইবোৰ দেখ নেদেখ, মঞ্চত ওলায় আৰু সোমায়, খন্তেকপৰ থিয় দি 'নামঘৰীয়া' চৰিত্ৰৰহে উজ্জ্বলতা বঢ়ায়। লেখকৰ স্মৃতি আৰু অভিজ্ঞতা ইয়াৰ উপাদান; অসমৰ গাঁওবোৰত এতিয়াও কিছু পৰিমাণে জীৱন্ত হৈ থকা সৰু সৰু মানুহৰ সহজ সুন্দৰ জগতখনৰ মানৱীয় তাৎপৰ্যখিনিলৈ লেখকে আমাক আঙুলিয়াই দেখুৱাইছে। নামঘৰীয়াৰ মাজত যি আত্মীয়তাবোধ বা প্ৰতিবেশীবোধৰ স্বচ্ছন্দ ৰূপ ফুটি উঠিছে, সেই ৰূপ, মধ্যবিত্তৰ নিয়ন্ত্ৰিত আৰু বিচ্ছিন্ন হৃদয়ে কেতিয়াবাই হেৰুৱাই পেলাইছে। মানৱীয় সম্পৰ্কৰ এই ক্ষতি অত্যন্ত হৃদয়বিদাৰক আৰু সামাজিক প্ৰগতিৰ পৰিপন্থী। উপন্যাসিকাত অকণমান সময়ৰ বাবে দেখা দিয়া ডাক্তৰৰ চৰিত্ৰটোৱে নামঘৰীয়াৰ পৰা যেন তাকেই শিকিছে, - এনে অনুমান হয়। লেখকৰ ভাষাৰ গুণত শিলৰ গোঁসায়ো এটা চৰিত্ৰ হৈ উঠিছে; তেওঁ যেন বিশ্ব জগতৰ মংগল-বিধানৰ হৰ্তা-কৰ্তা; সদয় মৌন অথচ ৰহস্যময় ভাবে মানুহৰ ভাল-মন্দৰ গৰাকী। নামঘৰীয়াই এওঁৰে পৰিচৰ্যা কৰে, কিন্তু তাতেই তেওঁৰ কৰ্তব্য শেষ নহয়। আচলতে, ৰাইজৰ পদধূলি হৈ ৰাইজৰ সেৱা কৰাই যে ঈশ্বৰৰ সেৱা- এই সহজ বিশ্বাসত অচল-অটল নামঘৰীয়া। তেওঁৰ মানত মানৱ কল্যাণেই প্ৰকৃত ধৰ্ম। ডাক্তৰ আৰু তেওঁৰ মাজত হোৱা কথোপকথনৰ পৰাই এই কথা ধৰিব পাৰি। ডাক্তৰে যেতিয়া ক'লে, "আপোনাৰ বাবেই বোলে গাঁওখনৰ ইমান বান্ধ"- তেতিয়া স্বভাৱবিনয়ী নামঘৰীয়াই নিজৰ এই প্ৰশংসা ভাল পোৱা নাই, সিও যেন শিলৰ গোঁসাইৰহে কামঃ

"লাহে লাহে ডাক্তৰ বোপা, সৌজনাই মণিকূটৰ পৰা শুনি আছে। বুলিব, এই নিধকবোৰলৈ চা, মোৰ কামকে নিজৰ বোলে। যি হৈছে ডাক্তৰ বোপা, সকলো তেওঁৰে কাম.........।"

"সেইটো হয় নে নহয় নেজানো। মোৰ কিন্তু শিলৰ মূৰ্তিত সিমান বিশ্বাস নাই।"

"ঠিকেই কৈছে, মোৰ হবলা আছে? কোনোবা খনিকৰে শিল এডোখৰ কাটি, চুচি-মাজি বংশীগোপাল এজনা সজালে, তেৱেঁ আচল বংশীগোপাল হব পাৰেনে?"

"আপুনিও সেইদৰেই ভাবে নেকি?"

"ভাবোতো আকৌ। পিছে বৰ আমনি কৰে বোপা কেতিয়াবা তেওঁ। ........ উপায় নাপাই উবুৰি খাই পৰোগৈ সৌখিনিতে। তেতিয়াহে ভেকাহি এটা বাজি উঠে বুকুত বোলে কুকুৰ-ধূলি নামঘৰীয়া, তই ৰাইজৰ ভৰিৰ ধূলি হৈ থাক। তাতকৈ নুধাবি। ......

আধুনিক শিক্ষা আৰু জীৱনৰ সংবাদ নৰখা, যন্ত্ৰ-সভ্যতাৰ মন্ত্ৰ নুবুজা, মুখে-পেটে এটা এই চৰিত্ৰৰ হোজা, সৰল অথচ 'আত্মবৎ সৰ্বভূতেষু' ৰূপ নিশ্চয় আকৰ্ষণীয়। সৰল গ্ৰাম্য জীৱনতেই মানুহৰ হৃদয় এনে সহজ পৰিপক্কতা অৰ্জন কৰিবলৈ সুযোগ পায়। এই পৰিপক্কতাৰ ফল স্বৰূপেই শিলৰ গোঁসাইৰ পূজাতকৈও মানুহৰ পূজাত দেহ-মন অৰ্পি দিব পাৰিছে নামঘৰীয়াই। তেওঁৰ মানৱীয় ভূমিকা বহুদূৰ বিস্তৃত, নিজৰ সুখ-দুখৰ কাৰণে তেওঁ অলপো চিন্তান্বিত নহয়। দৰিদ্ৰ বাখৰক উপাৰ্জনৰ বাট দেখুওৱা আৰু তাক প্ৰলোভনৰ পৰা ৰক্ষা কৰা, চোৰ ৰুদ্ৰক কাম কৰি খাবলৈ উদগনি দিয়া, সামৰ্থ্যহীন খেতিয়ক জয়দ্ৰথ, সনাতনৰ মাটি ট্ৰেক্টৰেৰে চহোৱা, মালতী বুঢ়ীক শুশ্ৰূষা কৰা আৰু তাইৰ ইচ্ছানুযায়ী মাটি আৰু সাঁচতীয়া ধন ৰাজহুৱা কামত দান দিয়াৰ দায়িত্ব লোৱা, ঠানুৰ মদপান আৰু তাৰ পাৰিবাৰিক সংকটৰ কথা চিন্তা কৰা, নৱৰ হবলগীয়া বিয়াৰ ঘটকালি কৰিও সেই বিয়া বন্ধ কৰা, গাঁওখনৰ সবাহ-ভাওনাৰ পৰা বিহু সন্মিলনীলৈকে আটাইবোৰতে গুৰি ধৰা, নেতৃস্থানীয় সৰু গোঁসাইক শ্ৰদ্ধ কৰা আৰু তেওঁৰ পঁয়া লগা ছোৱালীজনীৰ দুখত কাতৰ হোৱা, বিহু সন্মিলনীৰ উখাপ্থপত ল'ৰাহঁতে বয়সীয়া সকলক শ্ৰদ্ধা জনোৱাৰ পৰম্পৰা ত্যাগ কৰা দেখি অসন্তুষ্ট হোৱা- এনেবোৰ কাম আৰু আচৰণত নামঘৰীয়াৰ আপোনভোলা স্বভাৱ আৰু তেওঁৰ হৃদয়ৰ সহজ উত্তাপ অনুভৱ কৰিব পাৰি। গাঁওখনৰ ডেকা-গাভৰু, বুঢ়া-বুঢ়ীৰ সহজ, প্ৰকৃতি-লালিত, জীৱন-যাপনৰ মূৰ্ত প্ৰেৰণা সেই নামঘৰটো আৰু তাৰ ৰখীয়া সেই নামহীন গোত্ৰহীন অথচ উদাৰচৰিত হৃদয়বান নামঘৰীয়াক কেন্দ্ৰীয় চৰিত্ৰ হিচাপে লৈ যি মানৱীয় তাৎপৰ্যৰ বৃত্ত ঘূৰিছে, তাকে লৈ এই উপন্যাস (উপন্যাসিকা) সম্ভৱ হৈ উঠিছে। জটিলতা যেন ক'তো নাই, সহজ সুন্দৰ, শিলৰ গোঁসাইৰ বিশ্ব বিধানত সকলো বিশ্বাসী।

অৱশ্যে, জটিলতা যে একেবাৰে অহা নাই, এনে নহয়। আহিছে। গাঁৱত ট্ৰেক্টৰ চলিছে, কিন্তু যাৰ পইছা আছে, সিহে ট্ৰেক্টৰ কামত লগাব পাৰিছে। যাৰ নাই, সি পৰা নাই। সেইদৰে, জাহাজঘাটত কাম কৰা গাঁৱৰ ডেকা ঠানুৱে মদ খাই নোহোৱা-নোপোজা কাম কৰিছে আৰু তাৰ ঘৈণীয়েকে তাক এৰি পূৰ্বপ্ৰেমিকৰ ওচৰলৈ



OKDISCD

গুচি গৈছে। নবলৈ বন্দৱস্ত কৰা ছোৱালী মুছলমান ডেকাৰ লগত পলায়ন কৰিছে। বিহুৱে-সংক্ৰান্তিয়ে পৰম্পৰাগত ভাল নীতিখিনি ডেকাইঁতে ত্যাগ কৰিছে। নামঘৰীয়া যিদৰে ঈশ্বৰ বিশ্বাসী, ডাক্তৰ আকৌ তেনেদৰে বিশ্বাসী নহয়। হেমকান্তই বাঁহ বিক্ৰী কৰিছে পেপাৰ মিলক- নামঘৰত জেওৰা দিবৰ বাবে এটা বাঁহো দিব খোজা নাই। মালতী বুঢ়ীৰ মৰণ কালত ক'ৰবাৰ পৰা অচিনাকি ডেকা আহি উপস্থিত হৈছেহি, নৰীয়া পাটীত বুঢ়ীক ডিঙিত ধৰি নিৰ্মম ভাবে সুধিছে- ক'ত থৈছ টকা বুঢ়ী ক। বানপীড়িত মানুহলৈ দিয়া বস্তু আত্মসাৎ কৰিছে বিলনীয়া আমোলাই।

কিন্তু নামঘৰীয়াই এইবোৰ দেখি-শুনিও প্ৰতিবাদ কৰা নাই; কিয়নো তেওঁ তেনে কৰিব নোৱাৰে। আত্মিক পথেৰেই তেওঁ দুই এটা সমস্যাৰ সমাধান কৰিবলৈ চেষ্টা কৰিছে, কিন্তু সকলোতে কৃতকাৰ্য হোৱা নাই। বস্তুৰ পথ সম্বন্ধে তেওঁ সজাগ নহয়, সংকটবোধ তেওঁৰ নাই– বিধাতাৰ বিশ্ব-বিধানত তেওঁৰ আস্থা প্ৰবল। মৃত্যুৰ আগে আগে তেওঁ জগন্নাথ ক্ষেত্ৰলৈ যাওঁ বুলিও উভতি আহিল, কিয়নো, জগতখনেই আপোন এই উপলব্ধিৰ বাবে দূৰণিৰ তীৰ্থৰ প্ৰয়োজন নাই, ওচৰৰ শিলৰ বংশীগোপালৰ নামঘৰে যথেষ্ট। আগন্তুক ভয়ানক ৰূপত জটিলতাৰ পৰা সম্পূৰ্ণ মুক্ত নামঘৰীয়াৰ নমস্কাৰ যে ক্ৰমাৎ ব্যৰ্থ হৈ আহিছে সেই কথা নুবুজাকৈয়ে নামঘৰীয়াৰ মৃত্যু হ'ল। এটা সহজ, সৰল মানৱীয় সৌন্দৰ্যৰ এনেকৈয়ে ওৰ পৰিল। অমংগলবোধৰ পৰা মুক্ত আছিল নামঘৰীয়া, কাৰণ তেওঁৰ বিশ্বাস পথভ্ৰষ্ট সকলকো শিলৰ গোঁসায়ে ক্ষমা কৰিব আৰু পথ দেখুৱাব। বিধাতাৰ মংগল-বিধানৰ ওপৰত এই সহজ আস্থা মানসিক স্বাস্থ্যৰ লক্ষণ– গোস্বামীয়ে হয়তো এনে এক উপলব্ধিকে 'নামঘৰীয়া' চৰিত্ৰৰ মাজেদি ব্যঞ্জনা কৰিছে।

তথাপি, এটা প্ৰশ্ন থাকি যায়। এই সহজ হৃদয়-চৰ্চা, এই সৰল আত্মীয়তাবোধ মানৱীয় সঁচা, কিন্তু যি ধনতান্ত্ৰিক ভাব-চিন্তাই সেই গাঁওখনৰ মানুহৰ পৰম্পৰাগত মানৱীয় ৰুচি আৰু স্বভাৱজাত প্ৰতিবেশীবোধক গ্ৰাস কৰিব খুজিছে, তাৰ পৰা মানুহক ৰক্ষা কৰিবলৈ নামঘৰীয়াৰ ভূমিকাত সংকটবোধৰ সৃষ্টি কৰি পটভূমি অধিক বিস্তৃত কৰাৰ থল জানো নাছিল? আমাৰ বোধেৰে, লেখকৰ সেইটো উদ্দেশ্য নহয়, কাৰণ, 'নামঘৰীয়া' চৰিত্ৰৰ সহজ দীপ্তিত অমংগলবোধ বা অশুভ শক্তিৰ ধাৰণাৰ উদ্ভৱ হোৱাৰ সম্ভাৱনা ক্ষীণ। নামঘৰীয়াৰ জগত ক্ষুদ্ৰ, সহজ আৰু সাধাৰণ, সেই জগতৰ স্বচ্ছন্দ্য মহিমা আৰু ঘূৰি নাহে। এটা সহজ সুন্দৰ যুগৰ বেলি মাৰৰ কৰুণ চিত্ৰ হিচাপে এই সৰু উপন্যাসখন আমাৰ সাহিত্য জগতলৈ এটি সাৰ্থক অৱদান।

পুথিখনৰ ছপা বন্ধা ৰুচিকৰ; শিল্পী বেণু মিশ্ৰৰ বেটুপাতৰ কল্পনা মনোৰম। বৰ্ণাশুদ্ধি দুই-এটা আছে যদিও কম। সহৃদয় পাঠকে ইয়াত ব্যঞ্জনা-দীপ্ত প্ৰকাশ-ভংগী আৰু উপলব্ধিৰ ঐশ্বৰ্য দুয়োটাকে বিচাৰি পাব।

**নামঘৰীয়াঃ অতুলানন্দ গোস্বামী**
*প্ৰকাশকঃ হীৰেণ ভট্টাচাৰ্য*
*পৰিবেশকঃ জ্যোতি প্ৰকাশন*
*পানবজাৰ*
*গুৱাহাটী-১*

# উপন্যাসৰ সমালোচনাঃ এটি তাত্ত্বিক দৃষ্টিকোণ

ড০ কৃষ্ণ কুমাৰ মিশ্ৰৰ সদ্য-প্ৰকাশিত পুথি "বিৰিঞ্চি কুমাৰ বৰুৱা আৰু প্ৰফুল্ল দত্ত গোস্বামীৰ উপন্যাস" পাশ্চাত্য সমালোচনা-তত্ত্বৰ এটা বিশেষ উল্লেখ-যোগ্য দিশৰ সাৰ্থক বিশ্লেষণ। অকল বিশ্লেষণেই তেওঁৰ উদ্দেশ্য নহয়, এই বিশ্লেষণৰ আধাৰত তেওঁ কেইখনমান অসমীয়া উপন্যাসৰ ৰচনা-ৰীতিতো আলোকপাত কৰিছে আৰু লগতে অসমীয়া সমালোচনা-সাহিত্যৰ ক্ষেত্ৰ প্ৰশস্ত কৰি এটা নতুন মাত্ৰা সংযোগ কৰিছে। সেই ফালৰ পৰা পুথিখন মূল্যবান সংযোজন আৰু উদীয়মান সমালোচকৰ বাবে প্ৰেৰণাৰ উৎসও। লেখকে ইয়াত পৰম্পৰাগত আৰু আধুনিক উপন্যাসৰ ৰচনা শৈলীৰ তত্ত্বগত ভাবে পাৰ্থক্য ক'ত তাৰ বিশ্লেষণ কৰিছে আৰু তাৰ পোহৰত বিৰিঞ্চি কুমাৰ বৰুৱা আৰু প্ৰফুল্ল দত্ত গোস্বামীৰ উপন্যাসৰ ৰচনা-ৰীতিৰ বৈচিত্ৰ্য দেখুৱাইছে। বৰুৱাৰ উপন্যাস পৰম্পৰাগত আৰু আনহাতে, গোস্বামীৰ শৈলী আধুনিকতাবাদী। লেখকে এনে এক সিদ্ধান্তলৈ আহিছে। ইতিপূৰ্বে ড০ হীৰেন গোঁহাই, ড০ গোবিন্দ প্ৰসাদ শৰ্মা আদিয়ে এই বিশেষ তত্ত্বৰ আলোচনা কৰিছে যদিও পুথি আকাৰত ড০ মিশ্ৰই সকলোখিনি কথা সু-শৃংখলভাবে উপস্থাপন কৰি আমাৰ শলাগৰ পাত্ৰ হৈছে।

লেখকে দাঙি ধৰা তত্ত্বৰ মূল স্বাভাৱিকতে পাশ্চাত্যৰ; লেখকে সেই তত্ত্বৰ বা পদ্ধতিৰ উদ্ভাৱন কেতিয়া কেনেকৈ হ'ল, তাৰ বৈশিষ্ট্যনো কি তাৰ বিষয়ে প্ৰথমতে সম্যক আলোচনা কৰি আমাক পৰম্পৰাগত আৰু আধুনিক উপন্যাসৰ প্ৰভেদ বিতংভাবে দেখুৱাইছে। পিছৰ অধ্যায়বোৰত ক্ৰমে বৰুৱা আৰু গোস্বামীৰ পুথি কেইখনৰ অনুপুংখ আলোচনা আছে। নক'লেও হব যে, আলোচনাৰ আধাৰ হ'ল সেই তাত্ত্বিক দৃষ্টিকোণ। ইয়াৰ পিছত দুয়োজনৰ উপন্যাসৰ তুলনামূলক আলোচনা এটি দিয়া হৈছে। সামৰণিত মূল বৈশিষ্ট্যসমূহৰ চমু বিবৰণ আছে। এইবোৰৰ মাজেদি এটা কথা স্পষ্ট হৈছে যে গোস্বামীৰ 'শেষ ক'ত' আৰু 'কেঁচাপাতৰ কঁপনি' আধুনিক উপন্যাস আৰু তেওঁ সচেতন ভাবেই উপন্যাসত এই শৈলী প্ৰয়োগ কৰি অসমীয়া সাহিত্যত আধুনিক উপন্যাসৰ বাটকটীয়া হৈছে। সেইদৰে বৰুৱাৰ 'জীৱনৰ বাটত' আৰু 'সেউজী পাতৰ কাহিনী'– এই উপন্যাস দুখন পৰম্পৰাগত উপন্যাস আৰু এই পৰম্পৰাগত শৈলীৰেই উপন্যাস দুখনত তেওঁ ব্যাপক অভিজ্ঞতা আৰু গভীৰ অন্তৰ্দৃষ্টিৰ ব্যঞ্জনা কৰিবলৈ সমৰ্থ হৈছে।

আধুনিক উপন্যাস বুলিলে কি বুজায়? লেখকে এই কথা আলোচনা কৰি দেখুৱাইছে যে, ই সাহিত্যৰ এটা বিশেষ প্ৰকৃতিলৈহে আঙুলিয়ায়। উপন্যাসিকে যদি সেই বিশেষ প্ৰকৃতি ফুটাই তুলিব নোৱাৰে, তেন্তে সমসাময়িক হৈও আধুনিক উপন্যাসৰ নিৰ্মাতা হব নোৱাৰে। লেখকে ভাৰ্জিনিয়া উল্‌ফৰ উপন্যাসৰ আলোচনা কৰি আধুনিক উপন্যাসৰ প্ৰকৃতিৰ এটি ধাৰণা দিবলৈ যত্ন কৰিছে। এই নতুন সংজ্ঞানুযায়ী পৰম্পৰাগত উপন্যাসৰ সুসংহত কাহিনীৰ ঠাইত বিচ্ছিন্ন ঘটনা, সৰলতাৰ ঠাইত জটিল উপস্থাপন। কাহিনীৰ ধাৰাবাহিকতাৰ ঠাইত আপাতবিচ্ছিন্নতা; এটি বিষয়ৰ ঠাইত বিচিত্ৰ বিষয়, নাটকীয় পৰিস্থিতিৰ ঠাইত কাব্যিকতা আদি আধুনিক উপন্যাসৰ বিশিষ্ট লক্ষণ। পৰম্পৰাগত উপন্যাসত বিষয়ৰ 'ৰাজহুৱা' ৰূপ থাকে, অৰ্থাৎ ঘটনাৰ



তাৎপৰ্য সকলোৰে বোধগম্য হয়; কিন্তু আধুনিক উপন্যাসৰ বিষয় ব্যক্তিগত– অৰ্থাৎ জটিল। ইয়াৰ কাহিনী বাহিৰত নঘটে, ঘটে চৰিত্ৰৰ মনৰ ভিতৰত। চৰিত্ৰসমূহৰ মাজত স্নায়ুৰোগগ্ৰস্ততা, বৰ্তমান সম্বন্ধে সচেতনতা বা সামাজিক আচাৰ-অনুষ্ঠান সম্বন্ধে বিৰোধিতা বা উদাসীনতা দেখা দিব পাৰে। আংগিকৰ ক্ষেত্ৰত চেতনা-প্ৰবাহ আৰু অস্তিত্ববাদী দৰ্শনৰ প্ৰয়োগ এই ধৰণৰ উপন্যাসৰ ঘাই লক্ষণ। এইবোৰৰ উপৰিও অন্যান্য ভালেমান লক্ষণৰ কথা লেখকে নতুন সমালোচকসকল আৰু পাশ্চাত্যৰ অন্যান্য খ্যাতনামা সমালোচকৰ উদ্ধৃতি দি বহলাই ব্যাখ্যা কৰিছে।

এই তত্ত্বৰ সীমাবদ্ধতা আছে। লেখকে তাৰ কথা বিশদভাবে আলোচনা কৰা নাই। উপন্যাসৰ দুটা ধাৰা বোধহয় টলষ্টয় আৰু ডষ্টভয়েস্কিয়েই আৰম্ভ কৰিছিল। আধুনিক উপন্যাসক ডষ্টভয়েস্কিৰ ধাৰাৰ ভিতৰুৱা বুলি ধৰিব পাৰি, কিন্তু আধুনিক উপন্যাস সম্পূৰ্ণভাবে 'Journey to the self' হৈ পৰাত ডষ্টভয়েস্কিৰ ধাৰণাৰ পৰা কিছু আঁতৰি আহিল। এই আত্মমুখী যাত্ৰাৰ কাৰণ নোহোৱা নহয়, কিন্তু মনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া বাস্তৱ নিৰপেক্ষ হব নোৱাৰে। লেখকে দেখুৱাইছে যে আধুনিক উপন্যাসৰ চৰিত্ৰৰ ঘাই বৈশিষ্ট্য নিঃসংগতাবোধ বা বিচ্ছিন্নতাবোধ। বিচ্ছিন্নতাবোধৰ নো উৎপত্তি ক'ত? ধনতন্ত্ৰৰ ইয়েই ডাঙৰ অভিশাপ। মানুহ, ইজনৰ পৰা সিজন আঁতৰি গৈছে আৰু এই বিচ্ছিন্নতাই বোধৰ আকাৰ লৈছে মনৰ গহনত। অস্তিত্ববাদী সকলে যি বিচ্ছিন্নতাৰ কথা কয়, সি সম্পূৰ্ণ আত্মিক। ইয়াত বিচ্ছিন্নতাৰ কাৰণ আৰু প্ৰতিক্ৰিয়া সত্তাৰ গভীৰত নিহিত হৈ থাকে, বাহিৰত তাৰ প্ৰকাশ নঘটে। পোৰণি হয় ভিতৰত, তাৰ বাবে আত্মজিঘাংসাৰ মনোবৃত্তিও প্ৰকাশ পায়। আজিৰ মানুহে সত্য-সন্ধানৰ সততা হেৰুৱাইছে, 'authentic existence' নাইকিয়া হৈছে, কিন্তু সেই বুলি মানুহে অসহায় বোধ কৰিব নে? বহুতো আত্মিক মৃত্যু নাইকিয়া কৰিবনে, দৈহিক মৃত্যু ভাবনাত অহৰহ কষ্ট পাবনে? জীৱনৰ সত্যৰ ওপৰত মানুহৰ অধিকাৰো আছে। জীৱন দুঃসহ হ'লেও তাক সুসহ কৰাটোহে মানুহৰ ধৰ্ম। তাৰ বাবে লাগে প্ৰেম অকপট সম্পৰ্ক আৰু মৃত্যু ভয় হীন চৰিত্ৰ।

শ্ৰেষ্ঠ পৰম্পৰাবাদী উপন্যাস সমূহত বোধহয় এনে এক দৃষ্টিভংগীয়েই প্ৰত্যক্ষ বা পৰোক্ষভাবে দাঙি ধৰা হৈছে। বিৰিঞ্চি বৰুৱাৰ 'তগৰ' চৰিত্ৰৰ বিগত যুগৰ যি সহজ সততা প্ৰকাশ পাইছে, তাৰ তুলনাত কমলাকান্তৰ নতুন যুগৰ হৃদয়হীনতা নিষ্প্ৰভ; ঔপন্যাসিকৰ সহানুভূতি তগৰৰ পিনেই– সিয়েই তেওঁৰ মানসিক দৃষ্টিভংগীও। সেই দৰে 'সেউজী পাতৰ কাহিনী'ও ছনিয়াই যুগৰ ছলনা, মিথ্যাচাৰ আৰু আত্মপ্ৰতাৰণাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছে। সাহিত্য-বহিৰ্ভূত কথাবোৰেই সাহিত্যৰ মহত্ব নিৰ্ণয় কৰে, যদিওবা সাহিত্য সাহিত্য হৈছে নে নাই সেই কথা সাহিত্য-বিচাৰৰে ভিতৰুৱা। এই কথা এলিয়টৰ। ৰবীন্দ্ৰনাথেও এনে ধৰণৰ কথাকে কৈ গৈছে। দুখ আৰু পাপ আছে বুলিয়েই জীৱনক অস্বীকাৰ কৰিব লাগিব এনে কোনো কথা নাই। বিৰিঞ্চি বৰুৱাৰ উপন্যাসৰ তাৎপৰ্য তাতেই। প্ৰফুল্ল দত্ত গোস্বামীৰ উপন্যাস দুখনৰ ঘাই চৰিত্ৰ নব আৰু উৎপল বহু পৰিমাণে নিজৰ চিন্তা ভাবনাৰ জগতখনতে আছে সঁচা, কিন্তু পৰোক্ষ ভাবে তাতো বস্তুনিষ্ঠ সত্য নোহোৱা নহয়। অৱশ্যে দুয়োটা চৰিত্ৰৰ আত্ম সংশোধনৰ থল আছিল। ওঠৰ-উনৈশ শতিকাৰ উপন্যাস পৰম্পৰাৰ বিৰোধী ভাৰ্জিনিয়া উল্‌ফৰ দৰে আধুনিক চেতনা-প্ৰবাহ সঞ্চাৰৰ বাবে সচেতন ভাবে সক্ৰিয় হোৱাতহে হয়তো চৰিত্ৰ কেইটাক লেখকে সেই সুযোগ নিদিলে। গোস্বামীৰ উপন্যাস পৰীক্ষামূলক, চৰিত্ৰবোৰ বিভিন্ন শ্ৰেণীৰ হ'লেও ঠায়ে ঠায়ে চেতনা-প্ৰবাহ কৌশল প্ৰয়োগ কৰি সিহঁতৰ একেডাল সূতাৰে গাঁথিবলৈ সমৰ্থ হৈছে। উপন্যাসৰ বিভিন্ন ঘটনাৰ যোগসূত্ৰ স্বৰূপ কেন্দ্ৰীয় চৰিত্ৰৰ মানসিক জগতৰ চিত্ৰ পৰিষ্কাৰ ভাবে আঁকিছে। কলাৰ ফালৰ পৰা সাৰ্থক হৈছে ঠিকেই, কিন্তু সেই কলাত্মক অন্তৰ্দৃষ্টিত ভৱিষ্যত অনুপস্থিত; কেন্দ্ৰীয় চৰিত্ৰ সমূহক কৃত্ৰিম ভাবে বাস্তৱৰ পৰা আঁতৰাই ৰখা হৈছে। জীৱন প্ৰক্ৰিয়া বাস্তৱৰ বৈচিত্ৰ্য আৰু সৌন্দৰ্যৰ ঠাইত প্ৰকাশ পাইছে সত্তাৰ গভীৰৰ দ্বন্দ্বৰ জটিলতা। চৰিত্ৰ সমূহে এই মানসিক দ্বন্দ্বকে নিজৰ স্মৃতিত লৈ যেন জীয়াই আছে। এই কথা ঠিক যে মানৱ ইতিহাসৰ এটা আৱশ্যকীয় স্তৰৰ উপলব্ধি ইয়াত আছে, কিন্তু সময়ক অনুভৱ কৰাত ক'ৰবাত যেন ত্ৰুটি ৰৈ গৈছে এনে অনুমান হয়। জীৱনৰ নিচেই ওচৰ চাপিও জীৱনত উদ্ভৱ হোৱা বিপদৰ সমুখীন নোহোৱাৰ বিবেক প্ৰবাহ গ্ৰহণ কৰা টান। তদুপৰি আধুনিকতাৰ অৰ্থ 'doctrine of despair' বুলি ক'লে শেষ কথা কোৱা নহয়। আচলতে সাময়িক ভাবে মানৱ সত্যৰ সন্ধানেই আধুনিকতা, মানুহে নৰকৰ ওপৰতো সাঁকো নিৰ্মাণ কৰি আগবাঢ়িব খোজে। এই সত্যতহে আধুনিকতা আছে।

এইবোৰ কথা প্ৰসংগ ক্ৰমে উল্লেখ কৰাৰ কাৰণ আছে। আমি জানো যে পাশ্চাত্য সমালোচনাৰ তৰংগাঘাতত ভাৰতীয় অলংকাৰ শাস্ত্ৰৰ তত্ত্বসমূহ এদিন অকামিলা হৈ গ'ল। এই ঐতিহাসিক অনিবাৰ্যতা স্বীকাৰ কৰি আমি পাশ্চাত্যৰ জিজ্ঞাসা প্ৰৱণতা বা সূক্ষ্ম বৌদ্ধিক অন্বেষণ সম্পৰ্কে আগ্ৰহ দেখুৱাবই লাগিব, কিন্তু পাশ্চাত্যৰ স্বপ্নেৰে আমাৰ মুক্তি হব বুলি ধাৰণা নহয়। সেইবাবে আমাৰো স্বতন্ত্ৰ জিজ্ঞাসাৰ প্ৰয়োজন আছে।

সি যি কি নহওক, ড০ মিশ্ৰৰ বিচাৰ পদ্ধতিৰ পৰিধিৰ ভিতৰত এইবোৰ কথা একেবাৰে অপ্ৰাসংগিক নহ'লেও আলোচ্য পুথিখনিত সাহিত্য বিচাৰৰ এটা বিশেষ প্ৰকৃতিৰ ওপৰত লেখকে গুৰুত্ব দিয়াত সেই পদ্ধতিৰ সীমাবদ্ধতাৰ প্ৰসংগটো স্বাভাৱিকতে বহল ভাবে আলোচনা কৰা নাই। সেইটো তেওঁৰ উদ্দেশ্যও নহয়। তেওঁৰ বিষয়-জ্ঞান পৰিষ্কাৰ, বিশ্লেষণো হৃদয়গ্ৰাহী। পুথিখনি পঢ়ি সাহিত্য-প্ৰেমীসকলে সমালোচনাৰ নতুন দিগন্তৰ আভাস পাব আৰু বিশ্ববিদ্যালয়ৰ অসমীয়া সাহিত্যৰ ছাত্ৰ-ছাত্ৰীয়েও বৌদ্ধিক জিজ্ঞাসাৰ বাবে প্ৰেৰণা লাভ কৰিব। ছপা প্ৰায় নিৰ্ভুল, বেটুপাত আকৰ্ষণীয়। আমি পুথিখনিৰ বহুল প্ৰচাৰ কামনা কৰিছো।

**বিৰিঞ্চি কুমাৰ বৰুৱা**
**আৰু**
**প্ৰফুল্ল দত্ত গোস্বামীৰ উপন্যাস**
ড০ কৃষ্ণ কুমাৰ মিশ্ৰ
*প্ৰকাশকঃ অজয় কুমাৰ দত্ত*
*ষ্টুডেন্টচ্ ষ্ট'ৰচ*
*কলেজ হোষ্টেল ৰোড,*
*গুৱাহাটী– ১*

# কবিতাৰ ভাগীৰথী

অসমীয়া সাহিত্য-সংস্কৃতিলৈ ড০ মহেশ্বৰ নেওগৰ মূল্যবান অৱদানৰ কথা সকলোৱেই জানে, কিন্তু কবিতা-নিৰ্মাণতো যে তেখেতৰ অনুৰাগ গভীৰ, সিও যে সাধনাৰ অংগ, সেই কথালৈ হয়তো

বহুতেই মন কৰা নাই। পাণ্ডিত্যৰ দীপ্তি তেখেতৰ পিছৰ জীৱনৰ কীৰ্তি, কিন্তু যৌৱন-কালত কাব্য-লক্ষ্মীৰ সৈতে তেখেতৰ কাব্য-সত্তাৰ যি প্ৰণয়-লীলা চলিছিল, তাৰ কথা অসমীয়া কাব্যৰ খবৰ ৰখা সকলে নিশ্চয় জানে। ৰবীন্দ্ৰ নাথে কৈছিল, কবিত্ব মানুহৰ প্ৰথম বিকাশৰ লাৱণ্য-প্ৰভাত। কবি নেওগৰ সেই লাৱণ্য-প্ৰভাতত বিকশি উঠা কবিতাখিনি সম্প্ৰতি নেওগ প্ৰকাশন ন্যাস পৰিষদে একেলগে থূপাই প্ৰকাশ কৰি ভাল কাম কৰিছে। ইয়াৰ যেনেকৈ ঐতিহাসিক মূল্য আছে, তেনেকৈ সমসাময়িক কাব্যিক পৰিমন্ডলত মুখৰিত হৈ উঠা আনুভূতিক জগতখনৰো ইংগিত আছে! পুথিখনৰ নাম ৰখা হৈছে 'ৰক্ত কমল'; এশ এটা কবিতাৰে সমৃদ্ধ এই পুথিৰ নামটোৱে আমাক মনত পেলাই দিয়ে ৰঘু চৌধাৰীৰ 'ফুলশয্যা'ৰ সেই বিখ্যাত শাৰীটোলৈ– 'সেয়ে মোৰ ফুল-শয্যা ৰক্ত কমলৰ/ ল'ম তাতে অনন্ত শয়ন।' নেওগৰ ৰক্ত কমলো যেন অন্তহীন বেদনাৰ প্ৰতীক, এনে অনুমান হয়। তলৰ পংক্তিটোৱে তেনে এটা সংকেতেই দিয়েঃ

যৌৱন-কস্তুৰী ফুটিল যিদিনা, জগত
আমোলমোল;
যেনি-তেনি লৰো, নাপাওঁ বিচাৰি স্নেহ-
যমুনাৰ কূল।
মৃগ-তৃষ্ণা খেদি মৰু জগতত মই ফুৰো মনে
মনে;
জগত চঞ্চল মোৰেই বীণৰ সুৰ শুনি ঘনে
ঘনে।

স্নেহ-যমুনাৰ কূল নেপাই, মৃগ-তৃষ্ণা দেখি মৰু জগতত ঘূৰি ফুৰা যৌৱনৰ বেদনাই কবিৰ সমল; 'ৰক্ত কমল'ৰ পাহিত বিচিত্ৰ ৰাগিণী বাজি উঠিলেও তাৰ ঘাই সুৰ বেদনাৰহে। 'গানৰ চৰাই' নামৰ কবিতাত কবি নিজেই হয়তো চৰাই; তাত তেওঁ নিজকেই প্ৰশ্ন কৰিছেঃ

ক'ত চাকত ঘূৰি ঘূৰি
ক'ত পথে লৰি লৰি
পাবি জানো সুৰ–
তোৰ আপোন সুৰ।

এই 'আপোন সুৰ'ৰ সন্ধান চলিছে ৰহস্যবাদত; সীমাৰ মাজত অসীমৰ, ৰূপৰ মাজত অপৰূপৰ খেলা চোৱাৰ আন্তৰিক আকূতি তেওঁৰ কেইবাটাও কবিতাত প্ৰকাশ পাইছে। সুৰটো সম্ভৱতঃ ৰাবীন্দ্ৰিক; আমাৰ নলিনীবালা, বৰকাকতীৰ কাব্য-স্মৃতিও সেই সুৰৰ উৎস হব পাৰে। বিশ্ব প্ৰকৃতিৰ সৰ্বত্ৰ সেই সুদূৰ সৌন্দৰ্যৰ আভাস বিচাৰি কবি 'ৰূপ-ভিক্ষাৰী'ৰ সাজত মানস-ভ্ৰমণ কৰিছে। কিন্তু, কবিৰ বেদনা আছে– অপ্ৰকাশ বেদনা, 'সেই সমস্ত আকৃতি প্ৰকাশৰ ক্ষমতা কবিৰ নাই। 'আত্মন'ৰ দৰে কবিতাত উপনিষদৰ মৰ্ম শুনা যায়। কবি হৈ উঠে 'বিৰাট'ৰ প্ৰেমিক। মৰ্ত্যৰ পখী আৰু দ্যুলোকৰ নিত্য সখা পখীটিৰ মিলনৰ কল্পনাত কবি বিভোৰ। এই ধাৰণাত উপনিষদৰ 'সুৰ্পনা-সযুজা'ৰ প্ৰতিধ্বনি আছে। কিন্তু পূৰ্ণ তৃপ্তি ক'তো নাই। এই স্বৰ্গীয় অতৃপ্তিৰ বেদনা নেওগৰ মিষ্টিক কবিতাবোৰৰ ঘাই প্ৰসংগ। সেয়ে তেখেত কয়ঃ 'মোৰ দুচকুৰ পানী/কবিতাৰ ভাগীৰথী, কল্পনা-কুঁৱৰী'। এই শোকৰ পৰাই শ্লোক হয়, এই শোকৰ বাবেই ধৰণী সুন্দৰ হৈ উঠে।

কিছুমান কবিতাত প্ৰকৃতিৰো বন্দনা আছে। 'আহিনৰ চাৰু শিল্প' কবিতাটো মনোৰম। আহিন শিল্পী, তাৰ ললিত শিল্পত নাচে অৰূপৰ ৰূপৰ সন্ধান। সেইদৰে 'মেঘ', 'বসন্তৰ বেইৰ তলত' আদি কবিতাতো প্ৰকৃতি আৰু কবিৰ মাজৰ অন্তৰংগতাৰ চিন আছে। আনহাতে ৰোমান্টিক প্ৰেমৰ কবিতাবোৰৰ ঘাই বিষয় বিৰহ; বিৰহ-বিচ্ছেদৰ অভিজ্ঞতাৰে কৰুণ সুৰ এটা ধ্বনিত হৈছে 'যৌৱনৰ ভুলৰ সপোনত'ঃ

কিন্তু আজি দুয়োটিৰ হিয়াৰ মাজত
পাৰ্থক্যৰ বহল সাগৰ
মিছা মৰীচিকা খেদি প্ৰেমৰ ধেমালি খেলি
নালাগেনে মনৰ ভাগৰ?

যি নয়নত সৰগৰ উষাৰ পোহৰ জ্বলে, তাত কিয় নৰকৰ বাসনা? কবিৰ এই উপলব্ধিৰ উৎস গভীৰ বেদনাবোধ। নৰকৰ শিখাৰ তাপত জঁয় পৰি যায় পৱিত্ৰ প্ৰেমৰ পাৰিজাত।

এনে ব্যক্তিগত বিষাদৰ উপৰিও স্মৃতিজনিত বিষণ্ণতাও নেওগৰ কবিতৰ উপাদান হৈছে। জীৱন আৰু জগত সম্বন্ধে কবিৰ আপোন সত্তাৰ নীৰৱ গুণ-গুণনিও অ'ত ত'ত শুনা যায়। ওমৰখায়ামৰ 'হিডনিজম্'ৰ কাৰণ যিয়েই নহওক, আমাৰ কবিয়ে ৰুটি, সুৰা আৰু কবিতা লৈ জীৱন কটাবলৈ নিবিচাৰে। কবিয়ে প্ৰশ্ন কৰিছেঃ

এহাতে এমুঠি অন্ন, আনহাতে ফেনিল
পিয়লা
বিস্মৃতিত সংসাৰ ভুলোৱা
এইদৰে যাব নেকি মানৱৰ সুন্দৰ জীৱন?

জীৱন সম্বন্ধে তেখেতৰ দৃষ্টিভংগীতো এটা বিষাদবোধ আছে যদিও জীৱনৰ মহত্বকো তেখেতে অস্বীকাৰ কৰা নাই। নাৰীৰ সৌন্দৰ্যৰো তেখেত স্তাবকঃ তুমি কোন সৌন্দৰ্যৰ মোহন স্বৰ্গৰ পৰা/ইন্দ্ৰজাল মেৰিয়াই খহি পৰা সন্ধ্যা তৰা"– এই উক্তিৰ কল্পনা হৃদয়গ্ৰাহী। 'ক'লী মেম' আৰু অন্ত্যজা– এই দুটা কবিতাত উপেক্ষিতা নাৰীৰ প্ৰতি কবিৰ সহানুভূতি উপচি পৰিছে। 'ক'লী মেম' কবিতাটোৱে ৰবীন্দ্ৰনাথৰ 'কৃষ্ণ কলি' নামৰ কবিতালৈ মনত পেলায়। 'জীৱনৰ অপমান' কবিতাত জীৱন আৰু কবিতাৰ সম্পৰ্ক-সূত্ৰ আৱিষ্কাৰ কৰিবলৈ যত্ন কৰা হৈছে। ইয়াৰ উপৰিও মৃত্যু, দেশপ্ৰেম আৰু অসমৰ মনীষী সকললৈ শ্ৰদ্ধাঞ্জলি প্ৰদান আদিও তেখেতৰ কবিতাৰ বিষয়-বস্তু হৈছে।

'ৰক্ত কোমল'ত সন্নিবিষ্ট কবিতাসমূহ ড০ নেওগৰ আগ বয়সৰ ৰচনা, তদুপৰি সেই সময়ছোৱা ৰোমান্টিক কবিতাৰ অন্তিম পৰ্যায়। এই পৰ্যায়ত যাত্ৰাৰম্ভৰ সৃষ্টিৰ তৎপৰতা নাছিল, আছিল যাত্ৰা শেষৰ ক্লান্তি। এনে এক ক্লান্তিৰ পৰিবেশত নেওগৰ কাব্য-চৰ্চাত কিছু পৰিমানে যৌৱনৰ উচ্ছ্বাস, অনুকৰণপ্ৰিয়তা আৰু বাক-বাহুল্য থকাটো একো আচৰিত নহয়। আধাৰ আৰু আধেয়- দুয়োটাৰ ক্ষেত্ৰতে পূৰ্বসূৰী সকলৰ ছাপ অনুভৱ কৰিব পাৰি। সাধাৰণতে দীৰ্ঘ পয়াৰ, ছবি, দুলড়ী আদি ছন্দ-সজ্জাৰ প্ৰথাবদ্ধতাৰ মাজতে তেখেতৰ কবিতাই বাট বুলিছিল যদিও দেৱকান্তৰ নাটকীয় একোক্তিৰ পৰীক্ষাও তেখেতে কৰিছিল। 'অন্ত্যজা'ত তাৰ ব্যতিক্ৰম ঘটিছিল– ইয়াৰ মুক্তকে সেই সময়ত অসমীয়া কবিতাত এটা নতুন মাত্ৰা যোগ কৰিছিল। নেওগৰ সেই সময়ৰ কবিতাত থকা আমাৰ সাহিত্য-সংগীত-ইতিহাসৰ নানা উল্লেখে তেখেতৰ অধ্যয়নৰ পৰিধি যে তেতিয়াই যথেষ্ট বিস্তৃত হৈছিল তাক ধৰিব পাৰি। সেয়ে হ'লেও, ৰক্তকমলৰ সৰহ ভাগ কবিতাই অভ্যাসৰ বৃত্ততে উশাহ লৈছিল। সম্ভৱতঃ 'অন্ত্যজা' কিছু ব্যতিক্ৰম; ক্ৰমান্বয়ে তেখেত দ্বন্দ্বোত্তীৰ্ণ হৈছিল আৰু 'মুছাফিৰখানা'ত তেখেতৰ উত্তৰণৰ স্বকীয় প্ৰকাশ ঘটিছিল। আশা কৰো এজন পন্ডিত কবিৰ প্ৰাৰম্ভিক কাব্য-চৰ্চাৰ সোৱাদ সহৃদয় পাঠকসকলে লবলৈ যত্ন কৰিব।

**ৰক্তকমলঃ ড০ মহেশ্বৰ নেওগ**

*প্ৰকাশকঃ ৰাজেন্দ্ৰ মোহন শৰ্মা*
*চন্দ্ৰ প্ৰকাশ*
*টিহুঃ গুৱাহাটী*






## 'অল দিজ্ ইয়েৰচ্'

# ৰাজ থাপাৰৰ স্মৃতি গ্ৰন্থ

লীনা শৰ্মা

ৰাজ থাপাৰৰ 'অল দিজ্ ইয়েৰচ্' (All These Years) পঢ়োতে এটাই কথা মনলৈ আহিছিল যে এই স্মৃতি গ্ৰন্থ খনিয়ে স্বাধীনতাৰ পাছৰ কেইটামান দশকৰ দিল্লী দৰবাৰৰ জুতি লগা বৰ্ণনা আগবঢ়োৱাৰ লগতে এটাই মাত্ৰ চৰিত্ৰক নায়কৰ আসনত প্ৰতিষ্ঠিত কৰিছে –সেই চৰিত্ৰ হ'ল স্বামী ৰমেশ থাপাৰ। ৰাজ আৰু ৰমেশ – দুটা অতি প্ৰতিপত্তিশীল পৰিয়ালৰ এই দুজন সন্তানে বিবাহ বন্ধনত আৱদ্ধ হোৱাৰ পাছত সেই সময়ৰ অন্য বহুতো ৰোমান্টিকৰ দৰে মাৰ্ক্সীয় আদৰ্শৰ প্ৰতি ঢাল খাইছিল আৰু চি পি এম দলৰ সমৰ্থকো হৈছিল। শ্ৰীমতী গান্ধীৰ বহুতো প্ৰগতিশীল নীতি যেনে বেংক ৰাষ্ট্ৰীয়কৰণ, ৰজা মহাৰজাৰ ভট্টা নিয়ন্ত্ৰণ আদি ৰমেশ থাপাৰৰ প্ৰভাৱৰ ফলতে হৈছিল। কিন্তু ৰাজধানীৰ ক্ষমতাৰ অংশ হবলৈ যাওঁতে আৰু সমাজবাদী নীতি শ্ৰীমতী গান্ধীৰ যোগেদি ৰূপায়ণ কৰিবলৈ যাওঁতে অৱশেষত নিৰ্ভীক সাংবাদিক ৰমেশ থাপাৰ আৰু পত্নী ৰাজ থাপাৰে এদিন উপলব্ধি কৰিছে যে দুৰ্বল কংগ্ৰেছ দলক ভৰিৰে মোহাৰি শ্ৰীমতী গান্ধী ৰাষ্ট্ৰ যন্ত্ৰটোৰ একচেটিয়া প্ৰভুত্বৰ সহায়ত নিজৰ আধিপত্যক আৰু অধিক সাব্যস্ত কৰিছে। তেতিয়া পাছে শুধৰণিৰ আৰু সময় নাই। তেওঁ প্ৰধান মন্ত্ৰী হোৱাৰ অলপ দিনৰ পাছৰ ঘটনা – শ্ৰীমতী গান্ধীৰ বিশ্বস্ত বন্ধু-বান্ধৱ কেইজনমানে (যাৰ ভিতৰত ৰমেশ আৰু ৰাজো আছিল) তেওঁৰ জন্মদিনত এটা আকস্মিক পাৰ্টিৰ আয়োজন কৰি তেওঁক বিস্মিত কৰিব খুজিছিল। কিন্তু তেওঁৰ ঘৰত তেওঁৰ অজ্ঞাতে পাৰ্টি? – শ্ৰীমতী গান্ধীয়ে ভাবিবই নোৱাৰে! ফলত সেই পাৰ্টিত কোনো খোৱাবস্তু স্পৰ্শ কৰিবলৈকে তেওঁ অস্বীকাৰ কৰিলে।

সঞ্জয় গান্ধীৰ উত্থান আৰু জৰুৰী অৱস্থা ঘোষণাৰ পাছত ভূতপূৰ্ব প্ৰধান মন্ত্ৰী গৰাকীয়ে কেনেদৰে ক্ষমতাত লালায়িত হৈ এজন এজনকৈ নিজৰ বিশ্বাসভাজন লোকক আঁতৰাই নিজে সৰ্বপ্ৰতিভূ হৈ বহিছিল তাৰ সৰস বৰ্ণনা কিতাপখনত পোৱা যায়। ক্ষমতাৰ দৰবাৰলৈ কিনাবেচাৰ খেলা কৰিবলৈ যিবোৰ মানুহ আহে সেইবিলাকৰ সংবেদনশীলতাৰ প্ৰসাৰতা অনুমেয় – তেনেস্হলত তাত নতুনত্ব বিশেষ নাই। ইয়াক ইতিহাসৰ শাৰীতো আমি বহুৱাব নোৱাৰে। তথাপিও আমোদজনক কাহিনী হিচাপে 'অল দিজ্ ইয়েৰচ্' য়ে পাঠকৰ মনোৰঞ্জন কৰিবলৈ সমৰ্থ হ'ব বুলি নিশ্চয়কৈ কব পাৰি যেন লাগে। কৃষ্ণ মেনন, দুৰ্গাদাস, যশপাল কাপুৰ, অশোক মিত্ৰ, পি এল হাক্সাৰ, মোহন কুমাৰ মঙ্গলম, ইন্দাৰ গুজৰাল আদিৰ ওপৰত কৰা মন্তব্যই সেই চৰিত্ৰবোৰৰ বিশ্লেষণত সহায়ক হৈছে। মন্ত্ৰীসভাত নিজৰ নাম বিচাৰি নেপাই উচুপি উঠা গুজৰাল, 'পাঞ্জাৱী শৰণাৰ্থী' যশপাল কাপুৰৰ 'চাহপানী' দি ফুৰা কাৰ্য, দেৱীৰ আগত পূজা দিবলৈ অহা ভক্তৰ দৰে ইন্দিৰা গান্ধীৰ সমুখত অশোক মিত্ৰৰ আকুল চাৱনি আদিয়ে হাঁহিৰ খোৰাক নোযোগোৱাকৈ থকা নাই। অৱশ্যে ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণ আৰু তেওঁৰ পুত্ৰ ডঃ গোপালৰ ওপৰত 'চক্ৰান্তকাৰী ব্ৰাহ্মণ' বুলি কৰা মন্তব্য দুৰ্ভাগ্যজনক বুলিয়েই কব লাগিব। শুনা যায় যে যেতিয়াই ৰমেশৰ কাৰোবাৰ ওপৰত খং উঠিছিল, ৰাজে তাৰ উপশম ঘটাবলৈ সক্ষম হৈছিল। এই স্মৃতিগ্ৰন্থ খনিত ৰাজ কিন্তু নিজেই সমগ্ৰ পৰিবেশটোৰ ওপৰত বিস্ফোৰিত হৈ পৰা দেখা গৈছে।

'ক্ৰছৰোডচ' (crossroads) আলোচনীৰে দুয়োজনে প্ৰথমতে বাওঁপন্থী ভাবাদৰ্শ প্ৰচাৰৰ প্ৰচেষ্টা চলাইছিল। অৱশ্যে দুয়োজনৰ এজনো কমিউনিষ্ট দলৰ সক্ৰিয় সদস্য নাছিল। এইখিনিতে বি টি ৰাণাডিভেৰ ওপৰত কৰা মন্তব্য প্ৰণিধানযোগ্য। সশস্ত্ৰ বিপ্লৱ সংগঠন



*ৰাজ আৰু ৰমেশ থাপাৰ – ৰাজৰ সৌম্যমূৰ্তি 'অল দিজ্ ইয়েৰচ্'ত প্ৰতিফলিত হোৱা নাই। তেওঁ যেন গোটেই পৰিস্হিতিটোৰ ওপৰত বিস্ফোৰিত হৈ পৰিছে।*

কৰিম বুলি জহাই থকা ৰাণাডিভেই এটা সামান্য মদৰ পাৰ্টিকে সংগঠন কৰিবলৈ সমৰ্থ হোৱা নাই। দিল্লীলৈ আহি 'চেমিনাৰ' আলোচনী আৰম্ভ কৰাৰ পাছতে তেওঁলোক ৰাজ আৰু ৰমেশ বাওঁপন্থী আদৰ্শৰ পৰা কিছু পৰিমাণে হলেও ফালৰি কাটি অহা দেখা গৈছে। এইখিনিতে ৰাজ থাপাৰে যথেষ্ট গৌৰৱেৰে সৈতে 'চেমিনাৰ' আৰম্ভ কৰাৰ কাহিনী বৰ্ণনা কৰা পৰিলক্ষিত হয়।

গোটেই কিতাপখনতে শ্ৰীমতী থাপাৰে পাঞ্জাৱী বেপাৰীবোৰক উপহাস কৰিছে যদিও শেষৰ ফালে এই উপলব্ধিত উপনীত হৈছে যে এই মানুহখিনি ভাৰতৰ উন্নতিশীল অৰ্থনীতিৰ ক্ষেত্ৰত এক অপৰিহাৰ্য অংগ। গতিকে আত্ম-পৰ্যালোচনা, আত্ম-সমালোচনা আদিৰ যোগেদি শুদ্ধ সিদ্ধান্তত উপনীত হোৱাৰ প্ৰচেষ্টা এই স্মৃতি গ্ৰন্থ খনিত বাৰে বাৰে দেখা যায়।

ব্যক্তিগত জীৱনে কিতাপখনত কিন্তু খুব কম ভুমুকি মাৰিছে যেন অনুমান হয়। এবাৰ নে দুবাৰহে শ্ৰীমতী থাপাৰে তেওঁলোকৰ জীয়ৰী মালিকা বা মালাৰ কথা উল্লেখ কৰিছে। মালাই সঞ্জয় গান্ধীৰ লগত বন্ধুত্ব বেছি কৰিছে বুলি সেইখিনি সময়ত মাকৰ বেছ চিন্তা হৈছিল; কিন্তু কিবা এটা হোৱাহেঁতেনো মালাই সঞ্জয় গান্ধীক ঠিক পথলৈ আনিব পাৰিলেহেঁতেন বুলি অৱশ্যে শ্ৰীমতী থাপাৰ সুনিশ্চিত আছিল।

কেন্সাৰ ৰোগত ভুগি থকাৰ যাতনাৰ মাজতে যাতনাৰ পৰা যেন উপশম পাবলৈকে ৰাজ থাপাৰে প্ৰাণঢালি স্মৃতিগ্ৰন্থখনি লিখিছে। ভাষাৰ প্ৰাচুৰ্যৰে আমোদজনক কৰি তোলা গল্প গল্প যেন লগা সঁচা কাহিনীবোৰ পঢ়িলে ইন্দিৰা গান্ধীৰ সময়ৰ দিনবোৰলৈ ঘূৰি যোৱা যেন লাগে। কিন্তু হঠাৎ মৃত্যুক আঁকোৱালি লব লগা হোৱাত 'অল দিজ্ ইয়েৰচ্' য়ে সমাপ্তিৰ মুখ দেখিবলৈ নেপালে যদিও তাৰ পৰা ইতিমধ্যে বৰ্ণিত ঘটনাৰাজিৰ ৰস কমি যোৱা নাই। কিতাপখনত পিছে সকলোৱেই খলনায়ক বা খলনায়িকাৰ চৰিত্ৰত অৱতীৰ্ণ হৈছে। জীৱনৰ নায়ক ৰমেশ থাপাৰহে নায়কৰ আসনত প্ৰতিষ্ঠিত হৈছে – ৰাজ আৰু ৰমেশৰ ভালপোৱা, বুজাবুজি কিতাপখনৰ পাতে পাতে (অবৰ্ণিত হলেও) অনুভৱ কৰিব পাৰি। সেয়ে ৰাজৰ মৃত্যুৰ দুদিনৰ পাছতে ৰমেশেও মৃত্যুৰ শীতল কোলাক আঁকোৱালি হৈছিল। ■

# সুবাসিত যি যন্ত্ৰণা

# জিলমিল দুখৰ আলোকলতা

বিপুল কুমাৰ মহন্ত

উত্তৰ স্বাধীনতা কালৰ কবিতাই বিষয় বস্তু, শব্দ চয়ন, ৰচনা ৰীতি, ছন্দ প্ৰয়োগ, মানসচিত্ৰ বা 'ইমেজাৰি' ৰচনা আৰু দৃষ্টিভংগীৰ দিশৰ পৰা পুৰণি কাব্য ৰীতিৰ পৰা সম্পূৰ্ণ আঁতৰি আহিছে। পুৰণি কাব্য ৰীতিৰ প্ৰভাৱৰ পৰা মুক্ত অসমীয়া কবিসকলৰ ভিতৰত দ্বন্দ্বাত্মক ভৌতিকবাদৰ প্ৰতি শ্ৰদ্ধাশীল মনোভাব সত্বেও প্ৰকৃততে ব্যক্তি স্বাতন্ত্ৰ্যতহে অধিক বিশ্বাসী আৰু আস্থাবান, কোনো পূৰ্ব নিৰ্দিষ্ট মতবাদত গা এৰি নিদিয়াকৈ স্বকীয় স্বাতন্ত্ৰ্য স্ব-নিৰ্বাচিত আত্ম প্ৰকাশৰ পথত বিশ্বাসী কবিসকলৰ সমপৰ্যায়তে ড০ কৰবী ডেকা হাজৰিকাৰো স্থান। প্ৰায় আঢ়ৈ কুৰি স্বল্পাৱয়বী, মিতবাক, চিত্ৰঘন, সংগীতময় কবিতাৰ অনুপম সংকলন 'সুবাসিত যি যন্ত্ৰণা'ৰে কবি হাজৰিকাই অসমীয়া কাব্য সাহিত্যৰ জগতত এখনি সুকীয়া আসন লাভ কৰিছে।

গভীৰভাবে সংবেদনশীল, স্পৰ্শকাতৰ, অনুভূতিপ্ৰৱণ মননৰে এৰি অহা জীৱনৰ অভিজ্ঞানক– শব্দ, ছন্দ, উপমা, নিসৰ্গ চিত্ৰ আৰু মন্ময় ধৰ্মী (Subjective) চিত্ৰকল্প তথা ভাব-অনুষংগৰ অভিনৱত্বৰে "সুবাসিত যি যন্ত্ৰণা" নামৰ কাব্য সংকলনটিৰ প্ৰায়বোৰ কবিতাকে "চিত্ৰৰূপময়" শিল্পৰ পৰ্যায়লৈ উত্তৰিত কৰাত সামগ্ৰিক ভাবে কবি সক্ষম হৈছে। স্বয়ং সম্পূৰ্ণ, স্বৰাট কাব্য পৰম সৌন্দৰ্যৰ প্ৰতিচ্ছবি। মানৱ জীৱনৰ দৰেই কাব্যও বৰ্ণাঢ্য আৰু গতিশীল। জীৱনৰ ভিন্নসুৰী অভিজ্ঞতাৰ পটভূমিত– য'ত, ইন্দ্ৰিয়ঘন প্ৰেম, হতাশা, স্মৃতি, স্নেহ, অশ্ৰু, বিষাদ, জীৱনবোধ আৰু প্ৰেৰণাৰ অভিব্যক্তি সৰ্বত্ৰ সমপৰ্যায়ৰ আৰু সাৰ্বজনীন, তাক স্পৰ্শকাতৰ সংবেদনশীল আৰু Nostalogic বীক্ষণৰে সংহত, সুষ্ঠ ৰূপত প্ৰকাশ কৰাত সক্ষম হোৱাতো কবি হাজৰিকাৰ কাব্যকুশলতাৰেই পৰিচায়ক।

কৰবী হাজৰিকা মূলতঃ অন্তৰ্জীৱনৰ কবি। কবিৰ উপলব্ধি বহিৰ্জগতে যেতিয়াই আধ্যাত্মিক সম্ভাৱনা হেৰুৱাই আত্মিক শূন্যতাৰ (Spiritual barrenness)ৰ পৰ্যায়ত উপনীত হয়গৈ, কবিয়েও সিমানেই তাৰ পৰা নিজকে বিলোপ কৰি এক কল্পলোক বা অন্তৰ্লীণ ধ্যান ৰাজ্যত আশ্ৰয় লয়গৈ। ইন্দ্ৰিয়ঘন (Sensuous) চেতনাৰ জীৱন বৃত্তত আবদ্ধ থাকিও জীৱনক নকৈ উপলব্ধি কৰিব খোজা কবিয়ে সেয়েহে বহিৰ্জগতৰ চেতনা, হৃদয় দাপোণত প্ৰতিফলিত কৰিবলৈ অন্তৰ্দৃষ্টিৰ আশ্ৰয় লৈছে। প্ৰথিতযশা সাহিত্যিক, হোমেন বৰগোহাঞিৰ ভাষাৰেই সেয়েহে ক'ব পাৰি–"কৰবীৰ কবিতাৰ আলোকত বেলিৰ পোহৰ আৰু জোনৰ জোনাক, দুখৰ ৰং আৰু সুখৰ স্বাদ, প্ৰেমৰ বেদনা আৰু মৃত্যুৰ আনন্দ এই সকলোবোৰেই যেন ৰূপ ধাৰণ কৰিছে।" আহৰণ কৰিছে অধিকতৰ অবয়বত্ব (concretness)।

কবিয়ে সেয়েহে কয়–

"মই মাথো জানো দো খাই পৰা
নিশাৰ মাধৱীলতা
মেঘৰ আঁৰত সবাক তোমাৰ
নয়নৰ মৃদুভাস
যাৰ কিৰণত জিল্‌মিল মোৰ
দুখৰ আলোকলতা।"

*(মাধৱী, পৃঃ ১৭)*

পুনশ্চ,

অবাধ্য শব্দৰ উপহাসত
বুকু ভাগি গ'লেও
এতিয়া মই প্ৰতিমাৰ দৰে
আনমনা হৈ
মৃন্ময় মন হাঁহিৰে ঢাকিব শিকিলো।

*(আৱৰণ, পৃঃ ১৬)*

সৃজনশীল, বিচিত্ৰ ভাবনাৰ বাহক হিচাপে বিশেষ শৈলী, বিশেষ ভাষা আৰু প্ৰতীকৰ সাৱলীল ব্যৱহাৰ কবি হাজৰিকাই কৰিছে; কিয়নো তেওঁৰ অন্তৰ্দৃষ্টি স্পষ্ট, স্ফটিক স্বচ্ছ। পৰিদৃশ্যমান বস্তু জগতৰ অন্তৰালত উপৱিষ্ট অসীম, ৰহস্যময়, অলৌকিক জগতক গভীৰ কল্পনা প্ৰতিভা, অনুভূতিৰ তীক্ষ্ণতাৰে কবিয়ে প্ৰত্যক্ষ কৰাৰ সৌভাগ্যৰ অধিকাৰী হৈছে; কিয়নো অন্তৰ্জীৱনৰ কবিৰ অন্তৰ্দৃষ্টি আৰু ইন্দ্ৰিয়ঘনতাৰ অনুভূতি পৰস্পৰ নিৰ্ভৰ।

বিষয় বৈচিত্ৰ্য কবি হাজৰিকাৰ কবিতাৰ অন্য এক লক্ষণ। প্ৰকাশভংগীৰ সৰলতা, বক্তব্য বিষয়ৰ স্পষ্টতা, চিত্ৰ কল্পৰ সূক্ষ্ম কাৰিকৰী, সহজ সৰল প্ৰতীকৰ ব্যৱহাৰ, অনুৰণনক্ষম শব্দ নিৰ্বাচন আৰু তাৰ সংযত প্ৰয়োগ অন্তৰ্স্পৰ্শী। উৰ্দু কবিতাৰ চুম্বকধৰ্মী ভাব ঘনত্ব কবিৰ কবিতাত বিদ্যমান। ইমপ্ৰেশ্যনিষ্ট (impressonist) সকলৰ দৰেই ছাঁ-পোহৰৰ মাধ্যমত কবিয়েও বাস্তৱানুগ আৰু মন্ময়ধৰ্মী প্ৰতীক আৰু চিত্ৰকল্পৰ ব্যৱহাৰ কৰিছে; যেনে– 'গাঢ়নীলা মধুমতী নিশা', 'ৰূপালী আন্ধাৰ', 'ৰূপালী ৰাতি', 'ৰঙা হয় সন্ধ্যা, কলম যেন নীলা জিঞা, সোণালী পতা, সোণালী চৰাইজাক' ইত্যাদি। গদ্যানুগ সুৰীয়া ছন্দৰ প্ৰকাশে কবিৰ কবিতাক এক সাংগীতিক লহৰ প্ৰদান কৰিছে; যিটো কম সংখ্যক আধুনিক কবিৰ আয়ত্তাধীন। স্বতঃস্ফূৰ্ততা কবিতাবোৰৰ অন্য এক মননশীল বিশেষত্ব।

দুখৰ ঐশ্বৰ্য কবিৰ জীৱনৰ অভিজ্ঞান, অপ্ৰতুল দুখ তেওঁৰ কবিতাৰ পৰম সম্পদ। সেয়ে হ'লেও কবি হতাশ কিম্বা নিৰাশাবাদী নহয়। দুখৰ প্ৰচ্ছন্ন অনুভূতিয়েই কবিৰ বহুবোৰ কবিতাৰ উৎস।

কবিয়ে সেয়েহে কয়–

"যিজনে মোক এধানি দুখ দিব পাৰে
তেওঁৰ ওচৰত মই কৃতজ্ঞ
অদ্ভূত ধৰণে অস্বাভাৱিক মোৰ বুকুখন
দুখৰ উম নহ'লে সেমেকি থাকে।"

*(সুখ-অসুখ ইত্যাদি, পৃঃ ২)*

দৃঢ়পিন্দু, সংযত চিত্ৰকল্পৰ প্ৰয়োগ কবিৰ নিপুণতাৰ স্বাক্ষৰ। ব্যৱহৃত চিত্ৰ কল্পবোৰ কেতিয়াবা বাস্তৱানুগ আৰু কেতিয়াবা মন্ময়ধৰ্মী (Subjective) অন্তৰ্জীৱনৰ বীক্ষণ, জীৱনৰ ভিন্ন স্তৰৰ উপলব্ধ স্ফটিক স্বচ্ছ অৰ্থ আৰু তাৰ অন্তৰালৰ নিহিত ব্যঞ্জনাক চিত্ৰকল্পৰ পিছত চিত্ৰকল্প গাঁথি এক বিশিষ্ট আংগিকত ফুটাই তোলাত কবি সক্ষম হৈছে।

কবিয়ে যেতিয়া কয়–

"বহুত দিনৰ আগতে
এটা গধূলি দেখিছিলো
ৰাজহাঁহৰ দৰে নামি অহা
তাৰ সোণালী ডেউকাত
এজাক গছৰ বা লাগিছিল
তৰল চকুত কঁপিছিল
আসন্ন আন্ধাৰৰ শব্দময় ছাঁ।"

*(মন্হন, পৃঃ ২৬)*

তেতিয়া এলিয়টৰ কবিতাৰ চিত্ৰকল্পৰ নিপুণ, চাতুৰ্যময় সমাবেশলৈ মনত পৰেঃ

"Let us go then, you and I
When the evening is spread out against the sky
Like a patient etharized upon a table"

(Love song of J. Alfred Prufock)

অৱশ্যে নীৰস, আবেগবৰ্জিত, ব্যক্তিপ্ৰভাৱহীন, শুষ্ক কল্পনাৰ চিত্ৰকল্পৰ প্ৰয়োগত বিশ্বাসী চিত্ৰকল্পবাদী আন্দোলনৰ অন্যতম প্ৰবক্তা টি ই হিউম (T.E. Hulme)-ৰ ভাবাদৰ্শৰ দ্বাৰা প্ৰভাৱিত এলিয়টৰ ভাব-অনুষংগৰ ই বিপৰীত; যুগ সন্ধিৰ যন্ত্ৰণা, নাগৰিক বৈদগ্ধৰ ক্ষয়ৰোগে কবিমানসক এলিয়টৰ দৰে স্পৰ্শ কৰা নাই। অন্তৰ্দৃষ্টি বা অন্তৰ্জীৱনবীক্ষাৰে কবি হাজৰিকাই এক ৰোমান্টিক কল্পলোকৰ সাধনা কৰিছে।

কবিয়ে যেতিয়া আকৌ কয়,–

(১) "কালি বৰ পলমকৈ জোন উঠিছিল
শিলৰ শয্যা নিশ্চুপ হৈ
নদীখন পৰি আছিল
তাইৰ শান্ত মুখলৈ ৰ লাগি চাইছিল
আকাশে।"

*(সুখ-শান্তি, পৃঃ ৩১)*

(২) "কালি আন্ধাৰবোৰ পাটকাপোৰৰ দৰে
মিহি আছিল
নৈখন গভীৰ শান্তিত শুই আছিল
.......................................
কালি জোন উঠিও লুকাই আছিল
পাহাৰটোৰ সিপাৰে

*(সুখ শান্তি, পৃঃ ৩১)*

(৩) "দ্বিতীয়াৰ জোনে ওঁঠ কামুৰি হাঁহে"

*(অন্তৰংগ অনুভৱ, পৃঃ ৩৭)*

হিউমৰ কবিতাৰ সংযত চিত্ৰকল্প, শিল্প নৈপুণ্য আৰু সূক্ষ্ম কাৰিকৰীলৈ মনত পৰে–

"A touch of cold in the Autumn night—
I walked abroad,
And saw the ruddy moon lean over a hedge
Like a red–faced farmer.

*(Autumn Night, T.E. Hulme)*

চিৰাচৰিত বিষয় বৈচিত্ৰ্য সত্বেও ব্যঞ্জনাময় সাংগীতিক লহৰ, সুষম ভাষা, আবেগ গ্ৰথিত চিত্ৰকল্পৰ পাৰম্পৰ্যৰে (Emotional Sequence) এক নতুন ৰহস্যৰ জগতলৈ কবিৰ কাব্য ভাবনাৰ উত্তৰণ ঘটিছে– য'ত নৈৰাশ্য, সংশয় অথবা দ্বিধাগ্ৰস্ততাই কবি সত্তাক দুৰ্বলতৰ মৰুছায়ালৈ পৰ্যবসিত কৰিব পৰা নাই।*


---

* কৰবী ডেকা হাজৰিকাৰ 'সুবাসিত যি যন্ত্ৰণা' নামৰ কবিতাৰ পুথিখন যোৱা দহ বছৰৰ শ্ৰেষ্ঠ কাব্যগ্ৰন্থ হিচাপে অসম সাহিত্য সভাৰ দ্বাৰা পুৰস্কৃত হৈছে। ■

সূত্ৰধাৰ
ডাকযোগেও আপুনি পাব।
বছৰেকীয়া বৰঙণি: ১৩২ টকা (২৪ টা সংখ্যা)
ছমহীয়া বৰঙণি: ৬৬ টকা (১২ টা সংখ্যা)
ডাক মাচুলৰ পৰা ৰেহাই দিয়া হ'ল।
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফট অথবা চেক যোগে পূৰবী প্ৰকাশন প্ৰাঃ লিঃ, গুৱাহাটীৰ নামত তলৰ ঠিকনালৈ পঠিয়াওক:
চাৰ্কুলেচন মেনেজাৰ
সূত্ৰধাৰ
মনজেৰা হাউচ, মতিলাল নেহৰু পথ,
পানবজাৰ, গুৱাহাটী-৭৮১০০১

OKDISCD






“ইয়াক হৃদয়ৰ কাষতেই ৰাখক”

এই পতাকা হ'ল এক প্ৰতীক।
আমাৰ স্বতন্ত্ৰতাৰ প্ৰতীক।
স্বাধীনতা লাভৰ বাবে কৰা আমাৰ সংগ্ৰামত
লাখ লাখ লোকে কৰা ত্যাগৰেই হ'ল এই
প্ৰতীক।

দেশৰ নিৰাপত্তা আৰু প্ৰগতিৰ বাবে যুজ দিয়া
সকলো ধৰ্ম্ম, বৰ্ণ, ভাষা আৰু ৰাজ্যৰ ধনী-
দুখীয়া, ডেকা-বুঢ়া, মনিহ আৰু তিৰোতা
আটাইকে আজি আমি সোঁৱৰিছো।


এই পতাকা আমাৰ অতিকৈ আপোন।
ইয়াৰ প্ৰতি আমাৰ শ্ৰদ্ধাও অসীম।
ই হ'ল ভাৰতৰ শক্তিৰ প্ৰতীক।
আৰু ই আমাৰ সকলোকে একেলগে বান্ধি
ৰাখে।

পতাকাৰ গৌৰব অক্ষুন্ন
কৰি ৰাখক

davp 91/273




# প্ৰভাকৰ মাচুৱে



প্ৰভাকৰ মাচুৱে

আজি প্ৰায় ষোল্ল বছৰৰ আগৰ কথা। দিল্লীৰ ৰবীন্দ্ৰ ভৱনত থকা সাহিত্য অকাডেমীৰ কাৰ্যালয়ত সংস্থাটোৰ সচিব ড০ প্ৰভাকৰ মাচুৱেৰ সৈতে আমাৰ এগৰাকী সাহিত্যিক বন্ধুৱে চিনাকি কৰি দিছিল। কথা প্ৰসংগত মই তেওঁক সুধি পেলালো– ‘অকাডেমীৰ বছৰেকীয়া বঁটা বাছনিৰ ক্ষেত্ৰত কেনে ধৰণৰ মাপকাঠি প্ৰয়োগ কৰা হয়?’ প্ৰশ্নটো কৰাৰ মূল উদ্দেশ্য আছিল– যিহেতু সেই বছৰত কোনো অসমীয়া গ্ৰন্থ অকাডেমীৰ বঁটাৰ বাবে উপযুক্ত বুলি বিবেচিত হোৱা নাছিল, ইয়াৰ মূল কাৰণটো জানিবৰ বাবে আমাৰ মনত অলপ উৎকণ্ঠা হৈছিল। আমাৰ প্ৰশ্নৰ উত্তৰত ড০ প্ৰভাকৰ মাচুৱে পুস্তক বাছনি সংক্ৰান্ত সকলো কথা সুন্দৰ ভাবে খুঁটি-নাটি মাৰি কৈছিল। পণ্ডিত গৰাকীৰ বদান্যতাত আমাৰ অন্তৰ চুই গৈছিল। সেই সময়ত তেওঁৰ কাষৰ চকীখনত এগৰাকী দিপ্‌লিপ্ কছ ছোৱালী বহি হিন্দী সাহিত্যৰ কিছু সমস্যা আলোচনা কৰি আছিল। কছ ছোৱালীজনীয়ে (মহিলা বুলি ক'ব নোৱাৰি) নিভাঁজ হিন্দীত কথা কৈছিল। ড০ মাচুৱে তেওঁৰ সৈতেও ‘এজন অসমীয়া লেখক’ বুলি আমাক চিনাকি কৰি দিছিল।

ড০ প্ৰভাকৰ মাচুৱে আমাক কৈছিল, অকাডেমীৰ বঁটা নেপালেই সংশ্লিষ্ট ভাষাটোত উচ্চমান বিশিষ্ট সৃষ্টিধৰ্মী পুস্তক ৰচনা হোৱা নাই বুলি ক'ব নোৱাৰি। বহু ক্ষেত্ৰত Procedural অসুবিধাৰ বাবে কোনো এটা ভাষাক পুৰস্কৃত কৰিব পৰা নেযায়। অসমীয়া সাহিত্য সম্বন্ধিত বহু প্ৰশ্নই আমি তেওঁক কৰিছিলো, যিবোৰ সেই কালৰ শ্ৰীহোমেন বৰগোহাঞিৰ সম্পাদনাত প্ৰকাশিত সাপ্তাহিক বাৰ্তালোচনী নীলাচলৰ ‘মুখামুখি’ নামৰ শিতানটোত প্ৰকাশ হৈছিল।

ড০ প্ৰভাকৰ মাচুৱে অসমীয়া সাহিত্যৰ শ্ৰেষ্ঠ সম্পদৰাশি, বিশেষকৈ অসমীয়া ক্লাচিকেল সাহিত্য, ইংৰাজী ভাষালৈ অনুবাদ কৰি প্ৰকাশ কৰাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ মতে তেতিয়াহে সাহিত্যৰ ক্ষেত্ৰত সংহতি আৰু সমন্বয়ৰ পথ প্ৰশস্ত হৈ উঠিব পাৰিব। তেওঁ আৰু দুখ কৰি কৈছিল অসমত কেইবাগৰাকী সুখ্যাত ইংৰাজীৰ অধ্যাপক আছে, কিন্তু সমন্বয়ৰ এই মহান কামটো কৰিবলৈ কেইজন লোক আগবাঢ়ি আহিছে? তেওঁ আমাক কৈছিল, অসমলৈ তেওঁ কেইবাবাৰো গৈছে। অসমীয়া মানুহৰ সাৰল্য আৰু দেশখনৰ নৈসৰ্গিক সৌন্দৰ্যই তেওঁক প্ৰভূত ভাবে আকৃষ্ট কৰিছিল। তেওঁৰ এখন কবিতা সংকলনত সন্নিবিষ্ট কৰা কেইবাটাও কবিতা অসমৰ প্ৰাকৃতিক সৌন্দৰ্যৰ ওপৰত ৰচিত। তেওঁ আমাক আৰু কৈছিল, আধুনিক অসমীয়া সাহিত্যৰ বহু পুস্তক যথেষ্ট উচ্চমানৰ আৰু সেইবোৰে ভাৰতীয় জাতীয় সাহিত্যৰ ভঁৰাল যথেষ্ট ভাবে চহকী কৰিছে বুলি আমি বিনা দ্বিধাই ক'ব পাৰো।

যোৱা জুন মাহত ৭৪ বছৰ বয়সত ড০ মাচুৱেৰ পৰলোক প্ৰাপ্তি ঘটে। হিন্দী, মাৰাঠী আৰু ইংৰাজী ভাষাত এশতকৈও অধিক পুস্তক ৰচনা কৰা এই পণ্ডিত লেখকজনে জাতীয় গুৰুত্বপূৰ্ণ বহু পদ অলংকৃত কৰিছিল। তাৰ ভিতৰত আছে সাহিত্য অকাডেমীৰ সচিব, কলিকতাস্থ ভাৰতীয় ভাষা পৰিষদৰ সচিব, চিমলাত থকা চেন্টাৰ ফৰ এডভান্সড্ ষ্টাডিজৰ অধীনত কেইবাটাও সাহিত্য-সংস্কৃতি সম্বন্ধিত আঁচনিৰ সঞ্চালক। মৃত্যুৰ আগলৈকে ড০ প্ৰভাকৰ মাচুৱে ইণ্ডোৰৰ পৰা প্ৰকাশিত ‘চৌথা সংসাৰ’ নামৰ এখন দৈনিক বাতৰি কাকতৰ সম্পাদক আছিল।

ড০ প্ৰভাকৰ মাচুৱেৰ মাতৃ ভাষা যদিও আছিল মাৰাঠী, হিন্দী ভাষা-সাহিত্যৰ তেওঁ এগৰাকী একনিষ্ঠ সেৱক আছিল। মহাত্মা গান্ধীৰ নিবিড় সান্নিধ্যলৈ আহি হিন্দী ভাষা প্ৰচাৰৰ বীজমন্ত্ৰ তেওঁ লাভ কৰিছিল। এই ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে তেওঁ অহোপুৰুষাৰ্থ কৰিছিল। তেওঁ আমাক প্ৰায়ে কৈছিল আঞ্চলিক ভাষা বা সাহিত্যক নিৰ্বীৰ্য কৰি হিন্দীৰ বিকাশ আমি সাধন কৰিব খোজা নাই। তামিল, মালায়লম, বাংলা, অসমীয়া, কাশ্মীৰী আদি আঞ্চলিক ভাষাবোৰৰ শ্ৰেষ্ঠ সম্পদৰাশিয়ে হিন্দী ভাষাটোক সুসমৃদ্ধ কৰি তুলিবলৈ প্ৰয়াস কৰা উচিত, যাতে সকলো ভাৰতীয়ই ক'ব পাৰে হিন্দী আমাৰেই ভাষা।

ড০ প্ৰভাকৰ মাচুৱেৰ কেইবাখনো হিন্দী উপন্যাসে হিন্দী সাহিত্যৰ দিক্ নিৰ্ণয় কৰাত বৰঙণি যোগাইছে বুলি ক'ব পাৰি। সেইবোৰৰ ভিতৰত আছে ‘পৰন্ত’ ‘চাঞ্চা’ আৰু ‘দ্বাঙা’। চোভিয়েত লেণ্ড পুৰস্কাৰ, কেন্দ্ৰীয় হিন্দী সংস্থান পুৰস্কাৰ আদি বঁটাৰে সন্মানিত এই সাহিত্যিক পণ্ডিত গৰাকীয়ে আজীৱন অক্লান্ত আৰু আশাশুধীয়া পৰিশ্ৰম কৰাত বিশ্বাস কৰিছিল। তেওঁৰ মতে নিষ্ক্ৰিয়তাই হৈছে বিনাশ (inaction is death)।

তেসত্তৰ বছৰ বয়সত নতুনকৈ এখন বহুল প্ৰচাৰিত বাতৰি কাকতৰ সম্পাদক হোৱাটোৱেই তেওঁৰ কৰ্মোদ্যমৰ পৰিচায়ক।

ড০ প্ৰভাকৰ মাচুৱেৰ মৃত্যু ভাৰতীয় সাহিত্য জগতৰ বাবে এক অপূৰণীয় ক্ষতি। ভাৰতীয় ভাষা সমূহৰ এক জীৱন্ত এনচাইক্ল'পেডিয়া হিচাপে পৰিচিত এই পণ্ডিত গৰাকীৰ মৃত্যুত আমি শোকাতুৰ হৈ পৰিছো। তেওঁৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক।

# দক্ষিণ আফ্ৰিকাৰ কৃষ্ণকায়ী কবিৰ কবিতাঃ এটি সমাদৃত কবিতা–সংকলন

সাহিত্য অকাডেমীৰ দ্বাৰা প্ৰকাশিত ইণ্ডিয়ান লিটাৰেচাৰৰ প্ৰাক্তন সম্পাদক ইং-ভাৰতীয় কবি শ্ৰী এছ বালুৰাওৰ সম্পাদনাত দিল্লীস্থ এফ্ৰো-এচীয় লেখক গোষ্ঠীৰ সৌজন্যত দক্ষিণ আফ্ৰিকাৰ কবিতাৰ এটা সংকলন (An anthology of South African Poetry) অলপতে প্ৰকাশ হৈ ওলাইছে। অতি প্ৰাঞ্জল ভাষা আৰু সৰল অথচ সবল চিত্ৰ-কল্পৰ প্ৰয়োগেৰে ৰচিত এই কবিতাবোৰৰ ৰচক হৈছে

কেইগৰাকীমান কৃষ্ণকায়ী আফ্ৰিকাৰ কবি, যিসকল দেশখনৰ জাতি-শৰীৰৰ ৰং ভিত্তিক বৈষম্যত জৰ্জৰিত আৰু যিসকলৰ বহুতেই বছৰ বছৰ ধৰি কাৰাগাৰত নিৰ্মম যাতনা ভোগ কৰি আহিছে।

যোৱা বছৰৰ অক্টোবৰ মাহত দক্ষিণ আফ্ৰিকাৰ নিগ্ৰো নেতা ড° মেণ্ডেলাই ভাৰতলৈ আহোঁতে অভূতপূৰ্ব সম্বৰ্ধনাত আপ্লুত হৈ কৈছিল– দক্ষিণ আফ্ৰিকাই ভাৰতৰে সৈতে একেলগে যাত্ৰাৰ শেষ ঢাপটো অতিক্ৰম কৰিব (India would walk the last mile together with the South Africans in their continuing struggle against apartheid, for recial equality and justice.) সেয়েহে সংকলনটোৰ নাম ৰখা হৈছে Last Mile Together.

যোৱা শতাব্দীটোত দক্ষিণ আফ্ৰিকাৰ বুকুত ঘৃণনীয় বৃটিছ উপনিবেশ স্থাপন হোৱাৰ লগে লগে দেশখনৰ স্থানীয় বান্তি গোষ্ঠীৰ বিভিন্ন ভাষা-উপভাষাত ৰচিত পৰ্যাপ্ত পৰিমাণৰ লোক সাহিত্যক বিলুপ্তিৰ এচমকা ক'লা ডাৱৰে আচ্ছন্ন কৰি তোলে। উপনিবেশবাদৰ হোতা সকলে থলুৱা লোকসকলক ইংৰাজী ভাষা শিকাইছিল। বৃটিছ ভাৰতৰ ভাৰতীয় সকলক শিকোৱাৰ দৰেই সম্পূৰ্ণ ৰাজনৈতিক উদ্দেশ্যৰ দ্বাৰা চালিত হৈ তেওঁলোকে সেই কাম কৰিছিল। অৱশ্যে সময় বাগৰাৰ লগে লগে শিক্ষিত থলুৱা কৃষ্ণকায়ী সকলৰ কিছুমানে শাসক সকলৰ সাহিত্যৰ সৈতে পৰিচিত হৈ পৰে আৰু সেই ভাষাতেই মনৰ ভাবক সাহিত্যিক ৰূপ দিবলৈ প্ৰয়াস কৰে। ফলত কুৰি শতিকাৰ প্ৰথম ভাগত ইং-দক্ষিণ ভাৰতীয় সাহিত্যই গঢ় লৈ উঠে; কবিতা, নাটক, উপন্যাস আদি সাহিত্যৰ সকলো দিশতে সেই সাহিত্যই বলিষ্ঠ ৰূপত দেখা দিয়ে। বহু ক্ষেত্ৰত এই সাহিত্যক ইং-ভাৰতীয় সাহিত্যৰ সৈতে তুলনা কৰিব পাৰি। ইংৰাজী কবি কিপ্লিঙৰ দৰেই দক্ষিণ আফ্ৰিকাত স্থায়ী ভাবে থকা ইংৰাজসকলৰ দুজন মানেই তেনে সাহিত্যৰ অগ্ৰণী আছিল। স্থানীয় লোকৰ প্ৰতি থকা এক ঘৃণা ভাব আৰু বিদ্বেষ সেই সাহিত্যিক সকলৰ সৃষ্টিৰ প্ৰধান সুৰ আছিল। কিন্তু বছৰ বাগৰাৰ লগে লগে অন্য এচাম বৃটিছ লেখক সুপৰিচিত হৈ পৰে, যিসকলে অতি সহানুভূতিৰে সৈতে শৰীৰৰ ৰং-ভিত্তিক সমস্যাটো বুজিবলৈ চেষ্টা কৰে তেওঁলোকৰ বাবে দক্ষিণ আফ্ৰিকা নামৰ দেশখনেই তেওঁলোকৰ জন্মস্থান। তাতেই তেওঁলোক স্থানীয় কৃষ্ণকায়ী সকলৰ মাজত সম্প্ৰীতিৰে জীয়াই থাকিব লাগিব। ইংলণ্ডলৈ উলটি যোৱাৰ সপোন তেওঁলোকে দেখা নাছিল।

এই শতাব্দীটোৰ পঞ্চম আৰু ষষ্ঠ দশকত ইংৰাজী সাহিত্যৰ ধাৰা আৰু আৰ্হিৰ সৈতে নিবিড় ভাবে পৰিচিত এদল কৃষ্ণকায়ী কবিৰ বলিষ্ঠ লেখাৰ লগে লগেহে প্ৰকৃত দক্ষিণ আফ্ৰিকীয় কবিতাই লেখক-পাঠক-সমালোচকৰ উদাৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হয়। আলোচিত সংকলনটোত এই কবি দলৰ কেইজনমান খ্যাত কবিৰ কবিতা সন্নিবিষ্ট কৰা হৈছে। তেওঁলোকৰ কবিতাক খিলঞ্জীয়া লোকৰ নিভাঁজ বেদনাৰ অভিব্যক্তি বুলিব পাৰি (authentic voice of the people of the land)। সেই কবি সকলৰ কেইজনমান হৈছেঃ Dennis Brutus, Timothy Holmes, Oswald Mtshali, Mongane wally Serote, Pitika Ntuli, Mafika Gwala, C.J. Driver.

জীয়াই থকাৰ বাবে একেবাৰে অনুপযোগী অন্ধকাৰ নিশ্বাস বন্ধ কৰিব খোজা কাৰাগাৰত কটোৱা জীৱনৰ যাতনাই কেইবাটাও কবিতাৰ বিষয় বস্তু (poetry of anguish)। ডেনিচ ব্ৰুটাচে এটা কবিতাত লেখিছেঃ

...... Who are still these crouching
now in the grey cells, on the
grey floors, stubborn and bowed.

অন্য এটা কবিতাত তেওঁ লেখিছে–

I am the tree
Creaking in the wind
Outside in the night
twisted and stubborn

ষাঠিৰ দশকটোৰ পৰবৰ্তী কবিসকলৰ (কৃষ্ণকায়ী) কবিতালৈ এক সুদূৰপ্ৰসাৰী পৰিবৰ্তন আহে। গাৰ ৰং বা জাত ভিত্তিক বৈষম্যবোৰ কটকটীয়া কৰি তুলিবৰ বাবে প্ৰণয়ন কৰা আইনবোৰ অতি নিষ্ঠুৰ হৈ পৰা সত্বেও এই কবিসকল আশাবাদী হৈ পৰে। এজন কবিয়ে লেখিছে– "হতাশা পৰাজিত সকলৰ বাবেহে" (Despair is for the defeated) "মই ভাবো, মই এই শুভ্ৰকায়ী সকলৰ মন জয় কৰি আমাৰ মান-মৰ্যাদা পুনৰ ঘূৰাই আনিব পাৰিম।" ("I once thought that I could evangelize and convert whites to give us back our dignity........ I have now turned to inspire my fellow blacks to be proud, to strive, to seek their true identity as a single solid group")

কবিতা সংকলনটোৰ সম্পাদক শ্ৰীএছ বালুৰাৱে অসমীয়া কবিতা প্ৰেমী পাঠক সমাজৰ মাজত এই কবিতাবোৰৰ প্ৰতি প্ৰতিক্ৰিয়া সৃষ্টি হোৱাটো দেহেকেহে কামনা কৰে।

অৰবিন্দ শৰ্মা



শিল্পী যতীন দাসৰ 'দা চাফাৰিং'





# ডিক্ৰটৈন

দীপক কুমাৰ বৰকাকতী



অংকনঃ চম্পক বৰবৰা

খবৰটো পাই ৰেমা শংকিত হ'ল। চাপ্ৰাছীটোৱে এইবাৰ মানুহৰ মুখেৰে খবৰ পঠোৱা নাই সৰু চিঠি এখন লিখি পঠাইছে। চিঠি লিখি এনে খবৰ জনোৱাটো বৰ সুবিধাৰ নহয়। তথাপি ৰেমাৰ বুলিহে সি এই বিপদকো আওকাণ কৰিছে।

ইতিমধ্যে ৰেমাৰ ছিংপুইৰ লগত বিয়া হৈ গ'ল। বিয়াখন ৰাঁচীভেঙৰ বাবে উৎসৱৰ

দৰেই আছিল। সিহঁতে গির্জাটো বনৰীয়া ফুলেৰে ধুনীয়াকৈ সজাইছিল। দুচলীয়া খেৰৰ সৰু গির্জাটোৰ টুপত থকা কাঠৰ ক্ৰচটোতো বনৰীয়া ফুল কিছুমান আঁৰি দিছিল। ৰেমাই বিয়াৰ পোছাক হিচাপে নিকাকৈ ধোৱা গৰিলাৰ ইউনিৰ্ফযোৰকে পিন্ধিছিল। ছিংপুইয়ে তাই নিজে বৈ থোৱা বগা পোৱানখন আৰু বগা ব্লাউজ এটা পিন্ধিছিল। বগা পাতল কাপোৰ এখনেৰে তাই মূৰটো ঢাকি লৈছিল। দুদিনৰ বাটকুৰি বাই পাষ্টৰজন আহিছিল বিয়াখন পাতি দিবলৈ। গির্জাত বিয়াখন হৈ যোৱাৰ পাছতেই গাঁওখন ভোজভাতৰ সমাৰোহত উদুলি-মুদুলি হৈ পৰিল। ডাইপ'লাই বিয়া হৈ যাবলৈহে যেন বাট চাই আছিল, সি লগৰ মদপী কেইটাক মাতি যু-ৰ ভান্ডাৰটোকে চোতাললৈ উলিয়াই আনিলে।

ৰেমাৰ ধাৰণা হৈছিল গাঁওখনৰ যেন এই আনন্দ দুমাহমান জুৰি চলিয়েই আছিল। তেনেতে আহিল চুক্তি ভংগৰ খবৰটো। মানুহবোৰ গহীন হৈ পৰিল। সিহঁতে ৰেমাই কি থিৰাং কৰে শুনিবলৈ যেন বৈ থাকিল। আনহাতে ৰেমাই খবৰটো পাই ভিতৰি ভিতৰি শংকিতহে হ'ল।

ছিংপুইৰ লগত বিয়া হোৱাৰ পিছৰ পৰা ৰেমাৰ ধাৰণা হৈছিল যেন তাৰ জীৱনৰ আন এটা অধ্যায় আৰম্ভ হৈছে। কিন্তু চুক্তি ভংগ হোৱাৰ খবৰটোৱে সকলো কল্পনা খেলি মেলি কৰি দিলে। সি কঠিন পৰীক্ষাৰ সমুখীন হ'ল। এতিয়া সি কি কৰিব? সি যদি এনেদৰে থাকে পুলিচ-মিলিটাৰী কোনোবা আহি হয়তো এদিন তাক ধৰি নিব। সি যদি সিহঁত আহোতে পলাব খোজে গুলিয়াই মাৰিব। আৰু যদি বাচে তেন্তে সেই একেই দিনৰ পিছৰ দিন পাহাৰে পৰ্বতে খোজ দি অনাই বনাই ফুৰিব লাগিব। কেতিয়াবা খাবলৈ পাব, কেতিয়াবা নাপাব। কেতিয়াবা আকৌ মিলিটাৰীৰ লগত যুঁজিব লাগিব। তাক মুঠতে পাঠকৰ হত্যাটোৱেহে আনন্দ দিছিল। থানয'মাই তাক বেছ প্ৰশংসা কৰিছিল। তাৰ অৰ্থ তাৰ মানত আছিল একেটাই– সিয়ো থানয'মাৰ দৰে বীৰ। কিন্তু তাৰ এই বীৰত্বৰ কথা ক'বলৈ থানয'মা হয়তো আৰু নাই। পিছে এই সকলোবোৰ যি কাৰণত সি ইমানদিনে কৰি ফুৰিছে বাঁচীভেঙত সি সেয়া বিচাৰি পাইছে। ইয়াত আছে প্ৰেম-প্ৰীতি, আদৰ-চেনেহ, সন্মান আৰু অনাবিল শান্তি।

ৰেমা ছিংপুইৰ লগত ঘাঁহনি এডৰাত বহি আছিল। ঠাইডোখৰ এঢলীয়া হৈ নামি গৈছে। তললৈ এটা বিৰাট গহবৰ। সিপাৰেই আকৌ এটা ওখ পাহাৰ। তাত ডাঠ হাবি। গছ-গছনিবোৰ ডাঠ সেউজীয়া আৰু ঠায়ে ঠায়ে যেন ক'লা।

ৰেমাই খবৰটো পোৱাৰ পাছৰে পৰা কথাবোৰ গুণাগঁথা কৰিছে। ছদিনেই হ'লহি। সি একো থিৰাং কৰিব পৰা নাই। ইপিনে তিনি দিনমানৰ আগৰ খবৰ মতে এম এন এফ-ৰ বিৰুদ্ধে অভিযান আৰু গ্ৰেপ্তাৰ পূৰাদমে চলিছে। ছিংপুইৰ লগত এই বিষয়ে মুকলি মনেৰে কথাও পাতিব পৰা নাই। পথাৰতো কাম কৰিব পৰা নাই। ছিংপুইয়ে তাৰ মনৰ অৱস্থা গম পাইছে। তাই যোৱা ছদিনে তাৰ লগ এৰা নাই। পথাৰলৈ দুয়োটা একেলগে আহে। উভতেও একেলগে। আজি আকৌ এবেলাৰ পাছতে ৰেমাই ক'লে– কাম কৰিবলৈ মনেই যোৱা নাই দেখোন। ব'লচোন, ক'ৰবাত অলপ বহোগৈ।

সিহঁত তেতিয়াৰে পৰা ঘাঁহনি ডৰাতে বহি আছে।

ৰেমাই ছিংপুইলৈ চালে। তাই হাতেৰে ঘাঁহ এডাল তেতিয়াও ছিঙি আছে। সি মাতিলে– ছিংপুই।

– হোঁ। কিবা কবি? – তাই সুধিলে।

– কথা এটা কওঁ বুলি ভাবিছো।

ছিংপুই তাৰ কাষ চাপি আহিল। – ক'চোন।

ৰেমাই তাইৰ মুখলৈ নীৰৱে চাই থাকিল। বহু সময় একো নোকোৱা দেখি ছিংপুইয়ে পুনৰ ক'লে– ক'চোন– কি ক'ব খুজিছ।

যোৱা ছদিনে গুণাগঁথা কৰি থকা কথাবোৰ পুনৰ ৰেমাৰ মনত পৰিল। এহাতে গাঁওখনত পোৱা আদৰ-মৰম, শান্তি সি নেওচিব নোৱাৰে। আনহাতে আত্মসমৰ্পণ কৰিলে চৰকাৰে আনবোৰক কৰাৰ দৰে তাক ক্ষমা কৰিলেও মানুহবোৰে তাক হয়তো কাপুৰুষ বুলি হাঁহিব। কিন্তু ল'মায়ো দেখোন আত্মসমৰ্পণ কৰিলে! তাতোকৈ ডাঙৰ কথা লম্‌কিমাই আত্মসমৰ্পণ কৰাটোহে। তেওঁৱেই দেখোন সিহঁতৰ গাঁৱত এইবোৰ প্ৰচাৰ কৰিছিল। মিটিঙত পু-ভটক কথাৰে থকা-সৰকা কৰিছিল। তেওঁলোকেই যদি আত্মসমৰ্পণ কৰিব পাৰে তেন্তে সিনো কৰিব নোৱাৰিবনে?

ৰেমাই অলপ বৈ মনটো বান্ধিলে। সি ইমানদিনে ভাবি ভাবি পোৱা কথাখিনিকে তাইক ক'ব খুজিলে।

– ছিংপুই! – তাইক মাতি সি পুনৰ মনে মনে থাকিল। কথাবোৰ তাৰ মুখৰ পৰা নোলায়েই।

ছিংপুই তাৰ আৰু কাষ চাপি আহিল। তাৰ হাতটোত ধৰি মুখলৈ বহুত সময় চাই ৰ'ল। তাই ক'লে– মই বুজিছো। তই কথাবোৰ মই বেজাৰ পাওঁ বুলি ক'ব পৰা নাই। কিন্তু মই–

তাই অলপ সময় ৰ'ল। ৰেমাই তাইৰ মুখলৈ চালে। তাই পুনৰ ক'লে– মই জানো তোক ধৰি ৰাখিব নোৱাৰো। – তাই আৰু অলপ সময় বৈ এইবাৰ ক'লে– তইতো আৰাকানলৈ যাবিয়েই।

ছিংপুইৰ মাতটো থোকা-থুকিকৈ ওলাল।

ৰেমা নিমাতে ৰ'ল। সি তাইৰ কাষত এনেয়ে বহি থাকিল।

ৰেমাইঁত সন্ধিয়াহে গাঁৱলৈ উলটিল। ঘৰ পাওঁতে আন্ধাৰেই হ'ল। সিহঁত দুয়োটা চোতাল পোৱাৰ সময়ত ঘৰৰ মজিয়াত ডাইপ'লাই মানুহ কেইটামানৰ লগত যু পিবলৈ আৰম্ভ কৰিছিল। তাৰে কোনোবা এটাই ক'লে– ৰেমাটো বৰ চিন্তাত পৰিছে যেন লাগিছে।

– কি আৰু চিন্তা? – আন এটাই ক'লে। – সিটো জংঘললৈ যাবই।

– এৰা, ময়ো ভাবো সি যাব বুলি। তাৰ আগৰ কথা-কান্ডবোৰ শুনা নাইনে? তাৰ আমেজেই বেলেগ। এইবোৰৰ পাছত সিনো যুঁজ দিবলৈ নোযোৱাকৈ থাকিবনে? আমাৰ ধোদোৰ পচলাটোৰ নিচিনা সি নহয় নহয়। – কথাখিনি ডাইপ'লাই ক'লে।

– তাৰ চকু মুখ দেখিছনে? সি নিশ্চয় ঠিক সময়ৰ কাৰণে অপেক্ষা কৰিছে। কথা-বাৰ্তাও বেছি নোকোৱা হ'ল।

– আমাৰ নিচিনা সি চেল-বেলাই থাকিবনে? সি হ'ল কামৰ মানুহ। সি ক'ব আৰু কৰিব। – কোনোবা এটাই ক'লে।

ৰেমা আৰু ছিংপুই কথা-বাৰ্তা শুনি চোতালতে অলপ সময় ৰ'ল। তাৰ পাছতহে সিহঁত ঘৰটোলৈ সোমাই আহিল।

যু খাই থকা বুঢ়া তিনিটা সিহঁত অহা দেখি মনে মনে থাকিল।

মাজনিশাও ৰেমাৰ টোপনি অহা নাছিল। সি বিছনাত বাগৰ সলাই শুবলৈ চেষ্টা কৰিলে। তাৰ মনত কথাবোৰ ঘূৰ্ণিপাক খাবলৈ ধৰিলে। সি শুব পৰা নাই।

ছিংপুইৰ সম্ভৱ টোপনি ভাঙিল। তাই মাতিলে– তোৰ টোপনি অহা নাই নেকি?

– নাই। – ৰেমাই উত্তৰটো অলপ দেৰিকৈ দিলে।

ছিংপুই অলপ সময় মনে মনে থাকিল। তাৰ পাছত ক'লে– তইনো কিয় ইমান চিন্তা কৰিছ? তই যে যাবি তাকে ক'বলৈ ইমান ভবা গুণা কৰিব লাগেনে?

ৰেমাই একো নক'লে।

ছিংপুইয়ে পুনৰ ক'লে– মই কথা এটা কওঁ বুলি ভাবিছো।

ৰেমাই তাইৰ ফালে বাগৰ সলাই ক'লে– হুঁ কচোন।

– তই মোক এৰি জংঘললৈ যাবলৈ যদি ইমান টান পাইছ মোকো তোৰ লগতে নিবিনে? মোৰ হ'লে যোৱাত আপত্তি নাই।

ৰেমাই ছিংপুইক সাবটি ধৰিলে। সি কিন্তু তাৰ মনৰ কথা তাইক ক'ব নোৱাৰিলে।

পুৱা ৰেমা আৰাকানলৈ ছিংপুইৰ সৈতে যাব বুলি শুনি গাঁৱৰ মানুহবোৰ ডাইপ'লাইঁতৰ পদূলিলৈ হিলদল ভাঙি আহিল। সিহঁত বাহিৰত নীৰৱে থিয় দি ৰ'ল। সিহঁতে কোনেও ৰেমা আৰু ছিংপুই কাকো যাবলৈ বাধা নিদিলে।

ভিতৰত ৰেমাই গৰিলাৰ ইউনিফৰ্ম পিন্ধি আঁটাইছে। ছিংপুই টোপোলা এটাৰ কাষত থিয় হৈ আছে। ৰেমাই মূৰত টুপিটো পিন্ধি ল'লে। ষ্টেনগানটো হাতেৰে তুলি লৈ ডাইপ'লা আৰু ছঙভূঙীলৈ এবাৰ চাই সি ছিংপুইক ক'লে– ব'ল। আমাৰ যাবৰ সময় হ'ল।

মানুহবোৰৰ মাজেৰে সিঁহত নিমাতে ওলাই গ'ল। সিহঁতক চাবলৈ মানুহবোৰ টিলাটোলৈকে আগুৱাই আহিল। ৰেমা আৰু ছিংপুই লুংলুঙীয়া বাটটোৰে জংঘলত নেদেখা হোৱালৈকে সিহঁতে চাই ৰ'ল। সিহঁতৰ মুখত হাঁহি নাই। কিন্তু বুকু গৰ্বত ফুলি উঠা।

নিৰ্বাচন প্ৰচাৰ পূৰাদমে চলি থকাৰ সময়ত লম্‌কিমাই এদিন হঠাৎ ৰেমাৰ লগত দেখা-দেখি হ'ল। সেয়া আছিল নিতান্ত আকস্মিক।

কাষৰ গাঁও এখনত বক্তৃতা দি লম্‌কিমা না-থীয়াল গ্ৰুপ চেন্টাৰটোৰ মানুহ এঘৰত জিৰণি লৈছিল। তেওঁৰ লগত কেইবাটাও মানুহ। তেওঁলোকে তাত নিৰ্বাচন অভিযানৰ সম্পৰ্কত আলোচনা কৰি থাকোতে গধূলিয়েই হ'ল। তেনেতে ছা-ঙী লম্‌কিমাৰ কাষলৈ গ'ল। তাই লম্‌কিমাক একাষে মাতি নি মনে মনে কিবা এটা ক'লে। লম্‌কিমা তাইৰ লগত ওলাই গ'ল।

ছা-ঙীৰ ঘৰত ৰেমা তাৰ দুটা লগৰীয়াৰ লগত বহি আছিল। সি ইতিমধ্যে বহুতো সলনি হ'ল। সি আৰু থানয'মা মৃত্যুৰ মুখৰ পৰা বাচি অহাৰ কাহিনী মানুহৰ মনত এতিয়া ৰূপ কথাৰ দৰে ৰোমাঞ্চকৰ। থানয'মা এতিয়া এম এন এফ-ৰ লেফ্‌টেনেন্ট কৰ্ণেল। সিহঁতৰ আৰ্মি চীফৰ তলৰে। থানয'মাৰ প্ৰাক্তন সহচৰ হিচাপে ৰেমাৰ স্থান অলপ ওপৰত। সি এতিয়া চাৰ্জেন্ট। তাৰ পাতল মোঁচখিনি ডাঠ আৰু দীঘল হব ধৰিছে। দৃষ্টিও তীক্ষ্ন হৈ পৰিছে। ছিংপুইক বিয়া কৰোৱা এতিয়া তিনি বছৰেই হ'লহি। আৰাকানত আন কেইবাটাও পৰিয়ালৰ লগত সি তাইক লৈ গাঁও পাতি আছে। সময় পালেই সিহঁতে কাষৰ পাহাৰত খেতি কৰে। আনহাতে কিবা কামৰ দায়িত্ব পৰিলে লগৰ লগৰীয়াৰ ভৰসাতে পৰিয়াল এৰি কামত ওলায়।

বিধান সভাৰ দ্বিতীয় নিৰ্বাচনৰ সময়ত এম এন এফ-বোৰ বিভিন্ন দায়িত্ব লৈ মিজোৰামৰ বাতাবৰণৰ ভু ৰাখিছিল। ৰেমাৰ দায়িত্ব আছিল না-থীয়াল গ্ৰুপ-



চেন্টাৰটোৰ। সি গ্ৰুপ-চেন্টাৰটো এৰা প্ৰায় দহ বছৰেই হ'লহি। ইয়াৰ মাজত এবাৰো সি এই মূৰ কৰা নাই। কিমিহঁতৰ কিবা খবৰ পাই বুলিয়েই নেকি সি থানয'মাৰ লগত থাকোতে দুবাৰমান সুবিধা পায়ো অহা নাছিল। এতিয়া বিয়া-বাৰু কৰাই চাৰ্জেন্ট হোৱাৰ পাছত গ্ৰুপ-চেন্টাৰটোলৈ আহিবলৈ সি কুণ্ঠাবোধ নকৰিলে। এতিয়া যাইৰেমথাঙাও ইয়াত নাথাকে। জীয়েকৰ লগত আইজ'লতহে থাকে। তাৰ নিজৰ বাপেক-মাকহঁত গাঁৱলৈ ঘূৰি যোৱাৰ কথা সি শুনিছিল। গ্ৰুপ-চেন্টাৰ পাই সেই কথা হয় বুলি গম পাই তুৱাঙীৰ ঘৰতে সি এদিন থাকিল।

তুৱাঙী সিহঁতৰ কাৰোবাক লগ পাবলৈ বাউলি হৈ আছিল। তাই ৰেমাক দেখি ভাল পালে। তাই ইফালে সিফালে চাই ঘৰৰ দুৱাৰখন জপাই ক'লে– অলপ সাৱধান হৈ থাকিবি। মানুহবোৰৰ চকু বিশ্বাসেই কৰিব নোৱাৰি। মোৰ তাত চোকা নজৰ পৰাৰ বাবেইতো তহঁত চাগে নাহ!

ৰেমাই মোনাৰ ভিতৰৰ ষ্টেনগানটো গাৰ কাষতে ৰাখিলে। তুৱাঙীয়ে থানয'মাৰ বতৰা লোৱাত ৰেমাই ক'লে– পু থানয'মা এতিয়া লেফটেনেন্ট কৰ্ণেল। থাকেও আৰ্মি হেডকোৱাৰ্টাৰত। আমাৰ দৰেতো এতিয়া ঘূৰি ফুৰিব নালাগে। বহুদিন মোৰ লগত দেখা দেখিয়েই হোৱা নাই।

তুৱাঙীয়ে চেকেন্ডহেন্দ কাপোৰৰ ব্যৱসায় কৰে। তাই ঘৰত থকা কাপোৰৰ টোপোলাবোৰ ঠিক কৰি কৰি ক'লে– বাৰু কচোন, তহঁত কেনেকৈ বাচিলি?

তাই কথাবোৰ আনৰ পৰা শুনিছে। কিন্তু ৰেমা বা থানয'মাক তাই পাঁচ-ছবছৰমান লগ পোৱা নাই। সিহঁতো তাইৰ ওচৰলৈ অহা নাই। গতিকে প্ৰকৃত কথাবোৰ শুনিবলৈ তাই উৎকণ্ঠিত হৈ আছিল। তুৱাঙীৰ লালৰ'ণা নামৰ ল'ৰাটো কাষতে থিয় দি কথাবোৰ শুনি আছিল। তাৰ দহ বছৰমানেই হ'লহি। সি দেখাত থানয'মাৰ দৰেই। সি ইতিমধ্যে কথাবোৰ বুজি পোৱা হৈছে। তাৰ লগৰীয়াবোৰেও তাক কৰ্ণেল থানয'মাৰ ল'ৰা বুলি জানে। ৰেমাই কেনে কূট-কৌশলৰ জালৰ পৰা তাৰ বাপেক আৰু সি বাচি আহিল বৰ্ণাওঁতে তাৰ বৰ ভাল লাগিল। সি লগৰ স্কুলীয়া বন্ধু দুটামানৰ আগত গুপুতে এই কথাবোৰ গৰ্বেৰে বখানিব পাৰিব।

তুৱাঙীৰ ছবছৰীয়া জী এজনীও আছে। তায়ো থানয'মাৰ ফালৰে। তাই বাপেকটো জংঘলত থকা কথা জানে। মানুহে যে সেইবাবে সিহঁতক অলপ বেলেগ চকুৰে চায় তাই এতিয়াও বুজিব পৰা হোৱা নাই।

তুৱাঙীয়ে কথাবোৰ একান্ত মনেৰে শুনি আছিল। শুনি শুনি এঘাৰ বছৰৰ আগতে থানয'মাক লতা-মাকৰি বাঘৰ দৰে ঘৰৰ পিছফালে সোমাই অহা দেখি হোৱা ৰোমাঞ্চ তাই অনুভৱ কৰিবলৈ ধৰিলে। তাই অলপ সময় নীৰৱ হৈ ৰ'ল। তাৰ পাছত ক'লে– ইমান দিন হ'ল, মানুহটোক দেখাকে পোৱা নাই!

ৰেমাই মানুহজনীলৈ চালে। তাই তেনেই সাধাৰণ তিৰোতো। কোনো বিশেষত্ব নাই। গাত গাভৰুৰ চিক্‌মিকনিও আৰু নাই। তাতে তাইৰ দেহ মন আৰু ঘৰ লাম-লাকটুত ল'ৰা-ছোৱালী দুটাৰে যুঁজ দি জীয়াই থকাৰ চাপ প্ৰকট। এই সকলোবোৰৰ মাজতো ৰেমাই বুজি পালে পু-থানয'মাৰ বাবে উ-তুৱাঙীৰ মনটো সজীৱ, অন্তৰ বাউলি।

হওঁতে ৰেমাই থানয'মাক আন তিৰোতাৰ প্ৰতি আসক্তি প্ৰকাশ কৰা দেখা নাই। তথাপি তুৱাঙীৰ নামটো আবেগেৰে কোৱাও সি শুনা নাই। সি বুজি নাপালে তুৱাঙীৰ দৰে থানয'মাৰ অন্তৰত তাইৰ বাবে মৰম থুপ খাই আছে নে নাই।

নিশা এপৰলৈকে তুৱাঙীয়ে মনৰ কথাবোৰ উজাৰিলে। ৰেমাই বুজি পালে তুৱাঙী থানয'মা জংঘলৰ পৰা উলটি অহা দিনটোলৈ বাট চাই আছে।

তুৱাঙীয়ে এটা বিশেষ কথা সুধিলে– তহঁতৰ লগত ইয়াৰে থানমইয়া বুলি ডেকা এটা গৈছিল নহয়। তাৰ কিবা খবৰ পাৱনে?

থানয'মাক জব্দ কৰিবলৈ আসাম ৰাইফলচৰ কামান্ড' চাৰিটাই আক্ৰমণ কৰাৰ সময়ত থানমইয়া সিহঁতৰ লগতে আছিল। তাৰ পাছত মানুহবোৰ কোন কেনি গ'ল ৰেমাই নাজানে। সিনো নিজে কেনেকৈ ছিংপুইহঁতৰ ঘৰ পালেগৈ তাকেই গম পোৱা নাছিল। সিহঁত পুনৰ ঘূৰি যোৱাৰ পাছত হেৰুৱা মানুহবোৰৰ খা-খবৰ কৰাইছিল। পিছে থানমইয়াৰ খবৰ আৰু পোৱা নহ'ল।

ৰেমাই তুৱাঙীৰ মুখলৈ চাই ক'লে–আছে চাগে ক'ৰবাত।

– এৰা জীয়াই থাকিলেই হয়। – তুৱাঙীয়ে ক'লে। – খুমীজনী সি যোৱাৰ পৰা কিবা হৈ গৈছিল। ফাদাৰ এজনে যেনিবা তাইৰ মনৰ শান্তি ফিৰাই আনিছে।

ৰেমাৰ অকলশৰীয়া খুমীজনীৰ কথা মনত পৰিল। তাইৰ মনটো থানমইয়াক লগ পোৱাৰে পৰা ৰঙিয়াল হোৱাৰ কথা সি জেলৰ পৰা আহি না-থীয়ালত থাকোতেই গম পাইছিল। কিন্তু সি আজিলৈকে থানমইয়া কি কাৰণে নো সিহঁতৰ দললৈ আহিল গম নাপালে। খুমীয়ে মনত আঘাত পোৱাটো স্বাভাৱিক। তুৱাঙীৰ কথা শুনি সি ক'লে– ফাদাৰেনো কি কৰিলে?

– তাইক ছিলঙত নাৰ্চৰ ট্ৰেইনিং দিয়াবলৈ লৈ গ'ল। এতিয়া বোলে ক'ৰবাত চাকৰি কৰে।

কথাষাৰ শুনি ৰেমাৰ ভাল লাগিল।

পিছদিনা দিনৰ দিনটো ৰেমা তুৱাঙীৰ ঘৰতে সোমাই থাকিল। সন্ধিয়া লগাত সি ছা-ঙীৰ ঘৰ পালেগৈ। ছা-ঙীৰ খোজ কাটল কথা-বতৰা বেছ সতেজ। তাইৰ গিৰিয়েক ৰ'ছাঙা জেলৰ পৰা ওলাবলৈ এতিয়াও দুবছৰ বাকী আছে। তথাপি তাই ভালেৰেই চলিছে। ছা-ঙীৰ ঘৰ আৰু দোকান লগ লগা। দোকানখনত ছা-ঙীয়ে চাহৰ উপৰি ভাত পানী খোৱাৰ ব্যৱস্থাও কৰিব পৰাকৈ ডাঙৰকৈ সাজি লৈছে। তাইক কামত সহায় কৰিবলৈ এটা ডেকা আৰু গাভৰু দুজনী আছে। দোকানখনৰ পিছফালেই তাইৰ থকা ঘৰটো। ৰেমা গৈ সেইখিনি পোৱাৰ অলপ পাছতেই তাৰ লগৰ গৰিলা দুটা ওলালহি। সিহঁতে খবৰ দিলে যে লম্‌কিমাই এই অঞ্চলত মিটিং কৰি গাঁওখনতে আছেহি। ৰেমাই কথাটো শুনিয়েই উ ছা-ঙক লম্‌কিমাক মাতি দিবলৈ ক'লে।

ৰেমাৰ কথা ইতিমধ্যে মানুহবোৰে জনা হৈছে। অন্ততঃ পাঠকৰ হত্যাকান্ডৰ লগত সি জড়িত বুলি মানুহবোৰে জানে। লম্‌কিমাই ৰেমাৰ কথা শুনিয়েই লগ পাবলৈ আহিল।

ৰেমাই কোনো ভূমিকা নোহোৱাকৈ লম্‌কিমাক ক'লে– কাপু! আপোনাৰ নিৰ্বাচনৰ খবৰ পাই আছো। এই সম্পৰ্কত মোৰ কিছু ক'ব লগীয়া আছে।

লম্‌কিমা সচকিত হ'ল। তেওঁ ক'লে– কচোন।

– গাঁৱে-ভূঞে দিয়া আপোনাৰ বক্তৃতাবোৰত এম এন এফ-ক আপুনি বাবে



বাৰে অভিযোগ কৰিছে। আমিয়েই হেনো অঞ্চলটোত হোৱা হিংসাত্মক কাৰ্যৰ বাবে দায়ী। সঁচানে?

লম্‌কিমাই শলাগিলে– সঁচা। মই পুনৰ কম যে–

– মই আপোনাৰ লেকচাৰ পুনৰ শুনিব নোখোজো। – ৰেমাই গহীনাই ক'লে। সি তাৰ নিজৰ কথাৰ সুৰত নিজেই আচৰিত হ'ল। তাকো লম্‌কিমাৰ আগত। লম্‌কিমা মনে মনে থকা দেখি সি উৎসাহিত হ'ল। ক'লে– কিন্তু এই সকলোবোৰৰ বাবে প্ৰথমতে আপোনালোকেই উচতোৱা নাছিলনে? আপোনাৰ পু-ভটৰ লগত আৰু নিশা আংপুই গাঁৱত পতা মিটিঙৰ কথা মনত আছেনে?

–সেইবোৰ আছিল আবেগিক উচ্ছ্বাস। কিন্তু প্ৰকৃত সত্য মই কেইবছৰমানৰ পাছতহে উপলব্ধি কৰিলো। মই আত্মসমৰ্পণ কৰিলো। মই বিদেশী শক্তিৰ হাতৰ পুতলা হৈ থাকিবলৈ ইচ্ছুক নহয়। এতিয়া তহঁতো– অলপ ৰৈ লম্‌কিমাই ক'লে– এতিয়া হয়তো তহঁতো বিদেশী শক্তিৰেই পুতলা। হিংসাত্মক কাৰ্যবোৰ তহঁতে কৰিলেও সিহঁতৰ বাবেহে–

লম্‌কিমাৰ কথা শুনি ৰেমাৰ ভীষণ খং উঠিল। সি অলপ ডাঙৰকৈয়ে ক'লে– পু লম্‌কিম!

লম্‌কিমা মনে মনে থাকিল।

ৰেমাই ক'লে– চাওক, আমি আমাৰ স্বাধীনতাৰ বাবে যুঁজিছো। আমি যি কৰিছো, নিজৰ কাৰণে, আমাৰ মিজো মানুহৰ অস্তিত্বৰ কাৰণে, ধৰ্ম সংস্কৃতি সুৰক্ষিত কৰিবৰ বাবে–

– কিন্তু কাৰ লগত? – লম্‌কিমাই প্ৰশ্ন কৰিলে।

– ইয়াৰ উত্তৰো আপোনাক দিব লাগিব নেকি?

– অঁ, মই ইয়াৰ উত্তৰ বিচাৰিছো।

ৰেমাই দৃঢ়ভাবে লম্‌কিমাৰ চকুলৈ চাই ৰ'ল। সি লম্‌কিমাই বিচৰা উত্তৰটো দিয়াৰ প্ৰয়োজন অনুভৱ নকৰিলে।

লম্‌কিমাই ক'লে– তোৰ ওচৰত থকা উত্তৰটো মই জানো। তই কবি ভাৰত চৰকাৰৰ বিপক্ষে। কিন্তু প্ৰকৃত প্ৰশ্ন হ'ল কোন এই চৰকাৰ? মই, মোৰ নিচিনা মানুহবোৰেই চৰকাৰ। তই মোৰ লগত, মোৰ নিচিনা মানুহবোৰৰ লগতহে আমাৰ স্বাধীনতাৰ বাবে যুঁজিছ। আৰু মই হাজাৰবাৰ কম নিজৰ ভিতৰত এই যুদ্ধৰ কোনো যুক্তি নাই। ই কোনো ধৰণৰ স্বাধীনতা আনিব নোৱাৰে।

– পাৰে। স্বাধীনতা আনিব পাৰে। – ৰেমাই ডাঙৰকৈ ক'লে। – আমি মানুহক আমাৰ ইচ্ছাৰে কাম কৰাব পাৰো। আমাৰ বিৰুদ্ধে উঠাবোৰক শান্ত কৰিব পাৰো।

ৰেমা বহাৰ পৰা উঠিল। সি লম্‌কিমালৈ দৃঢ়ভাবে চাই হাতৰ ষ্টেনগানটো বাওঁহাতেৰে জোৰেৰে চেপি ধৰি ক'লে– তাতোকৈ ডাঙৰ কথা, দৰকাৰ হ'লে মানুহৰ মুখ চিৰদিনৰ বাবে বন্ধ কৰিব পাৰো।

ছা-ঙী অলপ উদ্‌গ্ৰীৱ হ'ল। তাই ৰেমালৈ চাই ক'লে– ৰেমা, ৰ'বিচোন ৰ'বি। তই উত্তেজিত নহবি। পু-লম্‌কিমাই বেয়া কথাটো কোৱা নাই।

তাই ৰেমাক গাঁৱত নঙঠা অৱস্থাৰে লৰি ফুৰাৰে পৰা দেখিছে। সি যিমানেই ক্ৰুৰ হত্যাকাৰী নহওক লাগে, ছা-ঙীয়ে তালৈ ভয় নকৰে। ছা-ঙীয়ে তাক সুধিলে– মই তোক কথা এটা সোধো। তই বাৰু স্বাধীনতাৰ বাবে যুঁজিছ বুজিলো। মোক কচোন স্বাধীনতাৰ অৰ্থ কি?

প্ৰশ্নটো ৰেমাৰ বাবে নতুন নহয়। সি বিভিন্ন সময়ত বিভিন্ন মানুহৰ পৰা ইয়াৰ সন্মুখীন হৈছে। তথাপি প্ৰশ্নটোৰ সঠিক শেষ উত্তৰ তাৰ নাই। সি উত্তৰ নিদি সুধিলেহে– স্বাধীনতাৰ অৰ্থ তই নাজান?

– জানো নেজানো সেইটো কথা নহয়। তোৰ পৰা মই শুনিব বিচাৰিছো স্বাধীনতাৰ অৰ্থ কি? ছা-ঙীয়ে পুনৰ ক'লে।

– স্বাধীনতাৰ যুদ্ধ ইমান দিনে যুঁজিলো, স্বাধীনতাৰ কথা তই ইমান দিনে শুনিলি, এতিয়া আকৌ স্বাধীনতাৰ অৰ্থ কিয় বুজিব লগা হ'ল?

ছা-ঙীয়ে বুজি পালে ৰেমাই প্ৰশ্নটোৰ পৰা ফালৰি কাটিব খুজিছে। সি তাৰ উত্তৰ দিবলৈ ইচ্ছুক নহয়। তাই অলপ ৰৈ ক'লে– চা, মোৰ বাবে স্বাধীনতাৰ এটা বিশেষ অৰ্থ আছে। সমাজৰ হানি নোহোৱাকৈ মুকলি ভাবে চিন্তা আৰু কাম কৰিব পৰাটোৱেই মোৰ বাবে স্বাধীনতা। কাৰোবাৰ হুকুমত যদি ভাল নোপোৱা কাম কৰিব লগীয়া হয় মোৰ বাবে সেয়া হব পৰাধীনতা। স্বাধীনতাই মনৰ শান্তি দিয়াৰ লগতে আমাৰ সতি-সন্ততিৰ সুৰক্ষাও নিশ্চিত কৰি তুলিব লাগিব।

তাই অলপ ৰৈ পুনৰ ক'লে– তোক ইয়াকে ক'ব খোজো যে মোৰ এই এটাৰো বৰ্তমান অভাৱ নাই।

ছা-ঙীৰ কথা তিলমানো মিছা নহয়। তাই নিজে শান্তিৰে থকাৰ উপৰি পুতেক ৰিণঅ'মাক আইজ'লৰ কলেজ এখনত বিজ্ঞান পঢ়ুৱাইছে।

তাই ক'লে– মই এতিয়া যিখিনি পাইছো তাত ৰ'ছাঙাৰ বিন্দু মাত্ৰাও বৰঙণি নাই। মই নিজেই কষ্ট কৰিহে সকলো কৰিছো। মোৰ যি অনিষ্ট হৈছে, সেয়া মিলিটাৰীৰ বাবে নহয়, তহঁতে আৰম্ভ কৰা আন্দোলনৰ বাবেহে।

ছা-ঙীয়ে ৰেমাক কথা ক'বলৈ সুবিধা নিদিলে। তাই এইবাৰ অলপ কোমলকৈ ক'লে– গতিকে ৰেমা, তহঁতে এইবোৰ বাদ দে। আত্মসমৰ্পণ কৰ। আমাৰ লগত থাকহি আৰু গাঁৱৰ কাৰণে কাম কৰহি। আমাৰ কাৰণে আৰু দুখ চপাই নানিবি।

ৰেমায়েই নহয় লম্‌কিমায়েও ছা-ঙীলৈ অবাক হৈ চাই ৰ'ল। স্বাধীনতাৰ ধাৰণা তাইৰ মনত ইমান সহজ ভাবে আছে!

ৰেমাৰ লম্‌কিমাৰ ওপৰত উঠি অহা খংটো শাঁত পৰিল। সি উ ছা-ঙৰ কথা কোৱাৰ ধৰণ দেখি একেথৰে চাই আছিল। তাইৰ কথা শেষ হোৱাৰ কেইমুহূৰ্তমান পাছত সি অনুভৱ কৰিলে সি তাৰ কথাৰ আৰম্ভণিৰ সূত্ৰ হেৰুৱাই পেলাইছে। তাৰ লগৰ তলতীয়া গৰিলা দুটাৰ সন্মুখত সি অপদস্থ হৈ পৰাৰ উপক্ৰম হৈছে। সি ততাতৈয়াকৈ ক'লে– উ ছাঙ! তই এতিয়া যি খনি পাইছ সেইখিনিয়েই যথেষ্ট নহয়।

ৰেমাই কথাখিনি বেছ শ্ৰদ্ধাৰে ক'লে। সি কৈ গ'ল– আমি স্বাধীনতা আনিম। আমাৰ স্বাধীন সাৰ্বভৌম ৰাষ্ট্ৰত চাবি তোৰ নিচিনা তিৰোতাক আমি ক'ত স্থান দিওঁ। আমি ইয়াৰ বাবেই যুঁজ দি থাকিম।

কথাখিনি শেষ হোৱাৰ আগতে ষ্টেনগানটো ৰেমাই জোৰেৰে খামুচি ধৰি ওপৰলৈ উঠালে। সি বুজিবই নোৱাৰিলে ক'ৰ পৰা ইমান তৎপৰতাৰে কথাখিনি তাৰ মনলৈ আহিল। তাৰ নিজকে এসময়ৰ লম্‌কিমা অথবা থানয'মাৰ দৰে লাগিল।

তাৰ পাছত ৰেমাই লগৰ দুটাক যোৱাৰ ইংগিত দি লম্‌কিমালৈ চাই ক'লে– কাপু! মোৰ কথাখিনি যাতে মনত ৰাখে।

সিহঁত তিনিওটা অন্ধকাৰত নাইকিয়া হ'ল। লম্‌কিমাই ছা-ঙীলৈ চাই ৰ'ল।

*ক্ৰমশঃ*

# 'সীতা' আৰু 'দ্ৰৌপদী'ৰ প্ৰাসংগিকতা

দীপিকা বৰগোহাঁই

'ৰামায়ণ' চিৰিয়েলখন শেষ হোৱাৰ পৰ্যায়ত সীতাৰ পাতাল প্ৰবেশৰ দৃশ্য দেখি আমাৰ ঘৰতে বহি থকা এগৰাকী অশিক্ষিতা আদহীয়া মহিলাই কৈ উঠিল, 'ইমানখিনি সহ্য কৰিও ৰামৰ পৰা সীতাই এইয়া ব্যৱহাৰহে পালেনে? ভালেই হ'ল বসুমতী আইয়ে যে সীতা আইক লৈ গ'ল।' মানুহ গৰাকীৰ স্বতঃস্ফূৰ্ত সহজ সৰল এই মন্তব্যৰ আঁত ধৰিয়েই এবাৰ 'সীতা' আৰু 'দ্ৰৌপদী'ৰ চৰিত্ৰ দুটাক চাব খুজিছো আবেগেৰে নহয়, সাধাৰণ জ্ঞানেৰে, যুক্তিৰে।

মাত্ৰ সাধাৰণ জ্ঞানৰ আঁধাৰতে ক'ব পৰা যায় ৰামক ধৰ্মীয় ভাবে অৱতাৰ ৰূপত অংকিত কৰিলেও এক অতি দুৰ্বল চৰিত্ৰ যি ৰাজনৰ ভূমিকাত নিজৰ ভাবমূৰ্তি কলুষিত হোৱাৰ ভয়ত এজনৰ আশা আকাংক্ষাক ধূলিসাৎ কৰিবলৈ পিছহোহকা নাই। কৃতঘ্ন এক চৰিত্ৰ যি সীতাৰ সেৱাৰ উচিত প্ৰতিদান দিব নোৱাৰিলে, যাৰ কাৰণে আক্ষেপ কৰি সীতাই বসুমতীক আশ্ৰয়ৰ কাৰণে মাতিব লগা হ'ল। অগ্নি পৰীক্ষা থলীত ইমানবিলাক ৰাইজৰ মাজৰ এজনো নোলালনে যি এনে কামৰ প্ৰতিবাদ কৰিব? 'ৰামৰাজ্য'ৰ অৰ্থই তেনেহ'লে এনে ৰাজত্ব য'ত এজনৰ দখলক (শুদ্ধয়েই হওক বা অশুদ্ধই হওক) বিনা দ্বিধাৰে মানি লোৱা হয়, এনে শাসন য'ত আদৰ্শৰ নামত স্বেচ্ছাচাৰিতাক উৎসাহ দিয়া হয়। গোটেই কথাবোৰ জুকিয়াই চালে দেখা যাব ৰামক এজন আদৰ্শবান পুৰুষ বনাবলৈকে লক্ষ্মণে উৰ্মিলাক প্ৰায় বাসৰ ঘৰতে এৰি আহিব লগা হ'ল, সীতায়ো পৰ্যায়ক্ৰমে বিভিন্ন পৰীক্ষাৰ সমুখীন হব লগা হ'ল। আন ব্যক্তিৰ আবেগ, অনুৰাগ, আকাংক্ষাক মষিমূৰ কৰি বিশেষ এজনৰ নিজ ইচ্ছাক পূৰণ কৰা কথাটোক কোনো কালৰ সমাজবিদে নিশ্চয় স্বীকাৰ কৰি নলব বা ভাল বুলি নকয়। কিন্তু ৰামায়ণত তাকে কৰা হৈছে। ৰামায়ণৰ যুগত কিবা কাৰণত সীতাৰ আৰু ৰামৰ এনে চৰিত্ৰৰ প্ৰাসংগিকতা থাকিলেও পৰৱৰ্তী কালত মানুহৰ চিন্তা শক্তিৰ কৰ্ষণৰ ফলত হোৱা পৰিৱৰ্তিত ধ্যান-ধাৰণাৰ পৰিপ্ৰেক্ষিতত এই প্ৰাসংগিকতা নোহোৱা হব লাগিছিল, কিন্তু নহ'ল। কাৰণ ধৰ্ম নামৰ এক পৰিবেষ্টনিয়ে এই ৰাজ পৰিয়ালটোৰ অগণতান্ত্ৰিক ক্ৰিয়া কৰ্মক এনেদৰে সামাজিক স্বীকৃতি দিলে যে যুগে যুগে ই মানুহক বিমুগ্ধ কৰি ৰাখিব, এক ৰাগিত মতলীয়া কৰি ৰাখিব। ধৰ্মৰ ক্ষেত্ৰত মানুহ আটাইতকৈ দুৰ্বল আৰু এই দুৰ্বলতাক সাৰ পানী দিয়েই আজিও ৰামক আদৰ্শ পুৰুষ ৰূপে আমি মানি আছো, আজিও 'ৰামৰাজ্য' আমাৰ কাৰণে 'এল-ডৰেডো'। মহাত্মা গান্ধী, বিনোৱাজীৰ নিচিনা মহান ব্যক্তিয়েও কুৰি শতিকাত 'ৰামৰাজ্য' ৰচনা কৰাৰ আঁচনি গ্ৰহণ কৰে।

দ্ৰৌপদী পঞ্চপতিকা হ'লেও 'সতী'। 'সতী' শব্দটোৰ অৰ্থ যুগ সাপেক্ষ আৰু সমাজ সাপেক্ষ। ইয়াৰ বিশ্বজনীন আৰু চিৰন্তন ধাৰণা এটা আমি দিব নোৱাৰো। সেয়েহে সতী শব্দটোৰ ধাৰণাটোকে আঁতৰাই এগৰাকী নাৰী ৰূপে ৰাজসভাত দ্ৰৌপদীক যদি চাওঁ দেখিম– দুঃশাসনে চুলিত ধৰি একবস্ত্ৰা দ্ৰৌপদীক টানি আনি সকলোৰে আগলৈ গতামাৰি দিছে 'মহাভাৰত' চিৰিয়েলৰ দৃশ্যটোলৈ মনত পেলাওক। দ্ৰৌপদী কিন্তু কান্দিকাটি ভাঙি পৰা নাই। চকুত যেন একুৰা জুই লৈ ভীষ্ম, দ্ৰোণ, বিদুৰ প্ৰভৃতি বয়োজ্যেষ্ঠজনক প্ৰশ্ন কৰিছে–

১। যুধিষ্ঠিৰে যদি দাসত্বই স্বীকাৰ কৰিছে তেন্তে দ্ৰৌপদীক পণ ৰাখি দ্বিতীয়বাৰ খেলাৰ অধিকাৰখিনি পালে ক'ত?

২। দ্ৰৌপদীক বেলেগে পণ ৰখা মানে দ্ৰৌপদীৰ বেলেগ স্থিতিক মানি লোৱা। এনেদৰে মানি ল'লেও যুধিষ্ঠিৰে দ্ৰৌপদীক এবাৰ সুধি চাব লাগিছিল।

কিন্তু ধৰ্মভীৰু যুধিষ্ঠিৰে স্ত্ৰীৰ স্থিতিক নগণ্য জ্ঞান কৰি পণ ৰাখি দ্ৰৌপদীক অপমান, লাঞ্ছনাৰ মাজলৈ আগবঢ়াই দিলে। দ্ৰৌপদীৰ প্ৰশ্নৰ যথাযথ উত্তৰ ভীষ্ম, বিদুৰে দিব নোৱাৰিলে, যদিওবা দিছিল সেইয়া এনে পৰিস্থিতিত অন্তঃসাৰশূন্য। 'সতী'ৰ সাজ পিন্ধোৱা লাঞ্ছিতা, ভাৰতীয় নাৰীৰ এয়া ভীষ্ম, বিদুৰলৈকে কৰা প্ৰশ্ন নহয়, ভাৰতীয় সমাজলৈ কৰা প্ৰশ্ন। এই প্ৰশ্ন যুগে যুগে আহি আছে আৰু আহিবই। প্ৰণালীবদ্ধ ভাবে কৰা নাৰীৰ নিৰ্যাতনৰ প্ৰতিবাদ একপক্ষীয় ভাবে কৰিলে সীতাই বসুমতীত আশ্ৰয় লৈ আৰু দ্ৰৌপদীয়ে কৰিলে ৰাজসভাত। কিন্তু ৰামায়ণ বা মহাভাৰতৰ ঘটনাৰ পৰৱৰ্তী কোনো পৃষ্ঠাতে এই দুজন ৰাজনৰ চৰিত্ৰৰ এই দিশটো নুচুলেই।

ভাৰতৰ মাটিত এই কাহিনীক আজিও আমি জীয়াই ৰাখিছো বুঢ়ীমাকে নাতিয়েকক কোৱা কাহিনীৰ মাজেৰে, স্বামী গৃহলৈ যাবৰ সময়ত সেৱা কৰোতে কোনোবা জ্যেষ্ঠাই কনিষ্ঠাক এইদৰে আশীৰ্বাদ দি 'সীতাৰ দৰে পতিব্ৰতা হোৱা'। আজিৰ ব্যক্তি স্বতন্ত্ৰতাক মূল্য দিয়া সমাজ ব্যৱস্থাত ধৰ্মৰ এই ৰাজন দুজন কিমান প্ৰাসংগিক আৰু সীতা-দ্ৰৌপদীৰ নিৰ্যাতনেইবা কিমান যুক্তিসংগত?

ধৰ্মৰ ধাৰণাটোক আমি ইমান সীমাবদ্ধ কৰি পেলাইছো যে ধৰ্ম এতিয়া ৰৈছেগৈ মাত্ৰ (ক) অবৈজ্ঞানিক কিছুমান পৰম্পৰাগত নিয়মক যান্ত্ৰিক ভাবে পালন কৰাত (খ) তিৰোতাৰ ক্ষেত্ৰত স্বামীক ন্যায় অন্যায়ৰ ঊৰ্দ্ধত ৰাখি সেৱা সৎকাৰ কৰাটোত। কিন্তু স্বামীও যে স্ত্ৰীৰ দৰেই দোষ গুণ সম্পন্ন এজন ব্যক্তি তাক আমাৰ সাধাৰণ জ্ঞানে দেখুৱাই নিদিয়ে। প্ৰকৃত ধৰ্মই কিন্তু এই সাধাৰণ জ্ঞানকেই গুৰুত্ব দি কৈছে– 'সকল প্ৰাণীক দেখিবেক আত্ম-সম' হিন্দু ধৰ্মই অৱতাৰ ৰূপে গ্ৰহণ কৰা বুদ্ধদেৱৰ ধৰ্মতো কোৱা হৈছে–"Kindness to servants and underlings, respect to these deserving of respect; self control coupled with kindness in dealing with living creatures, these and virtuous deeds of like nature are verily the rites that are everywhere to be performed" (Indian philosophy by Radhakrisna) Vol I







# শীতল পানী আৰু পানীয়ৰ কথা

নিজৰা ভৰালী

গৰমৰ দিনকেইটাত আপোনাৰ ল'ৰা-ছোৱালীয়ে কল্ড ড্ৰিংকচ আইচক্ৰীম খাবলৈ বিচাৰি নাথাকে নে বাৰু? স্কুলবিলাকৰ আগতো বিভিন্ন ৰঙৰ পানীয় আৰু চেনি আৰু পানী মিহলাই ৰঙদি কৰা সস্তীয়া আইচক্ৰীমেৰে ভৰি থাকে। সৰু ল'ৰা-ছোৱালীৰ এইবোৰ দেখিলে খাবৰ মন যাবই। এইবোৰ খালে যে অপকাৰ কৰিব পাৰে, সেই বিষয়ে তেওঁলোকক সৰুৰে পৰা শিকাব লাগে।

বেছিকৈ চৰবত জাতীয় পানীয় খাই থকাতকৈ পানী খোৱাটোহে স্বাস্থ্যৰ বাবে বেছি উপকাৰী। অন্ততঃ ১০/১২ গিলাছ পানী খাব পাৰিলে ভাল। কমকৈ পানী খোৱাৰ ফলত নানা ধৰণৰ কিড্‌নীৰ অসুখো হ'ব পাৰে।

বহুত মানুহে চৰবতৰ দৰে ইলেকট্ৰল খাই থাকে। স্বাভাৱিক অৱস্থাত দৈনন্দিন হিচাপত খোৱা বোৱা কৰি থাকিলে ইলেকট্ৰল খাই থকা উচিত নহয়। পেটৰ অসুখ হৈ ডিহাইড্ৰেশ্যন অৰ্থাৎ শৰীৰৰ পৰা প্ৰচুৰ পানী ওলাই গলেহে ইলেকট্ৰল খাব লাগে। গ্লুকন ডি আৰু চি গৰমত আৰু খেলাৰ পিছত পানীৰ লগত মিহলাই খালে শক্তি পোৱা যায়। ডাবৰ পানীও স্বাস্থ্যৰ বাবে উপকাৰী। ইয়াত কেবাবিধো পৰিপোষক আৰু ভিটামিন থাকে।

গৰমত ফ্ৰিজৰ পানী খাই ভাল লাগে। ফ্ৰিজ নাথাকিলে মাটিৰ কলহ বা কুজাত পানী থলেও পানীখিনি ঠান্ডা হৈ থাকে। বেছি গৰমত মাটিৰ পাত্ৰটোত এখন তিতা কাপোৰ মেৰিয়াই থলে পানীখিনি বহুত সময়লৈ ঠান্ডা হৈ থাকে। কাপোৰখন শুকাই গলে আকৌ তিয়াই দিব লাগে।

প্ৰচন্ড গৰমত শৰীৰৰ ক্লান্তি আৰু পিয়াহ দূৰ কৰি আনন্দ দিবৰ বাবে ঠান্ডা পানীয়ৰ সৈতে আন একোৱে ফেৰ মাৰিব নোৱাৰে। পানীত অকণমান নিমখ দি খালে বহুখিনি অৱসাদ দূৰ হোৱা যেন লাগে। অলপ চেনি দি নেমু চেপি খালেতো কথাই নাই। এইদৰে খালে চি ভিটামিনো খোৱা হয়।

নেমুৰ চৰবত কৰি খুওৱাৰ বাহিৰে লেমন চিৰাপ বনাই থৈ দিব পাৰো। আলহী আহিলে বা ল'ৰা-ছোৱালীক লৰালৰিকৈ তাৰে এগিলাচ দিব পাৰো। লেমন চিৰাপ বনাবলৈ হলে নেমুৰ ৰস আধা লিটাৰ, পাতি নেমুৰ বাকলি ৫০ গ্ৰাম, পৰিষ্কাৰ চেনি ১ কেজি লাগে। পাতি নেমু বুলিলে পাতল বাকলিৰে সৈতে বেছি ৰস থকা ঘূৰণীয়া নেমুটোৰ বাকলি লব লাগে। প্ৰথমে নেমুৰ ৰসৰ লগত বাকলিখিনি গ্ৰেট কৰি কম জুইত কিছু সময় সিজাওক তাৰ পিছত চেনিৰ ৰস কৰি তাত অলপ সময় সিজাওক। অলপ ডাঠ হলে চাকি বটলত ভৰাই থওক। খাবৰ সময়ত পানী মিহলাই দিব। কমলা টেঙা আৰু মৌচাম্বীৰেও চৰবত কৰিব পাৰি। গৰম কালি কমলা টেঙা পোৱা নাযায় আৰু আমাৰ ইয়াত ভাল মৌচাম্বীও পোৱা নাযায়। বেলৰ চৰবত শৰীৰৰ বাবে বৰ উপকাৰী। পকা বেলটো খচি পানীত কিছু সময় তিয়াই থব লাগে পিছত চেকি তাত অলপ নেমুৰ ৰস আৰু নিমখ অকণমান দি থাকিলে বৰফৰ টুকুৰা দি ঠান্ডাকৈ পৰিবেশন কৰক। তৰমুজৰ চৰবতঃ পকা তৰমুজৰ গুটিবোৰ উলিয়াই হাতেৰে বা মিক্সিত দি ৰস উলিয়াই লওক। চেনি আৰু পানী দিয়ক। ইচ্ছা হলে ইলাচিৰ গুড়ি আৰু গোলাপ জলো দিব পাৰে। বৰফৰ টুকুৰা দি পৰিবেশন কৰক। এতিয়া প্ৰচুৰ পৰিমাণে কৰ্দৈ আনাৰস আদি পোৱা যায়। এইবিলাক ফলৰো ৰস উলিয়াই পানী আৰু চেনি মিহলাই চৰবতৰ দৰে পৰিবেশন কৰিব পাৰে।

গৰমকালিৰ আৰু এবিধ উপাদেয় বস্তু হৈছে লাচ্ছি। ল'ৰা-ছোৱালীয়ে কেতিয়াবা গাখীৰ বা দৈ খাব নোখোজে। দৈখিনিত কম পৰিমাণে পানী, অকণমান চেনি আৰু সামান্য নিমখ দি চামুচ বা মিক্সিত দি ভালদৰে ফেটক। ঠান্ডাকৈ পৰিবেশন কৰিলে ল'ৰা-ছোৱালীয়ে নোখোৱাকৈ নাথাকে।

আম বেছিকৈ পকিলে এনেয়ে খাব ভাল নালাগিলে মেংগশেক বনাই খুৱাব পাৰে। আমৰ ৰস উলিয়াই ঠান্ডা গাখীৰৰ লগত মিহলাই, প্ৰয়োজন হলে অলপ চেনি দি খাবলৈ দিয়ক।

আজিকালি বজাৰত বিধেবিধে আইচক্ৰীম ওলাইছে। এইবোৰ সদায় কিনি খোৱা সম্ভৱো নহয়। আমিও সামগ্ৰীবোৰ পালে ঘৰতে ল'ৰা-ছোৱালীৰ লোভনীয় নানাবিধ আইচক্ৰীম তৈয়াৰ কৰিব পাৰো। বজাৰতো নানাধৰণৰ আইচক্ৰীম পাউদাৰ কিনিবলৈ পোৱা যায়। বহুতৰে ঘৰত আজিকালি ফ্ৰিজ থাকে, তেওঁলোকৰ বাবে আইচক্ৰীম বনোৱাত অসুবিধা একো নাই। কাষ্টাৰ্ড আইচক্ৰীমঃ আধা লিটাৰ গাখীৰত ২ টেবুল চামুচ কাষ্টাৰ্ড পাউদাৰ, ৭ টেবুল চামুচ চেনি, কণী ১ টা, ১ টেবুল চামুচ জিলেটিন, কেইটোপালমান ভেনিলা এছেন্স লব। আধাকাপ গৰম গাখীৰত জিলেটিনখিনি মিহলাই থব। কাষ্টাৰ্ড পাউদাৰ আৰু চেনি অকণমান ঠান্ডা গাখীৰত ভাল দৰে মিহলাব। কণীটোও দি ভাল দৰে মিহলাওক। বাকীখিনি গাখীৰ জুইৰ ওপৰত দি উতলাওক। যেতিয়া কিছু ডাঠ হ'ব নমাই ঠান্ডা হ'ব দিয়ক আৰু ঠান্ডা হলে জিলেটিন মিহলি গাখীৰ আৰু ভেনিলা কেইটোপালমান মিহলাই দি ডিপ ফ্ৰিজত থৈ দিয়ক। যেতিয়া প্ৰায় টান হবলৈ ধৰিব, উলিয়াই এডাল কাঠৰ চামুচ বা কাটা চামুচেৰে আকৌ ভালদৰে লৰাই কোমল কৰি ফ্ৰিজত থৈ দিয়ক।

জলী আইচক্ৰীমঃ কনী ২টা, ডেৰ কাপ ক্ৰীম বা গাখীৰৰ সৰ ৩ টেবুল চামুচ চেনি, গাখীৰ ডেৰ লিটাৰ। কণীৰ বগা অংশ বেলেগে ফেটি লওক। গাখীৰখিনি ঘন কৰি ঠান্ডা হলে তাত কণীৰ কুহুম আৰু চেনি দি কাষ্টাৰ্ড তৈয়াৰ কৰক। তাৰ পিছত কণীৰ বগা অংশতো চেনি দি ফেটক, ইয়াৰ পিছত ক্ৰীম বা সৰ ভাল দৰে ফেটি তাত কাষ্টাৰ্ড, কণীৰ বগা অংশ ভেনিলা দি ফ্ৰিজত থৈ দিয়ক। এইবোৰ আইচক্ৰীমত ড্ৰিংকিং চকলেট বৰ্নভিটা কফি ইত্যাদি মিহলাই কৰিব পাৰি। নানাবিধ ফলেৰেও আইচক্ৰীম কৰিব পাৰি। আমাৰ আইচক্ৰীম কৰিবলৈ হলে পকা আম আধা কেজি গাখীৰ ডেৰ লিটাৰ ক্ৰীম ১ কাপ লব লাগিব। আমৰ বাকলি গুচাই ৰস উলিয়াই লওক, গাখীৰ চেনি মিহলাই গৰম কৰি ঘন কৰি ঠান্ডা কৰক। তাৰ পিছত আমাৰ ৰস মিহলাই ফ্ৰিজত থওক। যেতিয়া প্ৰায় ঘন হৈ আহিব উলিয়াই, ভাল দৰে ফেটোৱা ক্ৰীম মিহলাই আকৌ ফ্ৰিজত চেট হবলৈ থৈ দিওক।

# প্ৰকৃতি ইতিহাস জীৱন উৎসৱ

## আৰু অসম



যি সকলে ভ্ৰমণ কৰি ভাল পায়, তেওঁলোকৰ বাবে নহয়। যি সকলে কিতাপ পঢ়ি জানিব খোজে, তেওঁলোকৰ বাবেও নহয়। যি সকলে খাদ্যৰ মাজেদি বিচাৰি যায় তেওঁলোকৰ বাবেও নহয়। যি সকলে আৱিষ্কাৰ কৰিব খোজে, কেৱল তেওঁলোকৰ বাবে ১৯৯১ আৰু অসম

১৯৯১ মানেই পৰ্যটন বৰ্ষ।

আৰু অসম বুলিলেই অতুলনীয় প্ৰকৃতি, আপুৰুগীয়া বন্যপ্ৰাণী, প্ৰাচীন মঠ মন্দিৰ, মূৰ্তি কলা, স্থাপত্য চিত্ৰ শিল্প মুঠতে প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ। ভাষা আৰু সাজ-পাৰে মোহনীয় কৰি তোলা বিভিন্ন জনগোষ্ঠীৰ মানুহ, সহজ সৰল অথচ আপোচহীন।

সুৰ আৰু নৃত্যৰ তালে তালে মুখৰ হৈ পৰা বাৰেবৰণীয়া উৎসৱ অৰ্থাৎ অসম, যাৰ সমান কোনো নাই, তুলনাহীন পূৰাভূমি।

বিতং তথ্যৰ বাবে যোগাযোগ কৰক:

**সঞ্চালক, পৰ্যটন বিভাগ, অসম চৰকাৰ**

ষ্টেচন ৰোড, গুৱাহাটী- ৭৮১০০১

ফোন: ২৪৪৭৫, ২৭১০২ আৰু ৩১০২২

ASSAM TOURISM


CKDISCD